1987-88

# নগাঁও ছোৱালী কলেজ আলোচনী

নৱম সংখ্যা ১৯৮৭-৮৮ খ্ৰীঃ



সম্পাদিকা
তুলিকা শইকীয়া

নগাঁও ছোৱালী কলেজ

# আলোচনী

... ... ... ... ... ... ... ... ... ... লৈ

আগ বঢ়ালোঁ। শ্ৰদ্ধাৰে/প্ৰীতিৰে—

... ... ... ...

আলোচনী সম্পাদিকা

॥ ১৯৮৭-৮৮ চন ॥

87-88

NOWGONG GIRL'S COLLEGE LIBRARY
ACC No
Date ......
NOWGONG (ASSAM)

তত্ত্বাবধায়ক
অধ্যাপক শ্ৰীকৃষ্ণ বৰা

সম্পাদিকা
তুলিকা শইকীয়া

## নগাঁও ছোৱালী কলেজ

# আলোচনী

নৱম প্ৰকাশ ঃ নৱম সংখ্যা

॥ ১৯৮৭-৮৮ চন ॥

87-88

NOWGONG GIRL'S COLLEGE LIBRARY
ACC No
Date
NOWGONG (ASSAM)

তত্ত্বাৱধায়ক
অধ্যাপক শ্ৰীকৃষ্ণ বৰা

সম্পাদিকা
তুলিকা শইকীয়া

NOWGONG GIRLS' COLLEGE MAGAZINE : A collection of Essays, Poems, Short-stories, etc, Published by B. Borah, Principal, Nowgong Girls' College : Edited by Tulika Saikia. Printed at SUCHANDA PRESS, Nagaon : Assam.

**নগাঁও ছোৱালী কলেজৰ**

**আলোচনী সম্পাদনা সমিতি ১৯৮৭-৮৮**

১। শ্ৰীবিমল কুমাৰ বৰা, অধ্যক্ষ
২। শ্ৰীতৰু বৰুৱা, (উপাধ্যক্ষ)
৩। শ্ৰীভানু পদ্মাপতি, (অধ্যাপিকা) সদস্যা
৪। শ্ৰীহিমাদ্ৰি দেৱী, ,, ,,
৫। শ্ৰীকৃষ্ণ বৰা, (তত্বাৱধায়ক) সদস্য
৬। শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা, (অধ্যাপক) ,,
৭। শ্ৰীঅপূৰ্ব শৰ্মা ,, ,,
৮। শ্ৰীপ্ৰভাত বৰা ,, ,,
৯। শ্ৰীস্বপ্না নেওগ, (অধ্যাপিকা) সদস্যা
১০। শ্ৰীঅঞ্জু বেজবৰুৱা, সাধাৰণ সম্পাদিকা
১১। শ্ৰীতুলিকা শইকীয়া, আলোচনী সম্পাদিকা

বেটুপাতৰ শিল্পী—

আৰাধনা ভূঞা

মুদ্রন ঃ সুছন্দা প্ৰেছ, নগাঁও ঃ অসম

## শুভেচ্ছা-বাণী

নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীসকলে মোক সদায় এটি শুভেচ্ছা-
বাণী খোজে, এই মহাবিদ্যালয়খনলৈ মোৰ শুভেচ্ছা-বাণী সদায় আছে।
তোমালোকৰ আলোচনীখন যেন তোমালোকৰ নতুন নতুন লিখনিৰে সৰ্বাঙ্গ-
সুন্দৰ কৰি সজাই তুলিব পাৰা ইয়াকে মই কামনা কৰিলোঁ।

বৰ্ত্তমান সমাজত যিটো বিশৃঙ্খলতাৰ সৃষ্টি হৈছে সেয়াও তোমালো-
কৰ বলিষ্ঠ লিখনিৰেহে শৃঙ্খলা আনিব পাৰিবা।

ইয়াকে অন্তৰেৰে সৈতে মই ছাত্ৰীসকলক আশীস্ দিছোঁ। এই
আলোচনী কলেজ হোৱা দিন ধৰি নানান আৰ্থিক সঙ্কট স্বত্বেও ওলাই আছে।

তোমালোক সুন্দৰ ভাৱে গঢ় লৈ উঠিলে সেয়ে আমাৰ শান্তি। তোমা-
লোকে বুদ্ধিখিনি খটুৱাই আলোচনীখন সুন্দৰ কৰি তোলা যেন— এয়ে মোৰ
কামনা।

আজিও মই তোমালোকলৈ অন্তৰ-ভৰা আশীৰ্ব্বাদ দিছোঁ আৰু
শুভেচ্ছা জনাইছোঁ।

আশীৰ্ব্বাদেৰে—

**শ্ৰীমহেশ চন্দ্ৰ দেৱগোস্বামী**

# সূচীপত্র


★ তত্ত্বাৱধায়কৰ একাষাৰ

★ সম্পাদকীয়

**প্ৰবন্ধ** ঃ মনু আৰু নাৰী ॥ ১ ॥ ড০ মুকুন্দ মাধৱ শৰ্মা ০ অৱনমিত ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক আৰু পাৰিপাৰ্শ্বিকতা ॥ ৪ ॥ শ্ৰীমতী আল্পনা চৰকাৰ ডেকা ০ লা নুই বেঙ্গলী আৰু ন হন্যতে ( এটি পৰ্য্যালোচনা ) ॥ ৯ ॥ শ্ৰীঅদিতি ভূঞা ০ হালৰাই হালোৱা ঘৰলৈ নেযাবা ॥ ১৪ ॥ শ্ৰীদীলিপ কুমাৰ মেধি ০ কবি দুৰ্বা আৰু তেওঁৰ কাব্য প্ৰতিভা ॥২৪॥ দীপা হাজৰিকা ০ সতীদাহ প্ৰথাৰ পুনৰ উদ্‌গীৰণ ॥ ৩১ ॥ শ্ৰীমৃনালিনী বৈদ্য ০ মোৰ ভ্ৰমণৰ অভিজ্ঞতা ॥ ৩৩ ॥ শ্ৰীচয়নিকা শৰ্মা ০ সমাজ সংস্কাৰক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ॥ ৪০ ॥ শ্ৰীমৃণালিনী শইকীয়া ০ বাপকোঁৱৰৰ বাপ কথা ॥ ৪৩ ॥ শ্ৰীমালবিকা সাস ০ জাতীয় আৰু সাম্প্ৰদায়িক সম্প্ৰীতিত গান্ধীজী ॥ ৪৭ ॥ শ্ৰীৰঞ্জিতা ফুকন ০ সাহসী সাংবাদিক শ্ৰীকীৰ্ত্তিনাথ হাজৰিকা ॥ ৫১ ॥ শ্ৰীবাসৱী বৰুৱা ০ অসমীয়া ভাষা-সাহিত্যত ভট্টদেৱৰ অৱদান ॥ ৫৫ ॥ শ্ৰীলাৱণ্য বৰা ।

**কবিতা** ঃ এ হেপি নিউ ইয়েৰ ॥ ৬১ ॥ শ্ৰীমতী হিমাদ্ৰি দেৱী ০ আমাৰ গান ॥ ৬২ ॥ কবিতা ৰাণী দাস ০ প্ৰতিচ্ছবিবোৰ এতিয়া ফচিল হ'ল ॥ ৬৩ ॥ অমৰজ্যোতি কৌৰ ০ চিৰন্তন ॥ ৬৪ ॥ শ্ৰীৰুমী লস্কৰ ০ শাশ্বত ॥ ৬৫ ॥ শ্ৰীমতী মণিকুন্তলা ফুকন (ভট্টাচাৰ্য্য) ০ এটি চগাৰ মৃত্যু ॥ ৬৬ ॥ শ্ৰীকুলেন শইকীয়া ০ এটি কবিতা ॥ ৬৬ ॥ গায়ত্ৰী বৰা ০ এটি ॥ ৬৭ ॥ কুমাৰী ৰুবী বৰা ০ এটি গীত ॥ ৬৭ ॥ ৰীতা বৰা ০ লুইত, কপিলী আৰু অসম ॥ ৬৮ ॥ শ্ৰীহিৰণ ফুকন ০ মোৰ হৃদয় ॥ ৬৯ ॥ শ্ৰীমিতালী দাস ০ কাল বৰযুণ ॥ ৭০ ॥ শ্ৰীমৃণালিনী শইকীয়া ০ তোমালোকলৈ ॥ ৭০ ॥ মিচ্‌ মফ্‌ৰুজা আলম ০ বহাগৰ প্ৰথম

**কথা-কবিতা** ঃ তেওঁ আৰু মই ॥ ৭১ ॥ শ্ৰীমহিম বৰা ০ কুমটিৰ চিঠি কেচুলৈ ॥ ৭২ ॥ শ্ৰীতুলিকা শইকীয়া ০

**গল্প** ঃ সৌন্দৰ্য্য ॥ ৭৩ ॥ চৈয়দা হাজৰিকা ০ ধূপশিখা ॥ ৭৬ ॥ বিউটি শইকীয়া ০ অন্তঃস্ৰোতা ॥ ৮১ ॥ শ্ৰীবিভা বৰা ০ ছিন্নতাঁৰ ॥৮৭॥ শ্ৰীগায়ত্ৰী বৰা ০ এজন অশ্বাৰোহীৰ যাত্ৰী ॥৯০॥ শ্ৰীপাপৰি লস্কৰ ০ কঠগড়া ॥ ৯৪ ॥ শ্ৰীৰুবা ফুকন ০ হাঁহি ॥ ১০০ ॥ শ্ৰীৰুমী লস্কৰ ০


**প্ৰশ্নোত্তৰ** ঃ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কে প্ৰশ্ন ঃ ॥ ১০৩ ॥ ড° মহেশ্বৰ নেওগৰ উত্তৰ ০ কবি আৰু কবিতা ॥ ১০৮ ॥ শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱৰ উত্তৰ ০ ॥ ১০৯ ॥ কবি চুজাউদ্দিন আহমেদৰ উত্তৰ ০ প্ৰেয়ৰ মাজেৰে শ্ৰেয়ৰ সন্ধান ॥ ১১৩ ॥ শ্ৰীহিতেশ ডেকাৰ উত্তৰ ০ ড০ নগেন শইকীয়াৰ লগত এখন্তেক ॥ ১১৬ ॥ বয়োজ্যেষ্ঠ কলেজ কৰ্মচাৰী শ্ৰীবলিৰাম হাজৰীকা ॥ ১২০ ॥ শ্ৰীগায়ত্ৰী বৰা ০

**ভিন্নসুৰী মতামত** ঃ যুৱ-সমীক্ষা ॥ ১২৩ ॥

**সম্পাদিকাৰ প্ৰতিবেদনসমূহ** ॥ ১৩৫ ॥

**ENGLISH SECTION : The Diatectie Materialistic Theory and Man** ॥ 1 ॥ **Gayatree Bora O The Faith of Kabir** ॥ 4 ॥ **Prof. M. Bora O Again** ॥ 7 ॥ **N. Sarma O Rajasthani Dish** ॥ 8 ॥ **S. Goyanka.**


## সম্পাদনা সমিতি



বাওঁফালৰ পৰা (বহি)—অধ্যাপক মহেন্দ্ৰ নাথ শইকীয়া, অধ্যাপক অপূৰ্ব শৰ্মা, অধ্যাপক কৃষ্ণ বৰা, অধ্যক্ষ বিমল কুমাৰ বৰা, উপাধ্যক্ষা তৰু বৰুৱা, অধ্যাপিকা হিমাদ্ৰী দেৱী, অধ্যাপিকা ভানু পদ্মাপতী, অধ্যাপিকা স্বপ্না নেওগ ।

বাওঁফালৰ পৰা ( থিয় হৈ ) শ্ৰীতুলিকা শইকীয়া ( আলোচনী সম্পাদিকা ), অঞ্জু বেজবৰুৱা ( সদস্যা )

ফটোত অনুপস্থিত—অধ্যাপক যোগেন্দ্ৰ নাৰায়ণ ভুঞা, অধ্যাপক প্ৰভাত বৰা ।



ড° জ্যোতি চক্ৰবৰ্ত্তী

নগাওঁ ছোৱালী কলেজৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক শ্ৰীজোতি চক্ৰবৰ্ত্তী ১৯৮৮ চনত পি-এইচ-ডি ডিগ্ৰী লাভ কৰিছে।



নগাওঁ ছোৱালী কলেজৰ শ্ৰেষ্ঠ নাট্যদল ঃ

বহি বাওঁফালৰ পৰা—
—শ্ৰীৰবী বৰুৱা, কুঁৱলী ভূঞা ( শ্ৰেষ্ঠা অভিনেত্ৰী )
থিয় হৈ বাওঁফালৰ পৰা—
—চুলতানা চৈয়েদা হাজৰিকা, ডেইজী ভূঞা।

# তত্ত্বাৱধায়ক অধ্যাপকৰ একাষাৰ ঃ

বৰ্ত্তমান যুগটো বিশ্বৰ বুকুত সকলো দিশতে প্ৰগতি আৰু উন্নতি সাধনৰ যুগ। ধৰ্ম, দৰ্শন আৰু আধ্যাত্মিকতাই বৰ্ত্তমান গৌণস্থান লাভ কৰি ভোগ-লাহ-বিলাহৰ বস্তুবাদী জগতখনে দ্ৰুত পদপেক্ষেৰে আগুৱাই গৈছে। সকলো দিশতে প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ দোলনাত উঠি প্ৰত্যেকখন ৰাষ্ট্ৰই বিশ্বৰ বুকুট নিজৰ প্ৰতিপত্তি প্ৰতিষ্ঠা কৰিবলৈ উদ্যত হৈছে; চকুত চমক লগাইছে। সাহিত্য-শিল্প-সংস্কৃতিৰো উন্নতি সাধন কৰি কৰ্মব্যস্ত জগতখনৰ মনৰ খোৰাক দিবলৈ চেষ্টা কৰিছে। ই বৰ সুখৰ কথা হৈছে। প্ৰাচীন গৌৰৱ-বিমণ্ডিত ভাৰতবৰ্ষইও প্ৰতিযোগী ৰাষ্ট্ৰ হিচ বে বিশ্বত নিজৰ স্থান লবলৈ যত্নৰ ক্ৰুটী কৰা নাই। ভাৰত যুক্তৰাষ্ট্ৰৰ অন্য ৰাজ্যসমূহে সকলো দিশতে উন্নতি লাভ কৰিছে। কিন্তু ভাৰতৰ নুমলী জীয়ৰী অসমে সীমান্ত প্ৰহৰী হৈ বুকুত এশ-এবুৰি সমস্যা ভাৰ বান্ধি কোনো দিশতে চকুত লগাকৈ উন্নতি কৰিব পৰা নাই। ধৰ্ম-আধ্যাত্মিকতাতো পিছ পৰি গৈছে, সাহিত্য-সংস্কৃতিতো উন্নতি কৰিব পৰা নাই আক বস্তুবাদী জগতখনৰ লগত মিলিবলৈ মাত্ৰ পৰৰ বস্তুকে নিজৰ বস্তু বুলি লৈ আধুনিক জগতৰ মানুহ বুলি পৰিচয় দিবলৈ প্ৰস্তুত হৈছে। পৰৰ চাল-চলন, ৰীতি-নীতি, আদৰ্শ, সাজসজ্জা, আহাৰ-বিহাৰ অন্ধভাৱে আকোৱালী লৈ অসমীয়া সমাজ, জাতীয়ত্ব আৰু সভ্যতা-সংস্কৃতিৰ ৰৰভেটি বান্ধিব খোজা হৈছে। অসমৰ সভ্যতা-সংস্কৃতি বৰ লুইতৰ দৰেই প্ৰাচীন, বিচিত্ৰ আৰু গভীৰ। বিভিন্ন জাতি-উপজাতিৰ ভাল ভালখিনি গ্ৰহণ কৰিয়েই বৰ্ণাঢ্য অসমীয়া সংস্কৃতি গঢ় লৈছিল। বসন্ত ঋতুৰ সৌন্দৰ্য্য বঢ়াই দৰ্শকৰ মন-প্ৰাণ আহ্লাদিত কৰি বহাগ বিহুৰ আগজাননী দিয়া কপৌফুলৰ লেখীয়া আনৰ ভালখিনি গ্ৰহণ কৰাত আপত্তি কৰিব লগা নাই, মাথোন বিপদৰ কথা বঘুমলাৰ দৰে বিজতৰীয়া বৃক্ষ ৰোপণ কৰি নিজৰ মূলখিনিৰো যাতে সৰ্ব্বনাশ সাধন কৰা নহয়।

এনেবোৰ কথাৰ বাবে চকু দি দিক্‌দৰ্শন কৰাৰ দায়িত্ব হৈছে— বৰ্তমানৰ দেশৰ ধৰ্ম-সাহিত্যৰ কাণ্ডাৰীসকল, শিক্ষাবিদ বিদ্বৎমণ্ডলী, বুদ্ধিজীৱী শিক্ষিত বৰ্ত্তমানৰ নাগৰিকসকলৰ। এখন ৰাষ্ট্ৰ বা ৰাজ্যৰ ভৱিষ্যতৰ আশা ভাৰসাৰ স্থল ছাত্ৰ-শক্তিয়েই সকলোবোৰ সংস্কাৰৰ সংৰক্ষণ আৰু সম্প্ৰসাৰণ কৰাৰ গৰাকী। সেই বাবেই ছাত্ৰ হৈছে দেশৰ মেৰুদণ্ড স্বৰূপ-ভবিষ্যতৰ নাগৰিক।

এই ছাত্ৰ জীৱনটো হৈছে ছাত্ৰসকলৰ ভৱিষ্যত জীৱনৰ প্ৰস্তুতিৰ সময়। নিজ নিজ আশা-আকাঙ্খা অনুসৰি ছাত্ৰই বিভিন্ন কৰ্মৰ প্ৰতি প্ৰস্তুত হ'বলৈ চেষ্টা কৰে। কিন্তু প্ৰতি

কৰ্মক্ষেত্ৰতে যে শিক্ষাৰ প্ৰয়োজন এই কথা সকলোৱে স্বীকাৰ কৰে। ভাৰতৰ আৰ্য্য ঋষিসকলে "ছাত্ৰাণাম্‌ধ্যয়নং তপঃ" বুলি অধ্যয়নকেই একমাত্ৰ তপস্যাৰূপে গ্ৰহণ কৰিবলৈ নিৰ্দ্দেশ দিছে আৰু এই আদৰ্শ সকলো দেশ, কাল আৰু যুগৰ বুলি কৈছে। তপোধৰ্মী ভাৰতবৰ্ষই ইয়াৰ আদৰ্শৰ কথা তপস্যাৰ দৃষ্টান্তেৰে ব্যক্ত কৰিছে। কিন্তু অধ্যয়ন সফল হ'বলৈ তপস্যাৰ অন্তৰ্হিত উৎকৃষ্ট চাৰিত্ৰিক গুণ মনঃসংযোগ, আত্মনিয়ন্ত্ৰণ, শৃঙ্খলা, একাগ্ৰতা, নিষ্ঠা, সংকল্প যে অপৰিহাৰ্য্য এই কথা সৰ্বজন স্বীকাৰ্য্য। গতিকে অতীতৰ আৰ্য্য ঋষিৰ কথাষাৰৰ ব্যঞ্জনা দুই ধৰণৰ। প্ৰথমতে ছাত্ৰ জীৱনৰ অধ্যয়নেই সাৰবস্তু আৰু দ্বিতীয়তে সেই অধ্যয়ন ওপৰচকুৰা হৈ চালে নহ'ব তপস্যাৰ চকুৰে চাব লাগিব, তেতিয়াহে অধ্যয়নৰ পৰিপূৰ্ণ সাফল্য লাভ কৰিব পৰা যাব।

কিন্তু বৰ্ত্তমান ছাত্ৰ সমাজে প্ৰাচীন ঋষি বাক্য "ছাত্ৰানাম্‌ধ্যায়নং তপঃ" এই কথাষাৰৰ তাৎপৰ্য্য গ্ৰহণ কৰিব নোখোজে। ছাত্ৰৰ যুক্তি হৈছে কথা ফাঁকি সত্যযুগীয়া আৰু প্ৰগতি বিৰোধী। ইয়াৰ সত্যতা কেৱল ব্যাস, বাল্মীকি, যাজ্ঞবল্ক্য, পাণিনি, বোপদেৱ আদিতহে খাটে। ই মানুহক কেৱল কিতাপৰ পোক হ'বলৈহে শিকায়। একমাত্ৰ অধ্যয়নেই যি যুগত ছাত্ৰসকলৰ তপস্যা আছিল, সেই যুগলৈ পুনৰ উভতি যোৱাটো সম্ভৱ নহয় আৰু এই নিৰুদ্বেগ জীৱন যাত্ৰা আজি ইতিহাসৰহে সামগ্ৰী হৈ পৰিছে। আজিৰ যুগৰ মানুহ শত সমস্যাৰে জৰ্জ্জৰিত। সহস্ৰ জটিলতাৰ কুটিল বন্ধনে জীৱনৰ স্বচ্ছন্দ গতি পদে পদে ব্যাহত কৰি পেলাইছে। এই প্ৰতিকূল পৰিবেশৰ বাবে ছাত্ৰসকলৰ অভীষ্ট বিদ্যা অৰ্জ্জনৰ বাবে যি ভাৱে মন সংযোগ, একাগ্ৰ চেষ্টাৰ প্ৰয়োজন সি অসম্ভৱ হৈ উঠিছে। ছাত্ৰসকলৰ যুক্তি হৈছে নিজৰ জীৱন গঢ়ি তোলাৰ লগতে এই ছাত্ৰ জীৱনতে সমাজৰ প্ৰতিও তেওঁলোকে কিছু দায়িত্বও পালন কৰিব লাগিব, কাৰণ তেওঁলোকো সমাজৰে অঙ্গ। সেইবাবে প্ৰয়োজনমতে শক্তিৰ যোগান ধৰা আৰু অন্যায়ৰ বিৰুদ্ধে ছাত্ৰ শক্তি জাগ্ৰত হ'বই লাগিব। ৰাজনৈতিক আন্দোলন বা ৰাষ্ট্ৰবিপ্লৱৰ ঢৌৱে যেতিয়া সমগ্ৰ দেশকে বিক্ষুব্ধ কৰি তোলে তেতিয়া এই দেশৰ প্ৰাণ কেন্দ্ৰ ছাত্ৰ সমাজে ইয়াত যোগদান নকৰাকৈ থকাটো অসম্ভৱ। কাৰণ আজিৰ ছাত্ৰ সমাজেই ভৱিষ্যতৰ দেশনায়ক, ৰাষ্ট্ৰ নায়ক, আৰু সমাজ সংস্কাৰক। এনে যুক্তিৰ বশীভূত হৈয়ে স্বদেশৰ সেৱা কৰিব লাগে বুলি বিদ্যালয়ৰ সৰু সৰু ছাত্ৰী-ছাত্ৰীয়ে অনেক ৰাজনৈতিক আন্দোলনত যোগদান কৰে। অসম্পূৰ্ণ শিক্ষা জীৱনেৰেই ৰাজনীতিৰ নিচিনা জটিল আৰু গুৰুত্বপূৰ্ণ বিষয়ত অংশ গ্ৰহণ কৰি মিছা গণ্ডগোলৰ সৃষ্টি কৰে আৰু কেতিয়াবা নিজৰ বুদ্ধি বৃত্তি সামান্যভাৱেও প্ৰয়োগ নকৰি দলীয় নেতাসকলৰ নিৰ্দ্দেশত উঠা-বহা কৰে। অযথা বিক্ষোভ আৰু উশৃঙ্খল অৱস্থাৰ সৃষ্টি কৰে। বিক্ষোভ বা উত্তেজনাৰ কাৰণ যিয়েই নহওক ছাত্ৰই উন্মত্ততা আৰু আন্দোলনৰ পথ বাচি লয়।



বৰ্ত্তমান অপ্ৰাপ্ত বয়স্ক ছাত্ৰ-ছাত্ৰীয়ে স্বাধীন গতিবিধিৰ অবাধ অধিকাৰ লাভ কৰিছে খুব বেছিকৈ। পৰিণাম স্বৰূপে অধিকাৰৰ নামত তেওঁলোকে লাভ কৰিছে অন্যায় প্ৰশ্ৰয়। শ্ৰদ্ধাপ্ৰদৰ্শন কৰাটো আজিৰ ছাত্ৰসকলে আত্ম সন্মানৰ অন্তৰায় বুলি কব খোজে। বৰ্ত্তমান ছাত্ৰ সমাজত শৃঙ্খলাবোধৰ ব্যাপক অভাৱ দেখা গৈছে। অধেমধে য'তে ত'তে ছাত্ৰ সন্থা গঠন হৈছে। কিন্তু সন্থা গঠনৰ মূল লক্ষ্য কল্যাণকৰ হোৱাৰ পৰিবৰ্তে ছাত্ৰসন্থাৰ কাৰ্য্যকলাপত শৃঙ্খলাভঙ্গৰেই উন্মাদনা অধিক পৰিলক্ষিত হৈছে।

বৰ্ত্তমান ছাত্ৰই তেওঁলোকৰ অতীজৰ গৌৰৱ বিমণ্ডিত ছাত্ৰ-জীৱনৰ আদৰ্শৰ কথা পাহৰি গৈছে। এই ভাৰতবৰ্ষতে ছাত্ৰই গুৰুগৃহত থাকি গুৰুৰ নিৰ্দ্দেশ আখৰে আখৰে পালন কৰি নিজৰ শাৰীৰিক, মানসিক সুখ জলাঞ্জলি দি ত্যাগৰ চূড়ান্ত অভিলেখ স্থাপন কৰি থৈ গৈছিল। সেইদিনতে ত্যাগৰ আদৰ্শ দেখুৱাই যাওঁতা উপমন্যু-আৰুণিৰ কাহিনী, কৃষ্ণ-দামোদৰ মিত্ৰৰ কাহিনী, বোপদেৱৰ কাহিনী আৰু দ্ৰোণ গুৰুৰ ওচৰত ত্যাগৰ জ্বলন্ত আদৰ্শ দেখুওৱা একলব্যৰ কাহিনী আজিও অমৰ হৈ আছে। তেনে গুৰু-শিষ্যৰ নিবিড় সম্পৰ্ক থকা ভাৰতবৰ্ষৰ আজিৰ ছাত্ৰ সমাজে সেই আদৰ্শ ভঙ্গ কৰিছে কিয়? আজিৰ ছাত্ৰৰ কিছু অংশই নপঢ়ি পাছ কৰাৰ অদম্য বাসনা বুকুত বান্ধি পৰীক্ষা দিবলৈ যায়। পৰীক্ষাঘৰত কাগজৰ টুকুৰাত লিখি, কিতাপৰ পাত ফালি, ডেস্ক, বেঞ্চ বা ওচৰৰ বেৰত লিখি লৈ নকল কৰে। নিৰীক্ষকে হাতে-লোটে ধৰা পেলাই নকল কৰা সকলক পৰীক্ষা গৃহৰ পৰা বহিষ্কাৰ কৰে। সেই অপৰাধতে ছাত্ৰই নিৰীক্ষকৰ দায়িত্বত থকা তেওঁলোকৰে শিক্ষাগুৰুসকলক বাটত ধৰি প্ৰহাৰ কৰে। নকল কৰা ছাত্ৰসকলক সুধিছোঁ, এয়া নিৰীক্ষণৰ দায়িত্বত থকা শিক্ষকজনৰ দোষনে, নতুবা নকল কৰা ছাত্ৰৰ নিজৰ? আত্ম বিশ্লেষণ কৰি চাব। নিৰীক্ষণৰ দায়িত্ব লৈ চকু-কাণ মুদি নিৰীক্ষণ কাৰ্য কোনেও নকৰে আৰু কৰিব নোৱাৰে। দায়িত্ব লৈ তাক ঠিকমতে পালন নকৰাটো পাপ কাম। সেই বাবেই নিৰীক্ষকে কৰ্ত্তৃপক্ষই তেওঁলোকৰ ওপৰত ন্যস্ত কৰা দায়িত্বহে পালন কৰে মাথোন। এই দায়িত্ব পালন কৰিবলৈ যাওতে কোনেও কোনো পৰীক্ষাৰ্থী ছাত্ৰৰ ওপৰত পূৰ্বৰ পৰিকল্পিত আক্ৰোশ বা প্ৰতিশোধৰ ভাৱ পোষণ কৰি নেযায়। ছাত্ৰসকলে এটা কথা মনত ৰাখিব—গুৰু গৌৰৱত বিমণ্ডিত এই ভাৰতত বৰ্ত্তমানৰ এনে কাৰ্য্য নিশ্চয় ডেকা তেজৰ পিৰপিৰনিৰ বাহিৰে আন একো নহয়। এদিন তেওঁলোকো বুঢ়া হ'ব, সেই বেলা অতীতত কৰা এই গুৰুদ্ৰোহিতাৰ অনুশোচনাই অন্তৰ খুলি খুলি খাব। এইষাৰ কথা ভাৰতীয় ধৰ্মীয় আৰু আধ্যাত্মিক আদৰ্শত খোপনি পুতিয়েই ক'বলৈ সাহ কৰা হৈছে। অশ্লীলতা ভদ্ৰ আৰু সভ্য সমাজৰ পৰিপন্থী। সেইবাবেই আমাৰ ভাষাৰ অশ্লীল শব্দাৱলী অভিধানৰ পৰাই বাদ দিয়া হৈছে। অথচ স্কুল-কলেজৰ ছাত্ৰসকলৰ মুখত বাটে-পথে অশ্লীল

মাত-কথা আখৈ ফুটাদি ফুটে। এইবোৰ তেওঁলোকৰ পাঠ্যপুথিতো নাই অথবা সভ্য সমাজে গ্ৰহণ কৰা পুথি-পত্ৰিকাতো নাই। যদি ফটা কাকতৰ পাচীত ঠাই দিব লগা লঘু বিষয়ত পুথি-পত্ৰিকাত পঢ়ি শিকি লৈছে, তেনেহ'লে শিক্ষা গ্ৰহণ কৰি সংস্কাৰকামী হোৱাৰ পৰিবৰ্ত্তে কুসংস্কাৰ আৰু নিম্ন আৰু জঘন্য ৰুচিৰহে পৰিচয় দিয়া হৈছে। বেগ়ীং বৰ্ত্তমান ছাত্ৰ সমাজৰ এটা ভয়াবহ ব্যাধি হৈ পৰিছে। ওপৰ শ্ৰেণীৰ ছাত্ৰই তল শ্ৰেণীৰ ছাত্ৰক লৈ কৰা এক প্ৰকাৰ ৰগৰে বৰ্ত্তমান বীভৎসৰূপে ধাৰণ কৰিছে। পৰিণামত বহুত ছাত্ৰই ছাত্ৰাবাস এৰিব লগা হৈছে, কাৰোবাৰ ছাত্ৰ জীৱনৰ অৱসান ঘটিছে আৰু কাৰোবাৰ প্ৰাণ নাশ হৈছে। দুৰ্নীতি দেখিলে জপিয়াই পৰা ছাত্ৰইনো এনে অপকৰ্মত কিয় প্ৰবৃত্ত হৈছে, এই কথা চিন্তা কৰি এই ৰোগৰ চিকিৎসক নিজেই হৈ এখন শুদ্ধ ছাত্ৰ সমাজ গঠন কৰিব লাগে। বাটে-পথে, স্কুলে-কলেজে, ৰেলে-মটৰে অহা-যোৱা কৰোতে মহিলা আৰু ছোৱালীক অশালীন ব্যৱহাৰ কৰাৰ কথা কাকতে-পত্ৰে ওলায়েই থাকে। বাই-ভনী আৰু মাতৃ জ্ঞানেৰে চাই অহা সমাজখনত নাৰী-সকলক বৰ্ত্তমান সমাজত অবনমিত কৰিব খোজাটো জানো মঙ্গলজনক কথা হৈছে? ছাত্ৰ জীৱনটো মানৱ জীৱনৰ সোণালী সময়। এই সময়তে ছাত্ৰই 'বসুধৈৱ কুটুম্বকম্' দেখে। খেলা-ধূলা, উৎসৱ-পাৰ্বণ, বনভোজ, শিক্ষামূলক ভ্ৰমণ এই ছাত্ৰ জীৱনৰে বস্তু। প্ৰতি-যোগিতা ছাত্ৰ-জীৱনৰ উন্নতিৰ সোপান। সেইবাবেই বিভিন্ন খেল-ধেমালি, তৰ্ক, আকস্মিক বক্তৃতা, গল্প, কবিতা, ৰচনা আদিৰ প্ৰতিযোগিতা ছাত্ৰসকলৰ মাজত অনুষ্ঠিত হয়। নিজ স্কুল-কলেজত পৰ্তাৰ বাহিৰেও বৰ্ত্তমান সময়ত বিশ্ব-বিদ্যালয়ে যুৱ-ক্ৰীড়া মহোৎসৱ, যুৱ-সাংস্কৃতিক মহোৎসৱ আদি অনুষ্ঠিত কৰে। কিন্তু বৰ্ত্তমান এনেদৰে ক্ৰীড়া বা সঙ্গীতত ভাগ ল'বলৈ যোৱা বিভিন্ন মহাবিদ্যালয়ৰ প্ৰতিযোগীসকলক এনেদৰে ভীতি প্ৰদৰ্শন কৰা হয় যে প্ৰতিযোগিতা শেষ নকৰাকৈয়ে বহুকেইখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ঘৰমুৱা হ'ব লগা হয়। ভবিষ্যতৰ সমাজৰ লাইখুটা হ'ব লগা ছাত্ৰসমাজৰ মাজত এয়া কি নিমিত্তে উদণ্ডতা হৈছে, ছাত্ৰসকলে নিজেই বিচাৰ কৰি প্ৰতিকাৰৰ ব্যৱস্থা কৰক। বিড়ি, চিগাৰেট, মদ্যপান আৰু বৰ্ত্তমান সময়ৰ বৰবিহ ড্ৰাগচ সেৱনৰ নিচিনা ৰাগিয়াল বস্তুৰ অবাধ প্ৰচলন ছাত্ৰসকলৰ মাজত হ'বলৈ ধৰাত ছাত্ৰসকল সংযমহীন হোৱাৰ লগতে ছাত্ৰ নামৰ অযোগ্য কৰি তুলিছে। ছাত্ৰৰ এইৰোগ কেনে ভাৱে নিৰাময় হ'ব তাকে ভাবি অভিভাৱক আৰু সচেতন ৰাইজ মহাচিন্তাত পৰিছে। আমাৰ সমাজত জ্যেষ্ঠজনৰ আগত কনিষ্ঠ সকলে সন্মান কৰিয়েই বিড়ি, চিগাৰেট নেখায়। কিন্তু বৰ্ত্তমান স্কুল-কলেজৰ ২০।২২ বছৰীয়া ছাত্ৰই সমাজৰ বয়োজ্যেষ্ঠসকলক দেখিলেও মুখৰ পৰা বিড়ি-চিগাৰেট আঁতৰ নকৰে। ছাত্ৰসকলৰ আচৰণ সম্পৰ্কে ইও এটা শিষ্টাচাৰহীন কথা বুলি বিভিন্ন মহলত আলোচনা হয়। এই বিষয়ে বৰ্ত্তমান ছাত্ৰসকলৰ দৃষ্টি



আকৰ্ষণ কৰা হ'ল।

বিগত ছবছৰীয়া বিদেশী বিতাৰণ আন্দোলনত ছাত্ৰ নেতাসকলৰ আঙুলিৰ ঠাৰত অসমীয়া সমাজে কাম কৰি গ'ল, তেওঁলোকৰ নেতৃত্ব মানি অসমৰ শাসনৰ বাঘজৰী ছাত্ৰনেতাৰ হাতত তুলি দিলে। তেনেহলে ছাত্ৰসকলে যদি সমাজৰ কেৰোণ গুচোৱা থওক চাবি নিজে নিজে কেৰোণ হৈ পৰে, তেনেহলে অসমৰ ৰাইজৰ উপায় কি? ৰাইজে আশা কৰে ছাত্ৰসকলৰ শুদ্ধ কথা আৰু শুদ্ধ কাম। কিন্তু বৰ্ত্তমান ছাত্ৰসকলে কয় এক ৰকমে আৰু কাম কৰি দেখুৱায় আনৰকমে। ৰাইজৰ তাতেই আপত্তি, তাতেই বেদনা। বৰ্ত্তমান যুগ-মানস অস্থিৰ। কাৰণ হিচাবে দেখুৱায় বৰ্ত্তমানৰ শিক্ষা-নীতি। শিক্ষা-নীতিয়ে যে অস্থিৰ কৰা নাই এনে নহয়, তাতোকৈ বৰং স্বয়ং-চালিত আৰু প্ৰভাৱিত হৈহে যে যুব-মন অস্থিৰ হৈছে সিয়ো সত্য। শিক্ষা-নীতিয়ে শিক্ষা সাং হোৱাৰ পিছতে কৰ্ম্ম-সংস্থান লাভ কৰিব পৰা ব্যৱস্থাৰ খাটাং পথৰ সন্ধান দিব নোৱাৰাটোৱেই আটাইতকৈ ডাঙৰ ত্ৰুটী। তাৰ বাবেই যদি যুৱ-মন অস্থিৰ হৈ পৰি সমাজৰ বিভিন্ন অপকৰ্ম্মত লিপ্ত হৈছে, সেই কথা মনোবৈজ্ঞানিক বিশ্লেষণেৰে নিৰাকৰণ কৰাৰ বাহিৰে আন উপায় নাই। কিন্তু বৰ্ত্তমান শিক্ষা-নীতিত কাৰ্য্যসুচী আঁচনি নেথাকিলেও মানবীয় গুণ আহৰণ কৰিব পৰা শিক্ষা কিন্তু নথকা নহয়। তথাপিও যুব-মন অস্থিৰ কৰা শিক্ষা নীতিৰ পৰিবৰ্ত্তন সাধনৰ বাবে দেশৰ কৰ্ণধাৰ শিক্ষাবিদসকলৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

এই শৃঙ্খলাহীন ছাত্ৰ সমাজক অন্ধকাৰৰ পৰা পোহৰলৈ আনিব লাগিব শিক্ষক, শিক্ষা-বিদ আৰু ৰাষ্ট্ৰৰ শিক্ষা আঁচনিয়ে। ছাত্ৰক উপলব্ধি কৰাব লাগিব ছাত্ৰ জীৱন মানেই শৃঙ্খলাৰ জীৱন, সৰ্বাত্মক গঠনৰ জীৱন। ভৱিষ্যতৰ মানুহটো এই সময়তে গঠিত হয়। জ্ঞান সাধনা এনেই টান কাম, তাতে যদি ছাত্ৰসকলৰ চিত্ত আনফালে ঢাল খায়, অনন্য চিত্তেৰে বিদ্যা অৰ্জ্জ-নত অগ্ৰসৰ নহয় তেতেহলে জ্ঞান সাধনা ব্যাহত হ'ব। যিসকলে অদূৰ ভৱিষ্যতে সমাজৰ সৰ্বাঙ্গীন দায়িত্ব মূৰ পাতি ল'ব লাগিব, দেশৰ নিৰাপত্তা আৰু জাতিৰ কল্যাণে যাৰ মুখলৈ চাই আছে, যি দেশৰ শিক্ষা-সংস্কৃতি জীয়াই ৰাখিব লাগিব—সেই ছাত্ৰ সমাজ কেৱল সমস্যাজনিত আন্দোলনত প্ৰবৃত নহৈ প্ৰকৃত জ্ঞান অৰ্জনত ব্ৰতী হৈ দায়িত্বশীল হ'বলৈ শিক্ষকসকলেই শিক্ষা দিব লাগিব। ছাত্ৰসকলৰ বিভিন্ন আচৰণত কেৱল অসন্তোষ ভাৱকে নাৰাখি ছাত্ৰসকলক আত্ম-প্ৰতিষ্ঠাৰ ভাৱেৰে উদ্বুদ্ধ কৰিবলৈ শিক্ষকসকলেই চেষ্টা কৰিব লাগিব। শিক্ষকসকলে তেওঁলোকৰ অন্তৰাত্মা ভেদি দশোদিশ নিনাদিত কৰি ওলোৱা 'চৰৈৱেতি, চৰৈৱেতি' শব্দ ধ্বনিৰে পুনৰ ছাত্ৰ-ছাত্ৰীক ক'ব লাগিব আৰ্য্যঋষিৰ সেই চিৰন্তন বাণী 'ছাত্ৰানাম্‌ধ্যয়নং তপঃ।'

সেইবাবে শিক্ষকসকলে তেওঁলোকৰ বৰ্ত্তমানৰ ভূমিকাৰ লগতে প্ৰাচীন আৰ্য্য ঋষিৰ ভূমিকা গ্ৰহণ কৰি আত্ম-প্ৰত্যয়ৰে ছাত্ৰ-ছাত্ৰীক শিক্ষাব্ৰতী হ'বলৈ অনুপ্ৰেৰণা যোগাব লাগিব।

কলেজ আলোচনীখনৰ বছেৰেকীয়া সংখ্যাটো প্ৰকাশ হৈ ওলাইছে। আলোচনী সম্পাদিকাই ভাল আলোচনী এখন প্ৰকাশ কৰি উলিয়াবলৈ ছাত্ৰীসকলৰ পৰা, অধ্যাপক-অধ্যাপিকা-সকলৰপৰা আৰু অসমৰ প্ৰথিতযশা বহুকেইজন সাহিত্যিকৰ পৰা লেখনি বিচাৰি আনি যোগান ধৰাৰ যি চেষ্টা কৰিলে তাৰ বাবে তেওঁক প্ৰশংসা নকৰি নোৱাৰি। সুখৰ কথা, যুৱ-মনৰ বহু প্ৰশ্নৰ উত্তৰ বিচাৰি বহুকেইজন জ্ঞানী পণ্ডিতৰ কাষ চাপি তাৰো কিছু গোটাই আনি ইয়াত প্ৰকাশ কৰা হৈছে। যুৱমনে যদি তেওঁলোকে বিচৰা কিবা বস্তু পাই মনত সন্তোষ লাভ কৰিব পাৰে, তেনেহলে তাতেই ইয়াৰ সাৰ্থকতা হ'ব। ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা আছে। সেই সুপ্ত প্ৰতিভা বিকাশ হোৱাত কলেজ আলোচনীখনে যদি সহায় কৰিব পাৰিছে তেনেহলে তাতেই আলোচনীখন প্ৰকাশৰ সাৰ্থকতা। আলোচনীখন প্ৰকাশত কলেজৰ অধ্যক্ষ আৰু কেইবাগৰাকী সহকৰ্মী বন্ধুৱে সহায়-সহযোগ, দিহা-পৰামৰ্শ আগবঢ়োৱা বাবে তেখেতসকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

৫ মে' ৮৯

শ্ৰীকৃষ্ণ বৰা
তত্বাৱধায়ক

# সম্পাদকীয়

## সময় সমাগত ঃ

আজি-কালি মই মাজে-সময়ে অ'ৰ-ত'ৰ পৰা সংগ্ৰহ কৰি গল্প-কবিতা লিখোঁ। মোৰ দৰে বছেৰেকৰ মূৰত এটি গল্প, এটি কবিতা নতুবা এটি প্ৰবন্ধ লেখি আলোচনীত প্ৰকাশ কৰিবলৈ পঠোৱা লেখকৰ দৃষ্টান্ত আমাৰ অসমত বিৰল নহয়। অৱশ্যে চিত্ৰশিল্পীসকলে প্ৰতিযোগিতামূলক প্ৰদৰ্শনীতহে তেওঁলোকৰ চিত্ৰ প্ৰদৰ্শন কৰে। আমাৰ কম পৰিসীমাতে আৱদ্ধ আলোচনী আদিত দিয়াতকৈ প্ৰতিযোগিতাত পুৰস্কৃত হোৱাটোৱেই মঙ্গলজনক। নহয় জানো? সি যি হওক, নামটি প্ৰকাশৰ বাবে আমাৰ যি প্ৰয়াস, যি কেৰিকেচাৰ, এইবোৰ দেখি বিজ্ঞজনে পুতৌৰ হাঁহি বাৰু সামৰিব পাৰিছেনে চাগে? নিজৰ ভঁড়ালত ধান নাথাকিলে, আনৰ ভঁড়ালৰ পৰা ধান আনিব লাগিব। কিন্তু, লোকৰ পিঠাগুৰিৰে বিহু পতাটো আমাৰ মূৰ্খামি নহয়নে? আমাৰ দৰে বিশ্বৰ প্ৰতিভাবান প্ৰত্যেকজন মনীষীৰে একো একোটা কলম থাকে। কিন্তু তেওঁলোকৰ কলমৰ চিয়াহি হৈছে জ্ঞান আৰু অভিজ্ঞতা। সেয়েহে সেই কলমৰ পৰা নিগৰি নিগৰি ওলোৱা নৈ খনি ধাবিত হয় সাগৰলৈ। তাক বাধা দিয়াৰ সাহস কাৰো নাই। কিন্তু আজি অলপ দিনৰ পৰা আমাৰ কলমে সৃষ্টি কৰা সাহিত্য জগতত যি কেৰিকেচাৰ প্ৰদৰ্শন হৈছে, ইয়াক চেঙেলিৰ চট্‌ফট্‌নি বুলি কলেও বঢ়াই কোৱা নহয়। আজি-কালি আমি প্ৰত্যেকজনেই নিজকে কবি-সাহিত্যিক হিচাবে পৰিচয় দিওঁ। কিন্তু এই সাহিত্যই আমাক এনে এখন উপন্যাস দিব পাৰিছেনে, যি মানৱ জীৱনৰ সমগ্ৰ অৰ্থ ব্যক্ত কৰিব পাৰে? এনে এখন কাব্য দিব পাৰিছেনে, যি আমাক আকাশ-কুসুম বিশালতা দেখুৱাই হুহুৱাই হুহুৱাই কন্দুৱাব পাৰিছে? নতুবা সমস্যা জৰ্জৰিত সমাজত নতুন আলোকেৰে আমাৰ চকুত চমক লগাব পাৰিছে? এনে এখন নাটক দিব পাৰিছেনে, যিয়ে দৰ্শক-পাঠকক মুগ্ধ কৰিব পাৰে, যাৰ মাহাত্মাই আমাক বিপ্লুত কৰিব পাৰে নতুবা আমাক পুৰি পুৰি নিঃশেষ কৰি সোণৰ দৰে উজ্জ্বল কৰি তুলিব পাৰে? আছেনে?

নাই। সেয়েহে আমাক এনে লেখকৰ প্ৰয়োজন যাৰ কলমত নিগৰি পৰিব জীৱনৰ সমগ্ৰ অৰ্থ, যাৰ কলমত ব্যক্ত হ'ব সমাজ আৰু ব্যক্তিৰ দেহ-মন পূৰণ কৰিব পৰা বিপুল শক্তি। আমাক এনে এদল লেখকৰ প্ৰয়োজন, যিয়ে দেশৰ, সমাজৰ অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে, ঘৰ-বিভীষণ ৰূপী শত্ৰুৰ কলিজা কঁপাব পাৰিব, যিয়ে ভণ্ডামিৰ মুখা আজুৰি আনি নগ্নতাক সততাৰে ঢাকিব পাৰিব, যিয়ে লেখনী আৰু কামৰ মাজত সম্পৰ্ক ৰাখিব পাৰিব, যিয়ে সঁচা কথাৰ বাবে কাঠগড়াত উঠিবলৈ ভয় নকৰিব। এনে এদল লেখক আমাক লাগে। এনে লেখক আবিৰ্ভাৱ হোৱাৰ সময় সমাগত।

আজি সমগ্ৰ বিশ্বতে বিশৃংখলতাৰ হাট বহিছে। আন নালাগে আজি আমাৰ অসমত ভাইৰাছ ৰূপী যুৱ উচ্ছৃংখলতাই যি ভয়াবহ ৰূপ ধাৰণ কৰিছে, তাক ৰোধ কৰিব নোৱাৰিলে ধ্বংস অৱশ্যম্ভাবী। ইয়াক ভেটা দিয়াৰ সাহস আমাৰ নাইনে? নিশ্চয় আছে। কিন্তু ভেটা দিব কোনে? উদে?

আজি আমি শতকৰা নব্বৈ ভাগেই উদ। মাছৰ জাক দেখিলে আমি ৰ'ব নোৱাৰো। ড্ৰাগছৰ বলত বলীয়ান হৈ বিট্‌লছ' পিন্ধি মিথুন-মীনাক্ষীৰ তালত ডেন্স দিবলৈ পালে আমাক একো নালাগে। ভাই-ভনী, ককাই-ভাইৰ চিন নাই। পৰস্পৰে-পৰস্পৰক চুৰি ভৰাওঁ। কিহৰ বাবে ?

ভাগ্য ভাল, আমাৰ পূৰ্ব-পুৰুষসকলে এইবোৰ দেখিবলৈ নাপালে। তেওঁলোকে আমাক কি দিলে বা নিদিলে এইবোৰ ভাবি বহি থকাৰ নিষ্প্ৰয়োজন। আমি উত্তৰ পুৰুষক কি দিম, সেইটোহে বিচাৰ্য্যৰ বিষয়। জোৰপুৰি হাত পালেহি। হাত সাৱটি বহি থকাৰ সময় নাই, সময় নাই জাতি ৰক্ষা, দেশ ৰক্ষাৰ নামত দীঘল দীঘল বক্তৃতা দি সময় ক্ষতি কৰাৰ। এয়া যে সময় দুৰ্বাৰ গতিৰে, ধৈৰ্য্য আৰু সাহসেৰে, অন্যায়ৰ বিৰুদ্ধে নিজৰ নিজৰ অস্ত্ৰ হাতত তুলি লোৱাৰ। তৰোৱালতকৈ কলমৰ শক্তি যে বেছি, তাক প্ৰতীয়মান কৰাৰ সময় সমাগত।

পশ্চিমৰ পৰা পূবলৈ গতি কৰা ধুমুহা জাকক আমি ওভোতাই পঠিয়াব লাগিব। অৱশ্যে বতাহ নহ'লে জানো হ'ব ? সেয়ে প্ৰাচ্য-পাশ্চাত্যৰ মৃদু-মধু বতাহেহে আমাৰ অভাৱ পূৰণ কৰিব। পাশ্চাত্যৰ ধুমুহা আমাক নালাগে, প্ৰাচ্যৰ বৰদৈচিলায়ে আমাৰ বাবে যথেষ্ট। পাশ্চাত্যৰ ধুমুহাই সৃষ্টিক চিতাগ্নিত পৰিণত নকৰোঁতেই উপযুক্ত ব্যৱস্থা লোৱাৰ সময় সমাগত। ●

**সম্পাদনাৰ আঁৰৰ বতৰা :**

এইখিনিতেই হ'ল ভুলতো। আদাবেপাৰীয়ে জানো জাহাজৰ মোল বুজে ? আদা বেপাৰীক জাহাজ গটালে। বেপাৰীয়ে জাহাজ চলাব নাজানে। বতাহৰ কোবত এবাৰ ইফালে, এবাৰ আনফালে ঢাল লয়। স্থিৰতা নাই। মাজ পাওঁতেই ডুবো ডুবো অৱস্থা।


ঠিক তেনে সময়তেই পৰম পূজনীয় শিক্ষাগুৰু শ্ৰীযুত যোগেন্দ্ৰনাৰায়ণ ভূঞা, শ্ৰীযুত কৃষ্ণ বৰা, শ্ৰীযুত তিলক মজুমদাৰ, অধ্যাপিকা শ্ৰীমতী হিমাদ্ৰি বাইদেউ আৰু সু-হৃদয়া কবিতা বাইদেউ, অদিতি বাইদেউ, বান্ধৱী অঞ্জু, ৰুমী, জুৰি, দীপিকা, গায়ত্ৰী; ভক্তি আৰাধনা আৰু চৈয়েদাই মিলি যেনেতেনে জাহাজখন পাৰ গোৱালেহি। তদুপৰি অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰাদেৱ, প্ৰেছৰ অধিকাৰিণী উপমা বাইদেউ আৰু বান্ধৱী শেৱালিৰ ত্যাগ স্বীকাৰ নুই কৰিব নোৱাৰি। সম্পাদনা সমিতি আৰু প্ৰেছৰ কৰ্ম্মীবৃন্দৰ লগতে শ্ৰীমনোজ কুমাৰ গোস্বামী আৰু শ্ৰীজ্যোতি প্ৰসাদ শইকীয়ালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিশেষকৈ সজ দিহা-পৰামৰ্শেৰে আৱৰিৰখা ভূঞা চাৰ, মজুমদাৰ চাৰ আৰু উপমা মজুমদাৰ বাইদেউ নোহোৱা হলে, আলোচনীখনে আজিও ৰোহ-ঘৰতে শোভা বৰ্দ্ধন কৰি থাকিলহেঁতেন। দুৰ্বল শৰীৰেৰে জাহাজখন কেকোঁজেকোকৈ চলাই অনাত নিৰ্দ্দিষ্ট সময়তকৈ দেৰি হ'ল, তদুপৰি অনিচ্ছাকৃত ভুল-ত্ৰুটিও নিশ্চয় ৰৈছে। ক্ষমা প্ৰাৰ্থনীয়। আমাৰ আলোচনীখনলৈ সানন্দে প্ৰকাশৰ সম্ভাৰ পঠিওৱা উপন্যাসিক শ্ৰীহিতেশ ডেকা, ড° নগেন শইকীয়া, ড° মহেশ্বৰ নেওগ, সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মা, ড° মুকুন্দ মাধৱ শৰ্মা, অসম সাহিত্য সভাৰ সভাপতি শ্ৰীমহিম বৰা আৰু কবি চুজাউদ্দিন আহমেদ ডাঙৰীয়ালৈ সম্পাদনা সমিতিৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

একোখন মহাবিদ্যালয়ৰ আলোচনীৰ সম্পাদক-সম্পাদিকাই যি ৰাজভোগ খাবলৈ পায়, কম বেছি পৰিমাণে তেনে ভোগ খাবলৈ ময়ো পাইছো বুলি সগৌৰবে ঘোষণা কৰিব পাৰিম। তেওঁলোকে নিজৰ নিজৰ অভিজ্ঞতা, নিজৰ আলোচনীত ব্যক্ত কৰেই, সেয়েহে ময়ো তেওঁলোকৰ বক্তব্যৰ তলতে "এঁ" টো বহুৱাই থলো। ●

২১ এপ্ৰিল '৮৯

**শ্ৰীতুলিকা শইকীয়া**

ছাত্ৰী একতা সভা ১৯৮৭-৮৮ ইং




বাওঁফালৰ পৰা (বহি) – অধ্যাপক মহেন্দ্ৰ নাথ শইকীয়া ( তত্বাৱধায়ক সাংস্কৃতিক বিভাগ ), অধ্যাপক অপূৰ্ব শৰ্মা ( তত্বাৱধায়ক তৰ্ক আৰু নাট বিভাগ ), অধ্যাপক কৃষ্ণ বৰা ( তত্বাৱধায়ক আলোচনী বিভাগ ) অধ্যক্ষ বিমল কুমাৰ বৰা উপাধ্যক্ষ তফ বৰুৱা, অধ্যাপক ড° জ্যোতি চক্ৰৱৰ্ত্তী, অঞ্জু ৰেজৰুৱা ( সাধাৰণ সম্পাদিকা ), গায়ত্ৰী বৰা ( উপসভানেত্ৰী )

বাওঁফালৰ পৰা ( থিয় হৈ ) ৰুমী লস্কৰ (সম্পাদিকা, তৰ্ক আৰু নাট বিভাগ) ৰুকাইৰা গায়ন ( সহঃ সাধাৰণ সম্পাদিকা ), জুৰি শইকীয়া (সম্পাদিকা সাংস্কৃতিক বিভাগ), দিপিকা তামুলী ( সম্পাদিকা সংগীত বিভাগ ) তুলিকা শইকীয়া (সম্পাদিকা, আলোচনী বিভাগ ) চৈয়দা হাজৰিকা ( সম্পাদিকা দুখীয়া সাহায্য পুঁজি )

অনুপস্থিত—ৰিপা শৰ্মা ( সহঃ সম্পাদিকা, ক্ৰীড়া বিভাগ ) কুন্তলা হাজৰিকা ( সহঃ সম্পাদিকা, সাংস্কৃতিক বিভাগ ), দীপাঞ্জলী বৰা ( সম্পাদিকা, সমাজ সেৱা ) কুঁৱলী ভূঞা ( সম্পাদিকা, ক্ৰীড়া বিভাগ )

## কলেজৰ কৰ্মচাৰীবৃন্দ



বাওঁফালৰ পৰা ( বহি )—সৰ্বশ্ৰী মনো মোহন ৰাভা, মঃ আলি, টোমেশ্বৰ খাটনিয়াৰ, অধ্যক্ষ বিমল কুমাৰ বৰা, উপাধ্যক্ষ তৰু বৰুৱা, সুৰেন শইকীয়া, কমল খাটনিয়াৰ, মহিৰাম বৰা, ফুলেন শইকীয়া।
বাওঁফালৰ পৰা ( থিয়হৈ )—সৰ্বশ্ৰী হৰকান্ত শইকীয়া, মনেশ্বৰ ৰাভা, মুনীন্দ্ৰ শইকীয়া, নবীন শইকীয়া, টংকেশ্বৰ শইকীয়া, বদন চন্দ্ৰ বৰা, বলিধৰ হাজৰিকা, ভাৰতী বৰা।
ইয়াত অনুপস্থিত—সৰ্বশ্ৰী প্ৰফুল্ল বৰা, গিৰিধৰ হাজৰিকা, দেৱেন শইকীয়া, তগৰ চন্দ্ৰ বৰা।

# প্ৰবন্ধ

"প্ৰবন্ধৰ ৰূপৰেখা অনিৰ্দিষ্ট ।
কল্পনাৰ পৰশত আৰু
বুদ্ধিনিষ্ঠতাৰ আশ্ৰয়ত
কোনো বিষয়বস্তুৰ ওপৰত
সৃষ্টি কৰা নাতিদীৰ্ঘ ৰচনাই প্ৰবন্ধ ।"



# মনু আৰু নাৰী

ড° মুকুন্দমাধৱ শৰ্মা

মনুস্মৃতি বা মনুসংহিতা এখন ধৰ্মশাস্ত্ৰ। হিন্দুসকলৰ সমাজ-ব্যৱস্থা প্ৰাচীন কালৰ পৰা আজি পৰিমিত মনু, যাজ্ঞবল্ক্য আদিয়ে ৰচনা কৰা ধৰ্মশাস্ত্ৰবিলাকৰ দ্বাৰাই নিয়ন্ত্ৰিত হৈ আহিছে। সকলো ধৰ্মশাস্ত্ৰৰ ভিতৰত মনুস্মৃতিকেই আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি ধৰা হয়। মনু নামৰ এজন ঋষিক এই শাস্ত্ৰৰ ৰচয়িতা বুলি ধৰা হয় আৰু মনুস্মৃতিত সমাজৰ বিভিন্ন সমস্যাৰ বিষয়ে যিবিলাক মতামত দিয়া আছে, সেইবিলাকক মনুৰ মত বুলি ধৰা হয়।

মনুসংহিতাত বহুতো ভাল কথা আৰু ভাল উপদেশ আছে। কিন্তু তথাপি মনুৰ বিৰুদ্ধে এই বুলি এটা অভিযোগ অনা হয় যে তেওঁ নাৰীসকলক যথোচিত সন্মান আৰু মৰ্য্যাদা দিয়া নাই। তেওঁ নাৰীক যাবজ্জীৱন স্বাধীনতাৰ পৰা বঞ্চিত কৰি ৰাখিছে। এই বিষয়ত বাৰে বাৰে নিম্ন লিখিত শ্লোকটোৰ উদ্ধৃতি দিয়া হয়ঃ

পিতা ৰক্ষতি কৌমাৰে ভৰ্তা ৰক্ষতি যৌৱনে।
ৰক্ষন্তি স্থৱিৰে পুত্ৰা ন স্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি।। (৯.৩)

ইয়াৰ পোনপটীয়া অৰ্থ এনেঃ নাৰীক কুমাৰী কালত পিতাই ৰক্ষা কৰিব লাগে, যৌৱন কালত স্বামীয়ে ৰক্ষা কৰিব লাগে আৰু বৃদ্ধাৱস্থাত পুত্ৰসকলে ৰক্ষা কৰিব লাগে। নাৰীক কেতিয়াও 'স্বতন্ত্ৰতা' দিব নালাগে। দেখাত এইখিনি কথা 'স্ত্ৰী স্বাধীনতা'ৰ বিৰোধী। কিন্তু বাস্তৱিকতে মনুৰ কথাষাৰৰ তাৎপৰ্য এনে—নাৰী পুৰুষতকৈ শাৰীৰিক ভাৱে দুৰ্বল। সেইবাবে পিতা, স্বামী বা পুত্ৰৰ ৰূপত যিকোনো এজন পুৰুষে তেওঁৰ শাৰীৰিক নিৰাপত্তাৰ ব্যৱস্থা কৰিব আৰু প্ৰয়োজন অনুসৰি ভৰণ-পোষণৰ ব্যৱস্থা কৰিব। ইয়াত 'স্বতন্ত্ৰতা' বা 'স্বাধীনতা'ৰ দ্বাৰা বাক্‌স্বাধীনতাৰ কথা বুজোৱা নাই। কিন্তু শাৰীৰিক আৰু আৰ্থিক ভাবে নিজেই নিজৰ ওপৰত নিৰ্ভৰশীল হোৱাটো বুজাইছে। মনুৰ দৃষ্টিত শাৰীৰিক আৰু আৰ্থিক বিষয়ত নাৰীক 'নিজে যি কৰে কৰক, যেনেকৈ চলে চলক' বুলি এৰি দিয়াতো উচিত নহয়। সেই বাবেই মনুৱে নিয়ম কৰিলে যে পিতা, স্বামী বা পুত্ৰৰ ৰূপত পুৰুষেই নাৰীৰ মান-মৰ্য্যাদা ৰক্ষা কৰিব লাগিব আৰু নাৰীক আৰ্থিক নিৰাপত্তা দিব লাগিব। এনে ভাবে ভৰণ-পোষণ দিয়াৰ দায়িত্ব বুজাবৰ বাবেই স্বামীৰ উল্লেখ কৰিবৰ সময়ত ভৰ্ত্তা ( ভৰণ-পোষণ দিওঁতা ) শব্দ প্ৰয়োগ

কৰিছে। নাৰীৰ প্ৰতি দায়িত্বৰ কথা আন এটা শ্লোকত এনেদৰে দিছে ঃ

কালে হদাতা পিতা ৱাচ্যো ৱাচ্যশ্চানু পায়ন্ পতিঃ।
মৃতে ভৰ্তৰি পুত্ৰস্তু ৱাচ্যো মাতুৰৰক্ষিতা ।। (৯,৪)

অৰ্থাৎ, যি পিতৃয়ে যথা সময়ত কন্যাৰ বিবাহ দিব নোৱাৰে তেওঁ নিন্দাৰ পাত্ৰ। যি স্বামীয়ে পত্নীক দাম্পত্য জীৱনৰ সুখ দিব নোৱাৰে তেওঁ নিন্দনীয়। যি পুত্ৰই স্বামীৰ মৃত্যুৰ পাছত নিজৰ মাকক ৰক্ষণা-বেক্ষণ নিদিয়ে তেওঁ নিন্দনীয়।

নাৰীক যে মনুৱে অসন্মান কৰিব খোজা নাই তাৰ প্ৰমাণ এই শ্লোকত আছে ঃ

উপাধ্যায়ান্ দশাচাৰ্য্য আচাৰ্য্যানাং শতং পিতা।
সহস্ৰং তু পিতৃমাতা গৌৰৱেনাতিৰিচ্যতে ।। (২ ১৪৫)

"দহজন উপাধ্যায় (অধ্যাপক) এজন আচাৰ্য্যৰ সমান। পিতা এশজন আচাৰ্য্যৰ সমান। এগৰাকী মাতৃ কিন্তু সন্মানত এহাজাৰ পিতৃতকৈয়ো অধিক।" ইয়াত বাৰু মাতৃ বুলি কৈছে। কিন্তু সাধাৰণ ভাবে নাৰী বুলি উল্লেখ কৰিও আন এটা প্ৰসঙ্গত এনেদৰে কৈছে ঃ

পিতৃভিৰ্ভ্ৰাতৃভিশ্চৈতাঃ পতিভিৰ্দেৱৰৈস্তথা।
পূজ্যা ভূষয়িতব্যাশ্চ বহুকন্যানমীপ্সুভিঃ ।।
যত্ৰ নাৰ্য্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ।
যত্ৰৈতাস্তু ন পূজ্যন্তে সৰ্বাস্তত্ৰা ফলাঃ ক্ৰিয়াঃ ।।
( ৩.৫৫-৫৬ )

অৰ্থাৎ যি সকলে বহু পৰিমাণে কল্যাণ কামনা কৰে সেই পিতা, ভাই, স্বামী, দেওৰ আদিয়ে বস্ত্ৰ, অলংকাৰ আদি দি নাৰীসকলক পূজা কৰিব লাগে। যি বংশত (বা যি সমাজত) নাৰীসকলক উপযুক্ত ভাবে পূজা কৰা হয় ( সমাদৰ কৰা হয় ) সেই ঠাইত দেৱতাসকল প্ৰসন্ন হয়। কিন্তু য'ত নাৰীক সন্মান কৰা নহয় তাত আন সকলো ধৰ্ম-কৰ্ম নিষ্ফল হয়। আকৌ কৈছে ঃ

শোচন্তি জাময়ো যত্ৰ ৱিনশ্যত্যাশু তৎ কুলম্
ন শোচন্তি তু যত্ৰৈতা বৰ্ধতে তদ্ধি সৰ্বদা ।।

—অৰ্থাৎ যি পৰিয়ালত নাৰীয়ে শোক পাবলগীয়া হয় সেই পৰিয়াল শীঘ্ৰে নাশ পায়। কিন্তু যি পৰিয়ালত নাৰীয়ে শোক পাবলগীয়া নহয় সেই পৰিয়ালৰ সদায় উন্নতি হয়।

মনুৰ মতে ঘৰখনৰ নাৰীসকল আৰু গৃহলক্ষ্মীৰ মাজত একো পাৰ্থক্য নাই ঃ

স্ত্ৰিয়ঃ শ্ৰিয়শ্চ গেহেষু ন ৱিশেষোঽস্তি কশ্চন।
(৯ ২৬)

কন্যাৰ বিবাহৰ বিষয়ে কোৱা কিছুমান কথাৰ মাজতো মনুৰ প্ৰগতিবাদী মনোভাবৰহে পৰিচয় পোৱা যায়। মনুৱে কৈছে ঃ

উৎকৃষ্টায়াভিৰূপায় ৱৰায় সদৃশায় চ।
অপ্ৰাপ্তামপি তাং তস্মৈ কন্যাংদদ্যাদ্ যথাৱিধি ।।
কামমামৰণাৎ তিষ্ঠেদ্ গৃহে কন্যৰ্তুমত্যপি।
ন চৈবৈনাং প্ৰয়চ্ছেত্তু গুণহীনায় কৰ্হিচিৎ ।।
ত্ৰীণি ৱৰ্ষাণ্যুদীক্ষেত কুমাৰ্য্যতুমতী সতী।
উৰ্ধ্বং তু কালাদেতস্মাদ্ ৱিন্দেত সদৃশংপতিম্ ।।
(৯.৮৮-৯০)

অৰ্থাৎ সকলো ফালৰ পৰা উৎকৃষ্ট, ধুনীয়া আৰু কন্যাৰ আৰু কন্যাৰ পৰিয়ালৰ লগত মিলা বৰ পালে কন্যা 'ডাঙৰ' হোৱাৰ আগতেই বিয়া দিব লাগে।

কন্যা ডাঙৰ হোৱাৰ পিছতো লাগিলে সদায় পিতৃ গৃহতে থাকি যাওক তথাপি গুণহীন (=অযোগ্য) পাত্ৰলৈ দিব নালাগে।

কন্যাই ডাঙৰ হোৱাৰ পিছত তিনি বছৰলৈ অপেক্ষা কৰিব। (ইয়াৰ ভিতৰত অভিভাবকে উপযুক্ত বৰৰ লগত সম্বন্ধ স্থিৰ নকৰিলে) তিনি বছৰৰ পিছত কন্যাই নিজেই নিজৰ লগত মিলা উপযুক্ত এজনক পতিৰূপে গ্ৰহণ কৰিব। এই তিনি কথাৰ দ্বাৰা বুজা যায় যে মনুৱে নাৰীক বৰং যথেষ্ট স্বাধীনতা ( =লিবাৰ্টি )-হে দি গৈছে।

দাম্পত্য জীৱনতো স্ত্ৰী আৰু পুৰুষৰ যে সম-মৰ্য্যাদা সেই বিষয়ে ইংগিত দি মনুৱে কৈছে ঃ

সন্তুষ্টো ভাৰ্য্যয়া ভৰ্তা ভৰ্ত্ৰা ভাৰ্য্যা তথৈৱ চ।
যস্মিন্নেৱ কুলে নিত্যং কল্যাণং তত্ৰ বৈ ধ্ৰুৱম্ ।।
(৩.৬০)

অৰ্থাৎ যি পৰিয়ালত ভাৰ্য্যাই স্বামীক আৰু স্বামীয়ে ভাৰ্য্যাক সন্তুষ্ট কৰি ৰাখে তাতেই কল্যাণ হয়। এই কথা ধ্ৰুৱ সত্য।

ওপৰৰ উদ্ধৃতি কেইটাৰ পৰা এই কথা বুজা যায় যে মনুৱেও নাৰীৰ প্ৰতি কোনো সংকীৰ্ণ মনোভাৱ পোষণ কৰা নাছিল। প্ৰাচীন উক্তিসমূহৰ অৰ্থ ভালদৰে বুজিবলৈ হ'লে আৰু বেলেগ বেলেগ উক্তিৰ লগত মিলাই চাবলগীয়া হয়। তদুপৰি স্বাতন্ত্ৰ্য, স্বতন্ত্ৰতা আদি শব্দ আজিকালি অসমীয়া, বঙলা আদি ভাষাত যি অৰ্থত প্ৰয়োগ কৰা হয় প্ৰাচীন কালত সংস্কৃতত সেই অৰ্থতে ব্যৱহাৰ কৰা নহৈছিল। আশা কৰা যায় যে এনেদৰে নতুনকৈ বিচাৰ কৰিলে এই কথা ওলাই পৰিব যে যিসকলে উপনিষদৰ দৰে উচ্চমানবিশিষ্ট সাহিত্য ৰচনা কৰিছিল, তেওঁলোকে নিশ্চয় নাৰীৰ ব্যক্তিত্ব আৰু মৰ্য্যাদাৰ ক্ষেত্ৰত কোনো সংকীৰ্ণ মনোভাৱ পোষণ কৰাটো সম্ভৱ নাছিল। oo

# অৱনমিত ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক আৰু পাৰিপাৰ্শ্বিকতা

**শ্ৰীমতী আল্পনা চৰকাৰ ডেকা,**
প্ৰাক্তন ছাত্ৰী, বৰ্ত্তমান গোৱাল-
পাৰাৰ বিকানী কলেজৰ প্ৰবক্তা ।

কিছুদিনৰ আগতে এখন তত্বগধূৰ সভাত যোগ দিবলৈ যাবলগীয়া হৈছিল । তাত ভাষণ প্ৰসঙ্গত এজন বক্তাই কৈছিল—"আমাৰ শিক্ষা পদ্ধতিক চাৰিচকীয়া বাহন বুলি আমি ধৰি লব লাগিব । এই চকাকেইটা হৈছে যথাক্ৰমে চৰকাৰ, শিক্ষক, ছাত্ৰ আৰু অভিভাৱক । এই চাৰি চকাৰ এটা চকাক বাদ দিও আমি শিক্ষা যন্ত্ৰটোক সম্পূৰ্ণ বুলি ধৰিব নোৱাৰোঁ ।" অৰ্থাৎ শিশু এটিয়ে জন্মৰ পৰা এজন প্ৰকৃত মানুহ হিচাপে নিজক গঢ় দিয়ালৈকে এই প্ৰতিটো চকাই শিশুটিক জীৱনৰ যাত্ৰাপথত আগবঢ়াই নিব লাগে । প্ৰতিটো শিশুৱে প্ৰথমতে জ্ঞান আহৰণ কৰে নিজৰ ঘৰ-খনৰ পৰা । ঘৰৰ লগে লগে ওচৰ-চুবুৰীয়া অৰ্থাৎ পাৰিপাৰ্শ্বিকতাই শিশুৰ ওপৰত প্ৰভাৱ পেলায় । গতিকে, শিশুটিক আনুষ্ঠানিক ভাৱে পঢ়াশালিলৈ নপঠিওৱালৈকে শিশুৰ মানসিক গঠন উন্নত কৰাত পিতৃ-মাতৃৰ অধিক দায়িত্ব থাকে ।

"একজন সুশিক্ষিতা মাতা একশত শিক্ষকের সমান ।" সুশিক্ষিতা বুলি কলে আমি অকল আক্ষৰিক জ্ঞান থকা শিক্ষাক বুজিলেই নহব । পঢ়াশালিৰ মুখ নেদেখাকৈও পিতৃ-মাতৃয়ে শিশুক বহু কথা শিকাব পাৰে । এই বিশ্ব-প্ৰকৃতি এখন বিৰাট পাঠশালা । এই পাঠশালাৰ পৰা আমি নিয়মিতভাৱে বহুত কথা শিকিব পাৰোঁ । দৰা-চলতে, মানুহৰ শিক্ষাৰ কোনো সীমা নাই, কোনো নিৰ্দ্দিষ্ট পৰিধি নাই । কবিয়ে কোৱাৰ দৰে—

"আকাশ আমায় শিক্ষা দিলো উদার হতে
ভাইরে ।
কর্মী হওয়ার মন্ত্র আমি বায়ুর কাছে পাইরে ।।

... ... ... ... ... ... ...

বিশ্বজোরা পাঠশালা মোর সবার আমি ছাত্র ।
নানান ভাবে নানান জিনিষ শিখছি দিবারাত্র ।।"

ঘৰখনেই মানুহৰ আচল শিক্ষাৰ ঠাই । ঠিক যেন "চহা আৰু পণ্ডিত" নামৰ কবিতাটিত পোৱাৰ দৰে—চহাজনে পঢ়াশালিলৈ নোযোৱা-কৈও এনেকুৱা কিছু মহৎ জ্ঞানৰ অধিকাৰী হ'ব পাৰিছিল যি জ্ঞান বহু তপস্যা, বহু সাধনাৰ অন্ততো আমি লাভ কৰিব নোৱাৰোঁ । তথাপি এটা নিৰ্দ্দিষ্ট সময়ৰ লগে লগে আমি পঢ়াশালিলৈ যাবলগীয়া হওঁ । তেতিয়াই আমাৰ লগত সম্পৰ্ক ঘটে আমাৰ জ্ঞানদাতা শিক্ষাগুৰুসকলৰ । প্ৰাচীন কালত ছাত্ৰসকলক অধ্যয়নৰ বাবে গুৰুগৃহলৈ পঠিয়াই দিয়া হৈছিল । তাত সৰ্বশাস্ত্ৰ অধ্যয়ন কৰি সৰ্ববিদ্যা লাভ কৰি এটা সময়ত ছাত্ৰসকলে নিজগৃহলৈ প্ৰত্যাবৰ্ত্তন কৰিছিল । কিন্তু সময়ৰ লগে লগে আমাৰ সেই শিক্ষা ব্যৱস্থাৰ পৰিবৰ্ত্তন ঘটিল । স্কুল-কলেজ স্থাপন হ'ল আৰু এটা নিৰ্দ্দিষ্ট সময়ত ল'ৰা-ছোৱালীক পঢ়াশালিলৈ পঠিয়াই দিয়া ব্যৱস্থা হ'ল । তেতিয়াই 'শিক্ষক' আৰু 'ছাত্ৰ' শব্দ দুটাৰ ব্যৱহাৰ আৰম্ভ হ'ল । মাক-দেউতাকৰ মৰমৰ আবেষ্টনীৰ পৰা ওলাই আহিয়েই যিসকল বাহিৰৰ মানুহৰ সংস্পৰ্শলৈ বেছিকৈ আহিবলগীয়া হয়, সেইসকল হৈছে শিক্ষক । গতিকে মাক-দেউতাকৰ সৈতে যেনে-কুৱা আত্মাৰ সম্পৰ্ক মানুহৰ থাকে, ঠিক তেনে এক সম্পৰ্ক শিক্ষক-ছাত্ৰৰ মাজতো থকা উচিত ।

ছাত্ৰসকলক আমি দেশৰ ধৰণী বুলি কওঁ । ছাত্ৰসকলেই দেশৰ ভৱিষ্যৎ । এই দেশৰ ধৰণী ভবিষ্যৎ কৰ্ণধাৰসকলক গঢ় দিয়াৰ এক মহান আৰু গুৰু দায়িত্ব ন্যস্ত হয় শিক্ষকসকলৰ ওপৰত । গতিকে, আমাৰ সমাজ ব্যৱস্থাই শিক্ষকসকলক শ্ৰেষ্ঠতকৈও শ্ৰেষ্ঠ স্থান দিয়া উচিত । বৰ্ত্তমান আমাৰ মানুহৰ মাজত এটা ধাৰণা প্ৰচলিত হৈছে যে, যিসকলে কৰিবলৈ অইন চাকৰি পোৱা নাই, অথবা যোগ্যতাও নাই; সেইসকল মানুহহে শিক্ষক হ'বলৈ আগবাঢ়ি আহে; যোগ্যতা থকা সকলে নিশ্চয় আন চাকৰিহে কৰিব । গল্প এটাত পঢ়া মনত আছে—পুতেক কলেজৰ অধ্যা-পক হোৱাত বাপেকে কৈছে—"সিনো কি মানুহ হ'ল ? কলেজৰ প্ৰফেচাৰ হ'ল । কলেজৰ প্ৰফে-চাৰো এটা চাকৰিনে ? তাতকৈ মণ্ডল হোৱা হলেই বেছি ভাল আছিল ।" নিঃসন্দেহে লেখকে কথাটো ব্যঙ্গাত্মক দৃষ্টিৰেই কৈছে; কিন্তু সেই ব্যঙ্গাত্মক দিশটো আমাৰ আজিৰ চাম মানুহে বুজিবলৈ যত্ন কৰা দেখা নাযায় ।

আজি আমাৰ প্ৰায়সকল অভিভাৱকে নিজৰ সন্তানৰ বাবে দুই-তিনিজনকৈ ঘৰুৱা শিক্ষকৰ ব্যৱস্থা কৰে । অভিভাৱক যদি শিক্ষিতও হয়, তথাপি নিজৰ ল'ৰা-ছোৱালীৰ ঘৰুৱা শিক্ষকৰ দায়িত্ব নিজে মূৰ পাতি লব নিবিচাৰে । হয়তো আটায়ে কৰিছে বাবেই তেৱোঁ কৰিছে । অথবা কিছুমান ঠাইৰ অভি-ভাৱকৰ মনত এনেকুৱা এটা ধাৰণা হৈছে যে, ল'ৰা-ছোৱালীৰ বাবে যিমান বেছি ঘৰুৱা শিক্ষক ৰাখিব পৰা যায়, নিজক সিমানে বেছি আঢ্য-ৱন্ত 'ষ্টেটাচ' সম্পন্ন বুলি সমাজত প্ৰতিপন্ন কৰিব কৰিব পৰা যায় । কিন্তু এই ৰুগ্ন ধাৰণাৰ বশৱৰ্ত্তী হৈ আমি যে নিজৰ লগতে নিজৰ সন্তানৰ ভৱিষ্যৎ একোটা জলাঞ্জলি দিবলৈ ওলাইছোঁ, তাৰ প্ৰতি কাৰো ভ্ৰূক্ষেপ নাই । পৰিতাপৰ কথা এই যে আজি আমাৰ অভিভাৱকসকলে কেতি-য়াও নিজৰ সন্তানক এজন প্ৰকৃত শিক্ষক হিচাপে গঢ় দিয়াৰ চেষ্টা কৰা দেখা নাযায় । আচৰিত হৈ লক্ষ্য কৰিছোঁ, হাইস্কুল শিক্ষান্ত পৰীক্ষাতে হওক বা আন কোনো পৰীক্ষাতে হওক, শীৰ্ষ-স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক সুধিলে গম পোৱা যায় যে, তেওঁ এজন ডাক্তৰ বা ইঞ্জি-নিয়াৰ হোৱাৰহে সপোন দেখে, এজন সুশিক্ষিত হোৱাৰ নহয় । আজিৰ আমাৰ এই বস্তুতান্ত্ৰিক সমাজখনত আমি আমাৰ সন্তানক উদ্দীপনা যোগাওঁ ডাক্তৰ, ইঞ্জিনিয়াৰ বা এ, চি, এছ অথবা আই, এ, এছ, বিষয়া হবলৈ, একো নোৱাৰিলেও কোনোবা অফিচৰ নিম্নবৰ্গৰ সহায়ক

হ'বলৈ ; কিন্তু শিক্ষক হবলৈ নহয়। ইয়াৰ ফলত আমাৰ শিক্ষাৰ মানদণ্ডৰ দিনে দিনে অৱনতি ঘটিছে।

শিক্ষকসকল আজিৰ সমাজত অৱহেলা আৰু অশ্ৰদ্ধাৰ পাত্ৰ, সমাজৰ কৰুণাৰ পাত্ৰ। সমাজৰ চকুত শিক্ষকৰ প্ৰতি অৱহেলাই ছাত্ৰ সমাজৰ মানসিকতাৰো হানি কৰিছে। আজিৰ ছাত্ৰই শিক্ষকক পিতা-মাতাৰ দৰে জ্ঞান কৰিব নোৱাৰে। প্ৰতিনিয়ত সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ মাজত শিক্ষক সম্বন্ধে শুনা কথাবিলাকে হয়তো শিক্ষক ছাত্ৰৰ সম্পৰ্কৰো অৱনতি ঘটাইছে। এইখন ভাৰততে এদিন গুৰুৰ আদেশ পালন কৰিবলৈ যোৱা উপমন্যুৰ দৰে শিষ্য আছিল, একলব্যৰ দৰে গুৰু-দক্ষিণা দি জীৱন যোৱা পংগুত্বক সাৱটি লোৱা শিষ্যও আছিল। আমি পঢ়িছিলোঁ যে, গুৰুৱে যদি শিষ্যক এটিও মাথোন আখৰ শিকায়, শিষ্যৰ এনে কোনো পাৰ্থিৱ সম্পদ নাই, যাৰ দ্বাৰা গুৰুৰ ধাৰ সুজিব পাৰে। গতিকে, ভক্তি আৰু শ্ৰদ্ধাই শিষ্যৰ একমাত্ৰ সম্পদ। কিন্তু আমাৰ চকুৰ সন্মুখতে এই গুৰুভক্তি নাই-কিয়া হৈ গৈ আছে। আমি জানো—"বিদ্যা দদাতি বিনয়ম্।" কিন্তু আমি সভয়ে লক্ষ্য কৰিছোঁ যে, আজিৰ বিদ্যাই ছাত্ৰক বিনয়ী নম্ৰ হবলৈ শিকোৱাৰ পৰিবৰ্ত্তে উদণ্ড, উশৃঙ্খল হবলৈহে শিকাই আছে। শিক্ষক-ছাত্ৰৰ সম্পৰ্কৰ অৱনতিৰ দুৰ্ভাগ্যজনক পৰিচয় পোৱা যায়—পৰীক্ষাৰ সময়ত। যিদৰে সৎ নিষ্ঠাবান ব্যক্তিক আজি-কালি মানুহে বুৰ্ব্বক বুলি কয়, বুদ্ধিহীন বুলি ভাবে—ঠিক সেইদৰে সৎ শিক্ষকসকলৰো সততা-নৈতিকতাৰ মৃত্যু ঘটিব লাগিছে প্ৰতি পলে পলে। যিজন শিক্ষকে নিয়মিত ভাৱে শ্ৰেণীত পাঠদান কৰে, পৰীক্ষাৰ আধাঘণ্টা আগলৈকো ছাত্ৰক জানিব লগীয়া কথাবিলাক শিকাবলৈ কুণ্ঠাবোধ নকৰে, অথচ শ্ৰেণীত হুলস্থুল কৰা ছাত্ৰক শাসন কৰে বা পৰীক্ষাকোঠাত নিজৰ কৰ্ত্তব্য নিয়াৰিকৈ পালন কৰে, সেইজন শিক্ষকক বেছিভাগ ছাত্ৰ-ছাত্ৰীয়েই বেয়া পায়। তেওঁৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ মন্তব্য হ'ল "বেছি বেছি কৰে।" পৰীক্ষাকোঠাত অসৎ উপায় অৱলম্বন কৰা ছাত্ৰ-ছাত্ৰীক বাধা দিয়া শিক্ষকসকল হ'ল ছাত্ৰ-ছাত্ৰীৰ শত্ৰু। সেই ভাৱধাৰা বহু অভিভাৱকৰ মনৰ মাজলৈও সোঁচৰা বেমাৰৰ দৰে গতি কৰে। কিন্তু প্ৰকৃততে সেয়া সঁচা নহয়। শিক্ষকৰ কোনো জাতি, ধৰ্ম, সম্প্ৰদায় বা ভাষা থাকিব নোৱাৰে। শিক্ষকৰ এটাই চিনাকি—তেওঁলোক শিক্ষক। শিক্ষক-ছাত্ৰৰ সম্পৰ্ক পবিত্ৰ আৰু মধুৰ। এজন প্ৰকৃত শিক্ষকে তেওঁৰ ছাত্ৰক অসৎ আচৰণ কৰা দেখিলে শাসন কৰাৰ অথবা শিকনি দিয়াৰ কোনো ধৰা-বন্ধা সময়ৰ প্ৰয়োজন নাই। শিক্ষকৰ অনুশাসন ছাত্ৰৰ ভালৰ বাবেহে।

উপনিষদৰ এঠাইত শিষ্যসকলক গুৰুৱে কোৱা কথা এষাৰ আছে—"আমাৰ সৎকৰ্মৰ ফল তোমালোকৰ মাজেদিয়েই প্ৰতিভাত হওক।' সঁচা কথা, এজন শিক্ষক জীয়াই থাকে ভৱিষ্যতে তেওঁৰ ছাত্ৰৰ মাজত। ছাত্ৰই শিক্ষকৰ বৰ্ত্তমান, ভৱিষ্যৎ গতিকে, আজিৰ শিক্ষকেও নিশ্চয় তেওঁৰ ছাত্ৰক কব—তোমালোকৰ সুযশে আমাৰ দীৰ্ঘায়ু।

আমি প্ৰায়ে শুনো বা বাতৰি কাকতত পঢ়িবলৈ পাওঁ যে, অসৎ উপায় অৱলম্বন কৰিব বিচৰা ছাত্ৰক বাধা প্ৰদান কৰাৰ বাবে শিক্ষক প্ৰহৃত। কিন্তু সেই কলঙ্ক, লজ্জাই শিক্ষকক নিশ্চয় স্পৰ্শ নকৰে, কৰে—শিক্ষকক অপমান কৰা ছাত্ৰজনকহে। দ্ৰৌপদীক ৰাজসভাত বিবস্ত্ৰা কৰিবলৈ বিচৰাত গান্ধাৰীয়ে দ্ৰৌপদীক কৈছিল—

"যে তোমরে অপমানে তারই অপমান জগতে
রহিবে নিত্য,
কলঙ্ক অক্ষয়। তোমার অপমান রাশি সর্বজগতময়
ভাগ করি লইয়াছে সর্বকুলাঙ্গণা, কাপুরুষতার
হস্তে সতীর লাঞ্ছনা।

এগৰাকী সতীৰ লাঞ্ছনা জগতৰ সমস্ত নাৰীয়ে নিজৰ লাঞ্ছনা বুলি ভাগ কৰি লব পৰা মানসিকতা আজিৰ মানৱৰ নাই জানো! এজন বা দুজন শিক্ষকক কৰা অপমান নিশ্চয় সমস্ত শিক্ষক সমাজে নিজৰ অপমান বুলিয়ে ভাগ কৰি লব। তাত শিক্ষকৰ ক্ষতি নাই। ক্ষতি অপমান কৰা ছাত্ৰজনৰ, তেওঁৰ অভিভাৱকৰ। কিন্তু কিছু সংখ্যক অভিভাৱকে ছাত্ৰৰ লগে লগে শিক্ষকক দাবী দিবলৈহে আগবাঢ়ি যোৱা দেখা যায়। তেওঁলোকে পাহৰিবলৈ চেষ্টা কৰে যে ছাত্ৰ শিক্ষকৰ শত্ৰু নহয়। শিক্ষক-ছাত্ৰৰ সম্পৰ্ক শ্ৰদ্ধা-ভক্তি আৰু মৰমৰ সম্পৰ্ক।

এই অৱস্থাৰ পৰা পৰিত্ৰাণৰ উপায় বিচৰাৰ নামত আজি আমি শিক্ষক-ছাত্ৰ-অভিভাৱক প্ৰত্যেকেই ইজনে সিজনৰ ওপৰত দোষ জাপি দি নিজে চাপৰি মেঘ আঁৰৰ যত্ন কৰিছোঁ। কিন্তু আমাৰ এই অধঃপতনৰ বাবে আমি প্ৰত্যেকেই নিজক জগৰীয়া বুলি ভাবিব লাগিব। প্ৰতিকাৰৰ চেষ্টা আমি প্ৰত্যেকেই কৰিব লাগিব। অভিভাৱকসকলে ছাত্ৰৰ মনত শিক্ষক সম্পৰ্কে ভাল ধাৰণা জন্মাই দিব লাগিব। জীৱনৰ মহামূল্যবান শিক্ষালাভৰ সময়ছোৱা ছাত্ৰ যিসকল মানুহৰ সংস্পৰ্শত থাকিব, সেইসকল সম্পৰ্কে শ্ৰদ্ধা-ভক্তি থাকিলেহে তেওঁলোকে সুন্দৰভাৱে জ্ঞান আহৰণ কৰিবলৈ সমৰ্থ হ'ব। সমাজৰ প্ৰতিজন ব্যক্তিয়েই শিক্ষক শ্ৰেণীটোক নিজৰ বন্ধু, সমাজৰ লাইখুটা বুলি ভাবিব পাৰিব লাগিব। সেই ধাৰণা ছাত্ৰৰ মনতো বদ্ধমূল হ'বই লাগিব। ছাত্ৰ আৰু অভিভাৱকৰ এই যুগ্ম প্ৰচেষ্টাই নিশ্চয় শিক্ষকসকলকো জ্ঞানদানত একাণপতীয়াকৈ ব্ৰতী কৰিব পাৰিব।

ছাত্ৰ-ছাত্ৰীৰ অধঃপতনত এচাম শিক্ষকৰো অৰিহণা আছে। কিছু সংখ্যক আদৰ্শভ্ৰষ্ট শিক্ষকো আছে যিয়ে শ্ৰেণীত পাঠদানত নিয়মীয়া নহ'ব অথচ পৰীক্ষাকোঠাত ছাত্ৰক অসৎ কাম কৰাৰ পৰা বিৰত কৰিবলৈও চেষ্টা নকৰিব, বৰঞ্চ সহকৰ্মীসকলক ঠাট্টা আৰু বিদ্ৰুপহে কৰিব। তেনেচাম শিক্ষকৰ বাবেই নিশ্চয় এচাম ছাত্ৰই শিক্ষকক অপমান কৰিবলৈ সুযোগ পায়। শিক্ষকতা কৰিবলৈ অহা বহু শিক্ষকৰ মনত এষাৰ কথা শুনিবলৈ পোৱা যায়—চেষ্টা কৰি আছো অইন চাকৰি এটা নোপোৱালৈকে ...। এই ধৰণৰ মানসিকতাৰে পুষ্ট শিক্ষকে কেতিয়াও ছাত্ৰ-ছাত্ৰীক আন্তৰিকতাৰে শিক্ষাদান কৰিব নোৱাৰে। এই মনোভাৱ শিক্ষকসকলৰ মনৰ পৰা আঁতৰাব লাগিব।

ঠিক তেনেকৈ আমাৰ নিয়োগকৰ্ত্তাসকলে শিক্ষক নিযুক্তি দিয়াত কঠোৰ নিয়ম অৱলম্বন কৰিব লাগিব। ভাল ছাত্ৰ এজন নিশ্চয়

সুশিক্ষক হ'ব। শিক্ষক নিয়োগ কৰাৰ ক্ষেত্ৰত আমি জাতি, সম্প্ৰদায়, ভাষা আদিৰ ঠেক গণ্ডীৰ পৰা আঁতৰি আহিব পাৰিব লাগিব। আনহাতে আমাৰ পাঠ্যক্ৰমৰ কিছু সুব্যৱস্থা কৰিব লাগিব। উদাহৰণ স্বৰূপে বুৰঞ্জী, ভুগোল আদি বিষয়সমূহ ঐচ্ছিক বিষয় হিচাপেহে গণ্য কৰা হয়। যাৰ ফলস্বৰূপে, আজিৰ কলেজৰ ছাত্ৰ এজনে বাবৰ, আকবৰৰ দুৰতে থাওক, বান-ভগদত্তৰ নামকে নাজানে। চেৰাপুঞ্জী ক'ত বুলি সুধিলে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে পৃথিৱী পৰিভ্ৰমণ কৰিও বিচাৰি নাপায়। নিজৰ জাতিৰ উত্থান-পতনৰ বুৰঞ্জী নজনা বা নিজৰ দেশৰ ভৌগোলিক অৱস্থিতি সম্পৰ্কে জ্ঞান নথকা আমাৰ এই চাম উত্তৰপুৰুষৰ পৰা ভাল ফল আশা কৰিম কেনেকৈ ?

গতিকে, আমি সেই চাৰিচকীয়া বাহনখনৰ প্ৰতিটো চকাই সমাজ গঠনত যত্নপৰ নহলে হয়তো অদূৰ ভৱিষ্যতে আমি এটা কল্পনাতীত পৰিস্থিতিত উপনীত হ'ব লাগিব। কিন্তু সেই পৰিস্থিতিক বাধা দি এখন সুস্থ সমাজ গঠন কৰাৰ দায়িত্ব আমি প্ৰত্যেকেই মূৰ পাতি লোৱা উচিত। তেতিয়াহে আমি বিচৰা মতে আমাৰ উত্তৰপুৰুষসকল জগতত মানুহ হিচাপে চিনাকি দিব পৰাকৈ গঢ় লৈ উঠিব। কিয়নো ছাত্ৰ-শিক্ষক-অভিভাৱক প্ৰত্যেকেই প্ৰত্যেকৰ সৈতে অঙ্গাঙ্গীভাৱে জড়িত। ●



# লা নুই বেঙ্গলী আৰু ন হন্যতে

## ( এটি পৰ্য্যালোচনা )

আদিতি ভূঞা

ৰুমানিয়ান ভাষাত লিখা "লা নুই বেঙ্গলী" (La Nuit Bengali) দাৰ্শনিক সাহিত্যিক মিৰ্চা এলিয়াদৰ অন্যতম অপূৰ্ব সৃষ্টি। আনহাতে "ন হন্যতে" হ'ল বাংলা ভাষাত তাৰেই প্ৰত্যুত্তৰ স্বৰূপে লিখা মৈত্ৰেয়ী দেৱীৰ জীৱনৰ অন্য এক কীৰ্তি। মূল 'লা নুই বেঙ্গলী' খন পঢ়াটো আমাৰ পক্ষে সম্ভৱপৰ নহয়। সেয়ে তাৰ শ্ৰী-জগন্নাথ চট্টোপাধ্যায়ে সম্পাদনা কৰা বাংলা অনুবাদটি পঢ়ি তাৰ লগত 'ন হন্যতে'ৰ তুলনাত্মক এটি আলোচনা আগবঢ়াব খুজিছোঁ।

মিৰ্চা এলিয়াদৰ নাম ভাৰতীয় সাহিত্যত খুব পৰিচিত। ভাৰতীয় যোগ, দৰ্শন আৰু সাহিত্য সম্পৰ্কে অধ্যয়ন কৰিবলৈ তেওঁ ভাৰতলৈ আহিছিল ১৯২৮ চনত। ১৯৩২ চনত তেওঁ ভাৰতৰ পৰা উভতি যায়। ভাৰতত থকা সময় চোৱাত তেওঁৰ যিখিনি অভিজ্ঞতা হৈছিল, সেই অভিজ্ঞতাৰ লগতে ভাৰতীয় নাৰী মৈত্ৰেয়ীৰ লগত তেওঁৰ প্ৰেম সংঘটিত কাহিনী আৰু তেওঁৰ মনৰ দ্বন্দ্বয়েই 'লা নুই বেঙ্গলী'ৰ মূল উপজীব্য। মিৰ্চা এলিয়াদৰ অন্যান্য কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল—ৰোমাণ্টিক উপন্যাস—"লা নুই বেঙ্গলী" (Night in Bengal), 'ফোৰে এ্যান্যতাৰদিত,' (Prohibited Forest), 'ল' ভিয়েই অম্ এ লোফোসিয়ে' (The oldman and the officer), আৰু ধৰ্মীয় গ্ৰন্থকেইখনৰ ভিতৰত উল্লেখযোগ্য হ'ল—'ল' সাক্ৰে এ ল' প্ৰফান' (The Sacret and the Profome), 'লা' নষ্টালজি দে জোৰিজিন' (Nostalogia of origin) ইত্যাদি।

আনহাতে মৈত্ৰেয়ী দেৱীৰ নামো ভাৰতীয় সাহিত্যত খুব পৰিচিত। 'ন হন্যতে' উপন্যাসৰ বাবে তেওঁ ১৯৭৬ চনৰ সাহিত্য একাডেমী বঁটা লাভ কৰে। তেওঁৰ অন্যান্য দুই এখন গ্ৰন্থ হ'ল—'মংপুতে ৰবীন্দ্ৰ নাথ', 'ৰবীন্দ্ৰনাথ গৃহে ও বিশ্বে', 'হিৰন্ময় পাখি' (কাব্য গ্ৰন্থ), 'চীনে ও জাপানে,' 'স্বৰ্গেৰ কাছাকাছি।' মৈত্ৰেয়ী দেৱীৰ 'ন হন্যতে' ৰো মূল উপজীব্য হৈছে বিদেশী, ভাৰতীয় দৰ্শনৰ ছাত্ৰ মিৰ্চা ইউক্লিড ( মিৰ্চা এলিয়াদ)ৰ লগত অমৃতাৰ প্ৰণয় আৰু তেওঁৰ মানসিক দ্বন্দ্ব।

আমি আলোচনাৰ কাৰণে এই দুখন গ্ৰন্থ লোৱাৰ কাৰণটো হ'ল একেই ঘটনাৰ ওপৰত ভিত্তি কৰিয়েই দুয়োখন ভিন্নভাষী উপন্যাস ৰচিত হৈছে। তদুপৰি দুয়োখনেই আত্মজীৱনীমূলক উপন্যাস

আৰু দুয়োখন উপন্যাসতেই পৰিস্ফুট হৈছে এক স্বৰ্গীয় প্ৰণয় কাহিনী, প্ৰাচ্য আৰু পাশ্চাত্য সংস্কৃতিৰ মাজত হোৱা সংঘৰ্ষ, তিৰিশৰ দশকৰ ভাৰতীয় সমাজৰ চিত্ৰ আৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিভিন্ন ঘটনা। সৰ্বতোপৰি দুয়োখন উপন্যাসতেই কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতি মৈত্ৰেয়ীৰ অপৰিসীম শ্ৰদ্ধা আৰু মিৰ্চাৰ এক অহেতুক ঈৰ্ষাৰ কথা প্ৰকাশ পাইছে। ছবি (বা সাবি)ৰ বায়েক—মৈত্ৰেয়ীৰ প্ৰতি থকা ঈৰ্ষাৰ কথাও দুয়োজনেই স্বীকাৰ কৰিছে। এইবিলাক দিশৰ পৰা দুয়োখন গ্ৰন্থ একেই যেন লাগিলেও সম্যকৰূপে দুয়োখন অধ্যয়ন কৰাৰ পাছত এই কথা বুজা যায় যে দুয়োজনেই ভিন্নৰূপে তেওঁলোকৰ প্ৰেমক অমৰ কৰি ৰাখিব খুজিছে। এতিয়া দুয়োখন গ্ৰন্থকেই পৃথক পৃথককৈ আলোচনা কৰা যাওক।

'লা নুই বেঙ্গলী'ৰ পটভূমি হৈছে বিংশ শতিকাৰ তিৰিশৰ দশকৰ কলিকতা আৰু আগতেই কোৱা হৈছে যে মৈত্ৰেয়ী আৰু মিৰ্চাৰ মাজৰ প্ৰণয় হৈছে ইয়াৰ উৎস। মিৰ্চা এলিয়াদে এই উপন্যাসখনত নিজকে অ্যালেন নামৰ ভাৰতত কৰ্মৰত এজন ইউৰোপীয়ান ইঞ্জিনীয়াৰ হিচাপে পৰিচয় দিছে। নৰেন্দ্ৰ নাথ সেন তেওঁৰ ওপৰৱালা বঙালী ইঞ্জিনীয়াৰ। নৰেন্দ্ৰ নাথ সেনে অ্যালেনক প্ৰথমে নিজৰ পৰিয়ালৰ এজন বুলি গ্ৰহণ কৰি পাছত তেওঁক পোষ্যপুত্ৰৰূপে গ্ৰহণ কৰিবলৈ বিচাৰিছিল। কিন্তু সেনৰ এই আশা পূৰণ হোৱাৰ আগতেই তেওঁৰ কন্যা মৈত্ৰেয়ী আৰু অ্যালেন প্ৰণয়সূত্ৰে আৱদ্ধ হৈ পৰিল। সেন আৰু তেওঁৰ পৰিয়ালে এই ঘটনাক স্বাভাৱিক ভাৱে গ্ৰহণ কৰিব নোৱাৰিলে আৰু অ্যালেনক যিদৰে এদিন সহজভাৱে নিজৰ ঘৰত ঠাই দিছিল, ঠিক তেনেদৰেই সহজভাৱে ঘৰৰ পৰা বিদায় দিলে। তাৰ পাছতেই আৰম্ভ হ'ল অ্যালেন আৰু মৈত্ৰেয়ীৰ মানসিক অন্তৰ্দ্বন্দ। মিৰ্চা এলিয়াদে এই অন্তৰ্দ্বন্দক বৰ সুন্দৰভাৱে উপন্যাস খনিত বৰ্ণনা কৰিছে। কেইটিমান বাক্যৰ উদ্ধৃতিয়ে হয়তু এই অন্তৰ্দ্বন্দক উপলব্ধি কৰাত সহায় কৰিব। '......বিগত দিনের কত ভুলে যাওয়া স্মৃতি, কত ছোট ছোট তুচ্ছ অথচ মধুময় ঘটনা আবার জীবন্ত হয়ে উঠত আমার অন্তরে। কত গভীর, কত নিবিড়, কত ললিত গীতিময় সে সব ব্যথার গাথা। যে সব তুচ্ছ জিনিষকে আগে কখনো কোন মূল্যই দিই নি, সেগুলো এখন আমার অন্তর্দৃষ্টিতে জ্বলজ্বলে ভাস্বর হয়ে উঠছিল। আমি যেন মৈত্রেয়ীকে ভেঙে ভেঙে গড়ছিলাম, সেই পাইন চেষ্টনাটের ছায়ায় ছায়ায়, পাহাড়ে-জঙ্গলের পথে পথে। আমি আমার সেই অপূর্ব ভাবনার অন্তরঙ্গতায় এমন আপ্লুত আবিষ্ট হয়ে থাকতাম, যে মাঝে মাঝে আমার ভয় হত, এই স্বপ্ন যদি ভেঙে যায়, আমি আমার এই যন্ত্রণাবিশিষ্ট শরীর সত্ত্বা নিয়ে বাঁচব কি করে।" (পৃঃ ১৬০-১৬১) আনহাতে প্ৰধান নাৰীচৰিত্ৰ মৈত্ৰেয়ীয়ে তেওঁৰ সমুখত এগৰাকী ৰহস্যময়ী নাৰীৰূপে ধৰা দিছে। অ্যালেনে ভালকৈয়ে জানে যে মৈত্ৰেয়ীয়ে তেওঁক ভাল পায়, তেওঁক বিচাৰে। কিন্তু যেতিয়া মৈত্ৰেয়ীয়ে ৰবীন্দ্ৰনাথৰ কথা কয়, বহীত ৰবীন্দ্ৰনাথৰ নাম লিখে, তেতিয়া তেওঁৰ মনত উপজে মৈত্ৰেয়ীৰ প্ৰতি সন্দেহ আৰু ৰবীন্দ্ৰনাথৰ প্ৰতি এক ঈৰ্ষা। আনকি তেওঁৰ নিজৰ ওপৰতো সন্দেহ, তেওঁ মৈত্ৰেয়ীক সঁচাকৈয়ে ভাল পায়নে! এই সন্দেহ দূৰ হ'ল তেতিয়া যেতিয়া তেওঁৰ মনত সংশয় হ'ল— মৈত্ৰেয়ীক চিৰদিনৰ বাবে হেৰুওৱাৰ। "......এক ভীতি প্রদর্শন আমাকে সত্যিকারের ভালোবাসা শিখিয়েছে এবং শুধু আজকেই আমি জেনেছি ও আমার কতখানি প্রিয়, আজকে যখন আমি ওকে হারানোর ভয় পাচ্ছি।" (দ্বিতীয় সংস্কৰণ ঃ পৃঃ ১৩৬)

নৰেন্দ্ৰ নাথ সেনে অ্যালেনক তেওঁৰ ঘৰৰ পৰা বিতাৰিত কৰাৰ পাছত আৰু মৈত্ৰেয়ীৰ লগত ৰাখিব পৰা সম্ভৱপৰ সকলো যোগাযোগৰ পথ বন্ধ কৰি দিয়াৰ পাছত হতাশ, ভগ্নমনোৰথ অ্যালেনে তেওঁৰ পূৰ্বৰ সঙ্গিনীসকলৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। কিন্তু ইয়াৰ ফলস্বৰূপে তেওঁৰ মন এক তিক্ততাৰেহে ভৰি পৰিল। ভাৰতীয় নাৰীৰ পৱিত্ৰতাবোধে তেওঁৰ সমুখত প্ৰাচ্য-সংস্কৃতিৰ এক নতুন দিগন্তৰ দ্বাৰ উন্মোচন কৰিলে। মৈত্ৰেয়ীক লগ পোৱাৰ পাছত, মৈত্ৰেয়ীৰ ঘনিষ্ঠ সম্পৰ্কলৈ অহাৰ পাছত, অ্যালেনে চেষ্টা কৰিছিল সঙ্গীত, সাহিত্য আৰু বঙালী কবিতা বুজিবলৈ আৰু ভাল পাবলৈ। মৈত্ৰেয়ীৰ লগত তেওঁৰ বিচ্ছেদৰ পাছত তেওঁ লগ পালে ফিনলেণ্ডৰ জেনি আইজাকক। কিন্তু জেনিৰ সান্নিধ্যয়ো তেওঁৰ মন মৈত্ৰেয়ীৰ পৰা আঁতৰাই নিব নোৱাৰিলে। জেনিক লগ পোৱাৰ পাছতো তেওঁৰ অন্তৰত চিৰ সজীৱ হৈ থকা নাৰীগৰাকী হ'ল একমাত্ৰ মৈত্ৰেয়ী।

একেদৰে মৈত্ৰেয়ী দেৱীৰ 'ন হন্যতে'ৰো মূল উপাদান হৈছে মিৰ্চা ইউক্লিডৰ লগত অমৃতাৰ প্ৰণয়। কিন্তু 'ন হন্যতে'ৰ ৰচনাশৈলী, প্ৰকাশভঙ্গী 'লা নুই বেঙ্গলী'তকৈ পৃথক। 'অজো' নিত্যঃ শাশ্বতো হয়ং পুৰাণো, ন হন্যতে হন্যমানে শৰীৰে' (এই আত্মা জন্মৰহিত, শাশ্বত আৰু পুৰাতন, শৰীৰৰ ধ্বংস হ'লেও আত্মা নিহত নহয়) গীতা শাস্ত্ৰৰ এই সত্যটিয়েই সমগ্ৰ উপন্যাসখনতে পৰিস্ফুট হৈ আছে।

মিৰ্চা ইউক্লিড অমৃতাৰ পিতৃ বিদগ্ধ সংস্কৃতজ্ঞ পণ্ডিত নৰেন্দ্ৰ নাথ দাসগুপ্তৰ প্ৰিয় ছাত্ৰ। বিংশ শতিকাৰ ত্ৰিশৰ দশকত ভাৰতীয় সমাজত যি ৰীতি-নীতি, সামাজিক বাধা-নিষেধ আছিল তাক ক্ৰমাণ্বয়ে আঁতৰাই পাশ্চাত্য সংস্কৃতিৰ উৎকৃষ্টখিনি গ্ৰহণ কৰাত আগভাগ লৈছিল এই পৰিয়ালটোৱে—যাৰ ফলশ্ৰুতি হ'ল বিদেশী হ'লেও মিৰ্চা ইউক্লিডক তেওঁলোকৰ লগত একত্ৰ বাস কৰিবলৈ, খোৱা-বোৱা কৰিবলৈ অনুমতি প্ৰদান। পণ্ডিত দাসগুপ্ত তেওঁৰ এই মেধাৱী, বিদেশী ছাত্ৰ ইউক্লিড আৰু বিদুষী কন্যা অমৃতাক লৈ বেচ গৰ্বিত। অমৃতাৰ ভাষাত "বাবার প্রদর্শনীতে আমরা দুজনেই দ্রষ্টব্য বস্তু।" সময়ৰ লগে লগে অমৃতা আৰু ইউক্লিড দুয়ো দুয়োৰে ওচৰ চাপি আহিল। দাসগুপ্তৰ পৰিয়ালৰ সকলোৰে পৰা পোৱা স্নেহৰ কাৰণে ইউক্লিডে ধৰি লৈছিল যে তেওঁলোকৰ মিলনত কোনো বাধা থাকিব নোৱাৰে। ধৰ্মীয় দিশৰ পৰা আহিবলগীয়া বাধাক প্ৰতিৰোধ কৰাৰ কাৰণে তেওঁ আনকি ধৰ্মান্তৰিতও হ'ব খুজিলে। এনে এক সৰ্বনাশী প্ৰণয়ৰ বাবেই ইউক্লিডৰ মনলৈ আহিল অমৃতাৰ প্ৰশংসাকৰ্তাসকলৰ প্ৰতি ঈৰ্ষা। আনকি স্বয়ং কবিগুৰু ৰবীন্দ্ৰনাথো ইয়াৰ পৰা সাৰি যাব নোৱাৰিলে। গোপন প্ৰণয় বেছিদিন গোপনে

নাথাকিল। সহোদৰ ভগ্নী সাবিয়ে ঈৰ্ষাবশতঃ কৰা উক্তিসমূহৰ পৰা অমৃতাৰ পিতৃ-মাতৃ এই দুই তৰুণ-তৰুণীৰ প্ৰণয় সম্বন্ধে অবগত হ'ল। অচিৰেই তেওঁলোকৰ মাজলৈ নামি আহিল বিচ্ছেদ। ইয়াৰ ফলত উদ্ভৱ হোৱা অমৃতাৰ অন্তৰ্দ্বন্দ, মিৰ্চাৰ বিদায়মুহূৰ্তৰ এই কথাখিনিয়ে হয়তু কিছু পৰিমাণে প্ৰকাশ কৰিব—"না, না, মিৰ্চা না—আৰ ঠিক সেই মুহূৰ্তে বুঝতে পাৰলাম ওকে তো বলা হল না। আৰ কোনও দিনও বলা হবে না।" (পৃঃ ১১৩) অসত্য অথচ প্ৰেমৰ মূল্য অক্ষয় কৰি দিলে এই কথা কেইটাৰে—"Mircea, Mircea, Mircea, I have told my mother that you have kissed only on my forehead." অন্তৰ্দাহ কমি অহাৰ চাৰিবছৰ পাছত অমৃতাৰ বিয়া হ'ল। আৰম্ভ হ'ল এক সাংসাৰিক জীৱন। কিন্তু ১৯৭২ চনত সেৰগেইৰ আগমনৰ লগে লগে সকলো খেলি-মেলি হৈ গ'ল। যাৰ ফলস্বৰূপে অমৃতাৰ ইউৰোপ ভ্ৰমণ আৰু মিৰ্চা ইউক্লিডৰ লগত সম্পূৰ্ণ বিয়াল্লিছ বছৰৰ অন্তত সাক্ষাৎ। ইয়াতেই উপন্যাসখনৰ পৰিসমাপ্তি ঘটিছে।

এতিয়া এই দুখন উপন্যাসৰ তুলনামূলক বিচাৰৰ পৰা দেখা যায় যে মিৰ্চা এলিয়াদে তেওঁৰ "লা নুই বেঙ্গলী'ত তেওঁলোকৰ মাজৰ প্ৰণয়ৰ বাবে মৈত্ৰেয়ীকেই ঘাইকৈ দায়ী কৰিছে। আনহাতে 'ন হন্যতে'ত মৈত্ৰেয়ী দেৱীয়ে দায়ী কৰিছে মিৰ্চা ইউক্লিডক। আপাতদৃষ্টিত বৈসাদৃশ্য যেন লাগিলেও প্ৰকৃততে ই এটি প্ৰধান সাদৃশ্য হে। আৰু এটি প্ৰধান সাদৃশ্য আমি আগতেই উল্লেখ কৰি আহিছোঁ। সেইটো হৈছে—কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ সম্বন্ধে দুয়োজনৰে ভিন্ন মনোভাৱ। মিৰ্চাৰ এক অহেতুক ঈৰ্ষা আৰু সন্দেহ আৰু মৈত্ৰেয়ীৰ বৰ্ণনাতীত শ্ৰদ্ধা আৰু ভালপোৱা সেই বিশ্ববিখ্যাত কবিজনৰ প্ৰতি। কলিকতাত নৰেন্দ্ৰ নাথ দাসগুপ্তৰ ঘৰত থকা সময়চোৱাতে এদিন মিৰ্চাই অমৃতাক কৈছিল—'অমৃতা আমাৰ একটা কথা শোনো, একটা কথা, ৰবিঠাকুৰকে তুমি ভুলে যাও।'

'সে কি কথা মিৰ্চা, সূৰ্যকে কি কেউ ভুলে যেতে পাৰে?'

'সূৰ্য! মানুষ কি কৰে সূৰ্য হবে?'

'তুমি যখন বাংলা ভাষাটা শিখবে, তখন তুমিও বুঝবে মানুষ সূৰ্য হয় কিনা।'

(ন হন্যতে ঃ পৃঃ ৭০)

এই উদ্ধৃতিখিনিৰ পৰাই দুয়োৰে মনোভাৱ স্পষ্ট বুজা যায়। কিন্তু দুয়োখন উপন্যাসৰ মাজত এটি প্ৰধান পাৰ্থক্য বৰ চকুত লগা। সেইটো হৈছে "ন হন্যতে"ত মিৰ্চা ইউক্লিডৰ অমৃতাৰ পিতৃ নৰেন্দ্ৰনাথ দাসগুপ্তৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা। অন্যহাতে "লা নুই বেঙ্গলী"ত অ্যালেনৰ মৈত্ৰেয়ীৰ পিতৃ নৰেন্দ্ৰ নাথ সেনৰ প্ৰতি শ্ৰদ্ধাহীনতা। তদুপৰি প্ৰাচ্য আৰু পাশ্চাত্য সংস্কৃতিৰ প্ৰভেদো বৰ সুন্দৰকৈ দুয়োখন উপন্যাসতে পৰিস্ফুট হৈছে। প্ৰাচ্য সংস্কৃতিৰ নীতি "বসুধৈৱ কুটুম্বকম্" অৰ্থাৎ সমস্ত জগতখনেই আত্মীয় স্বৰূপ। কিন্তু পাশ্চাত্য সংস্কৃতি ইয়াৰ এক বিপৰীত বৈশিষ্ট্যৰে সমৃদ্ধ। অনাত্মীয় লোকো আত্মীয় হ'ব পৰা কথাটো পাশ্চাত্য সংস্কৃতিত এক ভাবিব নোৱাৰা কথা। তদুপৰি প্ৰাচ্য সংস্কৃতিত প্ৰেম হৈছে এক ইন্দ্ৰিয়াতীত বা দেহাতীত অনুভূতি। ভাৰতীয় নাৰী হিচাপে মৈত্ৰেয়ী দেৱী যিহেতু প্ৰাচ্য-সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত, সেয়ে তেওঁৰ গ্ৰন্থত ইন্দ্ৰিয়াতীত, স্বৰ্গীয় প্ৰেমৰ জয়গানেই ঘোষিত হৈছে। কিন্তু মিৰ্চা এলিয়াদ পাশ্চাত্য সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা বাবে তেওঁৰ প্ৰেম এটা সীমাৰ মাজতে আবদ্ধ। প্ৰেমক তেওঁ পাশ্চাত্যৰ বাস্তৱবাদী দৃষ্টিভঙ্গীৰেহে মূল্যায়ণ কৰিছে। যদিও দুয়োখন উপন্যাসতে প্ৰেমৰ পৃথক ৰূপ প্ৰকাশ পাইছে, তথাপি তাৰ মাজত কবিগুৰু ৰবীন্দ্ৰনাথৰ এই সংজ্ঞাটিয়েই পৰিস্ফুট হৈছে— "পৃথিবীতে ভয়কে যদি কেহ সম্পূৰ্ণ অতিক্ৰম কৰিতে পাৰে, বিপদকে তুচ্ছ কৰিতে পাৰে, ক্ষমতাকে অগ্ৰাহ্য কৰিতে পাৰে, মৃত্যুকে উপেক্ষা কৰিতে পাৰে, তবে তাহা প্ৰেম।"

**প্ৰসঙ্গ পঞ্জী—ন হন্যতে ঃ মৈত্ৰেয়ী দেৱী**

**(৮ম সং)**

লা নুই বেঙ্গলী ঃ সম্পাদনাত

জগন্নাথ চট্টোপাধ্যায়

(২য় সং)

# ॥ হালবাই হালোৱা ঘৰলৈ নেযাবা ॥

শ্ৰীদিলীপ কুমাৰ মেধি

বিহু অসমীয়াৰ জাতীয় উৎসৱ, বাপতি-সাহোন। ই কৃষিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত এক উৎসৱ। উল্লেখযোগ্য যে অসমৰ প্ৰায় পঁচাশী শতাংশ মানুহে কৃষিৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে বিহুগীতত ইয়াৰ প্ৰভাৱ যথেষ্ট পৰিলক্ষিত হয়। বিহুৰ বতৰত অসমীয়া ডেকা-গাভৰুৰ মতলীয়া ৰূপটো কেৱল ঘৰৰ চোতালত নাইবা ৰঙ্গমঞ্চতে নহয়, পথাৰতো দেখিবলৈ পোৱা যায়। নৃত্যৰ ছেঁৱে ছেঁৱে তেওঁলোকে যেন ধান ৰোৱে, গানৰ তালে তালে যেন ধান দায়। তেওঁলোকৰ ভাৱধাৰাবোৰো যেন তেওঁলোকে প্ৰকৃতিৰ মাজলৈ সম্প্ৰসাৰণ কৰিব বিচাৰে। প্ৰকৃতিৰ প্ৰত্যেকটো বস্তুৰে, পথাৰৰ সকলোবোৰ শস্যই যেন তেওঁলোকৰ দৰে আনন্দত আত্ম-বিভোৰ। ৰিব ৰিবকৈ বলা মন্দ সমীৰণৰ পৰশত পকা সোণোৱালী ধানবোৰেও যেন বিহুৰ বতৰা পাই নাচিবলৈ ধৰে।

তাহানি আঁহতৰ তলত, মুকলি পথাৰৰ মাজত গোৱা বিহু গীতবোৰে কালৰ সোঁতত মানুহৰ মাজৰ আধুনিক ৰঙ্গমঞ্চলৈ আহিলেও, পথাৰৰ সেই বাস্তৱ চিত্ৰবোৰ, কৃষিকাৰ্য্যৰ যথাৰ্থ ছবিবোৰো লগতে আনিবলৈ নাপাহৰিলে। সেয়েহে বিহুগীতত ৰোৱনী-দাৱনী, কুলা-চালনী, গছ-গছনি, সোণোৱালী ধাননি, গৰু-ছাগলী, ঢেঁকী-খুৰলী, শাক-পাচলি, নাঙল-যুৱঁলী, জা-জলপান, পিঠা-পনা, ধান-মাহ, ফল-মূল, মাছ-পুঠি, আদিৰ সুন্দৰ তথা সজীৱ বৰ্ণনা পোৱা যায়। প্ৰস্তুত প্ৰবন্ধটোত বিহুগীতত কৃষিৰ প্ৰভাৱ সম্বন্ধে বৰ্ণনা এটি ডাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

অসমৰ প্ৰধান কৃষিজাত সামগ্ৰী ধান। অসমীয়াৰ সেয়ে প্ৰধান আহাৰ ভাত। ইয়াত বিভিন্ন ধৰণৰ ধান উৎপাদন কৰা হয়, যেনে—আহুধান, শালিধান, বৰাধান, জহাধান, আদি। তাৰে ভিতৰত জহা আৰু বৰা ধানৰ এটা বিশিষ্ট স্থান আছে। নানা দেৱকাৰ্য্যত, পূজা-পাতলত জহাচাউল ব্যৱহাৰ কৰা হয়। নতুন মানুহক নকৈ ভাত খাবলৈ নিমন্ত্ৰণ কৰিলেও এই চাউল ব্যৱহাৰ কৰা হয়। জহা চাউলৰ ভাত ৰান্ধিলে ৰান্ধনিঘৰৰ চৌদিশ গোন্ধেৰে আমোল-মোলাই যায়। জহা চাউলৰ ভাত খাই থাকিলেও হেঁপাহ নপলায়, আমনি নেলাগে—

খাইনো খাই আমনি নেলাগে লাহৰী
জহাকৈ চাউলৰ ভাত।

তলৰ গীতটোত জহা চাউলৰ ভাতৰ কথা উল্লেখ কৰা হৈছে। নিজে নেখাই হলেও ক'লা-জহা চাউলৰ ভাত গিৰিয়েকলৈ সাঁচি থয়—

আপুনি নেখায়ে মোলৈ সাঁচিছিলা
ক'লা জহা চাউলৰ ভাত।

বৰা ধানৰ চাউলেৰে পিঠা-পনা, চিৰা তথা জা-জলপান আদি তৈয়াৰ কৰা হয়। বকুল বৰা ধানৰ চিৰা হেনো খাবলৈ বৰ সোৱাদ—

বকুল বৰাধানৰ চিৰা খুন্দি আনিছোঁ
নেখাওঁ বুলি নকৰা দেই।

তাৰ আখৈও কম ধুনীয়া নহয়—'বকুল বৰা-ধানৰ আখৈ ভাজিছিলোঁ, বকনা ম'হৰে দৈ।'

বিভিন্ন ধৰণৰ শালি ধানৰ উল্লেখো বিহু-গীতত পোৱা যায়। হাতী শালি ধানৰ নাম তলৰ গীতটোত আছিছে—

হাতী শালি ধানৰে সন্দলে-সফলে
নেকেৰা ধানৰে থোক।

ৰিব ৰিবকৈ বলা বতাহ-জাকত মৃদুভাৱে কঁপা শালি ধানৰ থোৰবোৰৰ দৃশ্যও অতি মনোৰম—

ৰিব ৰিব কৰি বতাহ জাকি মাৰিলে
শালি ধানে মেলিলে থোৰ।

মাগুৰি ধানৰ উল্লেখ তলৰ গীতটোত পোৱা যায়—

হাতে মেলি মেলি দাৱলৈ নেপালোঁ
পথাৰৰ মাগুৰি ধান।

শালি ধানৰ দৰে বিহুগীতত আহু ধানৰ বিষয়েও বৰ্ণনা কৰা হৈছে—

ক) আহু তলে গলে শালি তলে গলে
কেঁকোৰা গাতৰে পানী।

খ) কতক আশা কৰি আহুধান সিচিলোঁ
বিনৈ বনে মাৰিলে ধান।

জেঠ মাহত হোৱা আমনা ধানৰ বিষয়েও এইদৰে পোৱা যায়—

চ'ততে চকৰী বহাগত কাৰী
জেঠত আমনা ধান।

অসমত পুৰণিকলীয়া পদ্ধতিৰে খেতি কৰি অহা হৈছে। এতিয়াও তাহানিৰে লেৰেলা গৰু হালেৰে হাল বোৱা হয়। বাপেক নদায়ে যেনেকৈ হাল বাইছিল, পুতেক ভদায়েও যেন একেদৰেই সেই একেখন হালকে বায়, হালখন যেন ভদাইৰ পৈত্ৰিক সম্পত্তি—

হাললৈ লিখিলে মোক ঐ লাহৰী
কোৰলৈ লিখিলে মোক।

সীৰলু সীৰলু কৈ হাল বোৱাৰ কথা এই গীতটোত আছিছে—

হাল বাই গলোঁ সীৰলু সীৰলু
মেটেকা পৰিলে জঁই।

মৈ, যুঁৱলি, বিন্ধা, কোৰ, খন্তি, নাঙল, এচাৰি আদিৰ উল্লেখো বিহুগীতত পোৱা যায়—

হালোৱা এচাৰি পুতিবা কছাৰী
নাঙল থৈ আহিবা ঘৰত।

হালোৱাৰ দায়িত্ব তথা কৰ্ত্তব্য সম্বন্ধেও এইদৰে পোৱা যায়—

হালবাই হালোৱা ঘৰলৈ নেযাবা
কঠীয়া বুলাব লাগে।

হাল বোৱাৰ পিছত কঠীয়াও সিঁচিব লাগিব। কঠীয়া পেলাবৰ বাবে মাটিডৰা ধুনীয়াকৈ বোকাময় কৰি তুলিব লাগিব। তাৰ পিছতহে কঠীয়া সিঁচিব লাগিব। এনেয়ে কঠীয়া পেলালে নহব, বতৰ চাই সিঁচিব লাগিব—

চল চাই কঠীয়া পাৰিবা কলীয়া
বঁতাত নিৰ্সিঁচিবা ধান ।

কঠীয়া ডাঙৰ হোৱাৰ পিছত তাক তুলি আনি পথাৰত ৰোৱা হয় । পথাৰৰ সেই বোকা পানীৰ লগত জোকে লেউ লেউ কৈ থকা দেখা যায় । তাৰ মাজতে ৰোৱনীয়ে ধান ৰুই যায়—

ওপৰে বৰষুণ তলেও বোকা
জোঁকে খাই মাৰে আঠুৰ জোখা ।

অসমীয়া তিৰোতাই পথাৰত হাল বাই খেতি নকৰে যদিও পথাৰত ধান ৰুই পুৰুষবোৰক কিছু সকাহ দিয়ে । প্ৰায়ে নিজৰ দুঃখ-কষ্ট পাহৰি বহুত দূৰ-দূৰণিলৈকে তেওঁলোকে ভুঁই ৰুবলৈ যায় । পিছে তেওঁলোকৰ কষ্ট দেখি ডেকাবোৰৰ মনত বৰ বেজাৰ লাগে—

দূৰতে নুৰুবা ভুঁই ঐ ময়না
দূৰতে নুৰুবা ভুঁই ।
যাওঁতে বিষাব কঁকাল ঐ লাহৰী
আহোঁতে বিষাব ভৰি ॥

কিন্তু ময়নাই সেই হকাবধা নুশুনে । পুৰুষ তথা ডেকাবোৰে ব'দ-বৰষুণত তিতি মূৰৰ ঘাম মাটিত পেলাই বোকা-পানী গছকি পথাৰত খেতি কৰিব অথচ তেওঁলোকে ঘৰত ঠন্‌ঠন্‌ মদনগোপাল হৈ বহি থাকিব ? এয়া জানো সম্ভৱ ? তিৰোতাই যদি পৰা কামখিনি পথা-ৰত কৰি পুৰুষক সহায় কৰি নিদিয়ে, তেনেহলে অৰ্দ্ধাঙ্গিনী হ'ল কিহৰ বাবে ? প্ৰেমিকাই যদি প্ৰেমিকৰ দুঃখ-ভাগৰ নুবুজে, তেনেহলে বুজিব কোনে ? চেক্সপীয়েৰৰ টেম্পেষ্টতো ফাৰ্দিনান্দক মীৰান্দাই গুপুতে কামত সহায় কৰি দিয়া আমি দেখিবলৈ পাওঁ । অসমীয়া তিৰোতা তথা গাভৰুৱে সেয়েহে কেৱল বোকা-পানী গছকি প্ৰবল ধুমুহা-বৰষুণত তিতি ধান ৰোৱাতে ক্ষান্ত নাথাকি হাতত হেঙুলীয়া কাঁচিখন লৈ চোকা ব'দতো ধান দাবলৈ পথাৰলৈ যায়—

ধান দাই গলোঁ ইমুঠি সিমুঠি
হাতত হেঙুলীয়া কাঁচি ।

মনোযোগেৰে নাকাটিলেও বিপদ । আঙুলি কটা যোৱা দূৰৰ কথা, ইমান পৰিশ্ৰমৰ মূৰতো লেচেৰি বৈ যাব পাৰে—

ধানে দাই গলা তললৈ নেচালা
লেচেৰি এৰিলা থোক ।

লাহৰী যদি ধান দাবলৈ পথাৰলৈ নাযায় ধনাইৰো মন নবহে । দুয়ো যেতিয়া একেলগে ধান কাটে, তেতিয়া কষ্ট কৰিলেও কষ্ট কৰা যেন নেলাগে । বেলি কিমান দূৰলৈ হালিলে তাৰ কোনো খবৰে নেথাকে । কিন্তু লাহৰীক নেদেখিলে, চাপৰে ওপৰত উঠি বাৰে বাৰে তাইলৈ চাই পঠিয়াই—

দকৈ পথাৰত ধান দাই আছিলোঁ
ঘিলা চকলীয়া মুঠি ।
সকলোকে দেখোঁ লাহৰীক নেদেখোঁ
চাপৰে ওপৰত উঠি ॥

সিমানে নহয়,ইখন পথাৰৰ পিছত সিখন পথাৰ-লৈকো বিচাৰি যায়— যিদৰে যশোদাই ছৱাল শ্ৰীকৃষ্ণক বাউলী হৈ ইপিনৰ পৰা সিপিনলৈ বিচাৰি ফুৰিছিল—

পথাৰে পথাৰে বিচাৰি ফুৰিলোঁ
ক'তে দাই আছিলা ধান ?

কেৱল ধান কাটোতেই নহয়, ডাঙৰি বান্ধোঁতেও ধনাইৰ ভীষণ অসুবিধা হয়—যদিহে লাহৰী ওচৰত নাথাকে । তাইৰ উপস্থিতিয়েহে ডাঙৰি বন্ধাত সহায় কৰে, অন্যথা সি যেন একোকে কৰিব নোৱাৰে—

তোকে চাই ৰাঙলী
বান্ধি যাওঁ ডাঙৰি ।

ধান কটা কামটো সিমান সহজ নহয় । এই কথা ধনায়ে ভালদৰে বুজি পায় । সেয়েহে মৰমৰ কাঞ্চনীয়ে ধান কটাটো সি নিবিচাৰে । কিন্তু তাই এই উপদেশ মানিব কেনেকৈ ? ধানৰ পাতে গা কাটিব বুলি কলেও কোনো হকা-বধা নুশুনি কাঞ্চনী ধান দাবলৈ পথাৰলৈ গুচি যায়—মাত্ৰ প্ৰেমিকক সহায় কৰাৰ উদ্দেশ্যেহে—

ধাননি ধাননি নেযাবি কাঞ্চনী
ধানপাতে কাটিব গা ।

আনকি বাওধান দাৱলৈকো কুণ্ঠাবোধ নকৰে । বাওধান দাৱলৈ কিমান কষ্টকৰ তাক মাত্ৰ ভুক্ত-ভোগীয়েহে জানে—

আহুধান দাৱলৈ লাগে কেতেবেলি
বাওধান দাবলৈ টান ।

আহুধানৰ তলে তলে লেউ লেউ কৈ জোক থাকে । তথাপি কাঞ্চনীয়ে ধান দাৱলৈ ভয় নকৰে—

আহুধান দাৱলৈ আমনি লাহৰী
তলে লেউ লেউ জোক ।

অসমৰ বানপানী অসমৰ বাবে প্ৰকৃতিৰ এক অভিশাপ । একেটা বছৰতে তিনি চাৰি-বাৰলৈকে বানপানী হোৱা দেখা যায় । অসমৰ আৰ্থিক দিশত ই কুঠাৰাঘাত কৰা দেখা যায় । বানপানী নহলে ৰাইজে এমুঠি কাটিবলৈ সুযোগ পায় । আনহাতে বানপানীয়ে যদি খেতি ধুই নিয়ে, তেনেহলে ৰাইজৰ অৱস্থা পানীত হাঁহ নচৰা হয়—

এইবেলি আহুধান পানীয়ে মাৰিলে
পথাৰত পজিলে মামী ।

এইবাৰ নাপালেও অহাবাৰ যদি পৰমপিতা পৰমেশ্বৰে দয়া কৰে, নিশ্চয় আহুধান পাব—

এইবেলি আহুধান পানীয়ে মাৰিলে
অহাবেলি আহুধান পাম ।

সোণোৱালী পকা ধাননেৰে উপচি পৰা ধাননি-ডৰা অতি বিনন্দীয়া । 'গছে সৰু সৰু পাতে ভিৰ খালে, মাণিকী মধুৰী লাগে' সেইবোৰ যেন সঁচাই মাণিকী মধুৰী । তাৰ মনোমোহা দৃশ্যই কৃষকৰ অতদিনৰ সকলো পৰিশ্ৰম যেন নাইকিয়া কৰি পেলায় । সেয়েহে ধান দাবলৈ নেপালে তেওঁলোকে মনত বৰ বেজাৰ পায়—

হাত মেলি ধান দাৱলৈ নাপালোঁ
পথাৰৰ সোণালী ধান ।

ধানৰ ডাঙৰিবোৰ ঘৰলৈ অনাৰ পিছত তাক চোতালত মৰণা মৰা হয় । খেৰবোৰ জোকাৰি জোকাৰি পেলাই দিয়া হয়—

আহয়ে শালিয়ে মৰণা মাৰিলোঁ
জোকাৰি পেলালোঁ খেৰ ।

মৰণা মাৰোঁতেও অসমীয়া তিৰোতাই মৰণা পেলাই খেৰ জোকাৰি যথেষ্ট পৰিমাণে পুৰুষক সহায় কৰি দিয়ে—

আহুধানৰ মৰণা পেলাই দে বহনা
জোকাৰি পেলাই দে খেৰ ।

মৰণা মৰাৰ পিছত ধানবোৰ জাৰি-জোকাৰি ভৰাঁলত থোৱা হয় আৰু খেৰবোৰ পুঁজিত । ধান যদি ৰাহি হয়, তেনেহলে কৃষকৰ মনত মহানন্দ । ৰাহি ধানখিনি বেচি সেই টকাখিনি

হয়তো ফাগুনত হবলগীয়া বিয়াতে খৰছ কৰিব পাৰিব—

পাৰোঁ যদি আঘোণত ভঁৰালটি ভৰাব
ফাগুনত পাতিমগৈ বিয়া।

'ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি।' অসমীয়া খেতিয়কৰ জীৱনলৈ বিপদৰ উপৰি বিপদ আহে। ব'দ-বৰষুণত তিতি, জোকক তেজ খুৱাই, হাড় ভগা পৰিশ্ৰম কৰি খেতি কৰাৰ পিছতো কেতিয়াবা ধান বানপানীয়ে খায় আৰু কেতিয়াবা ভঁৰালৰ চুক কাটিও চোৰে ধান চুৰি কৰি লৈ যায়—

দলনি পথাৰত খেতি কৰিছিলোঁ
ভঁৰাল ভাঙি খালে চোৰে।

অসমীয়া তিৰোতাই পৰম্পৰাগতভাৱে ঢেঁকীৰে ধান বানি আহিছে। বিহুগীতত ঢেঁকীৰ সজীৱ চিত্ৰ ফুটি ওলাইছে। ঢেঁকী দি থাকোঁতে পলুৱাই নিয়াটোও যেন জগৰৰ কথা—

ঢেঁক ঢেঁকী দি থাকোঁতে
পলুৱাই নিনিবা
ভৰিব লাগিব ধন।

ঢেঁকীৰ লগতে ঢেঁকীৰ লগত জড়িত কুলা-চালনী, ডলা আদিৰ কথাও অনেক বিহুগীতত আহিছে—

ক) চালনীৰে চালিলোঁ কুলাৰে জাৰিলোঁ
পিটিকি নেপালো গোট।

খ) আৰৈ ধান লেচিয়া বানিবি কেতিয়া
কুলাতকৈ চালনী ঘন।

গ) চাউল চালিবলৈ সুবৰ্ণ চালনী
বহি জাৰিবলৈ কুলা।



উৰিয়ামৰ খুৰলি (পথালি) ত বকুল বৰা ধানৰ কৰাই বনাৰ কথাও বিহুগীতত আহিছে—

উৰিয়ামৰ খুৰলি বানো কেনে কৰি
বকুল বৰা ধানৰ কৰাই।

ধান ব'দত মেলি দিওঁতে চৰায়ে জাকে জাকে আহি ধান খাই যায়। মানুহে ৰখি থকা সময়খিনি যেনেতেনে, পিছদিয়াৰ লগে লগে চৰাই আহি জাকে জাকে ধানত পৰেহি—

চৰাই ধান খালে চিটিকি পৰিলে
উফৰি পৰিলে কণ।

মুক্ত পক্ষীবোৰে ধান খোৱা বেলেগ কথা, নিজৰ পোহনীয়া হঁাহজাকেও ধানবোৰ খাই নষ্ট কৰে—

চোতালৰ আগতে হঁাহ দেখিছিলো
চোতালৰ আৰৈধান খালে।

গৰুৱে তাঁতি ভাঙি পকা ধান খোৱাটো সাধাৰণ কথা। পিছে চিনাকি মানুহৰ গৰু যেতিয়া, কবলৈও একো উপায় নাই—

নতুন তাঁতী ভাঙি খালে পকা ধান
সৰুটি চেনাইবে গৰু।

অসমীয়া কৃষক বৰ পৰিশ্ৰমী। খেতি-পথাৰত কাম-বন কৰাৰ উপৰিও আহৰি পালে তাৰ মাজতে বাগিছাতো অলপ-অচৰপ কাম কৰে। নিজৰ আৱশ্যকীয় শাক-পাচলিখিনি, তৰি তৰকাৰীখিনি নিজে উৎপাদন কৰি লয়। শাকনিত শাক, ফুলনিত ফুল, পুখুৰীত মাছ তথা বাৰীত তামোল-পাণ প্ৰত্যেকৰে ঘৰতে আছে। সেইবোৰৰ উল্লেখো প্ৰস্তুত গীতবোৰত বৰ্ণিত নোহোৱাকৈ থকা নাই। কুমলীয়া লাই-লফাৰ উল্লেখ তলৰ বিহুটোত কৰা হৈছে—

লাই কুমলীয়া গৰুৱে খালে
লফা কুমলীয়া বেৰোঁ।

জিকা-ভোল লতাজাতীয় গছ। এইবোৰক বগাবলৈ জেং, বাঁহ, ডাল-পাত আদিৰ আৱশ্যক—

জিকা বগাবলৈ বাঁহ জেং পুতিলোঁ
কি বুলি বগালে পুৰৈ।

লাউ-কোমোৰা আদি সাধাৰণতে চালত বগায়। চালত থকা বগা কোমোৰাবোৰ এনে লাগে যেন বগা এজাক ৰাজহঁাহহে। তাৰে এটা আভাস ইয়াত পোৱা যায়—

চৰাই হৈ পৰিম গৈ ছ'অৰা পুখুৰীত
লাউ হৈ লাগিমগৈ চালত।

'ৰঙা নৈৰ থোৱালি থোৱালি ঢেকীয়া', ঔ তলৰ নিচেই কুমলীয়া ঢেকীয়া খাবলৈ অতি সোৱাদ—

ঔ তলৰ ঢেকীয়া নিচেই কুমলীয়া
ভৰি দিলে মুচুকাই ভাগে।

যদিহে তাক টেঙাৰ লগত ৰন্ধা হয়, তেনেহলে খাবলৈ আৰু সোৱাদ, যি দৰে নাৰ মাছৰ লগত খুতৰা শাক—

নল টেঙা ঢেকীয়া নাৰমাছ খুতৰা
দাঁতত তেল লগাই খাবি।

পানীত লহপহকৈ বঢ়া কলমৌ শাকৰ উল্লেখো বিহুগীতত পোৱা যায়—

পানীতে বাঢ়িলে পানীৰে কলমৌ
তেল পাই বাঢ়িলে চুলি।

কিছুমান কচু খালে ডিঙিত ধৰে যদিও, কিছুমানে নধৰে। ৰান্ধিব জানিলে কচুৰ আঞ্জাও কম সোৱাদ নহয়? সেয়েহে পুৰণিকলীয়া কচু হলেও তাক এৰি দিব নোৱাৰি—

চাপৰি চাপৰি তুলি যাওঁ বাবৰি
পুৰণিকলীয়া কচু।

ভাত কেৰেলাৰ লগতে তিতা কেৰেলাৰ বৰ্ণনো বিহুগীতত দেখিবলৈ পোৱা যায়—

তিতাকৈ কেৰেলা লহঙে পহঙে
মিঠানো নহলি কিয়?

সাধাৰণতে কেৰেলাক চাং নাইবা জেওত বগাবলৈ দিয়া হয়। কিন্তু কেতিয়াবা ভঁৰালৰ টুপতো বগোৱা দেখা যায়—

ভঁৰালৰ টুপতে কেৰেলা বগাব
কোমোৰা বগাব চালত।

ঘৰৰ চালত কজলা উৰহীডালৰ পাতবোৰে তিৰবিৰাই থকাৰ দৃশ্যও চকুত ভাহি উঠে—

ঘৰৰ চালতে কজলা উৰহী
পাতে তিৰেবিৰে কৰে।

জালুক-জলকীয়া, এদা-হালধি, মাহ-পাত, লং, নহৰু, পনৰু আদি মছলাজাতীয় শস্যবোৰৰ নামো বিহুগীতৰ লগত সাঙোৰ খাই আছে। থুৰীয়া তামোলৰ লগত লং খোৱাৰ কথা তলৰ গীত কেইটাত—

ক) থুৰিয়াই থুৰিয়াই তামোল কাটিছিলা
তাৰ মাজত দিছিলা লং।

খ) লংগুটি আনিবা তুমি ঐ লাহৰী
চফুগুটি আনিবা খাম।

বাৰীৰ পিছপিনে তামোলত বগোৱা জালুক-জুপিৰ চিত্ৰও আমি দেখিবলৈ পাওঁ—

তামোলত বগালে বাৰীৰে জালুকজুপি
মদাৰত বগালে পাণ।

নৈ কাষৰীয়া পকা জলকীয়াজুপিৰ ছবিও

স্পষ্টভাৱে বিহুগীতত ফুটি ওলাইছে—

নৈ কাষৰীয়া পকা জলকীয়া
তললৈ মেলিলে শিয়া।

পকা জলকীয়া ভাটৌৰ বৰ প্ৰিয়। সেয়েহে ইয়াৰ উৎপাতৰ পৰা পকা জলকীয়া ৰক্ষা কৰাটো বৰ টান—

বাৰীৰে ঢাপতে পকা জলকীয়া
ৰাঙলী ভাটৌয়ে খায়।

নহৰু আৰু পনৰুও অসমীয়া কৃষকে নিজে বাৰীতে উৎপন্ন কৰি লয়। ইয়াৰো উল্লেখ বিহুগীতত নহাকৈ থকা নাই—

ক) কাঁহিতে কেহেৰু বাটিতে নহৰু।
খ) এবাটি নহৰু এবাটি পনৰু
এবাটি খুতৰা শাক।

এইদৰে বাৰীৰ পিছৰ ঢাপৰ হালধি ডৰাৰ লগতে নতুন হেদামৰ এদা, কচু আৰু আলুৰে উপচি পৰা দৃশ্যও বিহুগীতত সজীৱ হৈ আছে। হয়তো কোনোবা লাহৰীয়ে তাৰেই এভাগ চেনাইলৈকো দিয়াৰ সপোন দেখিছে—

নতুন হেদামৰ এদা, কচু, আলু
চেনাইলৈ টোপোলা বান্ধোঁ।

অসমৰ কৃষিজাত প্ৰধান সামগ্ৰী ধান আৰু ইয়াৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত বিভিন্ন ধৰণৰ আহিলা-পাতিৰ বৰ্ণনা বিশদভাৱে বিহুগীতত থকাৰ উপৰিও সৰিয়হ, মৰাপাট, তিল, মাহ, কুঁহিয়াৰ আদি অন্যান্য কৃষিজাত সামগ্ৰীসমূহৰ বৰ্ণনা ইয়াত সুন্দৰভাৱে আছে। সৰিয়হ বৰ মূল্যবান বস্তু। ইয়াৰ ফুলবোৰ বৰ ধুনীয়া। 'সোণ-বৰণীয়া সৰিয়হ ফুল'ত মোৱা-পোক পৰিলে সৰিয়হ আৰু হোৱাৰ আশা নাথাকে। মোৱা-পোক ইয়াৰ প্ৰধান শত্ৰু—

লুইতৰ চাপৰিত সৰিয়হ ফুলিলে
মোৱা পোকে বেৰি খায়।

মোৱা-পোকৰ উপৰিও ভালকৈ তাঁতী নিদিলে ৰাইজৰ গৰু ম'হেও ইয়াক গুদাই নেৰে, গৰুৱে কি জানে সৰিয়হ সিঁচাৰ দুঃখ-কষ্ট?

সৰিয়হ সিঁচিলো নানান দুখেৰে
দেশৰ গৰু-ম'হে খালে।

কুঁহিয়াৰৰ কাৰণে সাধাৰণতে বালিঅঁহীয়া মাটি ভাল। সেয়েহে নৈৰ চাপৰিত ইয়াৰ খেতি বেছি ভাল হয়—

নৈৰে চাপৰিত কুঁহিয়াৰ বাৰীখন
মুঢ়াকৈ কুঁহিয়াৰ পেৰো।

শুকাই-মেলি মৰাপাট চাঙত তুলি থোৱা হয়। তাৰ ইঙ্গিতো এই গীতটোত দেখা গৈছে—

চাঙৰে মৰাপাট শুকানকৈ কলাপাত
থুৰীয়া তামোলত বান্ধোঁ।

অসমীয়া কৃষকৰ আৰ্থিক জীৱনৰ লগত পাণ, তামোল, কল, নাৰিকলে এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আছে। প্ৰত্যেক অসমীয়াৰ বাৰীখনত কম-বেছি পৰিমাণে এই কেইজোপা গছ দেখিবলৈ পোৱা যায়। উল্লেখযোগ্য যে এই আটাইকেইবিধ সামগ্ৰীয়ে পূজা-পাতল নাইবা দেৱকাৰ্য্যত ব্যৱহৃত হয়। তাৰোপৰি দৈনন্দিন জীৱনত এইবোৰ একেবাৰে অপৰিহাৰ্য্য। খাবলৈ জা-জলপান অলপ দিব নোৱাৰিলেও বহিবলৈ বৰপীৰাখন নাইবা খাবলৈ বটাখনত তামোল এখন দিবলৈ কোনো অসমীয়াই কুণ্ঠাবোধ নকৰে। সেয়েহে অসংখ্য বিহুগীতত তামোল-পাণৰ বৰ্ণনা আহি পৰিছে। বাৰীৰ



পিছত থকা মদাৰৰ পাণ জুপি তামোল আৰু নাৰিকল গছত বগোৱা লহপহীয়া পাণ কেইজোপা, হাঁচটিত থকা তামোল-পাণ কেইডোখৰ, তথা থুৰীয়াকৈ কটা তামোল কেইখনৰ লগত অনেক বিহুগীত জড়িত হৈ আছে।

'তিনিশ ষাঠি জোপা কল ৰুলে হেনো লংকাৰ বণিজ ঘৰতে পায়।' কল এনে এবিধ ওষধি গছ যাৰ একোয়ে পেলনি নেযায়। কলথোক বিক্ৰী কৰাৰ উপৰিও 'পাত-পচলা লাভতে খাব পাৰি।' অসমত জাহাজী, মালভোগ, পুৱা, চেনীচম্পা, ভীম, মনোহৰ আদি বিভিন্ন কলৰ খেতি কৰা হয়। ভৱিষ্যতে সুখে-সন্তোষে থকাৰ কাৰনো ইচ্ছা নাযায়? কিন্তু তাৰ বাবে তো ধনৰ প্ৰয়োজন? অৱশ্যে সেই ধন কলবাৰীতো পাব পাৰি। সেয়েহে কোনোবা ডেকাই ভৱিষ্যতে সংসাৰ পাতিলে সা-সন্ততি হলে সুখেৰে দিন নিয়াব পাৰিব বুলিয়ে এতিয়াই কলবাৰী পতাৰ কথা হয়তো এইদৰে ভাবিছে—

পাতোঁ কলাবাৰী ল'ৰাই খাব বুলি
মেলিলে জাহাজী থোক।

নিশাচৰী বাদুলীয়ে পকা কল খাই বৰ ভাল পায়। ইয়াৰ উপদ্ৰৱৰ পৰা পকা কল ৰক্ষা কৰাটো বৰ কঠিন। আনকি মানুহ উপস্থিত থাকোঁতে গধূলি পৰত খচ্‌খচাই কল খোৱা দেখা যায়—

গধূলি পৰতে বহি মই আছিলোঁ
বাদুলিয়ে পকা কল খায়।

ইয়াৰোপৰি পদূলিমুখত থকা সোন্দাকল জুপিত কাউৰী পৰি অনিষ্ট কৰাও দেখা যায়—

পদূলি মুখৰে সোন্দাকল এজুপি
কাউৰী পৰিলে ভাগে।

আঠীয়া কলৰ সৈতে পঁইতা ভাত খাবলৈ বৰ জুতি। লাহৰীহঁতৰ বিশ্বাস যে ৰাতিপুৱাই এইদৰে একাঁহি ভৰাই গলে দিনটোলৈ ধান দাবলৈ কঁকালত বল পোৱা যায়—

আইৰে শপনি পঁইতা পোতনি
চতিৰে আঠীয়া কল।
খাই ল খাই ল মোৰ ধন লাহৰী
কঁকালত বন্ধাই ল বল।।

চকলা-চকলিকৈ নাৰিকল ডাবিয়াৰ কথা এই গীতটোত আহিছে—

চকলা-চকলি ডাবে নাৰিকল
জুতুলা জৰাৰে জিম।

আম, কঁঠাল, জাম, ডালিম আদি নানা প্ৰকাৰৰ ফল-মূলৰ কথাও বিহুগীতত দেখিবলৈ পোৱা যায়—

পকা আম খাবলৈ হাকুটি নেলাগে
ডালিম খাই যাওঁ হাতত।

আহাৰ-শাওন মাহত আম-কঠাল পকে। তেতিয়া বাৰীত থকা হলৌ বান্দৰজাকৰ কিৰিলি বেছি হয়, আনন্দৰ সীমা নাইকিয়া হৈ পৰে—

আহাৰে শাওণে আম-কঁঠাল লাগিলে
কলীয়া হলৌৱে খায়।

বিভন্ন প্ৰকাৰৰ টেঙা, যেনে— নেমু, ঔ, জৰা, বগৰী, সুমথিৰা, আমলখি আদিৰ উল্লেখো প্ৰস্তুত গীতবোৰত যথেষ্ট পৰিমাণে আহিছে। ধান দাৱলৈ যাওঁতে দাৱনীয়ে পথাৰলৈ বিভিন্ন টেঙাৰ লগতে লোণ অলপমানো লগত লৈ যায়—

কোনে আনি দিব লোণে আমলখি
কোনে আনি দিব জৰা।

ঔ টেঙা ঢেঁকীত খুন্দি খায়—বিশেষকৈ দুপৰীয়া টোপনিৰ পৰা উঠি—বৰ জুতি। তাতোকৈ জুতি ৰৌ মাছৰ ছিৰাবে ঔ টেঙাৰ জোল। কিন্তু কুমলীয়া ঔ খাবলৈ বৰ বেয়া, বিজলুৱা। কুমলীয়া ঔ খুন্দি খালে ঘনাই দাঁতত লাগি ধৰে—

ঔ কুমলীয়া খাবকে নোৱাৰোঁ
দাঁতত ঘনে ঘনে লাগে।

তলৰ বিহুগীতটোত ঔ গছত মৌৱে বাঁহ লোৱা বাবে কোনোবা ভনীয়ে ঔ পাৰি দিবলৈ ককায়েকক অনুৰোধ কৰা দেখা গৈছে—

ঔৰে গছতে মৌৱে বাঁহ ললে
ককাই পাৰি দিয়া খাওঁ।

ৰাতি ফুলা থেকেৰা টেঙাৰ কথা তলৰ বিহুটোত আহিছে—

ঔ ফুল ফুলিলে জগতে জানিলে
ঠেকেৰা ফুলিলে ৰাতি।
লগৰ সমনীয়াই বগৰি খোৱা দেখি,
লগৰীয়ে বগৰী খায় ঐ লাহৰী
লগৰীয়ে বগৰী খায়।

লাহৰীকো বাৰীৰ ঢাপত থকা জোপোহা বগৰী জোপাৰ পৰা জোকাৰি জোকাৰি বগৰী পৰা দেখা যায়।—

বাৰীৰে ঢাপতে জোপোহা বগৰী
জোকাৰি জোকাৰি পাৰোঁ।

নেমু আৰু জৰাৰ দুটি উদাহৰণ তলত দাঙি ধৰা হ'ল—

ক) পকি নেমুটেঙা সৰিল ঐ লাহৰী
পকি নেমুটেঙা সৰিল।
খ) নৈৰ চেঙেলীয়া গৰা কুমলীয়া
জৰা কুমলীয়া পাত।

টেঙা দেখি সাধাৰণতে জিভাৰ পানী পৰে। সেয়েহে এচকল হলেও ওচৰত থকাজনক দিয়া উচিত—

চকলা টেঙাটি অকলে নেখাবা
আমাকো এচকল দিবা।

এড়ী, মূগা, কপাহী, পাট আদি কাপোৰৰ লগতে এৰাগছ, চোমগছ, ননী গছ, কপাহ গছ, আদিৰ উল্লেখো বিহুগীতত আছে। লগতে দোৰপতিৰ তাঁতশালৰ খিটিৰ খিটিৰ শব্দ, ৰঙাকৈ মাজে শেল দিয়া গামোছা, ডিবুৰ বজাৰৰ সূতাৰে তৈয়াৰী বাৰৰী ফুলীয়া হাঁচটি, বৌদেউ ফুলতীৰ চিটিকি চেলেং, কলীয়া নাহৰৰ মাকো, সতিনী অঁহীয়া ৰিহা, ৰূপহী যঁতৰ, গৰকা, নাচনী, বাটি-ৰ, উঘা-চেৰেকী আদিও এই বিহুগীতবোৰত সাঙোৰ খাই আছে।

ঢেঁকী আৰু তাঁত শালৰ উপৰিও অসমীয়া কৃষি জীৱনৰ লগত পশুপালন, জা-জলপান আদিও প্ৰত্যক্ষভাৱে নহলেও পৰোক্ষভাৱে জড়িত। সেয়েহে চোতালত মেলি দিয়া আৰৈ ধান লেচীয়া হাঁহ, পাৰ, মুৰ্গীয়ে খোৱাৰ দৃশ্য, নতুন তাঁতী ভাঙি সৰুটি চেনাইৰ গৰুৱে ধান খোৱাৰ ছবি, ম'হ-ছাগলী আদিয়ে কুঁহিয়াৰ, সৰিয়হ আদি নষ্ট কৰাৰ সজীৱ চিত্ৰ আমি বিহুগীতত দেখিবলৈ পাওঁ। বকুল বৰা ধানৰ চিৰা তথা আখৈ, বকনা ম'হৰ দৈ, পথাৰলৈ নিয়া বৰা চাউলৰ জলপান তথা জুলীয়া গুৰৰ সৈতে গুৰি সান্দহ, পিঠাগুৰি,, নানা ধৰণৰ পিঠা-পনা, তিল-মাহ আদিৰ উল্লেখো এই বিহুগীতবোৰত সৰৱ।

এইদৰে অসমীয়াৰ বিহুগীতবোৰত হোজা, সহজ, সৰল, মৰমিয়াল, অতিথি পৰায়ণ, ধৰ্ম পৰায়ণ, পৰিশ্ৰমী অসমীয়া কৃষক চামৰ চাৰিত্ৰিক বৈশিষ্ট্যবোৰ ফুটি ওলাইছে। গোটেই বছৰটোৱে হাড়ক মাটি কৰি তেজৰ পানী কৰি খেতি পথাৰত কৰা নানা ধৰণৰ খেতি-বাতি, শস্য, খেতিৰ সঁজুলি, খেতিৰ সহায়ক কাৰুকাৰ্য্য আদিৰ লগতে খেতিয়কৰ হাস্য-বিনোদ, সুখ-দুঃখ, বুদ্ধি-বিচাৰ আদিৰ মানসিক অৱস্থাবোৰৰো এটি সুন্দৰ প্ৰতিচ্ছবি এই জাতীয় গীতবোৰত দেখিবলৈ পাওঁ। খেতিয়কসকলৰ এনে এটি দিশ নাই, যিটো দিশৰ উল্লেখ বিহুগীতত দৃষ্টিগোচৰ নহয়। বিহুগীতবোৰক অসমীয়া কৃষকৰ দাপোণ বুলি কব পাৰি।

মুকুতা মালা ঃ

★ আনৰ দান গ্ৰহণ কৰোঁতে নিজৰ স্বাধীনতা বেচে।

★ সাগৰত ডুবি মৰাতকৈ বেচি ভাগ মানুহ পিয়লাত ডুবি মৰে।

★ অহংকাৰে ঘোঁৰাত উঠি ঘৰ এৰে, কিন্তু খোজকাঢ় উলটি আহে।

★ সৌভাগ্যৰ দ্বাৰা প্ৰতাৰিত নহ'বা, ই নাচিব, সাঁতুৰিব আৰু উৰিব পাৰে।

★ সজ বিবেকহীন জ্ঞানতকৈ, জ্ঞানহীন সজ বিবেক ভাল।

★ কথা কমাই দিয়া, কাম আপুনি হ'ব। পিছুৱাই থাকা, সন্মুখৰ আসন তোমাকেই দিব। আগুৱাই নাযাবা, গতিয়াই দিয়াৰ সম্ভাবনা।

—লাউৎ জে

সংগ্ৰাহিকা : জুৰি শইকীয়া
স্নাতক দ্বিতীয় বাৰ্ষিক।

# "কবি দুৱৰা আৰু তেওঁৰ কাব্য প্ৰতিভা"

দীপা হাজৰিকা
স্নাতক ২য় বাৰ্ষিক

কবি যতীন্দ্ৰনাথ দুৱৰা বিখ্যাত দুৱৰা-কাকতিৰ বংশৰ শিৱসাগৰৰ ঘনশ্যামসুন্দৰ দুৱৰাৰ চতুৰ্থ পুত্ৰ। তেখেতসকলৰ ঘৰ, শিৱসাগৰৰ ( ৰং-পুৰ ) নগৰৰ বশিষ্ঠ গঙ্গা দিখৌ নৈৰ উত্তৰ পাৰত। এইখন ঘৰতেই দুৱৰাৰ জন্ম। দিখৌ নৈৰ পানী আৰু বালিত সাঁতুৰি-নাদুৰি, লৰি-ঢাপৰি সৰুৰে পৰা চেঙেলীয়া ডেকা হৈ, গুৱাহাটী আৰু কলিকতাৰ কলেজলৈ গৈছিল।

যতীন্দ্ৰ নাথ দুৱৰাৰ জন্ম হয় দিখৌ নৈৰ পাৰত ১৮৯২ চনত। দুৱৰাৰ একমাত্ৰ পৰিচয় 'কবি'। কবিতাই আছিল তেওঁৰ জীৱনৰ যথাসৰ্বস্ব। অকলশৰীয়া বিশ্বত তেওঁ আছিল অকলশৰীয়া এজন কবি। কবিতাই আছিল তৃপ্তি। সাগৰৰ বুকুতে ঢৌ মাৰ যোৱাদি নিজৰ বুকুতে নিজৰ সুখ-দুখ, আশা-আকাঙ্ক্ষাৰ ঢৌ-বোৰ উঠিছিল আৰু মাৰ নৌ যাওঁতেই কবিতাৰ ৰূপ লৈ দেখা দিছিল।

"কোনোৱে দুৱতে চায় কোনোৱে বা চুই যায়
চেনেহ কণিকা বুলি কৰোঁ তাকে ভুল
সপোন আতঁৰি গ'লে দিঠকে জনাই দিয়ে
বাটৰ কাষৰ মই বননিৰ ফুল।।"

"বনফুল" কবিতা পুথিৰ ৰচক গীতিকবি যতীন্দ্ৰ নাথ দুৱৰাৰ সুদীৰ্ঘ জীৱনটোৱেই এটা দীঘলীয়া গীতিকবিতা। নিৰলাত বহি নিজৰাৰ গীত ৰচি সংসাৰৰ মোহময় আৱেশৰ পৰা আঁতৰি চিৰমুক্তিৰ প্ৰয়াসত অকলে আপোন মনে গীত গাই-গাই নিজকে নাৱৰীয়া সজাই নাও বাই যোৱা চিৰকুমাৰ কবি যতীন্দ্ৰনাথ দুৱৰাৰ কাব্য-প্ৰতিভা অসমীয়া কাব্য-জগতৰ এটি অমূল্য সম্পদ। "নিৰলাত বহি নিজানৰ গীত" ৰচিলেও দুৱৰাৰ কবিতা সংখ্যাৰ তুলনাত তাকৰীয়া। 'আপোন-সুৰ', 'মিলনৰ সুৰ', 'বনফুল' কবি দুৱৰাৰ কবিতা পুথি। ওমৰ-তীৰ্থ' ফৰাচী কবি ওমৰ খৈয়ামৰ ৰুবায়তবোৰৰ প্ৰাঞ্জল ভাঙনি। অসমীয়া সাহিত্যৰ "কথা কবিতা" খনো দুৱৰাৰ মৌলিক সৃষ্টি। দুৱঁৰাৰ কবিতা সংখ্যাত তাকৰীয়া হলেও তেওঁৰ কাব্য প্ৰতিভা অনন্য।

নিচেই সৰুৰে পৰাই দুৱৰাই মাতৃভাষাৰ উন্নতিৰ হকে চেষ্টা কৰিছিল। শিৱসাগৰৰ চৰকাৰী স্কুলত পঢ়ি থাকোতে এজন বঙালী শিক্ষকে সুধিছিল মাতৃভাষা কাক বোলে? তেওঁ প্ৰশ্নৰ উত্তৰ দিছিল এনেদৰে—কেঁচুৱাই মাকৰ কোমল কোলাত শুই, গাখীৰ খাই থাকোতে পোনতে যি ভাষাৰে 'আই' বুলি মাতিবলৈ শিকে সেয়ে মাতৃভাষা, দুখৰ বিষয় সেই মাতৃভাষাৰ পৰা বঞ্চিত'—এই বুলি কৈ দুৱৰাই হুকহুকাই কান্দি পেলাইছিল। তেতিয়া বঙালী শিক্ষক জনে এইদৰে সান্ত্বনা দিছিল—"বাছা শোক নকৰিবা তুমি এদিন তোমাৰ মাতৃ ভাষাৰ মুখ উজ্বল কৰিবা। "বঙালী শিক্ষক জনৰ এই আশিস শিৰত লৈ "সাহিত্য চৰ্চা মোৰ আজন্ম সাধনা' বুলি অসমীয়া সাহিত্যৰ উন্নতিৰ হকে দুৱৰাই গোটেই জীৱন পাত কৰি দিলে।

স্কুলত পঢ়ি থকা দিনৰ পৰাই দুৱৰাই কবিতা লিখিবলৈ লয়। "Twinkle twinkle little star"—নামৰ কবিতা অনুবাদ কৰিছিল লৰালিতে। "চিকিমিকি চিকিমিকি সৰু তৰাটি, কেনেকৈ শোভা কৰে ওখ আকাশত।' দেউতাকে হেনো তেওঁক একোটা কবিতাৰ কাৰণে একোটা পানতোৱা ৰসগোল্লা দিছিল। কিন্তু সেই কবিতাবোৰ তেওঁ ফালি পেলাইছিল। এয়া তেওঁৰ নিজ মুখৰ কথা। 'ৰাতি বাৰ-মান বজাত দুটামান কবিতা ···ফালি পেলালোঁ।' তেওঁ আকৌ কৈছিল যে ভাল কবিতাবোৰ চকু-পানী টুকি টুকি লিখো।

দুৱৰাক কাব্যচৰ্চাত অনুপ্ৰেৰণা যোগাই-ছিল—বেণুধৰ ৰাজখোৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰ কুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজ-বৰুৱাই। বেণুধৰ ৰাজখোৱাই 'বাণু নিখিবা-চোন, লিখিবাচোন' বুলি সদায় উৎসাহ দিছিল। কলিকতাত থকা সময়ত তৰুণৰাম ফুকনেও দুৱৰাক কবিতা লিখাত অনুপ্ৰেৰণা যোগাইছিল।

কবি দুৱৰা আছিল 'আজন্ম' কবি। কবিতাৰ সৃষ্টি হোৱাৰ আগতে কবিৰ দৃষ্টি হব লাগিব। কবি হব লাগিব সাধক আৰু সৌন্দৰ্য্যৰ উপাসক। দুৱৰাও আছিল সৌন্দৰ্য্যৰ উপাসক। দুৱৰাৰ সাধনা আছিল চন্দ্ৰকুমাৰ আগৰৱালাৰ ভাষাৰে—"সুন্দৰৰ আৰাধনা জীৱনৰ খেল।" এই মন্ত্ৰকে সাৰোগত কৰি তেওঁ সৌন্দৰ্য্যৰ সাধনা কৰিছিল।

দুৱৰা মুখ্যত প্ৰেমৰ কবি। তেওঁ প্ৰেমৰ সপোন দেখে, প্ৰেমৰ কবিতা লিখে। কবিয়ে লগৰী হেৰুৱাই অকলশৰীয়া জীৱন-যাপন কৰে তেওঁৰ প্ৰেয়সীৰ অভাৱত। "মই অকলশৰীয়া মোৰ কোনো লগৰীয়া নাই। ·· মই অকলে ফুৰোঁ, হাঁহো, কান্দো অকলে অকলে আপোন মনেৰে নিজেই নিজৰ লগত কথা পাতো"— ( কথা কবিতা ঃ মোৰ লগৰীয়া )।

আকৌ ঃ "নিজা বুলি নাই মোৰ এচমকা ঠাই, জগতত অকলশৰীয়া ; পুৱাতেই মেলি নাও অকলে সোঁতত লুইতৰ হলোঁ নাৱৰীয়া"— ( বনফুল ঃ এটি উৰি যোৱা ৰাজহাঁহলৈ ) কবিৰ জীৱনলৈ "কোন আহি কেনি গ'ল" কব নোৱাৰিলে। কিন্তু বীণখনি হলে এৰি গ'ল আৰু তাৰ পৰা দিনে-ৰাতি কৰুণ বিননি উঠে। সেই স্মৃতিয়ে কবিৰ জীৱনক নিৰাশাৰে ঢাকি পেলালে, জীৱন শ্মশানত পৰিণত হ'ল। এনে অৱস্থাত তেওঁ ধাৰণা কৰিবলৈ বাধ্য হ'ল যে "সংসাৰৰ সুখৰাশি খন্তেকীয়া বিজুলী পোহৰ" মাথোন।

মিছা আশা নেবান্ধিবা ঘৰ
নাই কোনো আপোনাৰ জন, (সপোন কুৱঁৰী)

তেওঁৰ কবিতাত ফুটি উঠিছে অনন্ত হমুনিয়াহ, দীৰ্ঘশ্বাস, নিৰাশা আৰু হতাশাৰ করুণ বিননি। সেয়েহে মানুহৰ অনাদৰ অৱহেলা সকলো গোটাই লৈ তেওঁ জীৱনৰ কুসুম-কানন ৰচনা কৰিবলৈ প্ৰয়াস পাইছে—

অনাদৰ অৱহেলা সকলো গোটাই লই
ৰচো মই জীৱনৰ কুসুম কানন
ইযে মোৰ জীৱনৰ বিধিৰ নিঠুৰ লেখা
এয়ে মোৰ জীৱনৰ কাঁইটীয়া বন।"

সেয়ে তেওঁ মানুহৰ সমাজৰ পৰা আঁতৰি থাকি পাহৰণি নৈৰ পাৰত এটি পঁজা সাজি তাত অকলে থাকি জীৱনটো অতিবাহিত কৰিবলৈ চেষ্টা কৰিছে। মানুহৰ অৱহেলাই তেওঁক অতিষ্ঠ কৰি তুলিছে। সেয়েহে তেওঁ মানুহৰ ভালপোৱাত আস্থা হেৰুৱাই পেলাইছে। মাথোন মানুহৰ ভালপোৱাক এটি অলীক সপোন বুলিহে গণ্য কৰিছে—

"তুমি মোক ভাল পোৱা শুনিলেও হাঁহি উঠে
হব পাৰে ইও এটি সপোনৰ বেখা;
সপোনৰ শেষ হ'লে মোহ জাল আঁতৰিলে
দুনাই এনুৱা ভাৱে দিবা জানো দেখা।।"
(শূন্য পৰিচয়)

"নাও নাৱৰীয়া" আদি প্ৰতীকবোৰ দুৰ্ব্বাৰ কবিতাত দেখিবলৈ পোৱা যায়। সেয়ে তেওঁৰ কবিতাবোৰ প্ৰতীক ধৰ্মী। সংসাৰৰ সোঁতত কত জীৱনৰ লীলা-খেলাৰ ঢৌ উঠিছে, মাৰ গৈছে তাৰ আদি-অন্ত নাই। এই সংসাৰৰ সোঁতত কবিয়ে জীৱনৰ নাও মেলি দিছিল। দুৰ্ব্বাৰ নাৱৰীয়া কেতিয়াবা ভগবানৰ, আৰু কেতিয়াবা নিয়তিৰ হৈছে। ক'ববাত গুৰিবঠা ধৰি ক'ববাত নিজেই পুৱাতেই নাওমেলি—'নাও মেলি অকলে সোঁতত' নাৱৰীয়া হয় আৰু ক'ববাত পাৰ ঘাটত নাৱৰীয়াই (মৃত্যু) অপেক্ষা কৰে কবিক অনন্ত সাগৰত যাত্ৰা কৰাবলৈ। পাৰ্থিৱ প্ৰেমৰ উপাসনা কৰি থাকোঁতে কবিৰ মনত যেতিয়া বাস্তৱৰ নিকৰুণ আঘাত লাগে তেওঁ মনক সান্তনা দিয়ে বিশ্বৰ সৌন্দৰ্য্যৰ মাজত নিজক বিলাই দি। বিশ্বৰ সৌন্দৰ্য্যই তেওঁক যেতিয়া আপোন ভোলা কৰি ৰাখিছিল তেতিয়া তেওঁ কব নোৱাৰাকৈ বিশ্ব সৌন্দৰ্য্যৰ আঁৰে আঁৰে প্ৰকাশ পোৱা অনন্ত সৌন্দৰ্য্যৰ কাষ চাপে, সেয়েহে -

"চেৰে চেৰে নাচে নাও সোঁতৰ
লগে লগে নাচিছে পৰাণ
উৰিছে প্ৰাণৰ পখী অসীম ধিয়াই
গাই যায় সুমধুৰ গান।"

আকৌ দুৰ্ব্বাই জীৱনৰ সমাধিৰ পিছত অনন্ত যাত্ৰাৰ পিনে যাবলৈ সাহ হৈছে। অনন্ত সঙ্গীতৰ সুমধুৰ ধ্বনিয়ে কবিক ইংগিত দিয়ে সিপাৰৰ যাত্ৰাৰ। গতিকে কবিয়ে নাৱৰীয়াক কৈছে—

এতিয়া বুৰিল বেলি, নিজান দেশৰ পিনে
নাৱৰীয়া নিয়া নাও বাই।'.

নাৱৰীয়া কবিয়ে অকলে আপোন মনে গীত গাই গাই নাও বাই গৈ থাকোতে, কোনোবা দেৱীয়ে মৰমেৰে মাতিলেও কবিয়ে সেই মৰম আৰু ভাল পোৱাক তেওঁ প্ৰত্যাহাৰ কৰে—

"মানুহৰ ভালপোৱা আছে যদি থক
নাই তাত মোৰ প্ৰয়োজন,
জগতক ভালপাওঁ জগততে ফুৰো
সকলোৰে মোৰ প্ৰিয়জন।"

সমাজৰ ফাকি-ফুকাৰ পৰা আঁতৰি এনেদৰে নাওবাই গৈ থাকোতে যতে ৰাতি হয়, ততেই কাটি হৈ থাকিবলৈ তেওঁ ভালপায়—

"ফাকি ফুকা য'ত নাই আৰু নাই য'ত
সমাজৰ কঠোৰ শাসন
সেয়ে মোৰ থকা ঠাই এই জগতত
সেই ঠাই অতি নিৰজন (নাৱৰীয়া খ")

কবিয়ে মাথোন মুকলি মনেৰে সুন্দৰৰ চৰণত ভক্তিৰ অঞ্জলি যাঁচিবলৈ হেঁপাহ কৰে—

'মুকলি আকাশৰ তল মুকলি তটিনী জল
উদাৰ প্ৰকৃতি আজি জগত মুকলি
মুকলি পৰাণ মোৰ মুকলি মনেৰে দিওঁ
সুন্দৰৰ চৰণত ভক্তিৰ অঞ্জলি।'

লাহে লাহে অতীতৰ স্মৃতি ক্ষীণ হৈ আহিবলৈ ধৰিলে। বহদুৰ উটি যোৱাৰ পাছত অতীতৰ কথা চিন্তা নকৰাই ভাল যেন অনুভৱ হ'ল। প্ৰেমৰ পথ ভুলৰ পথ বুলি প্ৰতীয়মান হৈ পৰিল—

গাঁথিছিলো মালাধাৰি আকাশ কুসুম পাৰি
আবেগত পৰাণ আকুল
ওপৰত হাঁহি হাঁহি তৰাই পাতিলে থুপ
দেখি মোৰ জীৱনৰ ভুল।
(তুমি মোৰ নাভাঙিবা ভুল)।

দুৰ্ব্বাই নিৰলাত বহি যিবিলাক নিজানৰ গান ৰচনা কৰিছিল সেই বিলাকত গীতি মধুৰতা বেচি উপলব্ধি কৰা হয়। বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আদিয়ে আৰম্ভ কৰা গীতি মধুৰতা আহি যেন দুৰ্ব্বাৰ লিখনিত প্ৰাণ পাই উঠিল। দুৰ্ব্বাৰ শব্দ যোজনা, ছন্দৰ লালিত্যই অসমীয়া গীতি কবিতাৰ এটি নতুন যুগৰ সূচনা কৰিলে। গীত শুনিলে, গীতৰ সুৰৰ এটি মধুৰ আৱেশ যেনেকৈ ৰৈ যায়, তেনেকৈ দুৰ্ব্বাৰ কবিতা পঢ়িলে অন্তৰত মধুৰ আবেশ এটি ৰৈ গৈ পাঠকৰ অন্তৰত সাঙ্গীতিক মূৰ্চ্ছনা তোলে। সেয়েহে তেওঁৰ কোমল আৰু আকৰ্ষণীয় শব্দৰে ৰচা—

"মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা
অন্তৰ জ্বলোৱা ছবি অতীতৰ স্মৃতি লৈ
বুকুৰ তেজেৰে আছে অন্তৰতে অকা।"—

পাঠকৰ প্ৰাণৰ যেন লগা এই কবিতাফাঁকি কুইলাৰ কাৰ্ডচে শ্যেলীক কোৱা কথাষাৰি "Superlatively melodious poet" আংশিক হিচাবে হলেও এওঁৰ কবিতাটোত খটুৱাব পাৰি।

দুৰ্ব্বাৰ কবিতাত বিষাদ আৰু নিৰাশাৰ ধ্বনি শুনিবলৈও পোৱা যায়। সংসাৰত তেওঁ যি বিচাৰিছিল, সেয়া তেওঁ নাপালে। তেওঁৰ কবিতাত সেয়েহে নিৰাশাবাদৰ সুৰ শুনিবলৈ পোৱা যায়। তেওঁৰ কোমল সুৰত—

হায় অভিমানী মোৰ, কোনে তোৰ ভাঙি অভিমান
চেনেহৰ ধৰিব যোগান ?
মিছাকৈয়ে কিয় গাৰ গান
পাষাণৰ নগলে পৰাণ।"—পাষাণৰ পৰাণ নগলে বুলি জানিও দুৰ্ব্বাই পাষাণ-প্ৰতিমাত প্ৰাণ দিবলৈ চেষ্টা কৰিছিল। কবি সম্পূৰ্ণ নিৰাশাবাদী নহয়, ব্যক্তিগত জীৱনলৈ তেওঁৰ নৈৰাশ্য আহিব পাৰে, কিন্তু আনৰ জীৱনত আৰু সংসাৰত তেওঁ আনন্দ দেখি আহিছে। দুৰৰ গাওঁখনিৰ সৌন্দৰ্য্য, পথাৰৰ লখিমী, কেতে-

কীৰ সুৰ, দাউনীৰ হিয়া সকলোতে উলাহ আৰু ৰং আছে। সকলোৱে সুখৰ সমল লৈ হাঁহি-মাতি সংসাৰৰ মাজত আগুৱায়", মাত্ৰ কবি সেই সমলৰ পৰা বঞ্চিত। "আজি গোটেই জগত আনন্দত বলিয়া, সকলোৱেই মুকলি, মাথোন মই নিজেই গঢ়া শিকলিৰে নিজক বান্ধি থৈছো'—(কথা কবিতা ঃ বৰষুণ)। ব্যক্তিগত জীৱনত ল'ৰালি কালছোৱা কবিৰ আনন্দত অতিবাহিত হৈছিল। মাত্ৰ যৌৱনৰূপী "বাৰিষাৰ বানে" তাক উটুৱাই নিছিল। পিছৰ জীৱনত আকৌ তেওঁ সুখৰ আভা দেখিছে—

মোৰ চিৰ জনমৰ চিৰ চেনেহৰ
যত অপূৰণ আশা
হয়তো কাৰোবাৰ মধু পৰশত
পাব কেতিয়াবা ভাষা (বনফুল ° আশা)

ইয়াৰ উপৰিও দুৰ্‌ৰাৰ কবিতাত ৰহস্যবাদৰ সুৰো শুনিবলৈ পোৱা যায়। সকলো সৌন্দৰ্য্যৰ যোগান ধৰোঁতা কৰবাত এটা অনন্ত নিজৰা আছে। তাৰ সৈতে নিজৰ সম্পৰ্ক গাঢ় কৰিব পাৰিলে জীৱনৰ নোপোৱাক পোৱা যাব, সপোনৰ ধনে দিঠকতে ধৰা দিবহি। তেতিয়া জন্ম আৰু মৃত্যুৰ ব্যৱধানো আঁতৰি যাব—

গানে গানে ছন্দে ছন্দে যিদিনা সুৰত বান্ধি
কবি লম তোমাক আপোন
প্ৰতি অনু-পৰমাণু মিলিব তোমাৰ স'তে
জীৱনত ফলিব সপোন।

দুৰ্‌ৰাৰ কবিতাত করুণসুৰ বিদ্যমান। এই করুণ সুৰ অন্তৰ-সৰসৰীৰ পৰা নিগৰি অহাৰ কাৰণেই অতি মধুৰ। সেই কাৰণে শ্যেলীয়ে কৈছে—"Our sweetest of songs are those that tell of saddest thought."

সুঁৱৰি সুঁৱৰি কিয় অতীতৰ স্মৃতি
মিছাতেই নিজে দুখ পোৱা
মুখানি মোলান কিয়, মিছাতে চকুলো,
অতীতক পাহৰি পেলোৱা।

দুৰ্‌ৰাৰ কবিতাত যে অকল বেদনাৰ সুৰেই শুনিবলৈ পোৱা যায় এনে নহয়, বেদনাৰ নিঠুৰ সুৰৰ মাজতো আনন্দ লহৰ পোৱা যায়। বিষাদতো তেওঁ উলাহৰ গান গায়। তেওঁ অতীতক পাহৰি যাবলৈ চেষ্টা কৰিলেও, "জীৱনৰ নিজান বাটত অতীতেই ভৱিষ্যৎ মোৰ বুলি" সান্ত্বনা লভিছে।

পাশ্চাত্যৰ ৰোমাণ্টিক কবিতাৰ উম বুকুত লৈ বহুতো ইংৰাজী কবিতা তেওঁৰ নিজৰ ৰূপত প্ৰকাশ পাইছে। পাৰস্যৰ কবি ওমৰখৈয়ামৰ ৰুবায়ত মালাৰ অসমীয়া ৰূপ 'ওমৰতীৰ্থ' দুৰ্‌ৰাৰ কাব্যিক সমস্যাৰ সোণালী দেউল। ওমৰৰ ৰুবায়তৰ মধুৰ ভাঙনি দুৰ্‌ৰাৰ অন্তৰৰ পৰা ওলোৱা কবিতাৰ নিচিনা।

আজিয়েই দিয়া কালিলৈ কিয়
কোনে জানে মোৰ কালি কি হ'ব?

ওমৰৰ ৰুবায়ত মালাৰ অসমীয়া অনুবাদৰ গুৰিতে আছিল কবিৰ ঐকান্তিক ভাবপ্ৰৱণতা! ওমৰৰ কবিতাৰ অকল লালিত্যই নহয়, ওমৰৰ জীৱনৰ দৰ্শনেও দুৰ্‌ৰাৰ মনত পৰোক্ষভাৱে ৰেখাপাত কৰিছিল। ডাঃ কাকতিয়ে কৈছিল—"দুৰ্‌ৰাৰ ভাঙনি বুকুৰ তপত তেজেৰে উম দিয়া।"

ইংৰাজী সাহিত্যৰ ভিতৰত শ্যেলীয়ে তেওঁৰ মনৰ ওপৰত বেছিকৈ প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁ শ্যেলীৰ ভালেমান কবিতা নিজস্ব অনুভূতিৰে বোল দি অসমীয়া কাব্যিক জগতলৈ লৈ আহিছে। উদাহৰণ স্বৰূপে শ্যেলীৰ "মিউটেবিলিটি' (আপোন সুৰ), 'লাইন, টু ইণ্ডিয়ান এয়াৰ' (তোমালৈ) আদি কবিতা নিজস্ব ৰূপত অসমীয়ালৈ অনুবাদ কৰিছে। ইয়াৰ উপৰিও টেনিছনৰ 'ক্ৰছিং দি বাৰ'ৰ ভাঙনি হ'ল নাৱৰীয়া (গ) কবিতাটি। টেনিছনৰ ক্ৰছিং দি বাৰ'ৰ ভাঙনি হ'ল—

Sunset and evening star
And once clear call for me
And may there be no mourning
of the bar,
When I put out to sea.

আৰু দুৰ্‌ৰাৰ নাৱৰীয়া (গ) ৰ আৰম্ভণি হ'ল—

মাৰ গলে ৰঙা বেলি সৰু তৰাটিয়ে
দিয়ে মোক সাদৰৰ শেষ আৱাহন,
ওলাম যেতিয়া মই সাগৰৰ পিনে
নুশুনো ঘাটত যেন করুণ কান্দোন।

'শূন্য পৰিচয়' কবিতাতো ইংৰাজীৰ প্ৰভাৱ দেখা যায়—

"অনাদৰ অৱহেলা গোটাই লই
ৰচোঁ মই জীৱনৰ কুসুম কানন
ইয়ে মোৰ কপালত বিধিৰ নিঠুৰ লেখা
এয়ে মোৰ জীৱনৰ কাঁইটীয়া বন।"

ইয়াত টমাচ সুৰৰ কবিতাৰ মিল থকা দেখা যায়। ইয়াৰ উপৰি কীট্‌চ, ব্ৰাউনিঙ, জাৰ্মান কবি হেইনৰিখ হাইনে আদি কবিৰ কবিতাৰ লগতো দুৰ্‌ৰাৰ কবিতাৰ মিল দেখা যায়।

অসমৰ প্ৰকৃতি আৰু অসমীয়া জাতীয় জীৱনৰ প্ৰতিচ্ছবিও কবিৰ ৰচনাত উজ্বল হৈ জিলিকি আছে। তেওঁৰ কবিতাত কেতকীৰ সুৰ, পথাৰৰ লখিমী, দাউনী, নাও, নাৱৰীয়া; ব'ঠা, জাৰকালি, সৰাপাত, শেৱালি-শৰালি, ঘাট, কলহ, গাঁৱলীয়া সমাজৰ চিত্ৰকে আদি কৰি সকলোবোৰ তেওঁৰ কবিতাত স্পষ্টভাৱে প্ৰকাশ পাইছে। ইংৰাজী সাহিত্যৰ দুৱাৰেদি সেই কথা-কবিতাবোৰ অসমীয়া সাহিত্য পালেহি দুৰ্‌ৰাৰ যোগেদিয়েই।

কবি দুৰ্‌ৰাৰ জীৱন সঁচাকৈয়ে এটি সাঁথৰ। 'মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে' বুলি কৈ 'শূন্য পৰিচয়' বিচৰা এই কবিজনৰ বুকু যেন আজিও শূন্য। মুঠতে যতীন্দ্ৰনাথ দুৱৰা যে আধুনিক কবিসকলৰ এজন অন্যতম শ্ৰেষ্ঠ কবি তাত সন্দেহ নাই। কবিতাবোৰৰ মাজেৰে আশা-নিৰাশা, পোৱা-নোপোৱা, হাঁহি-কান্দোন, মিলন-বিৰহ, জনম-মৰণ, অৰ্থাৎ মানৱ জীৱনৰ সমগ্ৰ ৰূপ এটাৰ আভাস প্ৰকাশ পাইছে। সংসাৰৰ এজন মানুহ হিচাপে জীৱনৰ প্ৰতিকুল অৱস্থাত পৰা মানৱ জীৱনৰ কথাই তেওঁ ব্যক্ত কৰিছে। গতিকে মানুহৰ অন্তৰ থাকে মানে তেওঁৰ কবিতাৰ যে আদৰ থাকিব তাত সন্দেহ কৰিবলগীয়া একো নাই। তেওঁ কবি বুলিয়েই প্ৰসিদ্ধ হৈছিল আৰু সেই খ্যাতি লৈয়ে তেওঁ শেষলৈকে বৈ গ'ল, সেয়েহে তেওঁক আগৰৱালাৰ সৈতে আধুনিক অসমীয়া কবিসকলৰ 'প্ৰট'-টাইপ" বুলি কলেও বৰ ভুল কোৱা নহব।

আগৰৱালাদেৱে দুৰ্‌ৰাক যতীন্দ্ৰ 'য' আৰু দুৱৰাৰ 'দু' এই আখৰ দুটা গোটাই দুৰ্‌ৰাক

'যদু' নাম দিছিল। তেওঁৰ কবিতাৰ তলত 'যদু' বুলিহে লিখিছিল। ইয়াৰ পৰা বুজিব পাৰি, দুৰ্বাই 'যদু' নামটোত গৌৰৱ অনুভৱ কৰিছিল।

দিখৌ নৈৰ পাৰত দুৰ্বাৰ জন্ম । দিখৌ নৈৰ পাৰতে জন্ম হোৱা বাৰীখনতেই, অতি চেনেহৰ ভতিজাকহঁতৰ আদৰৰ কোলাতেই ১৯৬৪ চনৰ ৫ জুলাইত পুৱা নৰলীলা সম্বৰণ কৰে।

দুৰ্বাক 'বনফুল' কবিতা পুথিখনৰ বাবে দিল্লীৰ ভাৰতীয় 'সাহিত্য একাডেমীয়ে' এটি মূল্যবান পুৰস্কাৰ (৫০০০ টকা) দি সন্মান কৰিছিল। ১৯৫৫ চনত গুৱাহাটীৰ অধিৱেশনত 'অসম-সাহিত্য সভাই' দুৰ্বাক সৰ্বশ্ৰেষ্ঠ সন্মান দি সভাপতিৰ আসনত বহুৱাইছিল।

দুৰ্বা গ'ল, দুৰ্বাৰ কবিতা থাকি গ'ল। কবিতাতে দুৰ্বা সদায় আমাৰ মাজত চিৰ-জীৱিত হৈ থাকিব। মুঠতে, দুৰ্বাৰ জীৱনটো-ৱেই এটা মনোৰম গীতি কবিতাৰূপে সদায় সজীৱ হৈ থাকিব কাব্য জগতত। ●

প্ৰবন্ধটো লিখোতে "ভাষা আৰু সাহিত্য" (উপেন্দ্ৰনাথ গোস্বামী), "দুৰ্বাৰ কাব্য প্ৰতিভা" (ৰংপুৰ সাহিত্য সভা) গ্ৰন্থ দুখনিৰ সহায় লোৱা হৈছে।



# ॥ সতীদাহ প্ৰথাৰ পুনৰ উদ্‌গীৰণ ॥

শ্ৰীমৃনালিনী বৈদ্য
উঃ মঃ ২য় বাৰ্ষিক (দিবা শাখা)

১৯৭৫ চনত ৰাজস্থানৰ থৰ মৰুভূমিৰ পোখৰানত "এটম বোমা" পৰীক্ষামূলক ভাৱে বিষ্ফোৰণ ঘটাই ভাৰতে পৃথিৱীৰ পাৰমানৱিক শক্তিধৰ সকলৰ সংগ লাভ কৰিছিল। এইখন ৰাজস্থানৰে চিকাৰ জিলাৰ দেউৰালা গাঁৱত ১৯৮৭ চনৰ চেপ্তেম্বৰ মাহত ১৮২৯ চনতে নিষিদ্ধ বুলি ঘোষিত "সতীদাহ" প্ৰথাৰ পুনৰ উদ্‌গীৰণ ঘটাই ভাৰতীয় মধ্যযুগৰ বৰ্বৰ অৱস্থিতিৰ সম্ভেদ দিলে এই পৃথিৱীক। মধ্যযুগীয় বৰ্বৰতাৰ পুনৰাভিনয়ে ভাৰতত বিজ্ঞানৰ জয়যাত্ৰাক উপ-হাস কৰিছে।

এই উদ্‌গীৰণে লৰ্ড বেণ্টিঙ্ক আৰু সমাজ সংস্কাৰৰ আগৰণুৱা ৰাজাৰামমোহন ৰায়ক অপমান কৰিছে। ভাৰতীয় নাৰী সমাজক এই বৰ্বৰতাৰ পুনৰাবৃত্তিয়ে সচেতন আন্দোলন গঢ়ি তোলাত বেগৰ সৃষ্টি কৰিছে।

সতীদাহৰ দৰে নাৰীহত্যাকাৰী এই ঘটনাটো ১৯৮৭ চনৰ চেপ্তেম্বৰ মাহত ঘটিছিল। ৰাজ-স্থানৰ দেউৰালা গাঁৱৰ ২০ বছৰীয়া ৰাজপুত ডেকা মানসিংহৰ লগত ৰূপৱতী ৰূপ কানোৱাৰৰ বিবাহ হয়। মাত্ৰ ৮ মাহ বৈবাহিক জীৱন অতিবাহিত হোৱাৰ পিছত মানসিংহৰ টান নৰিয়াত পৰি মৃত্যু হয়।

ৰূপ কানোৱাৰ এগাৰাকী শিক্ষিতা ৰূপৱতী গাভৰু। বিয়াৰ সময়ত তেওঁ যৌতুকৰূপে ৪৪০ গ্ৰাম সোণ, ৩০ হাজাৰ টকা, এটা ৰঙীন টি, ভি, আৰু এটা ফ্ৰিজ লগত আনিছিল। এই সম্পত্তি ৰাজস্থানৰ নিয়ম মতে মানসিংহৰ মৃত্যুৰ পাছত তেওঁৰ বাপেক-মাকে (মানসিংহৰ) ৰূপৰ পিতৃ-মাতৃক ঘূৰাই দিব লাগে। কিন্তু ৰূপৰ যৌতুকীয়া সম্পত্তি আৰু স্বামীৰ সম্পত্তি গ্ৰাস কৰাৰ কু-অভিপ্ৰায় লৈ শহুৰেকৰ পৰিয়ালে এই ১৮ বছৰীয়া ৰূপহী গৰাকীক মৃত স্বামীৰ চিতাত বলেৰে জাপি দি জীৱন্তে দাহ কৰে। কোৱা বাহুল্য যে ৰূপ কানোৱাৰে তেওঁৰ অগ্নি-দাহৰ পূৰ্ব সংকেত পাই প্ৰতিবেশীৰ আশ্ৰয় বিচা-ৰিছিল; কিন্তু তেওঁক ৰক্ষা কৰিবলৈ কোনো নোলাল। তেওঁ নিজেই আত্মৰক্ষাৰ বাবে ভঁৰা-লৰ ভিতৰত লুকাইছিল; কিন্তু ভঁৰালৰ পৰা তেওঁক বলপূৰ্বকভাৱে চেতনানাশক বেজী দি শহু-ৰেকৰ সহায়ক এদল উন্মাদ ৰাজপুতে চিতাত জাপি দিছিল। সিহঁতৰ অট্টহাস্যত ৰূপৰ আৰ্ত-নাদ নিস্তেজ হৈ পৰিছিল। এই বীভৎস দৃশ্যক ভাৰতৰ নাৰী সমাজে ধিক্কাৰ দিলে। আনহাতে

শাসনকাৰী দলটোৰ ধৰ্মান্ধ কিছুমান লোকে এই ঘৃণনীয় ঘটনাটো নীৰবে উপভোগ কৰিছিল।

ৰাজস্থানত সতীদাহ মাজে-সময়ে ঘটি থাকে। ১৯৮০ চনত দেউৰালাৰ পৰা ৬/৭ কিলোমিটাৰ নিলগৰ ঝালৰি গাৱঁত ওম-কানোৱাৰ সতী হয়। বিচাৰিলে সতী যোৱা নাৰীৰ সংখ্যা ওলাই গৈ থাকিব।

এই প্ৰথা ১৮২৯ চনতেই লৰ্ড বেণ্টিঙ্কে আইনৰ দ্বাৰা নিষিদ্ধ কৰিছিল। এই ক্ষেত্ৰত আন্দোলনৰ নেতৃত্ব দিছিল ৰাজা-ৰামমোহনৰায়ে। কিন্তু আজিও আইনে সতীদাহ প্ৰথা স্তব্ধ কৰিব নোৱাৰিলে।

সতীদাহ প্ৰথাৰ পুনৰ উদ্‌গীৰণে ভাৰতীয় নাৰী সমাজক আলোড়িত কৰিছে। নাৰী নিৰ্য্যাতনৰ বিৰুদ্ধে ভাৰতৰ নাৰী সমাজে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ বিৰুদ্ধে তীব্ৰ হুংকাৰ মৰাত উভয় চৰকাৰে সতীদাহৰ বিৰুদ্ধে পলমকৈ হ'লেও মাত মাতিছে। সতী যাবলৈ চেষ্টা কৰা বা এই কাৰ্য্যত উৎসাহ যোগোৱা সকলক ৫ ৰ পৰা ৭ বছৰলৈ কাৰাদণ্ড বিহাৰ কথা ঘোষিত হৈছে। ৰাজস্থান চৰকাৰৰ এই ঘোষণা কেৱল কাগজৰ পাততে সীমাবদ্ধ নাৰাখি গাঁৱে গাঁৱে নাৰী-পুৰুষ উভয়ৰ মাজত ব্যাপক প্ৰচাৰ কৰিব লাগে আৰু সতীদাহ প্ৰথাৰ বিৰুদ্ধে গণচেতনা বঢ়াব লাগে।

চৰকাৰে গণমাধ্যমবোৰৰ মাজেদি এই নাৰী-হত্যাকাৰী প্ৰথাৰ বীভৎস ৰূপ উদঙাই দিয়া উচিত। নাৰী সমাজেও এনে প্ৰথাৰ বিৰুদ্ধে অবিৰত আন্দোলন গঢ়ি তুলিব লাগিব।

শুভলক্ষণ যে অসমৰ নাৰী সমাজেও সতীদাহৰ দৰে কু-প্ৰথাৰ পুনৰ আবৃত্তিৰ নিন্দা কৰিছে। অসমৰ মাধ্যমিক শিক্ষা-পৰিষদে সতীদাহ প্ৰথাৰ উৎসাহ যোগাব পৰা নৱম আৰু দশম মান শ্ৰেণীৰ দ্ৰুতপাঠ্য "সিংহগড় বিজয়" অসমৰ স্কুলৰ পাঠ্য-তালিকাৰ পৰা বিতাড়িত কৰি আদৰণীয় কাম কৰিছে। এনে কাৰ্য্যই বৈজ্ঞানিক দৃষ্টিভংগীৰ অগ্ৰগতিক প্ৰেৰণা দিছে। ●

[প্ৰবন্ধটো যুগুত কৰোতে বিভিন্ন আলোচনী, বাতৰি কাকত আদিৰ সহায় লোৱা হৈছে।]



# ॥ মোৰ ভ্ৰমণৰ অভিজ্ঞতা ॥

শ্ৰীচয়নিকা শৰ্ম্মা
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক ( দিবা )

১৯৭৬ চনত মোক আৰু ভাইটিক লৈ মা আৰু দেউতাই ভাৰতৰ ধুনীয়া ঠাই খিনিৰ ভিতৰত উল্লেখযোগ্য ঠাই দাৰ্জিলিঙলৈ গৈছিল সৌন্দৰ্য্য বিচাৰি। কিন্তু মই আৰু ভাইটি তেতিয়া খুব সৰু বাবে ভ্ৰমণৰ সোৱাদ একো বুজি নেপালো। কেতিয়াবা 'মা'ৰ মুখত সাধু যেন লগা সুন্দৰ সুন্দৰ দৃশ্যৰ কথা শুনিলে আমাৰ দুটাৰ খং উঠে আৰু লগতে খুব ভালো লাগে। খং উঠে এইকাৰণেই যে "আমি দুটা ইমান সৰু থাকোতে তোমালোক কিয় যাব লগা হৈছিল? আমি একোৱে বুজি নেপালো।" সেয়েহে ভ্ৰমণ মানে কি বুজি পোৱাৰ পিছত মা-দেউতাক মাজে-সময়ে আমি খুব আমনি কৰিছিলো। ভাৰত চৰকাৰৰ আমন্ত্ৰণৰ যোগেদি দেউতা কেবাবাৰো অসমৰ বাহিৰলৈ যোৱাৰ সৌভাগ্য ঘটিছিল কিন্তু আমাক নিয়াটো তেনেকুৱা ক্ষেত্ৰত সম্ভৱপৰ নাছিল। সেয়ে দেউতাই আমাক কথা দিছিল যে মোৰ H. S. L C. পৰীক্ষাৰ পিছত আমাক দক্ষিণ ভাৰতৰ উল্লেখযোগ্য ঠাইলৈ ফুৰাবলৈ নিব। এনেকৈয়ে মোৰ জীৱনৰ দ্বিতীয়বাৰ ভ্ৰমণসূচীৰ সুযোগ ওলাল।

১৯৮৭ চনৰ এপ্ৰিল মাহৰ ২৬ তাৰিখে দক্ষিণ ভাৰত অভিমুখে আমি যাত্ৰা কৰাৰ দিন। সেইদিনা আমি ৰাতিপুৱা ৮ বজাত গুৱাহাটীলৈ গ'লো। গুৱাহাটীত মাহীহঁতৰ ঘৰত সোমাই দিনটো কটাই নিশা ১১-৩০ বজাৰ ত্ৰিবান্দ্ৰম এক্সপ্ৰেছ ধৰিবলৈ গুৱাহাটী ষ্টেচনলৈ গ'লো। আমাৰ আত্মীয় স্বজন বিলাকে আমাক বিদায় সম্ভাষণ জনাবলৈ ষ্টেচনলৈ গৈছিল। তেওঁলোকে বিদায় জনাই ঘৰাঘৰি যোৱাৰ পিছত ঘোষণা কৰিছিল যে সিদিনা ত্ৰিবান্দ্ৰম এক্সপ্ৰেছ ১০ ঘণ্টা পলমকৈ আহিব। অৰ্থাৎ আমাৰ ভ্ৰমণসূচী আৰম্ভ হ'ল ২৭ এপ্ৰিল তাৰিখৰ পুৱা ৫-৩০ বজাৰ পৰা।

২৮ তাৰিখে পুৱা ৪ বজাত হাওৰা পালো। হাওৰা এটা ভাৰতৰ ভিতৰত বিখ্যাত ডাঙৰ ষ্টেচন। ওৱালটেৱাৰ এৰি বহুখিনি যোৱাৰ পিছত সাগৰৰ এচলীয়া পাৰটো ৰিণিৰিণি চকুত পৰিল। অকণমান নীলা নীলা দুৰত দেখিয়ে কিযে আনন্দত উৎফুল্ল হৈ পৰিছিলো। তাৰ পিছত ২৯ তাৰিখটোও ট্ৰেইনতে কটালো। ৩০ তাৰিখে ৫-৪৫ বজাত আমি ত্ৰিবান্দ্ৰম পালোঁহি। ইতিমধ্যে ট্ৰেইনত তিনিজন কেৰেলিয়ানৰ লগত আমাৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি

উঠিছিল। তাৰে এজন কঠিয়াতলিত থাকে আৰু তিনিজনেই খুব ভাল অসমীয়া কব পাৰে। তেওঁলোকৰ লগত ইমান ঘনিষ্ঠতা গঢ়ি উঠিছিল যে কঠিয়াতলিত থকা কেৰেলিয়ানজন ১৯৮৭ চনৰ জুলাই মাহত আমাৰ ঘৰলৈ ফুৰিবলৈ আহি ভাত-পানী খাই গৈছিল। তদুপৰি গুৱাহাটী, মঙলদৈ আৰু উত্তৰ লক্ষীমপুৰৰ পৰা তিনিটা পৰিয়াল গৈছিল। গুৱাহাটীৰ পৰিয়ালটোক ত্ৰিবান্দ্ৰমতে এৰিলোঁ। কিন্তু মঙলদৈ আৰু উত্তৰ লক্ষীমপুৰৰ পৰিয়াল দুটাই আমাৰ লগতে একেলগে ৭-৩০ বজাত বাছেৰে কন্যাকুমাৰীলৈ যাত্ৰা কৰিলে।

আমি সকলোটি ১০ বজাত কন্যাকুমাৰী পালোগৈ। সাগৰৰ পাৰতে বাছষ্টেচন অৱস্থিত। ৰাতিপুৱাই ত্ৰিবান্দ্ৰম পোৱা বাবে আমাৰ খোৱা-বোৱা আৰু গা-পা ধোৱাৰ সুযোগ ওলোৱা নাছিল। সেয়ে সাগৰৰ পানী দেখি মোৰ খুব গা ধুবলৈ মন গৈছিল আৰু সেই সময়ত মোৰ মনটো কল্পনা ৰাজ্যত উটি-বুৰি ফুৰিছিল। সেয়া মই প্ৰথম সাগৰ দেখিছিলোঁ। শুনিছিলোঁ সাগৰ দেখিবলৈ নীলা। কিন্তু কল্পনাই চুকি পোৱা নাছিল সাগৰৰ ইমান ধুনীয়া দৃশ্য বুলি। সেয়ে মই আনন্দত আত্মহাৰা হৈ পৰিছিলোঁ, পাৰাপাৰ বিচাৰি নোপোৱা সাগৰৰ দৃশ্য দেখি।

তাৰ পাছত আমি সাগৰৰ পাৰতে অৱস্থিত "নাগেশ্বৰী টুৰিষ্ট হোম" নামৰ হোটেলখনলৈ গৈ থকাৰ ব্যৱস্থা কৰি ললোঁ। এই ৪ দিন গা-পা ধোৱাৰ খুব অসুবিধা পাইছিলো। সেয়ে পানীখিনি দেখি যেন গা ধুয়ে থাকিম তেনেকুৱা লাগিছিল।

তাৰ পাছত আমি আটায়ে এখন হোটেলত ভালকৈ খোৱাৰ মানসেৰে বহিলোঁ। খোৱাৰ তালিকাত দেখিলোঁ চম্বৰ, ৰছম, উক্‌মা (চুজিৰে তৈয়াৰী, কিন্তু নিমখীয়া), ডোছা, দহিবৰা (দৈত তিয়াই থৈ দিয়া) ইত্যাদি নামবোৰ। ভাবিছিলো খাই তৃপ্তি পাম। সদায় অসমীয়া নিভাজ আহাৰ খাই তাৰ সোৱাদ কেনে চাব খুজি খোৱা আৰম্ভ কৰিলো। কিন্তু দেউতাৰ বাদে আমি চাৰিটাই গোন্ধলৈয়ে পেটৰ ভোক পেটতে মাৰিবলগীয়া হ'ল। টেঙা, মিঠা, নিমখীয়া আৰু লগতে খাবৰ সোৱাদ থকা চম্বৰ আৰু ৰছমেও আমুৱালে। আমাৰ চাৰিটাৰ মনটো সেমেকি উঠিল। তাত আমি অলপ জিৰাই-মেলি আবেলি 'বিবেকানন্দ ৰক মেমোৰিয়েল" চাবলৈ গ'লো এই "মেমোৰিয়েল" টো সাগৰৰ বুকুত এটা ডাঙৰ শিলৰ ওপৰত অৱস্থিত। সেই "মেমোৰিয়েল" টো চাবলৈ আমি ফেৰিৰে যাত্ৰা কৰিছিলোঁ। সেয়ে মোৰ ফেৰিত উঠা প্ৰথম অভিজ্ঞতা। সাগৰৰ ঢৌৰ লগে লগে ফেৰিখনো নাচি নাচি আগুৱাই গৈছিল। আমাৰ মনত ৰং লাগিছিল যদিও ভয় নোখোৱাকৈ থকা নাছিলোঁ। তালৈ 'কেমেৰা' নিব নিদিয়ে। আমাৰ কেমেৰাৰ 'মেমোৰিয়েল'ৰ কৰ্তৃপক্ষই ৰাখি থোৱাত ভাইটিৰ মনত বৰ দুখ। এই 'মেমোৰিয়েল' টো যিটো প্ৰকাণ্ড শিলৰ ওপৰত অৱস্থিত, সেই শিলটোৰ ওপৰতে হেনো স্বামী বিবেকানন্দই বহি ধ্যান কৰিছিল। গোটেই মন্দিৰটো শিলেৰে, মাৰ্বল পাথৰেৰে তৈয়াৰী। চালে চকুত লগা কাৰুকাৰ্য্য। শিলটোত অনবৰতে ঢৌৱে খুন্দিয়াইয়ে আছে। 'মেমোৰিয়েল'ত বিশেষকৈ চাবলগীয়া বস্তুকেইটা হ'ল—স্বামী বিবেকানন্দৰ মূৰ্ত্তি, ৰাম কৃষ্ণ পৰমহংসদেৱ আৰু তেওঁৰ পত্নীৰ মূৰ্ত্তি, দেৱী কন্যাকুমাৰীৰ পদচিহ্ন আৰু নীৰৱতাৰ লগতে সকলোৰে মনত জাগি উঠা ভক্তি ভাৱ।

১।৫।৮৭ তাৰিখে আমি ৰাতিপুৱাই উঠি সূৰ্য্যোদয় চাবলৈ সাগৰৰ পাৰলৈ গ'লো। ৰাতিপুৱা সাগৰৰ ঢৌবোৰৰ তাণ্ডৱ নৃত্য দেখি মোৰ হেম বৰুৱাৰ "সাগৰ দেখিছা" কিতাপখনলৈ মনত পৰিছিল। মই তেতিয়া মনৰ আনন্দতে দেউতাক কৈছিলো, "মোক তোমালোকে ইয়াতেই এৰি থৈ যোৱা।" মোৰ কথা শুনি মা-দেউতাই খুব হাঁহিছিল, মোক দেউতাই কৈছিল, "আৰু বহুত সুন্দৰ দৃশ্য উপভোগ কৰিবলৈ পাবি।" কিন্তু মই বিশ্বাস কৰিব পৰা নাছিলো ইয়াতকৈ আন কিবা ধুনীয়া দৃশ্য থাকিব পাৰে বুলি। সূৰ্য্যোদয় চাই আমি 'দেৱী মন্দিৰ, গান্ধী মেমৰিয়েল, শঙ্কৰাচাৰ্য্যৰ মন্দিৰ, ত্ৰিবেনী সংগম, লাইট হাউচ,, পদ্মনাভপুৰমৰ প্ৰাসাদ, বিবেকানন্দৰ প্ৰতিমূৰ্ত্তি ইত্যাদি দৰ্শন কৰি আহি খুব ভাগৰ লাগিছিল। অৱশ্যে দৰ্শনৰ মাজতে খাই-বৈও লৈছিলো। এটা কথাৰ কাৰণে ভাল লাগিল, আমি ইমান সময় খাদ্যৰ বাবে খুব কষ্ট পাইছিলোঁ, কিন্তু এখন বঙালী হোটেল শেষত ঠিক কৰি লৈ তাঁত একেবাৰে ঘৰত খোৱাৰ নিচিনাকৈ বাকী তিনিসাজ ভাত খুব আনন্দৰে খাইছিলোঁ।

২।৫।৮৭ তাৰিখে আমি কন্যাকুমাৰীৰ পৰা মাদুৰাইলৈ বাচেৰে ৭ বজাত যাত্ৰা আৰম্ভ কৰিলো আৰু দুপৰীয়া মাদুৰাই পালোহি। ভোকত অৱস্থা নোহোৱা বাবে বাছষ্টেণ্ডৰ পৰা অলপ আতৰৰ এখন হোটেলত ভাত খালো। তাৰ পিছত দেউতাই আগতীয়াকৈ জানি থোৱা বাবে বিশেষ অসুবিধা নোহোৱাকৈ হোটেল 'অবিনয়া'ত উঠিলোগৈ। তাত আমি গা-পা ধুই জিৰাই লোৱাৰ পিছতে আমাক বিচাৰি দুটা অসমীয়া পৰিয়াল আহিল। তেওঁলোক শিৱসাগৰৰ আছিল। তাৰ পিছত আমি মিনাক্ষী মন্দিৰ, বিষ্ণু মন্দিৰ, তিৰোমালয় নাচিক প্ৰাসাদ, (Thirumaloi Nacik Palace) ইত্যাদি চাবলৈ গৈছিলো। মিনাক্ষী মন্দিৰটো ইমান ডাঙৰ যে এইটো সিদিনা ভালকৈ চোৱাই নহ'ল। পিছদিনা ৩।৫।৮৭ তাৰিখে আমি আকৌ মিনাক্ষী মন্দিৰ চাবলৈ গৈছিলো। মিনাক্ষী মন্দিৰৰ চাৰিখন গেট। গেট চাৰিখন গম্বুজ আকৃতিৰ আৰু ইয়াৰ গাত বিভিন্ন মূৰ্ত্তি কটা আছে। গেট কেইখনৰ উচ্চতা ১৬০ ফুট। মন্দিৰটোৱে মুঠ ১৫ একৰ মাটি জুৰি আছে। তাত গাইড নললে একো বুজি পোৱা নাযায় আৰু আনহাতে সময়মতে গাইড বিচাৰিও হাবাথুৰি খাব লগা হয়। মন্দিৰৰ ভিতৰতে পুখুৰী এটাও আছে। আমাৰ মায়ে মন্দিৰলৈ যাওঁতে মুগাৰ মেখেলা-চাদৰ পিন্ধি গৈছিল আৰু হাতত লৈছিল কিনি লোৱা ফুলৰ কৰনি। আমাক সকলোৱে নিশ্চয় অসমৰ বুলি ধৰিব পাৰিছিল, সেয়েহে আমাক সকলোৱে লক্ষ্য কৰিছিল। আমি মূল গেটত সোমোৱাৰ লগে লগে এজন গাইডে আহি আমাৰ লগত ভঙা ভঙা অসমীয়াত কথা পাতিছিল। তেওঁৰ মুখত অসমীয়া ভাষা শুনি খুব ভাল পাইছিলো। তেওঁ আগতে অসমৰ কামাখ্যা

মন্দিৰ দৰ্শন কৰি গৈছে। তেওঁ হেনো মাক দেখিয়ে চিনি পাইছিল আমি অসমীয়া বুলি। তেওঁ মাক কৈছিল, "আপোনাক দেখি মোৰ কামাখ্যা মন্দিৰলৈ মনত পৰিছে। মই কামাখ্যা দৰ্শন কৰিবলৈ যাওঁতে আপোনাৰ নিচিনা বিবাহিতা মহিলাই মেখেলা-চাদৰ পিন্ধি মূৰত ওৰণি লৈ হাতত কৰণি সজাই দেৱী-দৰ্শন কৰিবলৈ আহে"। তেওঁ মন্দিৰটো ৰাতিপুৱা ৮ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ তন্নতন্নকৈ বুজাই দেখুৱাই দিলে।

তাৰ পিছত আমি ঘূৰি আহি ভাত খাই ১ বজাৰ ট্ৰেইনত ৰামেশ্বৰমলৈ যাত্ৰা কৰিলো। ৰাস্তাত আমি ময়ূৰ আৰু বিভিন্ন চৰাই-চিৰিকতি দেখিছিলো। আমি সাগৰৰ দলঙেৰে পাৰ হৈ আহি ৰামেশ্বৰম পাইছিলোহি, সেয়া আমাৰ প্ৰথম অভিজ্ঞতা আছিল সাগৰৰ দলং দেখা। দলংখন folding, জাহাজ আহিলে দুভাগ হৈ ওপৰলৈ উঠি যায়, আকৌ জাহাজ যোৱাৰ পিছত লগ লাগে। সাগৰৰ ওপৰত দলং, তাৰ ওপৰেৰে দিনে ৰাতিয়ে ট্ৰেইন গৈ আছে, ভাবিলে আচৰিত লাগে, কিন্তু যোৱাৰ সময়ত নিজে আনন্দত অভিভূত হৈ পৰিছিলোঁ।

ৰামেশ্বৰম পোৱাৰ পিছত টাংগাত উঠি 'স্বামী ৰামনাথ' হোটেলত থকাৰ ব্যৱস্থা কৰি ল'লো। আমাক ৰামেশ্বৰম দেখুৱাবলৈ এজন গাইড্ ঠিক কৰিলে। পিছদিনা ৪।৫।৮৭ তাৰিখে বিখ্যাত ৰামেশ্বৰম মন্দিৰ চাবলৈ গ'লো। ৰামেশ্বৰম মন্দিৰটো খুব ডাঙৰ। এই মন্দিৰটো সাজি উলিয়াবলৈ ৩৫০ বছৰ লাগিছিল। মন্দিৰৰ ভিতৰতে ২২ টা কুণ্ড আছে। মন্দিৰৰ ভিতৰত "Corridor" থকাটো দক্ষিণ ভাৰতৰ সকলো মন্দিৰতেই চকুত পৰিছিল। কিন্তু ৰামেশ্বৰম মন্দিৰৰ "Corridor" টো আছিল বৃহৎ Corridor, এইটো পৃথিৱীৰ ভিতৰত আগশাৰীৰ স্থান পোৱা Corridor। "Corridor" টোৰ দীঘ ১,২২০ মিটাৰ (৪০০০ ফুট)। পৃথিৱীৰ ভিতৰত বিৰল এই "Corridor" টো দেখিবলৈ সুন্দৰ। খুটাবিলাকৰ গাত বিভিন্ন ভাস্কৰ্য্য খোদিত কৰা হৈছে। ৪।৫।৮৭ তাৰিখে আবেলিৰ পৰা ৰাতিলৈ সাগৰৰ পাৰতে কটালো। ৰিজাৰ্ভেচন নোপোৱা বাবে ৫।৫।৮৭ তাৰিখৰ আবেলিলৈ থাকিব লগা হ'ল। সেই সুযোগতে আমি আৰু কেইটামান সৰু সৰু মন্দিৰৰ লগতে এটা ডাঙৰ বিষ্ণু মন্দিৰ দৰ্শন কৰিলোঁ আৰু তাৰ পাছত অলপ বজাৰ কৰিলোঁ। ৰামেশ্বৰম শুকান মাছৰ বাবে বিখ্যাত। ইয়াৰ পৰা শুকান মাছ বিদেশলৈ ৰপ্তানি কৰা হয়। উশাহৰ লগতে একেলগে শুকান মাছৰ গোন্ধ। কি যে অসুবিধা। খোৱাত খুব কষ্ট পাইছিলোঁ, ভাত বাদ দি পিছলৈ 'ৰুটী-অমলেট' খাবলৈ লৈছিলো।

৫।৫।৮৭ তাৰিখে আবেলি মাদ্ৰাজলৈ বুলি যাত্ৰা কৰিলো। সিদিনা ৰাস্তাত অসম্ভৱ অসুবিধা পাইছিলো। কেইজনমান দুষ্ট প্ৰকৃতিৰ লোকে আমাক খুব আমনি কৰিছিল। আমাৰ মালবস্তু বহুত দেখাৰ পাছত আমাৰ কাষৰ পৰা নুগুচাই হৈছিল। আটাইকেইটাই মাদ্ৰাজ নোপোৱালৈকে খুব সংশয়েৰে কটাইছিলো। ভগৱানৰ কৃপাত একো ঘটনা নঘটাকৈ মাদ্ৰাজ ৬।৫।৮৭ তাৰিখে ১১ মান বজাত পালো। মাদ্ৰাজৰ "ইশ্বৰীয়" হোটেলত উঠি গা ধুই উঠি



ৰাস্তাৰ আনটো পাৰত থকা হোটেল 'Harrison' লৈ খাবলৈ গলো। কিন্তু ৰাস্তা পাৰ হ'ব কোনোমতেই নোৱাৰো। ইমান গাড়ীনো দিনে-নিশাই ক'লৈ গৈছে, ক'ৰ পৰা আহিছে? ইমান ব্যস্ত মহানগৰ। কাৰোৰে ঘূৰি চাবলৈ সময় নাই, ৰ'বলৈ সময় নাই। দেউতাই আমাক বুজাই দিছিল যে হালধীয়া চিন দি থোৱা ঠাইখিনিত গাড়ী আহি পালে ৰৈ দিব লাগে। তথাপিও আমি খুব কষ্ট পাইছিলো ৰাস্তা পাৰ হওঁতে। ঘূৰি আহোতেও একে অৱস্থা। মায়ে আপত্তি কৰিছিল, ৰাস্তা পাৰ হৈ ভাত খাব যাব নোৱাৰে বুলি। অন্যথাই নোখোৱাকৈ থাকিব। সেয়ে খোৱাৰ ঠাই সলনি কৰিলো। ৬।৫।৮৭ তাৰিখে ১-৩০ বজাত এখন ট্যুৰিষ্ট বাছত উঠি মাদ্ৰাজ মহানগৰৰ উল্লেখযোগ্য ঠাইবোৰ দেখুৱালে। মাদ্ৰাজৰ "Snake Garden. Zoo, Library. Museum, Medical College. Golden garden, University, Court. Market, নাটঘৰ (Centre of Amusement), Varma market (য'ত দেশী-বিদেশী সকলো বিলাসিতা বস্তু পোৱা যায়) ইত্যাদি চাবলগীয়া। শেষত "Marina Beach" ত বহু সময় কটাইছিলো। "Marina Beach" ৰ পানী পাবলৈ হ'লে আগতে মৰুভূমি যেন লগা বিস্তৃত শুকান বালিময় এডোখৰ ঠাই খোজকাঢ়ি যাব লাগে। ইয়াত ঘোৰাও আছে। লগতে মাদ্ৰাজ বন্দৰটো এভুমুকি মাৰিলোঁ। মাদ্ৰাজৰ দৰ্শন কৰিবলগীয়া প্ৰত্যেকটো বস্তুৱে ইমান আকৰ্ষণীয় যে তাক নিজে চাই বা দৰ্শন নকৰিলে উপলব্ধি কৰিব নোৱাৰি। তাৰ পাছত আমি এটা বিষ্ণু মন্দিৰ দৰ্শন কৰি আকৌ হোটেললৈ আহিলো। ৭।৫।৮৭ তাৰিখে ৰাতিপুৱাই মাদ্ৰাজৰ পৰা টিৰুপটিলৈ বুলি যাত্ৰা কৰিলোঁ। আধাখিনি বাট বাছেৰে যাত্ৰা কৰি ৯-৪৫ বজাত টিৰুপটি পালো। সকলোৰে আনন্দ। গোটেই মন্দিৰৰ ওপৰটো সোণৰ, ৰেলিঙৰ খুটাবোৰ পিতলৰ, মন্দিৰৰ সুউচ্চ চূড়াটো সোণৰ, মূল মন্দিৰৰ দুৱাৰ খন পিতলৰ। মজিয়াখন ৰূপৰ। ইমানবিলাক সোণ, ৰূপ, পিতল আৰু গোসাঁইৰ গাত খট্টুৱা হীৰা বা আন মণি, মুক্তা দেখি আচৰিত হৈছিলো। তাত মন্দিৰৰ ভিতৰলৈ যাওঁতে শাৰী পাতি যাব লাগে। এটা দল ওলাই নহালৈকে আন কেইটা দল "শীত-তাপ নিয়ন্ত্ৰিত" কোঠাৰ সুন্দৰ চকীবোৰত বহি থাকিব লাগে। গোটেই মন্দিৰটো "শীত-তাপ নিয়ন্ত্ৰিত।" মূল মন্দিৰৰ ভিতৰত গাৰ্ড আছে। সকলোৱে শাৰী পাতি 'ভেংকটশ্বৰম' ক দৰ্শন কৰিব লাগে। তাত কোনেও সেৱা কৰিব নোৱাৰে আৰু পইচা দলিয়াব নোৱাৰে। ইমান পৰিপাটী। পইচা আৰু সেৱাৰ ব্যৱস্থা মন্দিৰৰ বাহিৰত। দিনে-ৰাতিয়ে ইমান যাত্ৰী অহা যোৱা কৰে! আৰু পইচা? ভাবিলে আচৰিত লাগে দিনে-ৰাতিয়ে ইলেকট্ৰিকেল চালনিৰে পইচাবোৰ চালিয়ে আছে। আৰু সেই মন্দিৰৰ লাভৰ অংশৰে এখন 'University' চলাই আছে। সেই অভিজ্ঞতা মোৰ মানস পটত সদায় জিলিকি থাকিব। মই 'ভেংকটশ্বৰম'ৰ ওচৰত প্ৰাৰ্থনা কৰিছো যাতে তেওঁক দৰ্শন কৰিবলৈ আকৌ এবাৰ সুযোগ পাওঁ।

৮।৫।৮৭ তাৰিখে ৮-১০ বজাত মাদ্ৰাজ এৰিলো। ভুবনেশ্বৰ অভিমুখে যাত্ৰা কৰি ৯।৫।৮৭ তাৰিখে পুৱা ৪ বজাত ভুবনেশ্বৰ পালো। ভুবনেশ্বৰৰ পৰা বাছেৰে পুৰীলৈ গলো। 'বাসন্তী লজ'ত থকা-খোৱাৰ ব্যৱস্থা কৰি লৈ আবেলি মন্দিৰ দৰ্শন আৰু সাগৰ দৰ্শন কৰিলো। ১০।৫।৮৭ তাৰিখে ভুবেনেশ্বৰ, ধৱলগিৰি (অশোকে য'ত কলিংগ যুদ্ধ কৰিছিল।), খণ্ড-গিৰি, উদয়গিৰি, কোনাৰোকৰ সূৰ্য্য মন্দিৰ, চন্দ্ৰভাগা নদীৰ মোহনা ইত্যাদি ইত্যাদি চালো। উদয়গিৰিখন গুহাৰে আবৃত। আটাইবিলাক গুহাই প্ৰাচীন। কোনাৰোকৰ সূৰ্য্য মন্দিৰটো এখন ৰথক ঘোঁৰাই টানি আছে, আৰু সেই ৰথখনৰ ওপৰতে অৱস্থিত। কিযে অপৰূপ সৌন্দৰ্য্য। বৃটিছে ভাৰত আক্ৰমণ কৰোতে মন্দিৰটো ভাঙি-চিঙি আক্ৰমণ কৰিছিল আৰু সোণৰ মুৰ্ত্তিবোৰ লৈ গৈছিল। কিন্তু তথাপিও সৌন্দৰ্য্য কমা নাই। তাৰ পাছত কোনাৰোকতে ভাত খাই উঠি উৰিষ্যাৰ বিখ্যাত চিৰিয়াখানা "নন্দন-কানন" চালোগৈ। আমাৰ গোটেই আমোলাপট্টি, পানীগাওঁ আদি মিলি যিমানখিনি ঠাই হ'ব, তাতকৈ অলপ ডাঙৰ হ'ব পাৰে, ইমান ঠাই এই "নন্দন-কাননে" জুৰি আছে। আমি তাত বহুত জন্তু আৰু চৰাই দেখিলো। প্ৰকাণ্ড বিয়ঁগোম সাপবোৰ দেখিলোঁ। যিবোৰ আগতে দেখাৰ সৌভাগ্য ঘটা নাছিল।

১১।৫।৮৭ তাৰিখে এজন পাণ্ডা ঠিক কৰি লৈ জগন্নাথ মন্দিৰটো খুব ভালকৈ দৰ্শন কৰিলো। পৃথিবীৰ নাম জ্বলা মন্দিৰ। এই জগন্নাথ মন্দিৰটোৰ যিটো ৰান্ধনীশাল, ই এটা বৃহৎ ৰান্ধনীশাল। ইয়াত বনোৱা ভাত-আঞ্জাবোৰ গোটেই চহৰৰ মানুহে খায়।

১২ তাৰিখে মন্দিৰ আৰু চহৰখন অলপ ঘূৰি-পকি চাই পাণ্ডাৰ ঘৰলৈ উভতি আহি ভাত-খাই "বাসন্তী লজ"লৈ আহিলো, ১২ তাৰিখে পিছলৈ জিৰণি লৈছিলো আৰু বজাৰ কৰিছিলো। ১২ তাৰিখে গোটেই ৰাতিটো মা আৰু দেউতাই মহ খেদি খেদি আমাক তিনিওটাক শুৱাই থৈছিল। আমি ৮ বজাত উঠি দেখো যে মাহঁত নাই। মাহঁতে সূৰ্যোদয় চাবলৈ সাগৰৰ পাৰলৈ গৈছিল।

আমি তিনিটাই কান্দিবলৈহে বাকী। পিছত যেনিবা হোটেলৰ মেনেজাৰজনে কলে। ১৩।৫।৮৭ তাৰিখে দুপৰীয়া মন্দিৰত সেৱা কৰি আহি ভাত-পানী খাই 'বাসন্তী লজ' ১ বজাত এৰি দিলো।

ঘৰলৈ উভতিবলৈ ৰিজাৰ্ভেছনৰ বাবে আকৌ ২-৪৫ বজাৰ ৰেলেৰে ভুবনেশ্বৰ অভিমুখে যাত্ৰা কৰিলো। পুৰীত আয়ুৰ্বেদৰ P. G. কৰি থকা অসমীয়া ল'ৰা তিনিজনে ট্ৰেইনত উঠাই থৈ গ'ল। তেওঁলোকে আমাক বৰ সহায় কৰিছিল। ৰাতিটো ভুবনেশ্বৰত জিৰণি কোঠাত উবহৰ কামোৰৰ মাজত কোনোমতে কটাই পিছদিনা আহিবলৈ সাজু হ'লো। দক্ষিণ ভাৰতত যদিও মনৰ ফূৰ্ত্তিৰে আটাইকেইটা দিন নিয়ালোঁ, জন্মভূমিলৈ জানো ঘূৰি নাহিলে হ'ব? ইতি-মধ্যে মাৰ হেনো ঘৰলৈ মনত পৰিছিল। ১৪।৫।৮৭ তাৰিখে পুৱা ভুবনেশ্বৰৰ পৰা গুৱা-হাটীলৈ ৫-৩০ বজাত "কোছিন-গুৱাহাটী" এক্স-প্ৰেছত যাত্ৰা আৰম্ভ কৰিলো। কিবা এটা পাই হেৰুৱাৰ দুখত মনটোৱে হাঁহাকাৰ কৰি উঠিছিল।



১১ বজাত খৰগপুৰ পালো। সোণালী ধানেৰে ভৰপূৰ পথাৰবোৰ দেখি অসমলৈ মনত পৰি-ছিল। ২-১৫ বজাত হাওৰা পালো। লাহে লাহে অসমৰ ওচৰ চাপি অহা বাবে মনটোও ভাল লাগিছিল, কাৰণ বহু দিনৰ মূৰত লগৰ ছোৱালী, ঘৰখন, আত্মীয়বোৰক লগ পাম। ১৫।৫।৮৭ তাৰিখে দুপৰীয়া কামাখ্যা ষ্টেচনত গুৱাহাটীত নামিলো। নমাৰ পিছতেই ভোকে আগুৰি ধৰিছিল। মাহীহঁতৰ ঘৰত আকৌ সোমাই এদিন থাকি নগাঁৱলৈ আহিলো। কিন্তু অসমৰ সৌন্দৰ্য্যৰ মাজত দক্ষিণ ভাৰতৰ সৌন্দৰ্য্যৰ বহুত প্ৰভেদ দেখা পালো। তথাপিও দক্ষিণ ভাৰতৰ সোণালী স্মৃতিবোৰ মোৰ মানস-পটৰ পৰা কেতিয়াও মচ নেযাব। ●

কোলাৰ ভাষাটো এৰি দূৰ-দূৰণিৰ আচহুৱা বোকাৰ ভাষা এটা গ্ৰহণ, কথাযাৰ প্ৰকৃতিৰ নিয়ম বহিৰ্ভূত কথা।

—তীৰ্থনাথ শৰ্মা

# সমাজ সংস্কাৰক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ

শ্ৰীমৃণালিনী শইকীয়া
স্নাতক তৃতীয় বাৰ্ষিক ( দিৱা )

ভগৱান শ্ৰীকৃষ্ণই গীতাত কৈছিল ঃ

যেতিয়া ধৰাত ধৰ্ম গ্লানি হয়, অধৰ্মৰ প্ৰভাৱ বাঢ়ে, তেতিয়া সাধুসকলৰ পৰিত্ৰাণৰ বাবে আৰু দুষ্কৃতিকাৰী সকলক বিনাশ কৰিবলৈ ভগৱান শ্ৰীকৃষ্ণই যুগে যুগে অৱতাৰ ধাৰণ কৰে ।

"ইতিহাসৰো পুনৰাভিনয় হয় ।"

চতুৰ্দশ আৰু পঞ্চদশ শতিকাৰ মাজ ভাগত পৃথিৱীত ধৰ্মৰ বিপৰ্য্যয় ঘটিছিল । অধৰ্মৰ প্ৰভাৱে মানুহক অন্ধ কৰি তুলিছিল । বাঞ্ছিত ফল লাভৰ বাবে দেৱ-দেৱীৰ ওচৰত বলি দিয়াতো নীতিত পৰিণত হৈছিল । ধৰ্মৰ নামত জন-সাধাৰণৰ ওপৰত অসহনীয় অত্যাচাৰে গা কৰি উঠিছিল । ইতিহাসৰ এইছোৱা কলঙ্কিত সময়তে অন্ধকাৰ আকাশৰ বুকু ভেদি এটি নতুন সূৰ্য্যৰ আৱিৰ্ভাৱ হৈছিল ।

"পুণ্য তিথি দশমীৰ বটদ্ৰৱা ধামে
উপজিলা মহাপুৰুষ শঙ্কৰদেৱ নামে ।"

অসমীয়া সমাজৰ লাইখুটা স্বৰূপ তথা অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্ত্তক এই মহান পুৰুষজনাৰ জন্ম হয় ১৪৪৯ খৃষ্টাব্দৰ আহিন মাহৰ শুক্লা দশমী তিথিত বৰদোৱাৰ আলিপুখুৰী নামে ঠাইত । শঙ্কৰদেৱৰ পিতৃৰ নাম কুসুম্বৰ ভূঞা আৰু মাতৃৰ নাম আছিল সত্যসন্ধ্যা । শাৰদীয় চন্দ্ৰমাৰে মধুস্মিত, স্নিগ্ধ জ্যোতিৰে জ্যোতিষ্মান শুভলগ্নৰ যিটো মাহেন্দ্ৰ ক্ষণত তেওঁৰ জন্ম হৈছিল সেই ক্ষণতে পৃথিৱীত নানা মঙ্গল সূচক অলৌকিক ঘটনা সংঘটিত হয় । জন্মভূমি অসমত অন্যায়, অত্যাচাৰ, অবিচাৰ আৰু মানুহৰ নৈতিক দিশত অধঃপতন হোৱা দেখি মহাপুৰুষ শঙ্কৰদেৱে তেওঁলোকক উদ্ধাৰ কৰিবৰ কাৰণে মুক্তিৰ পথ বিচাৰিলে । সেয়ে ধৰ্মকে কেন্দ্ৰ কৰি তেওঁ অসমত এক যুগান্তকাৰী আন্দোলনৰ সৃষ্টি কৰিছিল । শঙ্কৰদেৱে ধৰ্মৰ গ্লানি আৰু অধৰ্মৰ প্ৰাদুৰ্ভাৱ ঘটাৰ সময়তে জাতিটোক নতুন পোহৰেৰে আলোকিত কৰি বৈষ্ণৱ ধৰ্মৰ যোগেদি অসমীয়া জাতিক উদ্ধাৰ কৰি মৃতসঞ্জীৱনী পান কৰালে । শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ মূল-নীতি হ'ল 'এক দেৱ এক সেৱ, এক বিনে নাই কেৱ ।" "মনৰ পৱিত্ৰতা ৰক্ষা কৰি একান্তমনে ভগৱানৰ নাম কীৰ্ত্তন কৰিলেই মুক্তি লাভ কৰিব পাৰি ।" এয়ে শঙ্কৰদেৱৰ সৰল ধৰ্মমত । পঙ্কিলতাৰে ভৰা অন্ধকাৰ অসমীয়া সমাজলৈ এই জনা গুৰুৱে আনিলে নতুন জীৱনৰ নতুন পোহৰ । শঙ্কৰ-মাধৱৰ দ্বাৰা প্ৰচাৰিত ধৰ্মই অতি সহজে সাধাৰণ মানুহৰ অন্তৰ স্পৰ্শ কৰিব পাৰিছিল । ইয়াৰ বাহিৰেও মহাপুৰুষীয়া ধৰ্মই অন্য এটি ডাঙৰ সামাজিক হিত সাধন কৰে । সেইটো হ'ল হিন্দু সমাজৰ মাজত থকা জাতি-ভেদ প্ৰথা । তেওঁ এই জাতি-ভেদ প্ৰথা শিথিল কৰি দি সমাজৰ অতি নিম্ন থাপৰ লোক সকলকো এই উদাৰ ধৰ্মৰ মাজেদি ঈশ্বৰ উপাসনাৰ বাবে উৎসাহিত কৰে । এই মানৱ দৰদী মহাপুৰুষজনে নিম্ন থাপৰ হিন্দু আৰু মুছলমান লোককো শৰণ দি নিজৰ উদাৰতাৰ পৰিচয় দিছিল । ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই কৈ গৈছে— "শঙ্কৰদেৱে অসমীয়াক ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতি, সমাজনীতি, সদাচাৰ, সত্যনিষ্ঠতা আদিৰ পৰা সঙ্গীত বিদ্যা, বৰগীত, চিত্ৰকলা, আনন্দ-আমোদ সকলো দান কৰি থৈ গৈছে ।' মুঠতে মহাপুৰুষজনাই এটা জাতিক সৰ্বাঙ্গ-সুন্দৰ কৰি থিয় কৰিবৰ নিমিত্তে যি যি আৱশ্যক সেই সকলোখিনি দান কৰি গৈছে । জগতগুৰু শঙ্কৰদেৱৰ উদাৰ ধৰ্মমতত সকলো সম্প্ৰদায়কে সমান আসন দিয়াৰ কাৰণেই চান্দসাইৰ নিচিনা মুছলমান দৰ্জী এজনো গুৰুজনাৰ প্ৰিয় ভক্ত হৈ পৰিছিল । বৰদোৱাৰ নামঘৰৰ লাইখুটা এই চান্দসাইৰ দ্বাৰাই পোতাইছিল । ইয়াৰ দ্বাৰা তেওঁ হিন্দু ধৰ্মানুষ্ঠানবোৰত থকা দুষ্কৃতি, মলিনতা ধুই নিকা কৰি অসমীয়া জাতিৰ মাজত ঐক্য-সংহতি আৰু মিত্ৰাপ্ৰীতি স্থাপন কৰি থৈ গ'ল । গুৰুজনাৰ প্ৰিয় শিষ্য চান্দসায়েই এই কীৰ্তিস্তম্ভ আৰু যুগমীয়া কৰিলে । ইয়াৰ দ্বাৰা অসমৰ হিন্দু-মুছলমানৰ মাজত ককাই-ভাইৰ সম্বন্ধ ঘটিল । পাঁচশ বছৰৰ আগতেই শঙ্কৰদেৱে ভক্তি-ধৰ্মৰ জৰিয়তে 'নেবাচে ভকতি জাতি-অজাতি' বুলি কৈ অস্পৃশ্যতাৰ মূল ছেদ কৰি অসমীয়া জাতিক সাম্য-মৈত্ৰী-ভ্ৰাতৃত্বৰ পথ অনুসৰণ কৰিবলৈ শিক্ষা দিছিল । এই মানৱ-প্ৰেমী মহাপুৰুষজনাই উদাৰ বৈষ্ণৱ ধৰ্মৰ যোগেদি উচ্চ-নীচ সকলোকে সমান আসন দি জাতি-ধৰ্ম-বৰ্ণৰ ভেদাভেদ নিৰ্মূল কৰি অস্পৃশ্যতাৰ অভিশাপ খণ্ডন কৰি বৃহৎ অসমীয়া জাতি গঠনত অৰিহণা যোগাই থৈ গ'ল । তেওঁ ধৰ্ম প্ৰচাৰৰ বাবে নামঘৰ, সত্ৰ আদি স্থাপন কৰিছিল ।

অসমীয়া সমাজখনক ধুই নিকা কৰি নতুনকৈ প্ৰতিষ্ঠা কৰাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান সমগ্ৰ ভাৰততেই বিৰল । জাতি গঢ়িবৰ বাবে এইজনা মহাপুৰুষে ভাৰতৰ প্ৰান্তে প্ৰান্তে ঘূৰি হিন্দু ধৰ্মৰ মূৰব্বীসকলৰ সৈতে ধৰ্ম চৰ্চাত নিমগ্ন হৈ ভাৰতৰ সমূহ তীৰ্থৰ অভিজ্ঞতা আহৰণ কৰি অসমৰ মৌচাকত ভৰাই থৈছিলহি । তাৰেই আলমতে মহাপুৰুষজনাই অসমীয়া লোকক ঈশ্বৰ ভক্তিত আপ্লুত কৰিব পাৰিছিল । সুন্দৰ-সুৰদি সুৰৰ হৰিনাম হৰিভক্তিক কেন্দ্ৰ কৰি ৰচনা কৰা অঙ্কীয়া নাটসমূহৰ ঘটনা-প্ৰবাহ ভাওনাৰ দ্বাৰা মধুৰ নৃত্য গীতেৰে মানুহৰ মাজত পৰিবেশন কৰি মানৱ মনৰ কূট-স্বভাৱ পৰিত্যাগ কৰিবলৈ মানুহক শিক্ষা দিছিল । তেওঁ নামঘৰ সমূহত ঈশ্বৰ উপাসনাৰ উপৰিও গাওঁখনৰ লোকৰ মাজত মিলাপ্ৰীতি বঢ়াই তুলিবলৈ বিচাৰ কৰাৰো ব্যৱস্থা কৰিছিল ।

ডঃ বাণীকান্ত কাকতীদেৱে অসমীয়াৰ

জাতীয় জীৱনত শঙ্কৰদেৱৰ প্ৰভাৱৰ বিষয়ে এনেদৰে কৈছে—“শঙ্কৰদেৱে অসমক এটি নতুন জীৱন, এজন দাৰ্শনিক পণ্ডিত আৰু এখন ৰাজ্য দিলে। প্ৰশাসকসকল আহে আৰু যায়। তেওঁলোকৰ ৰাজ্য ধূলিৰ লগত মিহলি হৈ যায়। কিন্তু শঙ্কৰদেৱৰ ৰাজ্য বৈ বৈ আছে।”

শঙ্কৰদেৱে গঠন কৰি যোৱা অসমীয়া জাতিত এনে সৰ্বমহা শক্তিৰ সঞ্চাৰ হৈছিল যে অসমৰ পাহাৰ-ভৈয়ামৰ জাতি-জনজাতি নিৰ্বিশেষে সকলোৱে আহি অসমীয়া জাতিৰ গণ্ডীত সোমাই পৰে। এই সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাট মুকলি কৰি দিছিল মহাপুৰুষ শঙ্কৰদেৱে। সেইকাৰণেই বেজবৰুৱাই উদাত্ত স্বৰে আহ্বান জনাইছিল,—“হেৰা অসমীয়া! আজি তেওঁৰ পুণ্য-পৱিত্ৰ তিথিৰ দিনা বুকু ফিন্দাই কওঁহক আহা যে যদিও অসমীয়া সমাজ আজি দীন-দৰিদ্ৰ, অসমীয়াৰ আজি নানং নি বস্ত্ৰং ন চ বাৰিপাত্ৰং অৱস্থা, অসমীয়াৰ সেই পুৰণি কালৰ ভাৰত বিয়পা সংস্কৃত বিদ্যাৰ চৰ্চা নাই, খ্যাতি নাই, জগতত অদ্বিতীয় শঙ্কৰাচাৰ্য্যৰ গুৰু কুমাৰিলা ভট্ট আজি যদিও অসমীয়াৰ মাজত নাই, যদিও সেই মোগলক বিধ্বস্ত কৰা বীৰ্য্য নাই, সতী জয়মতী নাই, যদিও সতীত্বৰ বীৰ্য্য অসমত আজি গুহানিহিত —তথাপি আজিও আমাৰ শঙ্কৰদেৱ অসমীয়াৰ ঘৰে ঘৰে, দুৱাৰে-দুৱাৰে, নগৰে-নগৰে, গাঁৱে-গাঁৱে দীপ্যমান, আজিও শঙ্কৰদেৱৰ অমৃত নিস্যন্দিনী লিখনিৰ পৰা ওলোৱা দশম, কীৰ্ত্তন আদি শাস্ত্ৰসমূহে জীৱন্ত, জ্বলন্ত মূৰ্ত্তি ধৰি অসমীয়াক এন্ধাৰ বাটত উজ্জ্বল পোহৰেৰে বাট দেখুৱাই, দুখত সুখ, নিৰানন্দত আনন্দ, নিৰাশাত আশা দি ইহকাল পৰকালৰ উন্নতি সাধন কৰি লৈ যাব লাগিছে। তেন্তে হে অসমীয়া ভয় কিহৰ? বুকুত সাহ লৈ অন্তৰত উছাহ লৈ ঈশ্বৰৰ আশীৰ্বাদ শিৰত লৈ নম্ৰতা অথচ মনুষ্যৰ জন্মস্বত্বৰ দাবীৰ কৱচেৰে আবৃত হৈ ধৰ্মৰ সুবিমল জ্যোতিৰে বিমণ্ডিত হৈ আগবাঢ়া। ওপৰলৈ চোৱা, অসমৰ বিজয় স্তম্ভৰ চূড়াত সেই শংকৰৰ নাম ডাঙৰ ডাঙৰ আখৰেৰে লেখা বিজয় পতাকা উৰি অসমীয়াৰ অতীত গৌৰৱ-কাহিনী আৰু ভৱিষ্যতো তেনে গৌৰৱৰ আশাৱলী প্ৰচাৰ কৰিব লাগিছে।”

ভাৰতৰ ঐক্য-সংহতিত এইজনা জগতগুৰুৰ অৱদান কিমান, নতুন পুৰুষে তাক মূল্যাঙ্কন কৰিবলৈ চেষ্টা কৰা উচিত। ১৫৬৯ খৃষ্টাব্দৰ কোচবিহাৰত এইজনা মহাপুৰুষে ভৱলীলা সম্বৰণ কৰে। কোচবিহাৰৰ ৰজাই টোৰোচা নৈৰ পাৰত তেওঁৰ দেহৰ সৎকাৰ কৰে।

অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ পিতৃস্বৰূপ এই বৰেণ্য পুৰুষজনাৰ নাম অসমীয়া সাহিত্য তথা অসমীয়া সমাজ জীয়াই থকালৈকে অসমীয়া সাহিত্যত চিৰকাল সোণালী আখৰেৰে লিখা থাকিব। ●

(ছাঁ লৈ)



# “ৰূপকোঁৱৰৰ ৰূপ-কথা”

শ্ৰীমালবিকা দাস
স্নাতক তৃতীয় বাৰ্ষিক (দিবা)

“…অতীত মৰহি গ'ল তাৰ কথা অন্ত হ'ল
মনৰ পৰাই তাক কৰা বিসৰ্জ্জন …”

অতীতক আমি বাদ দিব লগা হ'লে বহুতো কিবা কিবি বাদ দিব লগা হয়। অতীতৰ ভেঁটিতেই বৰ্ত্তমানৰ জন্ম। গতিকে অতীতক বাদ দি আমি বৰ্ত্তমানক গঢ়িব নোৱাৰো। অতীতৰ বুকুতেই শুই আছে—অসমৰ উদিত ভাস্কৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। যিজন জ্যোতিৰ জেউতিয়ে অসমৰ সংস্কৃতিৰ ক'লা আকাশখন বগা কৰিছিল, যিজন শিল্পীয়ে আকাশী-গঙ্গাৰ সোঁত ভগীৰথ হৈ অসমলৈ নমাই আনিছিল—সেইজন জীয়া জীৱনৰ জীৱন্ত প্ৰতিনিধি ৰূপকোঁৱৰ আগৰৱালাক অসমীয়া জাতিয়ে পাহৰিব নোৱাৰে—কেতিয়াও নোৱাৰে। সুৰ শিল্পী জ্যোতিয়ে সুৰৰ সাগৰত উটি বুৰি ফুৰিছিল—সৌন্দৰ্য্যৰ উপাসক জ্যোতিয়ে অসমীয়া কৃষ্টি-সংস্কৃতিৰ দীপান্বিতা পাতিছিল।

ধুনীয়া দীঘল নাক, বুদ্ধিদীপ্ত যুগল নয়ন, মন-মোহনীয়া খীণ মানুহজনেই শিল্পী জ্যোতিপ্ৰসাদ। তেওঁ শোণিতপুৰীয়া, তেওঁ লুইতপৰীয়া—তেওঁ অসমীয়া জাতিৰ সমূহীয়া সম্পত্তি।

সোণৰ চামুচ মুখত লৈ, চাহ-খেতিয়কৰ ঘৰ পোহৰাই জ্যোতিয়ে জন্ম গ্ৰহণ কৰিছিল—এটি জীয়া-জীৱনৰ জীয়া স্বপ্ন লৈ, এটি শিল্পী-সুলভ মন লৈ। দেশ জোৰা দুৰ্দ্দশাত তেওঁৰ কবি-প্ৰাণ কান্দি উঠিছিল—পৰাধীন দেশৰ পাপৰ মাজত তেওঁৰ প্ৰাণে প্ৰায়শ্চিত্ত বিচাৰিছিল। “লভিতা” নাটত তেওঁ অসমীয়া সমাজৰ মৰ্ম—কথা আশ্চৰ্য্য ৰং-ৰেখাত ফুটাই তুলিছিল—বিয়াল্লিছৰ এটি আলেখ্য দাঙি ধৰিছিল। গভীৰ আবেগ নহলে সাহিত্যিকৰ সাহিত্য সৃষ্টি নহয়। সেইবাবেই জীৱনক উপলব্ধি কৰা, অভিজ্ঞতা অৰ্জন কৰা সাহিত্যিকৰ মূল-মন্ত্ৰ। বালজাক, ডিকেন্স, গ'ৰ্কী, ডষ্টয়েভস্কি প্ৰভৃতি মহৎ লোকসকলে জীৱনৰ বিচিত্ৰ ঘাত-প্ৰতিঘাতৰ জটিল পথ পাৰ হব লগা হৈছিল। ইয়াৰ কাৰণেই প্ৰচুৰ ভাল কিতাপ-পত্ৰ লিখাৰ অভিজ্ঞতা তেওঁলোকে পাইছিল। জীৱন-মৰুভূমিৰ তিতা-কেঁহা অভিজ্ঞতাই সাহিত্যৰ সম্বল, মানুহৰ পাথেয়। জ্যোতিৰ ৰচনাত এনেকুৱা অভিজ্ঞতাই ন ৰঙ-ৰূপ লৈ আমাৰ আগত দেখা দিছে।

অসমে শিল্পীক আদৰ নকৰে—মৰম নকৰে। সেইবাবে অসমীয়া শিল্পীৰ পানীত হাঁহ নচৰা অৱস্থা। অসমীয়া শিল্পী নিজৰ ঘৰতে বিদেশী,

অচিনাকি। আজি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আমাৰ মাজত নাই। কিন্তু তাৰ খবৰ লওঁতানো কেইজন আছে। সময় আৰু সুবিধাৰ বাবে, নিজৰ স্বাৰ্থৰ কাৰণে সকলোৱে শিল্পীক মৌলিক কৃতজ্ঞতা জনায়—তাত অকণ-মানো আন্তৰিকতা নাই। সি সভা-সমিতিৰ নিষ্প্ৰাণ প্ৰস্তাৱৰ নিচিনাই। আৰু কিমানদিন মাহীমাকৰ হাতত থকা-সৰকা হোৱা তেজীমলা হৈ শিল্পীৰ সমাজ জীয়াই থাকিব? কেতিয়া শিল্পীৰ পৃথিৱীত সূৰ্য্যোদয় হব? কেতিয়া শিল্পীয়ে নৱ সৃষ্টিৰ জন্মাষ্টমী পাতি কৃষ্ণক জন্ম দি দুষ্কৃতি কংসক নাশ কৰিব? শিল্পীৰ দুখৰ দীঘল ৰাতি কেতিয়া পুৱাব? আজি শিল্পীক লাগে সহায়, লাগে সহযোগ, লাগে সহানুভূতি। এয়ে হব শিল্পী সমাজৰ—ফুল-জল, তুলসী-চন্দন।

চেগা-চোৰোকাকৈ পতা ৰূপকোঁৱৰ দিৱস আৰু অনাতাঁৰ কেন্দ্ৰৰ ৰেকৰ্ডত বাজি উঠা জ্যোতিৰ সঙ্গীত আদিত দক্ষ শিল্পীজনক সন্মান দেখুওৱাত আমাৰ কৃপণতাহে ফুটি উঠিছে। ইয়াতকৈ দুখৰ বা লাজৰ কথা কি হব পাৰে? নিৰ্ভীক, দূৰদৰ্শী, কষ্ট-সহিষ্ণু জ্যোতিৰ সোঁৱ-ৰণীত অসমৰ পাহাৰ-ভৈয়াম আজিও কঁপি উঠা নাই, নাচি উঠা নাই। মুষ্টিমেয় গায়ক-গায়িকা আৰু দুখনমান ৰেকৰ্ডতে জ্যোতিৰ সঙ্গীত আৱদ্ধ—ৰূপ-কোঁৱৰ দিৱসো দুই-চাৰিটা সংঘ ইত্যাদিতে সীমাবদ্ধ। জ্যোতিৰ সঙ্গীতবিলাক আমি অনাতাঁৰ কেন্দ্ৰ, গায়ক-গায়িকা, কিতাপ-পত্ৰৰ জৰিয়তে বহুলভাৱে প্ৰচাৰ কৰিব পাৰো। কিন্তু কোনে কৰে—কোনে গুৰি ধৰে? স্কুল-কলেজৰ পাঠ্য-পুথিতো জ্যোতিৰ গীত, কবিতা প্ৰবন্ধ আদি সন্নিবিষ্ট কৰিব পাৰি—দেশৰ ভবি-ষ্যত উত্তৰাধিকাৰীসকলক জ্যোতিৰ লগত চিনাকি কৰি দিব পাৰি। পৰাধীন অসমত জ্যোতিৰ অগ্নি-গানে যি ৰৰঙণি দিছিল, তাক কোনে নুই কৰিব পাৰে—সেই গীত, সেই সুৰ পেলনীয়া বুলি কোনে কব পাৰে?

"…সাজু হবৰে হ'ল ডেকা ল'ৰা
সাজু হবৰে হ'ল …"

\+ \+ \+ \+

"… কোন কোন আহিছা আইক পূজিবলৈ
আইৰ পূজাৰ বেলি হ'ল…"

\+ \+ \+

— … লুইতৰ পাৰৰে আমি ডেকা ল'ৰা
মৰিবলৈ ভয় নাই …

সঁচা কথা লুইতৰ পাৰৰ অসমীয়াই মৃত্যুক চোপ খেল যেন পায়, লুইতপৰীয়া অসমীয়াই ব্ৰহ্মপুত্ৰৰ বহল বুকুত লুকাভাকু খেলে, প্ৰবল পৰাক্ৰমী মোগল সেনাক পৰাস্ত কৰিব পাৰে, বিহু-গীত গাই সুমেৰু-কুমেৰু কঁপাব পাৰে।

যদি সুন্দৰৰ পূজাই সংস্কৃতি—তেনেহলে ৰূপকোঁৱৰ অসমীয়া সংস্কৃতিৰ আমোদ-মোলোৱা কেতেকী ফুল। পৰাধীন অৱস্থাত জ্যোতিয়ে লুইতৰ বগা পানী ৰঙা কৰি মৰিব পৰা অসমীয়াক গীতেৰে, সুৰেৰে, কামেৰে ৰণ-শিঙা বজাই স্বাধীনতাক আদৰিবলৈ আহ্বান কৰিছিল, নিজেও সংগ্ৰামত জপিয়াই পৰিছিল। অসহযোগ আন্দোলনৰ ফিৰিঙতি সৃষ্টি কৰিবলৈ, অসমীয়া কথা ছবি জগত ৰচনা কৰিবলৈ জ্যোতিপ্ৰসাদ হ'ল—বিশ্বকৰ্মা। শ্ৰান্তি-বিহীন ক্লান্তি কৰি অসমীয়া সঙ্গীতৰ কাৰেং-



ঘৰত বন্তি জ্বলালে, দীপান্বিতা পাতিলে—লুইত-পৰীয়া কৃষ্টি-সংস্কৃতিৰ ন-ৰূপ দিলে কথাছবিত।

আজি জ্যোতিক কেন্দ্ৰ কৰিয়ে অসমত গঢ়ি উঠিছে—এচাম ডেকা শিল্পী-সেনা,— সৃষ্টি হৈছে অসমীয়া সঙ্গীতৰ সুৰৰ প্লাৱন, নতুন স্পন্দন।

ৰূপ-কোঁৱৰৰ ৰূপৰ কাঠিৰ পৰশত ৰূপালী পৰ্দাত নাচি উঠিল কবি মনৰ কবিতা—জয়-মতী, ইন্দ্ৰমালতী। ৰূপালী পৰ্দাত অসমীয়া মাত-কথা ফুটিল—কথাছবিৰ ক্ষেত্ৰত অসমৰ গৌৰৱ বাঢ়িল। এয়া অসমীয়া কথা ছবিৰ প্ৰথম পদক্ষেপ। ইয়াৰ বাবেই জ্যোতি অসমীয়াৰ সোণসেৰীয়া, হীৰামূলীয়া সম্পত্তি।

ডঃ কাকতিয়ে কৈছে—"প্ৰশংসা বিচাৰি নাপায়, ই আপুনি আহে। জ্যোতিপ্ৰসাদকো প্ৰশংসাই নিজে লগ দিছে, বিচাৰি লোৱা নাই।" সৌভাগ্য জ্যোতিক প্ৰশংসা দিছে সঁচা, আমি কিন্তু একো দিয়া নাই—দিবলৈও খোজা নাই। ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত থাকিও শিল্পীসমাজে "ডলাৰ" নিবিচাৰে—বিচাৰে কেৱল মানুহৰ মাজত মানুহৰ দৰে থাকিবলৈ। কিন্তু সেইকণো জানো সকলোৱে ভাগ্যত মিলে? শিল্পীয়ে বিচৰা এগাল হাঁহি, এজাক মৰম, এমুঠি জোনাক কোনে, ক'ত, কেতিয়া তেওঁলোকক দিব?

আজি অসমৰ ঐতিহ্যৰ কস্তুৰী বিলাবলৈ বিলাত—বাৰ্লিন ঘূৰি অহা জ্যোতি আৰু জীয়াই থকা নাই। কিন্তু তেওঁৰ আঁচনিৰ আচঁল ধৰিয়ে অসমীয়া কলা-কৃষ্টি আগবাঢ়িছে। শিল্পী শ্ৰীমন্ত শঙ্কৰদেৱক কেন্দ্ৰ কৰি তেওঁ "শিল্পীৰ পৃথিৱী" গঢ়াৰ যি সপোন দেখিছিল, সেই সপোনৰ কথা তেওঁ প্ৰকাশ কৰিছিল শিৱসাগৰত বহা সদৌ অসম শিল্পী সংঘৰ পোন প্ৰথম অধিৱেশনত সভাপতিৰ ভাষণত। শিল্পী জ্যোতিয়ে অসমলৈ নমাই আনিছিল—সুৰৰ মন্দাকিনী। এইজনা শিল্পীয়েই অসমৰ ৰঙ্গমঞ্চত বঙালী নাট-গানৰ প্ৰভাৱ নষ্ট কৰি অসমীয়া নাট-গানক যোগ্য স্থান দিছিল। এই বাবেই জ্যোতিয়ে স্কুলীয়া জীৱনতে "শোণিত-কুঁৱৰী" নাট ৰচনা কৰিছিল। ই অসমীয়া নাট্য-সাহিত্যত এখিলা উল্লেখযোগ্য পাত—জ্যোতিৰ এটি অম্লান স্বাক্ষৰ। মানুহক লাগে মুক্তি—উন্নতিৰ কাৰণে মানুহে বিচাৰে মুক্তি। সেয়েহে তেওঁ বিদেশী শাসকৰ পৰা মাতৃভূমিক ৰক্ষা কৰিবলৈ দেহে-কেহে লাগি ছিল—হাতত কলম তৰোৱাল আৰু অসহযোগৰ অহিংস হেংদান লৈ। তেওঁৰ শোণিত-কুঁৱৰীৰ উষাই যেন পৰাধীন মানুহৰ মুক্তি লাভৰ প্ৰতি-নিধিত্ব কৰিছে। "কাৰেঙৰ লিগিৰী" নাটত সাধাৰণ লিগিৰীক উচ্চ স্থান দি সুস্থ, সবল আৰু সুন্দৰ দৃষ্টি-ভঙ্গীৰ পৰিচয় দি গণতন্ত্ৰৰ জয়ঢোল কোবাইছে; সাধাৰণক অসাধাৰণ কৰিছে। তেওঁৰ "লভিতা" নাটখনি বিয়াল্লিছ চনৰ সঁচা ঘটনাৰ সঁচা সঁচা লগা জীয়া-কাহিনী। নায়িকা প্ৰধান লভিতাই অসমীয়া নাৰী সমাজৰ প্ৰতিনিধিত্ব কৰিছে। সময়ে জ্যোতিক কেতিয়াও ম্লান কৰিব নোৱাৰে। কাৰণ জ্যোতি পেলনীয়া মানুহ নহয়—তেওঁ সুৰকাৰ, গীতিকাৰ, কলাকাৰ আৰু বহুতো।

সহাদয় ৰাইজৰ এবুকু আশা, এগাল মৰম পাবলৈ মন বান্ধি তেওঁ সাগৰৰ সিপাৰলৈ গৈছিল—সুনীল সিন্ধুৰ বক্ষ বিদাৰি কিবা এটা

আনিবলৈ। জ্যোতিয়ে নীলাৰ বুকুত বিচাৰি পালে—সাধনাৰ ধন, জয়মতী, ইন্দ্ৰমালতী—দুচ-পৰা ৰঙীন ডাঁৱৰ। সাঁচতীয়া ধনেৰে কিতাপ ছপাই দেউলীয়া হৈ সমালোচকৰ গালি খোৱা সৌভাগ্য (?) তেওঁৰো হৈছিল।

শিল্পী জ্যোতিয়ে তৰুণ অসমক সম্পূৰ্ণ ভাৱে বিশ্বাস কৰিছিল। কাৰণ ডেকা শক্তিয়ে ব্ৰহ্মপুত্ৰক ভেঁটা দিব পাৰে। সেয়েহে জ্যোতিয়ে ডেকা-অসমৰ জয়ধ্বনি কৰিছে—

"... লুইতৰ পাৰৰে আমি ডেকা ল'ৰা
মৰিবলৈ ভয় নাই ..."

তেওঁৰ গান, নাট, কবিতাবিলাক পঢ়িলে ভাল লাগে, আধা পঢ়িলে বেয়া লাগে, শেষ হলে সপোন ভঙাৰ নিচিনা লাগে। অৱশ্যে—

"... সপোন ভাঙিলে মাধুৰী থাকিব
জোনটি ডুবিলে থাকিব তৰা..."

সেই বুলি সপোন ভাঙিবলৈ দিব নোৱাৰি। সপোন যে সদায় সপোন।

"...সুন্দৰৰ আৰাধনা জীৱনৰ খেল..."

এয়ে আছিল অসমীয়া তৰুণ সমাজৰ "জ্যোতি ককাইদেউৰ" জীৱনৰ মূল-মন্ত্ৰ। সেই-সময়ৰ ৰোমাণ্টিক কবিসকলৰ দৰে তেওঁ কল্পনা-বিলাসী নাছিল। তেওঁ বোকাৰ মাজৰ পদুম-ফুল—

" মই নীলা আকাশৰ আলাসৰ নহয় জ'
মই মাটি ফুলনিৰ কবি..."

জ্যোতি আজি আৰু আমাৰ মাজত নাই। জোতি নাই, জ্যোতি গুচি গ'ল— দুৰলৈ—বহুত দূৰলৈ। কিন্তু জ্যোতিৰ আদৰ্শ আমাৰ মাজত চিৰজ্যোতিষ্মান হৈয়েই ৰৈ গ'ল।

জ্যোতি !

তোমাক আমি একো নিদিলো। সেইবুলি তুমি সৰু নোহোৱা শিল্পীৰ মৰ্য্যাদা আমি যেতিয়া বুজিম তেতিয়া তোমাৰ স্থান বহুত উচ্চ হ'ব—সময়ে তোমাক সন্মান জনাব। মানুহ মৰে কিন্তু আদৰ্শ নমৰে। তোমাৰ আদৰ্শই তোমাক সোণ-গজা অসমত, সময়ৰ কবৰত অজৰ-অমৰ কৰি ৰাখিব। মৃত্যুঞ্জয়ী কালিদাস মৰা নাই, ৰাফেল মৰা নাই, গান্ধীজী মৰা নাই। তুমিও অমৃতৰ সন্তান। জ্যোতিপ্ৰসাদ তুমি মৰা নাই—তুমি অমৰ। তুমি অসমীয়া সমাজত সদায়েই অমৰ হৈয়েই ৰ'বা। ●

(সহায় লৈ)



# "জাতীয় আৰু সাম্প্ৰদায়িক সম্প্ৰীতিত গান্ধীজী"

শ্ৰী ৰঞ্জিতা ফুকন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক
(দিবা শাখা)

গান্ধীজীৰ জীৱনৰ মুলমন্ত্ৰ সত্য আৰু অহিংসা। অৱশ্যে এটা আনটোৰ পৰিপূৰক ! গান্ধীজীয়ে অহিংসাক মানৱ-কল্যাণ সাধনৰ উপায় হিচাবে গ্ৰহণ কৰিছিল। হিংসাই সকলো অনাচাৰ আৰু অশান্তিৰ মূল। সম্প্ৰীতিৰ বাবে সেয়ে সহনশীলতাৰ প্ৰয়োজন। স্বাধীনতা সংগ্ৰামৰ সময়ত গান্ধীজীয়ে বুজিছিল যে সাম্প্ৰদায়িক সম্প্ৰীতিৰ অবিহনে স্বৰাজ লাভৰ আশা ক্ষীণ। ভাৰতবৰ্ষত বিভিন্ন ধৰ্মাৱলম্বী লোক থাকিলেও প্ৰকৃততে সাম্প্ৰদায়িক সম্প্ৰীতি হিন্দু আৰু মুছলমান সকলৰ মাজতহে প্ৰযোজ্য। সেয়ে সাম্প্ৰদায়িক সম্প্ৰীতি মানে গান্ধীজীয়ে হিন্দু-মুছলমানৰ ঐক্যকেই বুজাইছিল। সেই কাৰণে এসময়ত গান্ধীজীয়ে "ভাৰতবৰ্ষ ঘাইকৈ হিন্দুসকলৰ ৰাষ্ট্ৰ হোৱা উচিত" বোলা কথাষাৰৰ উত্তৰ প্ৰসঙ্গত কৈছিল " ... হিন্দু আৰু মুছলমান উভয়ে ভাৰতৰ সন্তান। যেয়ে এই দেশত জনম লৈ এই দেশক নিজৰ মাতৃভূমি বুলি মানি লৈছে সেই সকলোৱে ভাৰতমাতাৰ সন্তান ..।" গান্ধীজীৰ সত্য আৰু অহিংসাৰ সূত্ৰবোৰ অলীক অথবা আদৰ্শমূলক নহয়। বৰং তেওঁ কৈছিল "মই অলীক কল্পনা প্ৰয়াসী নহওঁ। মই কাৰ্য্যকৰী আদৰ্শবাদী।" এই আদৰ্শকেই বুকুত সাৱটি স্বাধীনতা সংগ্ৰামৰ সময়ত হিন্দু - মুছলমানৰ ঐক্য স্থাপনৰ ব্ৰতত ব্ৰতী হৈছিল আৰু সেই আদৰ্শকেই ধিয়াই ১৯৪৮ চনৰ ৩০ জানুৱাৰী তাৰিখে আততায়ীৰ হাতত নিধন হবলগীয়া হয়।

জিন্না চাহেবৰ দ্বিজাতি সূত্ৰত অত্যন্ত ক্ষুব্ধ হৈ গান্ধীজীয়ে "দুৰ্বিপাক পৰিস্থিতি' শীৰ্ষক প্ৰবন্ধ এটাত এই প্ৰস্তাৱৰ সমালোচনা কৰি কৈছিল যে হিন্দু-মুছলিম দুটা জাতিৰ সূত্ৰ এটা অসত্য, কাৰণ এজন বঙালী হিন্দুৱে যি ভাষাৰে কথা কয় এজন মুছলমানেই সেই একে ভাষাৰে কথা কয়। উভয় প্ৰতিবেশীয়ে একে আহাৰ খায় আৰু একে আমোদ-প্ৰমোদ কৰে। বাহ্যিক গতিবিধিত দুয়োৰে একো পাৰ্থক্য ধৰিব পৰা নেযাব। গান্ধীজীৰ বিশ্বাস আছিল যে এনে এটা মতবাদত সমৰ্থন জনালে ঈশ্বৰক অস্বীকাৰ কৰা বুজাব। এনে ধৰণৰ আন্তৰিকতাপূৰ্ণ উক্তিৰ পৰা গান্ধীজীৰ হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ বিষয়ে মনোভাৱ স্পষ্ট আৰু নিৰ্ভুল ভাৱে প্ৰকাশ পায়।

গান্ধীজীয়ে হিন্দু-মুছলমান দুটা জাতি—এইষাৰ কথা মানি নলৈছিল। ই কেৱল দুটা বিভিন্ন কৃষ্টি আৰু বিভিন্ন দৃষ্টিভংগীক বুজায়। গীতাৰ ঈশ্বৰ আৰু কোৰাণৰ আল্লা একেজনাই। তেওঁ কৈছিল "যি নামেৰেই নামাতো লাগিলে আমি সকলো একেজন ঈশ্বৰৰে সন্তান। ১৯২৪ চনত দেশজুৰি হোৱা হিন্দু-মুছলমানৰ সংঘাতৰ পৰিপ্ৰেক্ষিতত গান্ধীজীয়ে স্মৰণীয় ২১ দিনীয়া অনশন পালন কৰে। এই অনশনৰ ফল স্বৰূপে হিন্দু-মুছলমানৰ হেৰাই যোৱা সম্প্ৰীতি ক্ষণস্থায়ী ভাৱে হলেও পুনৰুদ্ধাৰ হয়। হিন্দু-মুছলমান ঐক্য সাধনৰ সন্দৰ্ভত খিলাফৎ আন্দোলন বিশেষ-ভাৱে উল্লেখযোগ্য। গান্ধীজীৰ লগতে পোনতে লব পৰা হয় আলি ভাতৃদ্বয়ৰ নাম—মহম্মদ আলি আৰু চৌকিত আলি। এসময়ত এই কেইজন নেতৃস্থানীয় জাতীয়দাবাদী মুছলমানক লগত লৈ দেশত ইমূৰৰ পৰা সিমূৰলৈ খিলাফতৰ বতৰা প্ৰচাৰ কৰে। ইয়াৰ ফলস্বৰূপে হেজাৰ-হেজাৰ হিন্দু-মুছলমান লোকে আন্দোলনত জপিয়াই পৰে। গান্ধীজীৰ সপোন হিন্দু-মুছলমান ঐক্য সাধন হয়। কিন্তু জিন্নাৰ নেতৃত্বত মুছলীম লীগ ক্ৰমাৎ সাম্প্ৰদায়িক ভিত্তিত শক্তিশালী হৈ পৰে। বিশেষকৈ বৃটিছৰাজৰ প্ৰৰোচনাত মুকলিভাৱে হিন্দু-মুছলমান দুটা বেলেগ জাতিৰ ভিত্তিত সুকীয়া ৰাষ্ট্ৰৰ দাবী তোলে। ইয়াৰ ফলত গোটেই দেশখনৰ হিন্দু-মুছলমানক একত্ৰিত কৰি প্ৰবল খিলাফৎ আন্দোলন গঢ়ি তোলা তথা লোকজন হৈ পৰিল মুছ-মান তথা ইছলামৰ প্ৰধান শত্ৰু। অন্যহাতেদি হিন্দু-সকলে গান্ধীজীয়ে মুছলমানৰ প্ৰতি পক্ষপাতিত্ব কৰাৰ কথা অভিযোগ কৰে। কিন্তু তেওঁৰ মতে পাৰস্প-ৰিক সহনশীলতাই জীয়াই থকাৰ উপায়। তেওঁ কয় "নিজে জী থাকা, আমকো জীয়াই ৰাখা।"

গান্ধীজীৰ মাজেৰে হিন্দুধৰ্মৰ সহনশীলতা, ত্যাগ আৰু ক্ষমা বাৰুকৈয়ে প্ৰতিফলিত হয়। ধৰ্মৰ মূল নীতি সেৱা আৰু বন্ধুত্ব স্থাপন। ধৰ্মই কাৰো প্ৰতি বেয়াভাব পোষণ কৰিবলৈ নিশিকায়। গান্ধীৰ মতে সত্যই ধৰ্ম আৰু অহিংসাই এই ধৰ্ম-সাধনৰ একমাত্ৰ উপায়। হিন্দু-মুছলমানৰ ঐক্য সাধনৰ উপায় গান্ধীজীৰ বাবে নিচেই সহজ-সৰল। সম্প্ৰীতি হয় দুয়ো সম্প্ৰদায়ৰ উমৈহতীয়া মনোভাৱ, এক উদ্দেশ্য আৰু উমৈহতীয়া দুখ-বেজাৰৰ পৰা। এই ঐক্য সাধন হয় দুয়ো পক্ষই পৰস্পৰে পৰস্পৰৰ প্ৰতি দেখুৱা সহিষ্ণুতা আৰু সহযোগিতা মনোভাৱৰ পৰা। এই ঐক্য সাধন হয় এক মহান উদ্দে-শ্যৰ বাবে। সেই মহান উদ্দেশ্য হৈছে দেশ-খন ডাঙৰ কৰা আৰু পৰাধীনতাৰ কবলৰ পৰা ৰক্ষা কৰা।

হিন্দু-মুছলমানৰ ঐক্য সাধন গান্ধীজীৰ জীৱনৰ উদ্দেশ্যৰূপে সকলো সময়তে অচল-অটল আছিল। ঘটনা যিমানেই মৰ্মাহত নহওক কিয় তেওঁ তেওঁৰ সাধনাৰ পথৰ পৰা বিচলিত নহৈ-ছিল। কুখ্যাত নোৱাখালিৰ হত্যাকাণ্ডৰ পিছত গান্ধীজীয়ে পীড়িত হিন্দুসকলক সকাহ দিবলৈ সংখ্যাগৰিষ্ঠ মুছলমানসকলৰ ঘৰে ঘৰে গৈ সত্যৰ বাণী শুনাবলৈ নোৱাখালিলৈ যায়। এনে-সময়ত গান্ধীজীৰ মানসিক অৱস্থা সহজেই অনু-মান কৰিব পৰা হয়। কিন্তু তথাপি তেওঁৰ অদমনীয় আশাবাদী সাধনাই হিন্দু-মুছলমানৰ ঐক্য ঘূৰাই আনিবলৈ গান্ধীজীক মানৱতাৰ আদৰ্শই বৰ্বৰতালৈ স্থায়ীভাবে ৰূপান্তৰিত হ'ব বুলি গান্ধীজীৰ বিশ্বাস নহৈছিল। গান্ধীজীৰ মতে হিন্দু-মুছলমানৰ সম্প্ৰীতি ব্যতিৰেকে পৰাধীনতাৰ স্থায়িত্ব হে সূচায়। অন্যহাতেদি সহনশীলতা দুয়ো জাতিৰ বাবে সকলো সময়তে এক আৱ-শ্যকীয় উপায়। হিন্দু-মুছলিম দুয়োপক্ষই ই-পক্ষৰ মনোভাব আৰু কাৰ্য্য-প্ৰণালীৰ প্ৰতি সদায় সহিষ্ণু হ'ব লাগে।

গান্ধীজীয়ে জীৱন-জোৰা সম্প্ৰীতিৰ সংগ্ৰাম চলাই থকা সত্বেও ভাৰত দ্বিখণ্ডিত হ'ল। হিন্দু-প্ৰধান অঞ্চল লৈ হিন্দুস্থান আৰু মুছলমান প্ৰধান অঞ্চল লৈ গঠিত হ'ল এক নতুন ৰাষ্ট্ৰ—পাকি-স্তান। তথাপি গান্ধীজীয়ে সম্প্ৰীতি সাধনৰ ব্ৰতৰ পৰা বিচলিত নহ'ল। সময়ে সময়ে গান্ধীজীয়ে তেওঁৰ সত্য আৰু অহিংসাৰ বাণী সকিয়াই থৈ গ'ল। স্বাধীনতা দিৱসৰ কিছুদিন আগতে বিভিন্ন ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষ ঘটি থাকিলেও ভালেমান আচৰিত কাৰ্য্যকলাপ পৰি-লক্ষিত হৈছিল। গান্ধীজী কলিকতাত থাকোতে ঈদৰ দিনা হিন্দু-মুছলমানৰ সম্প্ৰীতি দেখি মহাত্মা অভিভূত হৈছিল। তেওঁৰ ভাৱ হৈছিল যেন সেই খিলাফতৰ দিন আকৌ ঘূৰি আহিল।

স্বাধীন ভাৰতত মুছলমান তথা সংখ্যালঘু-সকলৰ সম্পৰ্কে গান্ধীজীয়ে কৈছে যে কোনো সাম্প্ৰদায়িক ভিত্তিত নিৰ্বাচন হ'ব নোৱাৰিব। সকলো সম্প্ৰদায় স্বাধীনতাৰ সমভাগী হ'বই লাগিব। অৱশ্যে অৱস্থা বিশেষে অনুসূচীত লোক-গোষ্ঠীৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা থাকিব। গান্ধীৰ দৃষ্টিৰে সংখ্যাগৰিষ্ঠ-সংখ্যালঘিষ্ঠ আদি বিভাজন হোৱাই অনুচিত, কাৰণ ভাৰতীয় মহা জাতি বুলিলে হিন্দু-মুছলমান, জৈন-খৃষ্টিয়ান আদি সকলো সোমাব।

১৯২৪ চনৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ পিছত গান্ধীজীয়ে সাম্প্ৰদায়িক সম্প্ৰীতি সাধনৰ সম্পৰ্কে কেইটামান উপায় উদ্ভাৱণ কৰি কৈছিল যে দুই ধৰ্মৰ সম্প্ৰীতি সাধনত অটল বিশ্বাস থাকিলে সাময়িক বেমাৰ-আজাৰ উকালে তাক অধিক সহজে আৰোগ্যৰ পথলৈ আনিব পাৰি। কাৰণ সম্প্ৰীতিয়ে গঢ় লয় আন্তৰিকতাৰ সাঁচত। স্বাধীনতা লাভৰ পিছত কাশ্মীৰ আৰু পঞ্জাবৰ সাম্প্ৰদায়িক সংঘৰ্ষবোৰ দেখি মৰ্মাহত হৈ গান্ধী-জীয়ে কৈছিল "ৰাজনীতিৰ বিষয়ে একো নজনাৰ আগতেই মোৰ মনত উদয় হয় সাম্প্ৰদায়িক ঐক্যৰ সপোন। জীৱনৰ সক্ৰিয়াপৰতো মই নাচি উঠিম যদিহে দেখো যে মোৰ সপোন দিঠকত পৰিণত হ'ল।" গান্ধীজীয়ে এনে এখন স্বাধীন ভাৰতৰ কল্পনা কৰিছিল য'ত ভিকহু নাথাকে, মগনীয়া নাথাকে, উচ্চ-নীচৰ কোনো ভেদা-ভেদ নাই। লাখপতিও নাই আৰু আধা-পেটী কৰ্মচাৰীও নাই। মদ-মাৎসৰ্য্য, ভোগ-বিলাসৰো কোনো ব্যৱস্থা নাই। তাত পুৰুষ-মহিলা উভয়েৰে সমান মৰ্যাদা। পুৰুষৰ পৱিত্ৰতা আৰু নাৰীৰ সতীত্ব সুদৃঢ়ভাৱে ৰক্ষা কৰা হয়। মহিলা মাত্ৰকে বয়সানুক্ৰমে তাত মাতৃ, ভগ্নী, দুহিতাৰূপে পৰিগণিত কৰা হয়! তাত কোনো অস্পৃশ্যতা নাথাকে। সকলোৰে সমান অধিকাৰ। এনে এখন পবিত্ৰ স্থানত কেতিয়াও সাম্প্ৰদায়িক বৈষম্য, জাতি-অজাতিৰ প্ৰশ্ন উঠিব নোৱাৰিব।

সাম্প্ৰদায়িক সম্প্ৰীতি গান্ধীজীৰ জীৱনৰ দৰ্শন। এই দৰ্শন তেওঁৰ মানৱতা আৰু

আধ্যাত্মিকতাৰ ভিত্তিত প্ৰতিষ্ঠিত। ই ভাৰতীয় সংস্কৃতিৰ অঙ্গস্বৰূপ। এই সংস্কৃতি অথবা সত্যতা বৰ্তি থাকিবলৈ হ'লে বিভিন্ন জন-গোষ্ঠীৰ মাজত পৰস্পৰৰ প্ৰতি সহনশীলতা আৰু মিত্ৰতা বোধ থাকিব লাগিব। গান্ধীজীৰ মতে কি হিন্দু, কি মুছলমান, কি খৃষ্টান— সকলো এক ঈশ্বৰৰ সন্তান। আমি সকলো ভাই-ককাই। পৃথিৱীত 'ঈশ্বৰ' বা 'সত্য' বুলি যদি কিবা আছে তেন্তে হিন্দু-মুছলমানৰ ঐক্যও সম্ভৱ।

গান্ধীজীৰ সাম্প্ৰদায়িক সম্প্ৰীতিৰ দৰ্শন আধ্যাত্মিক, সামাজিক আৰু ৰাজনৈতিক এই তিনি ভাগত ভাগ কৰিব পাৰি। আধ্যাত্মিক দৃষ্টি-ভংগীত সকলো মানুহ, সকলো সৃষ্ট বস্তুৱেই এক ভগৱানৰ সৃষ্টি। পৰমেশ্বৰৰ বিনে একো-ৱেই সম্ভৱ নহয়। সকলো মানুহৰ অন্তৰতে পৰমেশ্বৰৰ এক কণা বৰ্তি আছে। সেইদৰে সকলো সম্প্ৰদায়ৰ সকলোৰে অন্তৰত সেই মহান ঈশ্বৰৰ কণিকাই বিৰাজ কৰে। এই কাৰণে সকলো সম্প্ৰদায়ৰ লোকে বাই-ভনী, ভাই-ককাই মিলাপ্ৰীতিৰে থকাটো এটা স্বাভাৱিক অৱস্থা। কেৱল লোভ, মোহ, বিদ্বেষ আদিয়ে পৰস্পৰক আঁতৰাই ৰাখে। আমি সকলো এক ঈশ্বৰৰ সন্তান—এই উপলব্ধিয়ে বিভিন্ন সম্প্ৰদায়ৰ মাজৰ সম্প্ৰীতি অজ্ঞাতেই আনে।

সামাজিক ফালৰ পৰা গান্ধীজীৰ বিচাৰ হৈছে যে পৈতৃক সম্পত্তিৰ বাবে ভাই-ককাইৰ কাজিয়া-পেচাল যেনেকৈ আমি অনুমোদন নকৰো ঠিক সেই দৰেই দুটা সম্প্ৰদায়ৰ মাজৰ কাজিয়া-পেচালতো একে কথাই প্ৰযোজ্য।

ৰাজনৈতিক দিশৰ পৰা গান্ধীজীয়ে এইটো প্ৰতিপন্ন কৰিছে যে সাম্প্ৰদায়িক সম্প্ৰীতি অবিহনে দেশৰ স্বৰাজ সম্ভৱ নহয়। বৃটিছ-ৰাজে এই দুই সম্প্ৰদায়ৰ মাজত মতান্তৰ ঘটাই ভাৰতক স্বৰাজৰ পৰা বঞ্চিত কৰি ৰাখিব বিচাৰিছিল। বাস্তৱত দেখা গ'ল গান্ধীজীয়ে যি কৈছিল সেয়ে সত্য হ'ল। স্বৰাজ হ'ল। কিন্তু গান্ধীজীৰ সপোনৰ স্বৰাজ লাভ নহ'ল। জিন্না চাহেবৰ অমতৰ বাবেই অখণ্ড ভাৰত দ্বিখণ্ড হ'ল। পাকিস্তানে আজিও ভাৰতৰ শত্ৰুতা কৰি আছে। আজিৰ চৰকাৰে চৰকাৰী ব্যয়ৰ অধিকাংশই প্ৰতিৰক্ষাৰ বাবে খৰছ কৰিব লগা হৈছে। গতিকে প্ৰতিজন চিন্তাশীল ব্যক্তিয়েই এইটো মানি লব যে আমাৰ কষ্টোপাৰ্জিত স্বাধীনতা ৰক্ষা কৰিবলৈ হ'লে সাম্প্ৰদায়িক সম্প্ৰীতিৰ একান্ত প্ৰয়োজন। ●



# সাহসী সাংবাদিক শ্ৰীকীৰ্ত্তিনাথ হাজৰিকা

শ্ৰীবাসৱী বৰুৱা
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক
(পুৱা শাখা)

প্ৰলোভন, ভ ৰুকি আৰু ব্যক্তিগত ঘাত-প্ৰতিঘাতে যিজন ব্যক্তিক কৰ্তব্য বিমুখ কৰিব পৰা নাই সেই জনেই হৈছে অসমৰ সংবাদ তথা সাহিত্য জগতৰ উজ্জ্বল জ্যোতিষ্ক, অসম সাহিত্য সভাৰ ৫৪ তম হাইলাকান্দি অধিবেশনৰ সভাপতি শ্ৰীকীৰ্ত্তিনাথ হাজৰিকাদেৱ।

এই নমস্য ব্যক্তিজনৰ জন্ম হৈছিল ১৯২২ চনৰ ২২ জুলাই তাৰিখে দেৰগাঁৱৰ এটি সম্ভ্ৰান্ত পৰি-য়ালত। তেখেতৰ পিতৃৰ নাম আছিল হৰনাথ হাজৰিকা আৰু মাতৃৰ নাম কৃষ্ণা হাজৰিকা। মাত্ৰ তিনিবছৰ বয়সত হাজৰিকাদেৱৰ মাতৃৰ বিয়োগ ঘটে। তেখেতৰ শিক্ষা-জীৱন আৰম্ভ হৈছিল যোৰহাটৰ প্ৰেকটিছিং স্কুলত। গোলাঘাট চৰকাৰী বেজবৰুৱা স্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰিছিল ১৯৪০ চনত। ১৯৪২ চনত কটন কলেজৰ পৰা আই, এছ, চি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৪৫ চনত চিলেটৰ মুৰাৰী চান্দ কলেজৰ পৰা বি, এছ, চি ডিগ্ৰী লাভ কৰে।

শ্ৰীহাজৰিকাদেৱৰ কৰ্ম জীৱন আৰম্ভ হৈছিল সাংবাদিকতাৰ মাধ্যমেৰে। সেই সময়ত বিজ্ঞান স্নাতকৰ সংখ্যা আছিল সীমিত। গতিকে তেখেতে নিজৰ ডিগ্ৰীৰ জোৰত সহজেই এটি উচ্চ পদত অধিষ্ঠিত হব পাৰিলেহেঁতেন। কিন্তু সাহিত্য সংস্কৃ-তিৰ ক্ষেত্ৰত দুৰ্বাৰ আকৰ্ষণ থকাৰ বাবে মাহে ৬০ টকাৰ বেতনত সাংবাদিক জীৱনৰ পাতনি মেলে।

১৯৪৬ চনত শ্ৰীদেৱকান্ত বৰুৱা সম্পাদিত 'দৈনিক অসমীয়া' কাকতৰ সহকাৰী সম্পাদক হিচাপে তেখেতে সাংবাদিক জীৱনৰ পাতনি মেলিছিল। শ্ৰীদেৱকান্ত বৰুৱাৰ দৰে এজন প্ৰতিভাসম্পন্ন ব্যক্তিৰ আদৰ্শ আৰু প্ৰেৰণাই হাজৰিকাদেৱক এজন আন্তৰ্জাতিক সাংবাদিক তথা সম্পাদক ৰূপে গঢ়ি তুলিলে। শ্ৰীহাজৰি-কাই ১৯৪৮ চনৰ পৰা 'নতুন অসমীয়া' কাক-তৰ সহকাৰী সম্পাদক ৰূপে কাৰ্য্যনিৰ্বাহ কৰে। দুবছৰ ধৰি তেখেত সেই কাকতৰ সহকাৰী সম্পাদক ৰূপে নিযুক্ত আছিল। কিন্তু নিজৰ নীতি -আদৰ্শত সদায় স্থিৰ শ্ৰীহাজৰিকাৰ পৰি-চালকৰ মাজত মতানৈক্য ঘটে আৰু ১৯৫৬ চনত 'নতুন অসমীয়া' কাকতৰ পৰা ওলাই আহে।

কিছুদিন নানা দুৰ্যোগৰ মাজত কটোৱাৰ পিছত তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সংবাদ বিভাগৰ কামত সোমায়। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই তেখেতক সহায় কৰিছিল।

এই সময়তে কেন্দ্ৰীয় লোক সেৱা আয়োগৰ অধীনত বাতৰি সেৱা বিভাগৰ পৰীক্ষা দি অঁনাতাৰ কেন্দ্ৰৰ সংবাদ বিভাগৰ সহকাৰী সম্পাদক ৰূপে নিযুক্ত হয়। শ্ৰীহাজৰিকাই ঘোষক ৰূপে কিছুদিন গুৱাহাটী আৰু দিল্লীত কাৰ্য্যনিৰ্বাহ কৰিছিল। শ্ৰীহাজৰিকা গুৱাহাটী কেন্দ্ৰত ঘোষক হিচাপে থকা সময়ত তেখেতে "সংবাদ চলন্তিকা" শীৰ্ষক অনুষ্ঠানত স্থানীয় সংবাদ প্ৰচাৰত গুৰুত্ব দিয়াৰ বাহিৰেও আকাশ-বাণীৰ যোগেদি হাস্যমধুৰ নাটক, ৰম্য ৰচনা আদি প্ৰচাৰতো গুৰুত্ব প্ৰদান কৰিছিল। "নতুন অসমীয়া"ৰ সম্পাদক হৈ থকা কালত তেওঁ গুৱা-হাটী অনাতাঁৰ কেন্দ্ৰৰ 'গঞ্জা ৰাইজৰ অনুষ্ঠান', অকণিৰ মেল, চেমনীয়াৰ চ'ৰা আদি অনুষ্ঠান পৰিচালনা কৰিছিল। তেখেতে সেই সময়ত যুগান্তকাৰী মাহেকীয়া আলোচনী 'ৰামধেনুৰ' সম্পাদক আছিল।

১৯৬৫ চনত অসমৰ সিংহপুৰুষ ৺ৰাধা-গোবিন্দ বৰুৱাৰ আন্তৰিক অনুৰোধত অনাতাঁৰ কেন্দ্ৰৰ চাকৰিৰ পৰা পদত্যাগ কৰি 'দৈনিক অসম' কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক ৰূপে কামত যোগদান কৰে। তেতিয়াৰে পৰা বাইশ বছৰ কাল অশেষ কষ্ট আৰু যত্নৰে 'দৈনিক অসম' কাকত খনক অসমৰ এখন বহুল প্ৰচাৰিত দৈনিক কাকত ৰূপে গঢ়ি তোলাত যত্নপৰ হৈ সাফল্য অৰ্জন কৰে।

১৯৪৬ চনৰ পৰা ১৯৮৬ চনলৈ এই চল্লিশ বছৰে 'দৈনিক অসমীয়া' 'নতুন অসমীয়া' আৰু 'দৈনিক অসম', কাকতৰ সাংবাদিক আৰু সম্পাদক ৰূপে দেশ আৰু জাতিৰ সেৱাত নিজকে আগবঢ়াই দি তেখেতে বৰ্তমান গুৱাহাটীৰ চান্দ-মাৰী বাসভৱনত অৱসৰ জীৱন কটাইছে। দেশত গুৰুত্বপূৰ্ণ সমস্যাৰ সৃষ্টি হলে সাংবা-দিকৰো দায়িত্ব বাঢ়ে। এই দায়িত্ব পালনৰ বাবে শ্ৰীহাজৰিকাই কোনোদিনে কুণ্ঠাবোধ কৰা নাছিল। সাহসী পদক্ষেপেৰে সমস্যাৰ সমাধান কৰাটো শ্ৰীহাজৰিকাৰ সাংবাদিক জীৱনৰ মহৎ কীৰ্ত্তি।

শ্ৰীহাজৰিকাদেৱে ধৰ্মনিৰপেক্ষতা, জাতীয়তা-বাদ ঐক্য-সংহতিৰ হকে সদায় মাত মাতি আহিছে। সাংবাদিকসকল দূৰদৃষ্টি সম্পন্ন হব লাগে। এই গুণ তেখেতৰ গাত সম্পূৰ্ণৰূপে আছিল। বিদেশী বিতাড়ণ আন্দোলনত 'দৈনিক অসম' কাকতৰ যোগেদি ৰাইজৰ লগত সক্ৰিয় সহযোগ কৰিছিল। এনেদৰে সাংবাদিকতাৰ মাধ্যমেৰে দেশ সেৱা কৰিবলৈ যাওঁতে কেতিয়াবা চৰকাৰী-বেচৰকাৰী ভাবুকি আদিৰো সন্মুখীণ হব লগা হৈছিল। কিন্তু এক অদ্ভূত শক্তিৰ অধিকাৰী শ্ৰীহাজৰিকা কৰ্তব্য পথৰ পৰা কেতি-য়াও বিচলিত হোৱা নাছিল।

'দৈনিক অসম', কাকতৰ প্ৰতিষ্ঠাপক সম্পা-দক হ'লেও হাজৰিকা এজন বিশিষ্ট সাহিত্যিকো। ব্যঙ্গাত্মক ৰচনাৰ বাটকটীয়া সকলৰ ভিতৰত শ্ৰীহাজৰিকা অন্যতম। শ্ৰীহাজৰিকা ব্যঙ্গাত্মক ৰচনাৰ নিৰ্বাচিত গ্ৰন্থ হ'ল 'নাৰদৰ ডায়েৰী'। 'দৈনিক অসম' কাকতৰ পাঠকসকলৰ প্ৰিয় শিতান—'কাহুদি' আৰু 'সময়ৰ শৰ' শিতান দুটিও শ্ৰীহাজৰিকাদেৱে পৰিচালনা কৰিছিল।

শ্ৰীকীৰ্ত্তিনাথ হাজৰিকাদেৱ এজন শিশু-সাহিত্যিকো। তেখেতে 'হুচৰি এ হাও' আৰু 'ফুটুকাৰ ফেন' এই দুখন শ্ৰীকীৰ্ত্তিনাথ হাজ-ৰিকাদেৱৰ ৰচিত শিশু সাহিত্যৰ পুথি। দৈনিক-অসম' কাকতৰ শিশু শিতানটিও তেখেতেই পৰি-চালনা কৰিছিল। কেতিয়াবা তেখেতে কোনো শিশুৰ নামত শিশু উপযোগী ৰচনা আৰু কেতি-য়াবা কোনো মহিলাৰ নামেৰে (শূৰ্পনখা দেবী নামেৰে) বিভিন্ন বিষয়ত সাহিত্য ৰচনা কৰি-ছিল। শ্ৰীহাজৰিকাৰ সাহিত্যিক জীৱনৰ কীৰ্ত্তি-স্তম্ভ হ'ল— মূল ৱান্দা ৱাছিলিয়েস্কা ৰচিত ৰুছ উপন্যাস 'ৰেইন ব', (Rainbow) ৰ অসমীয়া ৰূপান্তৰ 'ৰমধেনু' আৰু আৰব্য উপন্যাসৰ পট-ভূমিত ৰচিত 'এহেজাৰ এনিশাৰ সাধু।'

সাহিত্য আৰু সাংবাদিকতাৰ বাহিৰেও অভি-নয় আৰু খেল-ধেমালিৰ প্ৰতিও শ্ৰীহাজৰিকাৰ ৰাপ আছে। এসময়ত তেখেতে স্ত্ৰী-চৰিত্ৰতো অভিনয় কৰিছিল। সুদীৰ্ঘ কৰ্মময় জীৱনৰ মাজতো সময় উলিয়াই তেখেতে ভাল নাটক, বোলছবি আৰু বৰদলৈ ট্ৰফিৰ খেল চাই আনন্দ উপভোগ কৰিছিল। তেখেতে যেতিয়া কটন কলেজ আৰু চিলেটৰ মুৰাৰী চান্দ কলেজত অধ্যয়ন কৰি আছিল তেতিয়া শ্ৰীহাজৰিকাদেৱে বেডমিণ্টনৰ চেম্পিয়নশ্বিপ অৰ্জন কৰিছিল। শ্ৰীহাজৰিকাদেৱৰ সাহিত্য-সংস্কৃতি আৰু ক্ৰীড়া ক্ষেত্ৰত থকা আগ্ৰহৰ বাবেই 'দৈনিক অসম' কাকতত এনে বিষয় প্ৰকাশত অগ্ৰাধিকাৰ দিছিল।

শ্ৰীহাজৰিকাদেৱ নীতি আৰু আদৰ্শত সদায় দৃঢ়মনৰ ব্যক্তি আছিল। সদাচাৰ, সদালাপ, কৰ্তব্যপৰায়ণতা তেখেতৰ জীৱনৰ আৰু ব্যক্তি-ত্বৰ আন এটি বৈশিষ্ট্য।

জীৱনৰ সুদীৰ্ঘকাল গুৱাহাটীৰ চান্দমাৰীত কটালেও তেখেতৰ গাঁও আৰু গাঁৱৰ মানুহৰ প্ৰতি আন্তৰিক মৰম আছে। তেখেতে বৰ্তমান গ্ৰাম্য অঞ্চলক লৈ এখন উপন্যাস ৰচনাত ব্যস্ত হৈ আছে। সদায় শুভ্ৰ সাজ পিন্ধা এই ব্যক্তি-জন দেখিলেই শ্ৰদ্ধা ওপজে। তেখেতৰ মানুহৰ প্ৰতি থকা প্ৰীতিভাব সদায় নিস্বাৰ্থ। তেখেতে সকলো মানুহক বিশেষকৈ সাহিত্য-সংস্কৃতি ক্ষেত্ৰত আগবঢ়া ব্যক্তিক তেওঁলোকৰ প্ৰতিভা গঠনত সদায় উৎসাহ যোগাই আহিছে আৰু উৎসাহ যোগাই যাবও।

শ্ৰীহাজৰিকাই কেতিয়াও প্ৰচাৰ ভাল পোৱা নাছিল। তেখেতে ইচ্ছা কৰা হলে কৰ্মময় জীৱনত বহুতো সভা-সমিতিৰ যোগেদি যথেষ্ট সুবিধা লব পাৰিলেহেঁতেন, কিন্তু তেখেতে এইবোৰ কেতিয়াও গ্ৰহণ কৰিবলৈ চেষ্টা কৰা নাছিল। শ্ৰীহাজৰিকাই নিজৰ কৰ্তব্যস্থানত নিৰ্দ্ধাৰিত সময়ৰ পূৰ্বেই উপস্থিত থাকিছিল আৰু নিজৰ বৃহৎ দায়িত্ব আৰু কৰ্তব্য একাগ্ৰতাৰে পালন কৰিছিল।

শ্ৰীকীৰ্ত্তিনাথ হাজৰিকাই সাংবাদিকতাৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য বৰঙণিৰ বাবে শ্ৰীহাজ-ৰিকাদেৱক ১৯৮২-৮৬ চনৰ কাল চোৱাৰ ভিত-ৰত দেশৰ যোগ্য সম্পাদক ৰূপে প্ৰেছ কাউন্সিলৰ ভূতপূৰ্ব চেয়াৰমেন এ, এন, গ্ৰোভাৰৰ অধ্যক্ষ-তাত গঠিত দুৰ্গা-ৰতন দেৱী ট্ৰাষ্টৰ উপদেষ্টা সমিতিয়ে দুৰ্গা-ৰতন বঁটাৰ বাবে নিৰ্বাচিত কৰে। শ্ৰীহাজৰিকাদেৱে এই বঁটা গ্ৰহণ কৰে। নগদ পাঁচহেজাৰ টকা, এটি স্বৰ্ণ পদক আৰু এখন প্ৰশস্তি পত্ৰেৰে সন্নিবিষ্ট এই বঁটা-বিজয়ী

প্ৰথম অসমীয়া সাংবাদিক হৈছে শ্ৰীকীৰ্ত্তিনাথ হাজৰিকাদেৱ।

অসম চৰকাৰে পোন প্ৰথমবাৰৰ বাবে প্ৰণয়ন কৰা নগদ এক লাখ টকাৰ "শ্ৰীশ্ৰীশঙ্কৰদেৱ-বঁটা"টিও শ্ৰীহাজৰিকাদেৱক প্ৰদান কৰা হৈছে। উক্ত বঁটাটি তেখেতক প্ৰদান কৰে ভাৰতবৰ্ষৰ বৰ্ত্তমানৰ ৰাষ্ট্ৰপতি শ্ৰীৰামস্বামী ভেংকট ৰমণে। সংবাদ-জগতত তেখেতৰ অতুলনীয় সেৱাৰ বাবে 'ইণ্ডিয়ান এক্সপ্ৰেছ' কাকতৰ স্বত্বাধিকাৰী শ্ৰীৰামনাথ গোৱেঙ্কাৰ দ্বাৰা প্ৰতিষ্ঠাপিত নগদ একলাখ টকাৰ বঁটাটিও তেখেতক প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে এই বঁটা লাভ কৰোঁতা শ্ৰীহাজৰিকাই হ'ল দেশৰ ভিতৰত তৃতীয়জন সাংবাদিক।

শ্ৰীহাজৰিকাৰ দৰে এজন মহান সংস্কৃতি-সেৱক অসম সাহিত্য সভাৰ দৰে এটি বৃহৎ সাহিত্য-সংস্কৃতিমূলক কামত অগ্ৰসৰ হোৱাত অসমবাসী সঁচাকৈয়ে অতি আনন্দিত। শ্ৰীহাজৰিকাই ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহত হৈ যোৱা সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা যিখিনি অতি সুন্দৰ ভাষণ দিলে সেইখিনিয়ে অসমৰ সকলো সম্প্ৰদায়ৰ মানুহে নিজৰ নিজৰ কামত লগালে অসম এখন শক্তিশালী ৰাজ্য হৈ উঠিব বুলি আমাৰ দৃঢ়-বিশ্বাস। ভায়ে-ভায়ে দন্দ-খৰিয়াল নকৰি সকলো সমভাৱে আগবাঢ়ি গ'লে যে সকলো কামেই সফল আৰু শান্তিপূৰ্ণ হয়, সেইয়া শ্ৰীকীৰ্ত্তিনাথ হাজৰিকাৰ ভাষণৰ মূল বিষয়-বস্তু আছিল। আশাকৰোঁ তেখেতৰ উপদেশ গ্ৰহণ কৰি সকলো নিজ পথত আগুৱাই যাব। শ্ৰীকীৰ্ত্তিনাথ হাজৰিকাৰ মহৎ কীৰ্ত্তি সকলোৰে কাৰণে চানেকিস্বৰূপ। ●

[ ছাঁ লৈ লিখা ]

যি মানুহে কেতিয়াও চকুপানী টুকি টুকি নিজৰ আহাৰ খোৱা নাই, যি মানুহে বিষাদৰ ৰাতি উজাগৰে থাকি চকুৰ পানীৰে নিজৰ বিচনাসিক্ত কৰা নাই তেনে মানুহে তোমাক কেতিয়াও চিনি নাপায়।

জোহান্ উল্‌ফ—



# অসমীয়া ভাষা-সাহিত্যলৈ ভট্টদেৱৰ অৱদান

শ্ৰীলাৱণ্য বৰা
স্নাতক দ্বিতীয় বাৰ্ষিক
(দিবা শাখা)

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ অব্যৱহিত লেখকসকলৰ ভিতৰত ভট্টদেৱ সৰ্বশ্ৰেষ্ঠ। ভট্টদেৱ অসমীয়া গদ্য সাহিত্যৰ জন্মদাতা। উত্তৰ ভাৰতৰ বিভিন্ন প্ৰান্তীয় সাহিত্যত ইমান প্ৰাচীন গদ্য সাহিত্য নাই। সেই যুগটো আছিল ছন্দৰ যুগ। ছন্দৰ একাধিপত্য সাহিত্য ৰচনাৰ প্ৰচলিত মাধ্যম পৰিহাৰ কৰি নতুন মাধ্যম এটা গ্ৰহণ কৰিবলৈ আগবঢ়াত ভট্টদেৱে যথেষ্ট সাহসৰ পৰিচয় দিছে।

ভট্টদেৱৰ প্ৰকৃত নাম বৈকুণ্ঠনাথ ভট্টাচাৰ্য। তেখেতৰ পিতৃৰ নাম চন্দ্ৰ ভাৰতী, ঘৰ কামৰূপৰ বৰনগৰ অঞ্চলৰ ভেবাগ্ৰামত। এওঁ চন্দ্ৰভাৰতীৰ দ্বিতীয় পুত্ৰ। জন্ম খৃষ্টীয় ষোড়শ শতাব্দীৰ মাজভাগত (১৫৬৮ খৃষ্টাব্দত)। যথাৰীতি শিক্ষা লাভ কৰি সময়ত এওঁ এজন অদ্বিতীয় পণ্ডিত-ৰূপে পৰিচয় দিয়ে আৰু পিতাকৰ কথামতে এদিন দামোদৰত শৰণ লয়। এওঁৰ পাণ্ডিত্য আৰু ভক্তিভাৱৰ দ্বাৰা অচিৰেই দামোদৰদেৱৰ প্ৰিয়পাত্ৰ হৈ পৰিছিল।

অসমীয়া গদ্য-সাহিত্যৰ বুৰঞ্জী অতি প্ৰাচীন। আধুনিক ভাৰতীয় আৰ্য্যভাষাসমূহৰ ভিতৰত অসমীয়া ভাষাতে প্ৰথম গদ্য সাহিত্যৰ সৃষ্টি হয়। অসমীয়া সাহিত্যৰ অতি গৌৰৱময় আৰু প্ৰভাৱশালী কাল শঙ্কৰী যুগৰ প্ৰথম ভাগতেই অসমীয়া গদ্যই সাহিত্যৰ ক্ষেত্ৰত ভূমুকি মাৰে। বঙলা ভাষাৰ প্ৰাচীনতম্ গদ্য বৈষ্ণৱ সাধকসকলৰ "কাড়চাবাজি" (খৃঃ১৬৮১-৮২), হিন্দী ভাষাৰ প্ৰাচীনতম্ গদ্য গোৰখ নাথৰ "হঠযোগ ব্ৰহ্মজ্ঞান" আদি (খৃঃ ১৪৬৪-৬৫) অসমীয়া গদ্যৰীতিতকৈ আগৰ ৰচনা নহয়। মহাপুৰুষ শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ পাছত দুখন অতি প্ৰসিদ্ধ, পৱিত্ৰ আৰু তত্ত্ব-প্ৰধান সংস্কৃত শাস্ত্ৰ অসমীয়া গদ্যলৈ ৰূপান্তৰিত কৰি ভট্টদেৱে অসমীয়া ভাষাক উচ্চ মৰ্যাদা দান কৰাৰ লগে লগে তত্ত্বগধুৰ ভাৱ প্ৰকাশৰ সহজ বাহনৰূপে অসমীয়া ভাষাক থিয় কৰায়। "কথা-ভাগৱত" আৰু "কথা-গীতা"ৰ দৰে গভীৰ তত্ত্বমূলক গ্ৰন্থ অসমীয়া গদ্যলৈ ভাঙি অসমীয়া গদ্য-ৰীতিৰ বান্ধোন দৃঢ় কৰিলে। ভট্টদেৱৰ এনে বৈশিষ্ট্য-সম্পন্ন আৰু প্ৰাঞ্জল গদ্যৰীতি অসমীয়া ভাষা-সাহিত্যলৈ আপুৰুগীয়া অৱদান।

ভট্টদেৱে গদ্য ৰচনাৰ ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ অঙ্কীয়া-নাটৰ পৰা প্ৰেৰণা পাইছিল, কিন্তু অঙ্কীয়া-নাটৰ কথন-ভঙ্গীক অনুসৰণ কৰা

নাছিল। ভট্টদেৱৰ গদ্য ৰচনাৰ মূলতেই হ'ল দামোদৰদেৱ। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ মতে পোন্ধৰ শতিকাৰ শেষৰফালে দামোদৰদেৱৰ আদেশমতে ভট্টদেৱে 'কথা-ভাগৱত' আৰু 'কথা গীতা' ৰচনা কৰিছিল।

'কথা-ভাগৱত'ৰ আৰম্ভণিতে ভট্টদেৱে কৈছে "মঞি অল্পমতি তথাপি শ্ৰীদামোদৰৰ আজ্ঞায়ে সন্তসৰৰ অনুমোদনে টীকাভাষ্য অনুসৰি সংক্ষেপ প্ৰকাৰে নিৰন্ধো।" 'কথা-ভাগৱত' অতি চমুকৈ লিখা হৈছে বাবেই ই অধিক সংস্কৃতগামী হোৱা যেন লাগে। তেওঁ দামোদৰৰ আদেশ মানিহে এনে ভাৱে ৰচনা কৰিবলগীয়া হৈছিল—

আৰু এক জগত ঈশ্বৰ আজ্ঞা ধৰা।
কথাৱন্ধে একখণ্ড ভাগৱত কৰা॥
পূৰ্বে মহাপুৰুষে কৰিলা দশস্কন্ধ।
কীৰ্তন ভটিমা ছবি দুলড়ি সুছন্দ॥
তাতো কৰি সুগম কৰিও ভাগৱত।
স্ত্ৰী শূদ্ৰ সৰ্বলোক বুজে যেন মত॥

—গুৰুলীলা।

ভট্টদেৱে সেইমতে ভাগৱতৰ প্ৰথম স্কন্ধৰ পৰা কথাৰূপে লিখি গুৰু দামোদৰদেৱক দেখুৱায়। তেওঁ বিস্তৃত হোৱা বুলি মন্তব্য কৰি কয়—

কিন্তু এতথিনি বহু কথা ভৈলে
পুথিও হৈবে বৰ।
বাৰয় স্কন্ধৰ কথাক লিখিতে
লাগিব পাত বিস্তৰ॥
এতেকে ইহাক কহিতে নপাৰি
নকৰিবে বহো যত্ন।
সংক্ষেপে কৰিয়া সাৰ মাত্ৰ লৈয়া
কৰা কথা কবিৰত্ন॥

—গুৰুলীলা

ফলস্বৰূপে ভট্টদেৱে দ্বিতীয়বাৰ প্ৰত্যেক অধ্যায়ৰ একোটি চমু সাৰাংশ ৰচনা কৰি দ্বাদশ স্কন্ধ ভাগৱত ৰচনা কৰে।

প্ৰভু দামোদৰৰ আজ্ঞায়ে মহাসন্ত।
শ্লোক ভাঙি ভাগৱত কথা কৰিলন্ত॥
অবিৰোধ স্ত্ৰী শূদ্ৰে চাণ্ডালে পঢ়য়।
সংক্ষেপিয়া কথা ৰূপে কৈলা মহাশয়॥

দামোদৰদেৱৰ নিৰ্দেশত 'কথা-ভাগৱত' অতি চমু হ'ল। ভাগৱত শাস্ত্ৰৰ ওপৰত থকা গভীৰ জ্ঞান ভট্টদেৱে তেওঁৰ অনুবাদৰ মাজেদি ফুটাই তুলিছে। 'কথা-গীতাৰ' অনুবাদত ভট্টদেৱে মূলতকৈ শ্ৰীধৰ স্বামীৰ টীকাত বেছিকৈ নিৰ্ভৰশীল হোৱা বাবে ইয়াৰ অনুবাদ বিস্তৃত আৰু সাৱলীল হোৱা যেন লাগে। ভট্টদেৱে 'কথা-ভাগৱত', 'কথা-ৰত্নাৱলী', 'গুৰু-বংশাৱলী', আদি গ্ৰন্থৰ উপৰিও সংস্কৃতত ভক্তি-বিবেক, ভাগৱতত বিষ্ণুৰ নাম প্ৰসঙ্গমালা অসমীয়া পদত অধিক পুথি ৰচনা কৰিছিল।

ভট্টদেৱে অসমীয়া গদ্য-সাহিত্যত ষোড়শ শতিকাতে যি অভিনৱ গদ্যৰীতিৰ অৱতাৰণা কৰিলে, সেই গদ্যৰ কিছুমান মৌলিক বৈশিষ্ট্য আছে। 'পূৰ্ব কবি অপ্ৰমাদী' —মাধৱকন্দলী, শ্ৰীমন্ত শঙ্কৰদেৱ আদিয়ে তেওঁলোকৰ কাব্যত যি ভাষা প্ৰয়োগ কৰিছিল ভট্টদেৱে তাৰ পৰাই গদ্যৰ জুমুঠিটো তৈয়াৰ কৰি সংস্কৃত ব্যাকৰণৰ নীতি-নিয়মেৰে প্ৰণালীবদ্ধ ভাৱে এক অভিনৱ গদ্যৰ সৃষ্টি কৰিছিল। 'কৰন্ত' 'বোলন্ত' আদি ব্যঞ্জনান্ত ক্ৰিয়াৰ ব্যৱহাৰ ভট্টদেৱৰ গদ্যশৈলীৰ বৈশিষ্ট্য। ভট্টদেৱৰ বাক্যত শব্দ বিন্যাসৰ প্ৰণালী নিখুঁত আৰু ব্যাকৰণ প্ৰয়োগ বিশুদ্ধ।

বাক্যবোৰ সাধাৰণতে চুটি চুটি, কিন্তু স্থান বিশেষে সংস্কৃতীয়া প্ৰভাৱৰ পৰা মুক্ত হ'ব নোৱাৰি সমাসবদ্ধ বাক্যও কৰা দেখা যায়। একোটা বাক্যত সমাপিকা-অসমাপিকা ক্ৰিয়া, নামধাতু আদিৰ বৈচিত্ৰ্যময় প্ৰয়োগৰ ক্ষেত্ৰত বৈষ্ণৱ যুগৰ সাহিত্যিকসকলৰ ভিতৰত ভট্টদেৱক পথ-প্ৰদৰ্শক বুলিব পাৰি। পৰোক্ষ আৰু প্ৰত্যক্ষ উক্তিৰ ব্যৱহাৰে তেওঁৰ গদ্যক আধুনিক গদ্যৰ ওচৰ চপাই নিছে। বিভক্তি প্ৰয়োগৰ ক্ষেত্ৰত তেওঁ সংস্কৃত ব্যাকৰণ বেছিকৈ অনুসৰণ কৰিছে। বিভক্তি প্ৰয়োগত দেখা যায় যে, দ্বিতীয়াৰ 'ক' চতুৰ্থীৰ 'লৈ' আৰু পঞ্চমীৰ 'পৰা'ৰ ঠাইত ক্ৰমে 'ত', 'ক' আৰু 'হন্তে'ৰ প্ৰয়োগ ঠায়ে ঠায়ে ঘটিছে। যেনে 'মোত কহিলা' 'বনক গৈয়া সীতা হৰণ কৰিলা' 'যাত হন্তে জগত প্ৰকাশ কৰে।' কেতিয়াবা ষষ্ঠীৰ 'ৰ'ৰ ঠাইত 'ন' প্ৰয়োগ হৈছে—'তাহানাবাৰ্ত্তা কহা।' ১ম পুৰুষৰ ভৱিষ্যত কালত 'বো' আধুনিক 'ম' প্ৰত্যয়ৰ প্ৰয়োগ হৈছে আৰু 'ওহো' 'বোহো' 'আহা' 'লাহা' আদি সম্প্ৰসাৰিত ধাতু প্ৰত্যয়ৰ ৰূপবোৰ গদ্যত নিষ্প্ৰয়োজনীয় দেখি সংকুচিত কৰা হৈছে। শব্দ প্ৰয়োগতো সংস্কৃতৰ অধিক ব্যৱহাৰ লক্ষ্য কৰিবলগীয়া। সংস্কৃতৰ অধিক প্ৰয়োগ হ'লেও গদ্যৰ যোগেদি পোনপটীয়াভাৱে ভাব প্ৰকাশৰ আদৰ্শ, সৰ্বপ্ৰথম দেখুৱায় ভট্টদেৱেহে। 'কবিৰত্ন' বুলিলে সেই সময়ত তেওঁকেই বুজাইছিল।

অসমীয়া গদ্যক গধুৰ ভাৱ প্ৰকাশৰ বাহন-ৰূপে প্ৰয়োগ কৰি ভট্টদেৱে অসমীয়া ভাষাক যি মৰ্য্যাদা দান কৰিলে, তাৰ কাৰণে অসমীয়া সাহিত্য-জগতত তেওঁৰ বিশেষ স্থান থাকিব।

[ ছাঁ লৈ ]

এখন সমাজ সুচাৰুৰূপে পৰিচালিত হ'বলৈ হলে লাগে—অফুৰন্ত কৰ্ম-শক্তি, সংযত বিবেক, একতা আৰু সেৱাৰ মনোভাৱ।—ৰাজা

—ৰাজা ৰামমোহন ৰায়

## ॥ পুৰুষৰ দৃষ্টিত নাৰী ॥

১। নাৰীৰ চকুবোৰৰ পৰা মই এই শিক্ষাকে আহৰণ কৰোঁ—প্ৰমেথিয়ান জুইৰ দৰেই সেইবোৰ স্থিৰভাৱে তিৰবিৰায়, সেইবোৰেই হ'ল পুথি, সকলো কলা-বিদ্যা, সকলো জ্ঞান আৰু সেই দৃশ্যই সমগ্ৰ পৃথিৱীকে শান্ত কৰি ৰাখে, পৰিপুষ্ট কৰে।

—শ্বেক্সপীয়েৰ

২। মই নাৰী হৈ জন্ম লোৱা হ'লে—নাৰী, পুৰুষৰ খেলাৰ সামগ্ৰী বুলি দাবী কৰা পুৰুষৰ বিৰোদ্ধে বিদ্ৰোহ কৰিলোহেঁতেন। নাৰীৰ হৃদয়লৈ জুমি চোৱাৰ মানসে মই মানসিক ভাৱে নাৰী হৈছোঁৱেই।

নাৰী হ'ল পুৰুষৰ সঙ্গিনী, তেওঁলোকৰো সমপৰিমাণৰ মানসিক শক্তি আছে।

পুৰুষ, পুৰুষ হ'বলৈ হলে তেওঁলোকে তেওঁলোকৰ নাৰীসকলক বিশ্বাস কৰিব পাৰিব লাগিব, যেনেকৈ পুৰুষক বিশ্বাস কৰিবলৈ নাৰীক বাধ্য কৰা হয়, তেনেকৈয়ে।

—মহাত্মা গান্ধী

৩। ৰূপে নাৰীক অহঙ্কাৰী কৰে, গুণে নাৰীক প্ৰশংসনীয় কৰি তোলে, সৰলতাই নাৰীক দেৱীৰ পৰ্য্যায়লৈ তোলে।


—শ্বেক্সপীয়েৰ

সংগ্ৰাহিকা : গায়ত্ৰী বৰা



# কবিতা

"পুৱঁতি নিয়ঁৰত ৰ'দ পৰি জিলিকে
তাকে ভাবো মুকুতা ;
চেতনাৰ ভাৱবোৰ ভাষা হৈ নিগৰিলে
তাকে বোলো কবিতা।"



# এ হেপি নিউ ইয়েৰ

অধ্যাপিকা **শ্ৰীমতী হিমাদ্ৰি দেৱী**

'এ হেপি নিউ ইয়েৰ, এ হেপি নিউ ইয়েৰ'
গীতটি শুনিলেই মোৰ কলিজাত
গীৰ্জাৰ ঘণ্টা ধ্বনি বাজি উঠে ।
ভাবোঁ মই মনে মনে
আকাশৰ পৰা আকৌ খহিল
এটি পপীয়া তৰা ।
ধাবমান কালৰ লগত খোঁজ মিলাই
ময়ো প্ৰতি নিয়ত যাত্ৰা কৰিছোঁ
অমৃতৰ সন্ধান বিচাৰি ।
শ্যামলিমা ধৰণীৰ অমিয়া মাধুৰীৰ
মৃগতৃষ্ণাত মুগ্ধ পথিক মই,
জানিও নজনাৰ ভাও ধৰা
ই এক আশ্চৰ্য্য বতৰা ।
আহেই যদি বাৰ্দ্ধক্য, জৰা,
খহেই যদি আকাশৰ পৰা
একোটি পপীয়া তৰা,
কিহৰ বাবে শুভ কামনা,
কিয় বাৰু হিয়া দিয়া নিয়া ?
নহয় জানো সময়ৰ অপচয়,
ভ্ৰান্ত বিলাসিতা আৰু আত্ম-প্ৰতাৰণা ? ০০

GONG GIRL'S COLL G L... ACC No ... NOWGONG (ASSAM)

# আমাৰ গান

কবিতাৰাণী দাস
স্নাতক তৃতীয় বাৰ্ষিক

ইয়াতেই সূৰ্য্যোদয়ৰ গীত গাইছিলোঁ—
গীত গাওঁতে ডিঙিৰ শিৰবোৰ ফাটি তেজ নিগৰিছিল
কলিজাৰ উমত সাৰ পাইছিল নতুন সুৰ-
তেজ নিগৰাই কলিজাৰ উম দি দি আমি
কেতেকীৰ কাঁইটত ওৰেটো নিশা গীত গাইছিলোঁ
কাঁইটৰ বুকুত কেতেকী ফুলিল
ৰাজকুমাৰে উভতিও নাচালে ···
এতিয়া পলিথিনৰ বেগত বন্দী আমাৰ লজ্জা
তিনিফুট ওখ স্তম্ভটোত খোদিত হ'ল আমাৰ আত্মা
বিহু-ঢোলৰ চেৱ কিম্বা বৰযাত্ৰীৰ কোলাহলত
কাৰেঙৰ কোঁৱৰে পাহৰি যায় আমাৰ তেজাল স্বপ্নৰ সঁচা সাধু
জোনাকৰ ৰূপহী কলঙ বা কপিলীত
আমি সাঁতুৰি সাঁতুৰি জিভাৰে চেলেকি চাওঁ
চকুলো মিহলি তেজৰ লুণীয়া স্বাদ
বতাহত ওপঙি আমি কাৰেঙলৈ যাওঁ
ৰজাবাৰীৰ সাতগৰাকী বিধৱাৰ খবৰ ল'বলৈ—
ৰঙীন টি, ভি, ত টেষ্টমেচ, নাইবা চিত্ৰহাৰহে চকুত পৰে
জনতাৰ সভাত তেওঁলোকে কথা দিছিল
গ্ৰহপুঞ্জৰ গতিত গুন গুন সুৰৰ ঝঙ্কাৰ উঠাৰ দৰে
তেওঁলোকৰ খোঁজৰ গতিত আমাৰ আৰ্তনাদবোৰৰ
পবিত্ৰ সুৰ বাজি উঠিব। দৃষ্টিত ভাঁহি থাকিব উকা সেওঁতাবোৰ
তেওঁলোকৰ প্ৰভাতী আশাৰ তৃষ্ণাৰ্ত চকুবোৰ এতিয়া অৰ্থহীন
দলিলত নিবদ্ধ। নতুন পথৰ সন্ধান বিচাৰি উজ্জ্বল হোৱা
তেওঁলোকৰ চকুবোৰ
পৰিপূৰ্ণতাৰ ক্লান্তিত মগ্ন। কাৰেঙৰ কোলাহলত
সুগন্ধি আঁতৰৰ গোন্ধে ঢাকি পেলালে
আমাৰ তেজৰ সেঙেটা গোন্ধ
এতিয়া আমি অশান্ত উৰ্মিৰ দৰে উচুপি থাকো আকাশত,
বতাহত. পানীত, মাটিত আৰু দৰিদ্ৰ জনতাৰ হিয়াত। ●



# প্ৰতিচ্ছবিবোৰ এতিয়া ফচিল হ'ল

অমৰজ্যোতি কৌৰ
স্নাতক, প্ৰথম বাৰ্ষিক

মোৰ সত্তাৰ প্ৰতিটো বিন্দুত
অনুৰণিত হয়, বাংময় কিছুমান তীব্ৰ প্ৰকাশ
দেহৰ প্ৰতিটো ৰক্তত যেন এক ভাবৰ হিল্লোল।
মৃত সংলাপবোৰৰ দৰেই
জীৱিতজনৰ ক্ষুধা আৰু তৃষ্ণাৰ
এক চৰম মুহূৰ্ত্তত—
তোমাৰ প্ৰতিচ্ছবি ঐতিহাসিক
ডাইন'চোৰৰ দৰেই লুপ্ত হ'ল।
এতিয়া মাথো তাৰ ফ'চিলবোৰহে—
প্ৰকাশ্য হৈ ব'ল। ০০

# চিৰন্তন

শ্ৰীৰুমী লস্কৰ
স্নাতক দ্বিতীয় বাৰ্ষিক

শিমলুৰ ডালত সৌবোৰ যেন
তেজৰ ডোঙা,
ডোঙাবোৰ এজোলা এজোলা
তুলা হ'ল—
তুলাবোৰ উৰি গ'ল
ফাগুনৰ বাতৰি বিলাই—।
এয়াতো ফাগুনৰ বতৰ
ফাকুৰ নানা ৰঙৰ দৰে
এতিয়া যৌৱনৰ ৰঙীত গুপুত সপোন।
ফাগুনে দিলে আগলি বতৰা
ৰহাগৰ—।
এই যে মই জীয়াই আছো
ঠিক ফাগুন, শিমলুৰ নিবিড় সম্পৰ্কৰ দৰেই
জীৱনৰ লগত অভিন্নভাৱে জড়িত
আশাৰ সপোনবোৰ
নিৰাশাৰ বুকুতো আশাৰ সঞ্চাৰ,
ধ্বংসৰ বুকুতো নিনাদিত হয়
সৃষ্টিৰ জয়গান
ফাগুনৰ লঠঙা গছৰ বুকুতে
যিদৰে
ৰহাগত হাঁহি মাৰে
নতুন কুঁহিপাতে। ০০



# শাশ্বত

শ্ৰীমতী মণিকুন্তলা ফুকন (ভট্টাচাৰ্য)
স্নাতক, তৃতীয় বাৰ্ষিক

যৌৱনে মোক কি দিলে ঃ উপনিষদৰ অনুভৱ!
দিনে দিনে গাঢ় হৈ আহিছে এটি সত্য,
কাৰোবাৰ সতে হোৱা মুখ-মুখিৰ বিনিময়ত
বাৰে বাৰে ওলমি পৰে মোৰ দুখৰ টোপোলা।

মোৰ অনুভৱ তোমালোকত নাই
হিমালয়ৰ পৰা স্তুতিগীতলৈ
যিহেতু তোমালোক নাই।

তোমালোক নিশ্চিন্তে শুই থাকিবও পৰা
মই এটি সাঁথৰ ঃ তোমালোকৰ কাহানিবাৰ মাখন স্বপ্ন।
কেৱল এটি সাঁথৰ!

(আৰু) প্ৰেমেই বা মোক কি দিলে
গীতাৰ স্থিতপ্ৰজ্ঞতা।
তেজীমলাৰ সাধুৰ সাউদৰ ডিঙাৰ পাছে পাছে
খিলখিলাই গতি কৰা নদীৰ ভগ্ন সোঁতত
মই এটি—
আকাশ শুৱনি শিশুৰ পতাকাবুলীয়া শাশ্বত ছাঁ। ●

# এটি চগাৰ মৃত্যু

শ্ৰীকুলেন শইকীয়া
( কৰ্মচাৰী )

সেই ইভ আহিছিল,
এদিন আকাশৰ পৰা
এই পৃথিবীলৈ ।
ফুলি আছে আজি অযুত গোলাপ
এই পৃথিৱীত ।
তোমাৰ বুকুত আছে
সৃষ্টিৰ মৌকোঁহ

জীয়াই থকা আৰু জীয়াই ৰখাৰ
অলেখ সপোন ।
আছেনে গোলাপৰ বিষাক্ত সুবাস ?
সন্ধিয়াৰ উদং পথাৰৰ
একুৰা ৰঙা অগ্নি শিখা
হিচাবৰ খতিয়ান
মৃত্যুমুখী চগাৰ ।

# এটি কবিতা

গায়ত্ৰী বৰা
স্নাতক দ্বিতীয় বাৰ্ষিক

এটি শব্দত
ওলমি ৰ'ল মোৰ হৃদয়,
ভালপোৱা ... ... ... ।
প্ৰতিশ্ৰুতিৰ ৰঙা জবা
মৰহি শুকাল— । ০০



# কাল

কুমাৰী ৰুবী বৰা
স্নাতক : প্ৰথম বাৰ্ষিক

মই অতীত
মই বৰ্ত্তমান
মই ভবিষ্যৎ ।
মই কালত ঘটা সকলোকে
গিলি যাওঁ অকাতৰে ।
যিয়ে কৰি যায়
কৰি পুনু দুখ পায়
সিহঁতক কওঁ মই
অতীতক যোৱাহে পাহৰি
যিয়ে কৰি যায়
কৰি কোনো দুখ নাই
আছে মাথো
আশা তাত ভৰি
সিহঁতক কওঁ মই
অতীতক নাযাবা পাহৰি।
ভবিষ্যতৰ প্ৰতীক্ষাত ৰোৱা
দুঃখিত আনন্দিত
সকলোকে কওঁ মই
যিহকে আগত পোৱা
ততালিকে তুলি লোৱা ।

# এটি গীত

ৰীতা বৰা
স্নাতক : তৃতীয় বাৰ্ষিক

—অকনি দুবৰি বুলি
কতনা গৰকি গ'লা
বেদনাত দহিছে প্ৰাণ
যাতনা উভতি নোচোৱা
অ' বাটৰুৱা
কিয়নো নেভাবা
দুদিনৰ ধৰাত তুমি
কৰিবা কিমান বেহা ।।
—মোৰো আছে তোমাৰ দৰে
এখনি এধানি হিয়া
তোমাৰ দৰে তাতো আছে
সুখ,দুখ হাঁহিৰে ভৰা
অ' বাটৰুৱা
দেখিও নেদেখা
জীৱনৰ ৰং আহে যায়
ধৰি কোনে ৰাখিব পাৰিবা ।।
—ধূপ জ্বলি সুবাস বিলায়
প্ৰতিদান নকৰে আশা
তেনে সুবাসে ভৰায় ৰাখে
শান্তিৰে মনৰ কোঠা
অ' বাটৰুৱা
কিয়নো নুবুজা
জীৱন তিনি আখৰত
কেৱল মায়াৰ খেলা ।। ০০

# ।। লুইত, কপিলী আৰু অসম ।।

শ্ৰীহিৰণ্য ফুকন
স্নাতক, দ্বিতীয় বাৰ্ষিক

হে লুইত—
মোৰ বাপতি সাহোন
কিয় বাৰু ..........
তোমাৰ উত্তাল হিল্লোলে
বাৰে বাৰে ভাঙি নিছে,
মোৰ দেশবাসীৰ
সোণোৱালী সপোন !
মোৰ আই...
বুকুত প্ৰাচুৰ্য্য ভৰা
ৰূপতো জেউতি চ'ৰা
তথাপি দাৰিদ্ৰ্যৰ চাপ,
হে লুইত
তুমিয়েই কাঢ়ি নিছা
বাৰে বাৰে গঢ়িব খোজা
মোৰ আইৰ
সোণোৱালী সপোন ।।

হে কপিলি !
মোৰ বাপতি সাহোন,
বাৰে বাৰে কাঢ়ি নিছা
দেশবাসীৰ বুকুৰ সপোন ।
সদ্যস্নাতা অসমী আইৰ
বুকুত জ্বলাইছা তুমি
দুৰ্ভিক্ষৰ জুই,
শস্যহীন পথাৰত
খেতিয়কৰ মৌন মিছিল
বোবা মানুহৰ আৰ্তনাদ
শুনা জানো নাই ?
হে মোৰ লুইত, কপিলী
আৰুনো কিমান দিব—নিৰ্য্যাতন ?
মোৰ দেশবাসীক ।
আমি যে এতিয়া
ক্লান্ত শ্ৰান্ত
জৰ্জৰিত আৰু নিপীড়িত
ভোকাতুৰ আশ্ৰয়হীন পথিক ।। ●



# মোৰ হৃদয়

শ্ৰীমিতালী দাস
উচ্চতৰ মাধ্যমিক
প্ৰথম বাৰ্ষিক

মোৰ হৃদয়,
কোন কবিৰ এৰা — পৰলীয়া পঁজা
দুখৰ ধুমুহাত ভাগি পৰোঁ পৰোঁ
সেউজীয়া বেৰ
ৰঙা মাৰলিত ভেজা দি থকা
নীলা চাল
খহি পৰো পৰো ।
কাৰ জানো লাৱণী খোজত
কঁপি থাকে মোৰ
হৃদয় মজিয়া
কোনে জানো গুণ-গুণাই
কবিতা—
কৰুণ সুৰীয়া ।
শোকৰ প্লাৱনত উটি ভাঁহি
অ মোৰ হৃদয়
কোন কবিৰ এৰা—পৰলীয়া পঁজা । ০০

# বহাগৰ প্ৰথম বৰষুণ

শ্ৰীমৃণালিনী শইকীয়া
তৃতীয় বাৰ্ষিক ( স্নাতক )

বহাগৰ প্ৰথম বৰষুণ জাকে
ধুৱাই গ'ল,
চ'তৰ ধূলি ধূসৰিত দেহা
আঃ সেমেকা মাটিৰ সুবাসত
মিলি যাব খোজে মোৰ
সমগ্ৰ সত্তা ।

যেন
মোৰ বাবেই মাটি
মাটিৰ বাবেই মই
কিবা এক আদিমতাৰ সুগন্ধত
মই নিমজ্জিত । ০০

# তোমালোকলৈ

মিচ্ মফ্‌ৰুজা আলম
স্নাতক তৃতীয় বাৰ্ষিক

সুখৰ ৰাতি লগ পোৱা
সঁচা মিতিৰবোৰ
এতিয়া এজনো নাই
নিসঙ্গত মাৰ যায়
সময় বাঁহীৰ সুৰ ।
প্ৰাণ-ধুমুহাৰ আন্ধাৰ গুহাত
কাৰ হাত বাউলত খুলি দিলো
সেউজীয়া আভৰণ—
দুপৰ ৰাতি
গুচি গ'লা
তথাপিও তেওঁলোক য'তেই নাথাকক
প্ৰাণৰ ডালত বহি
সৰু চৰাইবোৰে গাই যাব কেৱল
আজন্ম পোহৰ আৰু মানুহৰ গীত । ০০





# তেওঁ আৰু মই

শ্ৰীমহিম বৰা

বহল বাটটোৰ ওপৰেদি দুয়ো অগাপিছাকৈ গৈ আছো । দুয়ো একে ফালেই গৈছো—কিন্তু তথাপি বেলেগ । তেওঁ যাব নামি আৰু মই যাম উঠি ।

ভৱিষ্যতৰ সীমা ৰেখাডাল তেওঁৰ চকুত অস্পষ্ট, কিন্তু মোৰ দেখ-নেদেখ, শুন-নুশুন ৰহস্যৰ তুহিনাত । সেই কাৰণেই কল্পনাৰ একো চেৰেঙাই তাক উজ্বল অপৰূপ কৰি মোৰ চকুৰ আগত ডাঙি ধৰে ।

খোজত তেওঁৰ অভিজ্ঞতাৰ প্ৰলেপ, অতীতৰ এৰি অহা দিনবিলাকৰ ছাব । প্ৰতিটো পদক্ষেপেই তেওঁৰ জীৱনৰ তুলাচনীত সযত্নে জোখা । তেওঁৰ দেহৰ অঙ্গ-প্ৰত্যঙ্গবোৰৰ প্ৰতিটো সঞ্চালনত আছে আস্বাদনৰ অভিজ্ঞতা—এক পোৱাৰ অনাসক্তি ।

আৰু মোৰ ??

কাৰখানাৰ পৰা অনা নতুন জোতাযোৰৰ দৰেই নতুন অনভিজ্ঞ মোৰ খোজ । প্ৰতিবাৰতে আগবাঢ়ো কিবা এটাৰ সন্ধানত, কিবা এটাৰ আকাংখাত । তাত আছে এক নোপোৱাৰ অধীৰতা । মোৰ প্ৰতিটো ভঙ্গীয়ে, প্ৰতিটো সঞ্চালনেই এক অনাগতৰ অনাস্বাদিতৰ পৰশৰ সন্ধানত, উদ্দাম বিহ্বল, তৰল-চঞ্চল ।

তেওঁ যাব অতীতক সুঁৱৰি
মই যাম ভৱিষ্যতক বিচাৰি ।

তেওঁ যেতিয়া তলমূৰ কৰে মই তেতিয়া সগৰ্বে মূৰ তোলো আৰু তেওঁ যেতিয়া ওপৰ মুখ কৰে—মই তেতিয়া হাঁহো ।

অথচ, আগে আগে যোৱাজন মোৰেইটো ভৱিষ্যতৰ প্ৰতীক আৰু মই পাছে পাছে যোৱাটো তেওঁৰেই এৰি অহা অতীত ! কি আচৰিত !!

এৰা আচৰিতেই, কাৰণ তেওঁ এজন সত্তৰ বছৰীয়া বুঢ়া আৰু মই এজন ওঠৰ বছৰীয়া চফল ডেকা ।

[ অসম সাহিত্য সভাৰ সভাপতি শ্ৰীমহিম বৰাদেৱে ১৯৪৭ চনত তৃতীয় বাৰ্ষিকত পঢ়ি থকা অৱস্থাতে লিখা । কবিতাটি মন্দাকিনীত প্ৰকাশ পাইছিল ।]
—সঃ

# কুমটিৰ চিঠি কেচুলৈ

শ্ৰীতুলিকা শইকীয়া
স্নাতক দ্বিতীয় বাৰ্ষিক

কেচু,

মৰম লবি । তোলৈ বৰ মনত পৰিছে ।

তই ইয়াৰ পৰা যোৱাৰ পিছদিনাই সজাত থকা কপৌজনীৰ দেহটো কোনোবাই ৰাঙলী কৰিলে । গিৰিহঁতৰ কুকুৰটোৱে হয়তো কামুৰিলে । বুঢ়াৰ লাখুটি-ডাল জীয়েকে পুৰিলে । শান্তিৰ শালত থকা গামোচা কেইখন নিগনিয়ে ডোখৰ-ডোখৰ কৰিলে, ভঁৰাল ঘৰত কোনোবাই বাৰুদৰ মেলা পাতিলে । বুইছ—, এতিয়া আৰু মোক কোনেও একো নকয় । মোলৈ চাবলৈ সিহঁতৰ আহৰিয়েই নাই । ল'ৰা-ছোৱালী কেইটা দিহিঙে দিপাঙে থাকে, গিৰিহঁতনীয়ে প্ৰতি সন্ধিয়া গোসাঁই ঘৰত গীতা-পাঠ কৰে, শান্তি ঘূৰাই আনিবৰ বাবে – ।
কি জান ?

আমি থকা সেইজীয়া পথাৰখনলৈ আজি-কালি কোনোৱে নাচায় । মোক কোনেও ভাল নোবোলা হ'ল । সেয়ে মই গিৰিহঁতৰ ঘৰৰ ভিতৰলৈ সোমায় আহিলোঁ । তথাপি, একো নকয় । বোধকৰো কৌলিন্দীৰ বংশধৰ বাবে ।
নহয় জানো ?

সিহঁতৰ বাহিৰ-ভিতৰ সকলোতে মাটি উচালিলো । হালবাবলৈ এতিয়া সহজ হ'ব ।
কিন্তু, সিহঁতেযে হাল বাব নাজানে— !
সেয়ে, তই যেনে তেনে আহ । আমি দুয়ো মিলি গিৰিহঁতৰ সেউজীয়া পথাৰখন এইবেলি হালধীয়া কৰিব লাগিব । তই ওজৰ-আপত্তি নকৰিবি দেই ।
কি জান ?

আগৰ ৰাস্তাটোৰে নাহিবি । বানপানীয়ে শেলাই পেলালে–বৰ পিছল ।
চাই চাই বুলিবি বাট, নহলে হবি সমূলি নিপাত । বুজিলি ?
সোনকালে আহিবি । ইতি

তোৰ কুমটি



# গল্প

"চুটিগল্প যেন এটি পাখিলাহী পখিলা ।
নাচি নাচি উৰি আহে,
এক লহমাৰ বাবে এটা ফুলৰ পাহিত বহি মৌ চোঁহে,
তাৰ পাছত উৰা মাৰি কোনোবাখিনি গুচি যায়গৈ ।
আমাৰ চকুৱে বন্দী কৰিব পাৰে মাথোন
তাৰ এক, লহমাৰ আকণ্ঠ মধুপান ।"



# সৌন্দৰ্য্য

**চৈয়দা হাজৰিকা**
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক

ধূপধূনা গাঁৱৰ বিমল কটকীৰ ঘৰলৈ তেওঁৰ বৰপুতেকৰ বন্ধুৰ মাক চিত্ৰা আহিছিল ফুৰিবলৈ লগত জীয়েকক লৈ। তেওঁলোক আহিছিল পুতেকৰ বন্ধুৰ ঘৰলৈ আৰু গাওঁ ফুৰিবলৈ বুলি। অহাৰ খবৰ আগতীয়াকৈ পুতেকে চিঠিৰে জনাই দিয়াৰ লগতে ভিতৰুৱাকৈ আৰু এটা কথা জনাই দিছিল, যিটো কথা নজনা ভাও ধৰি থাকিবলৈ কোৱা হৈছিল। কথাটো আছিল—আলহীয়ে গাওঁ ফুৰাৰ চলেৰে ছোৱালী চাবলৈহে অহাৰ কথা। ল'ৰাই ডাঙৰ চাকৰি কৰে। পুৰণি ধনী ঘৰৰ একমাত্ৰ ল'ৰা। ডাঙৰ কোৱাৰ্টাৰ। বম্বেত থাকে।

নজনা ভাও ধৰিয়েই কটকীৰ ঘৰৰ মানুহ বৰ সাৱধানে আছিল। তেওঁলোকৰ ঘৰখন এনেয়ো ছবিৰ দৰে হৈ থাকে। বিয়াৰ উপযুক্ত বয়স হৈ থকা ছোৱালীজনীও অপূৰ্ব সুন্দৰী। নাম মন্দাকিনী। দামী দামী কাঠৰ সা-সৰঞ্জামেৰে গাড়ী-গেৰেজ, লোহাৰ গেটেৰে ধূপধূনা গাঁৱৰ আনে ফেৰ মাৰিব নোৱাৰাকৈ এঘৰ সম্ভ্ৰান্ত মানুহ। ৰাতৰি আগেয়ে পোৱাৰ বাবে ছোৱালীকো গাৰ ৰঙৰ সৈতে মিলি পৰা কাপোৰ পিন্ধাই ৰখা হৈছিল।

আলহী কটকীৰ ঘৰতে থাকি তেওঁবিলাকৰ ঘৰৰ মানুহৰ সৈতে ইঘৰ-সিঘৰ ফুৰিছিল। সেই কেইটা দিন মন্দাকিনীয়ে চাৰিটাকৈ বনকৰা মানুহ থকা স্বত্ত্বেও চল পুৱাতে উঠি গা-পা ধুই আলহীক একাপ একাপ গাখীৰতে ইলাচীৰে সৈতে সিজোৱা চাহ দিয়ে। আগ-চোতালৰ ফুলনিৰ ফুল চিঙি আনি পিছ চোতালৰ গোসাঁই ঘৰত পূজা কৰে। ফুলদানীত পছন্দৰ নমুনা ধৰা পৰাকৈ ফুল সজায়। আলহীয়ে গা ধুবলৈ গাধোৱা ঘৰত পানী আছেনে, তাৱেল দিয়া হ'লনে খবৰ কৰে। ৰাতি ভাল টোপনি গৈছিল নে সোধ পোছ কৰে। মাকে আলহীক উপহাৰ দিবলৈ অনা চাদৰ-মেখেলাৰ পাৰি চিনায়। আলহীৰ সন্মুখত মাকৰ লগত বন্ধা-বঢ়াত ইটো-সিটো কৰে। কোনটো টেমাত কি আছে মাক-জীয়েক দুয়োয়ে বনকৰা লৰাক সুধি সুধি উলিয়ায়। আলহীৰ সৈতে ফুৰা সময় কণৰ বাহিৰে মন্দাকিনীয়ে অবিৰাম কামেই কৰি থাকে আলহীৰ কাষে কাষে।

মন্দাকিনীক বন্ধুৰ মাকৰ সম্পূৰ্ণ পছন্দ হৈছিল। কিন্তু এই কথা ছোৱালী-ঘৰক জানিবলৈ দিয়া নাছিল। ভাবিছিল ঘৰলৈ গৈ চিঠিৰে জনাব। দুদিন থাকি তেওঁলোকে যথেষ্ট ফুৰিলে,

মন্দাকিনী আৰু তেওঁৰ মাকক লৈ! মাকে মাকৰ লগৰীৰ ঘৰলৈ, জীয়েকে জীয়েকৰ লগৰীৰ ঘৰলৈ। কিন্তু তেওঁলোকে অতি সাবধানেৰে এনেবোৰ মানুহৰ ঘৰলৈ নিছিল যিবোৰ ঘৰৰ ছোৱালী মন্দাকিনীৰ তুলনাত একেবাৰে ধুনীয়া নহয়। অৱস্থাও ভাল নহয়।

শেষৰ দিনা মাক আৰু মন্দাকিনীয়ে আলহীক শেৱালীহঁতৰ ঘৰলৈ ফুৰাবলৈ নিলে। বাটত যাওঁতে জীয়েকে আলহীক কৈ গৈছিল—"আপোনালোকৰ শেৱালীহঁতৰ ঘৰত কেনে লাগিব মই কব নোৱাৰো। ভাল নালাগিবও পাৰে। মাকজনী বেমাৰী। ঘৰৰ অৱস্থা একেবাৰে বেয়া নহলেও ভালো নহয়। ছোৱালীও চাৰিজনী। শেৱালীয়েই ডাঙৰ। কলেজলৈ বৰ সাধাৰণ সাজপাৰ কৰি যায়। মই হলে তাইক বৰ ভাল পাওঁ। তায়ো জানো মোক কম ভাল পায়! গলে দেখিব নহয়। বৰ আশাসুধীয়া। আলহীক যে ইমান ভাল পায়।"

তেওঁলোকে কথা পাতোতে পাতোতে শেৱালীহঁতৰ ঘৰেই পালেগৈ। কাঠৰ দলংখনৰ কিছু অংশ ভগা। সোমাই যোৱাৰ সোঁহাতে এজোপা তগৰ ফুলি বগা হৈ আছিল।

ভিতৰ সোমাই শেৱালী বুলি মাত দিওঁতে ছোৱালী এজনী দৌৰি ওলাই আহিল। সকলো বহাৰ পিছত মন্দাকিনীৰ ওচৰতে শেৱালী বহিল। দুয়োপক্ষৰ পৰিচয় বিনিময় হ'ল। সকলোৰে মাজত মন্দাকিনী জিলিকি আছিল। চিত্ৰাৰ চকুত মন্দাকিনীক এতিয়া এই পৰিবেশত বেছি ধুনীয়া লাগিছে। হয়তো শেৱালীৰ কাষত বহা কাৰণে। যেন এডোখৰ ক'লা ডাৱৰৰ কাষত চন্দ্ৰ। শেৱালী দেখিবলৈ ক'লা, জোখতকৈ কিছু চাপৰ, নিশকতীয়া। হঠাৎ চিত্ৰাই সুধিলে—

ঃ তোমাকনো শেৱালী নাম কোনে দিলে? শেৱালীৰ সৰু ভনীয়েক জনীয়ে তপৰকৈ মাত লগালে—

ঃ ককাদেউতাই দিছিল। ডাঙৰ বাইদেউৰ হেনো খোজবোৰ শেৱালী ফুলৰ দৰে আলফুল আৰু হেনো কথাবোৰো।

শেৱালীয়ে লাজত তলমুৰ কৰিলে। এনেতে এজনী ছোৱালী দৌৰি সোমাই আহি মন্দাকিনীৰ কাণে কাণে সুধিলে—"এইমাত্ৰ ইয়ালৈ সোমাই অহা শকত মানুহ গৰাকীৰ নাম বাৰু চিত্ৰা নেকি? বৰমাই সুধিছে।" মন্দাকিনীয়ে হয় বুলি আঙুলিয়াই দেখুৱাই দিলে। তাই আকৌ ক'লে—"আমাৰ বৰমায়ে কাষৰ ঘৰৰ পৰা খিড়িকীৰে দেখিছে। আগতে বোলে একেলগে পঢ়া।" চিত্ৰাই চোতাললৈ ওলাই খিড়িকীৰে চালে।

ঃ অ' আই মাধুৰী দেখোন। এইটো তোৰ ঘৰ নেকি?

ঃ হয়। নহবলৈ আকৌ কিটো আছে চিত্ৰা। চিত্ৰা মাধুৰীৰ কাষলৈ গ'ল। দুয়োজনী আনন্দত আত্মহাৰা হ'ল। মাধুৰীয়ে সুধিলে—

ঃ তই ইয়ালৈ কিয় আহিছিলি?

ঃ আচলতে ল'ৰালৈ ছোৱালী চাবলৈ আহিছো।

ইতিমধ্যে শেৱালীহঁতৰ আগফালৰ কোঠাৰ পৰা মন্দাকিনী, শেৱালী আৰু এজনী ছোৱালী তগৰ জোপাৰ তললৈ আহি জুম বান্ধি কথা পাতিবলৈ লাগিল।



মাধুৰীয়ে মন্দাকিনীলৈ আঙুলিয়াই ক'লে "সেইজনী জানো কম ধুনীয়া ছোৱালী।"

ঃ তেনেকৈ আঙুলিয়াইছ কিয়? দেখিব নহয়।

ঃ নেদেখে। এইখন খিড়িকীৰে বাহিৰলৈহে দেখে। বাহিৰৰ পৰা এন্ধাৰ এন্ধাৰহে দেখে। খিড়িকীৰে মই তোক দেখিছিলো। তই জানো মোক দেখিছিলি। পিছৰ বাৰ তই মোৰ মাতত হে চিনি পালি।

এনেতে শেৱালীহঁতৰ তালৈ অন্ধ মগনীয়া এটা খুপি খুপি সোমাই আহোতে ভগা দলঙতে ভৰি এখন সোমাল। মন্দাকিনী হাঁহি ঠেৰেঙা হ'ল। শেৱালীৰ হাতৰ পৰা এইমাত্ৰ ছিঙা তগৰ কেইপাহ সৰি পৰিল। মন্দাকিনীয়ে হাঁহি আৰু বিৰক্তি ভৰা কঁপা মাতেৰে কলে—"এই দুৰ্ভগীয়া, কেলেহৱাবোৰ বাৰু কেলেই আহে। আমি ইমান সুন্দৰকৈ জমাই আছিলো। ৰুচিছৰ দিনতেই ভাল আছিল বুজিছ—এনেকুৱা গলগ্ৰহবোৰ মুকলি পথাৰত শাৰী পাতি লৈ গুলিয়াই দিছিল।" মন্দাকিনীৰ মুখলৈ থৰ হৈ চাই শেৱালীৰ চকুহাল সজল হৈ উঠিছিল। চিত্ৰাই দেখিছিল—এইযোৰ চকুত হেজাৰ মৰমী তৰাৰ আকুতি। শেৱালীয়ে অন্ধ মগনীয়াটোৰ ভৰিখন দলঙৰ পৰা উলিয়াওতে দুইহাতেৰে ধৰি সহায় কৰি দিছিল। হাতত ধৰি আনি চোতালত বহুৱাই ক'ত দুখ পালে সুধিছিল। আৰু সুধিছিল পইচা নিব নে চাউল নিব।

চিত্ৰাৰ নিজৰ ওপৰতে খং উঠিল। অথনি বাৰু মন্দাকিনীক শেৱালীৰ কাষত কিয় ধুনীয়া লাগিছিল? এতিয়া খিড়িকীৰে চাওঁতে শেৱালীৰ চকুযোৰৰ ওচৰত শেৱালীৰ কোমলতাৰ ওচৰত মন্দাকিনী দেখোন তেনেই ম্লান পৰি গ'ল।

চিত্ৰাই মাধুৰীক সুধিলে—"সেই শেৱালী বোলা ছোৱালী জনীক মোৰ নিজ হাতেৰে আঙঠি এটা পিন্ধাই থৈ যাব খোজো তই কেনে দেখ?"

অ' সেই ছোৱালীজনী। ছোৱালীজনীকহে পাবি। ৰূপটো নায়েই। আকৌ যৌতুক বুলি-ব'ল নামমাত্ৰহে বোধ হয় পাবি।

মাধুৰীয়ে কলে—"কিয় অকল ছোৱালীজনীকহে পাম নে? হৃদয়খন জানো নাপাম? কোনে কৈছে তাইৰ ৰূপ নাই বুলি? ৰূপৰ জ্যোতি তাইৰ চকুত চাবিচোন।

যতেই গভীৰ আৰু অকৃত্ৰিম স্নেহ, ততে দেৱ পূজা।

—**ৰবীন্দ্ৰ নাথ ঠাকুৰ**

# ধূপশিখা

বিউটি শইকীয়া
স্নাতক তৃতীয় বাৰ্ষিক (দিবা শাখা)

মৰিয়মে আজি আৰু চেতাৰত ৰাগ নোতোলে। এনিকুইনৰ ভুল ভাববোৰ আজি মৰিয়মে নিশ্চয় আঁতৰাই পেলাব। সদায় ক্লাচৰ পৰা আহি দৈনন্দিন কাম-কাজ খিনি কৰি মেলি চেতাৰখনৰ ওচৰত বহাটো মৰিয়মৰ অভ্যাসত পৰিণত হৈছে। অইন দিনা হোৱা হলে মৰিয়মে তাইৰ বেদনাক্লিষ্ট মনৰ সমস্ত অনুভূতি-বোৰ চেতাৰৰ ধ্বনি-প্ৰতিধ্বনিতেই চিৰ প্ৰৱাহ-মান সোঁতত বিলীন কৰি দিলেহেঁতেন। তাতেই মৰিয়মে অকণমান শান্তি বিচাৰি পায় অন্ততঃ পৃথিৱীখনত জীয়াই থাকিবলৈকে। কিন্তু আজি মৰিয়মৰ মনটো সলনি হৈ গৈছে। তাই দৃঢ় প্ৰতিজ্ঞ হৈ পৰিল। আজি তাইৰ জীৱনৰ সমস্ত কাহিনী এনিকুইনক জনাবই লাগিব। নহ'লে যে এনিকুইনে মৰিয়মৰ ওপৰত মৃত্যুৰ আগ-মুহূৰ্ত্তলৈকে ভুল বুজিয়েই থাকিব। এনিকুইন মৰিয়মৰ কলেজৰ অন্তৰঙ্গ বান্ধৱী আছিল। প্ৰাক্ বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত পাছ কৰাৰ পাছত এনিকুইনৰ বিয়া হৈ গৈছিল ডাক্টৰ কন্দৰ্প চলিহাৰ লগত। মৰিয়মৰ মনটো ভাল লাগি গ'ল অন্ততঃ তাইৰ বান্ধৱী এনিকুইনে এটা সুন্দৰ জীৱন গঢ়ি তুলিছে ডাঃ চলিহাৰ লগত।

মৰিয়ম বৰ্মণ। চিলঙৰ লেডিকিন ছোৱালী কলেজৰ ইংৰাজী বিষয়ৰ এগৰাকী অধ্যাপিকা। চিলঙৰ প্ৰতিটো বস্তুৰ লগতে মৰিয়মৰ খুউব ভালকৈ চিনাকি হৈ পৰিছে। মৰিয়ম থকা ঠাইখিনিৰ পৰা কলেজখনলৈ প্ৰায় একফাৰ্লং-মান হ'ব। গতিকে মৰিয়মে সদায় খোজ কাঢ়িয়েই অহা-যোৱা কৰে। ৰিক্সা. অট' আদি লব লগা নহয়।

প্ৰত্যেকদিনে কৰাৰ দৰে আজিও মৰিয়মে কৰিবলগা কামখিনি কৰি মেলি দহ বজাৰ ক্লাচটো কৰিবলৈ গাত শ্বালখন মেৰিয়াই খৰ-ধৰকৈ কলেজলৈ বুলি খোজ ললে। কিন্তু হঠাৎ মৰিয়মে তাইৰ বহুদিনীয়া পুৰণি বান্ধৱী এনি-কুইনৰ সন্মুখীণ হ'ল। এনিকুইনৰ লগত ডাঃ চলিহাও আছিল। সিহঁত চিলঙলৈ বদলি হৈ আহিছে। খা-খবৰ আদান-প্ৰদানৰ পাছত এনি-কুইনে মৰিয়মক ত্ৰিবান্দম দত্ত চাৰৰ কথা সুধিলে। তাইৰ বান্ধৱী সুধাৰ কথা সুধিলে। ডাঃ চলিহাৰ আগত মৰিয়ম অপ্ৰস্তুত হৈ পৰিল। মৰিয়মে এনিকুইনৰ জাউৰীয়ে-জাউৰীয়ে সোধা প্ৰশ্নৰ উত্তৰ দিছিল বাক্ ৰুদ্ধ চাৱনিৰে। মৰিয়মে নিশ্চয়কৈ বুজিলে এনিকুইনৰ ভুল ভাব এতিয়াও থোৱা নাই। মনৰ প্ৰতিটো প্ৰান্তত দুখবোৰে আহি মৰিয়মক হেঁচা মাৰি ধৰিলে।

"কি হ'ল মৰি, কথা নোকোৱা হলি দেখোন?" এনিকুইনৰ মাতত মৰিয়ম উচপ খাই উঠিল। তাইৰ চকুযুৰি চলচলীয়া হৈ পৰিল। জ্বৰত কঁপাদি তাইৰ ওঠ দুখন কঁপি-বলৈ ধৰিলে।

মৰিয়মে হাতত লৈ থকা পাৰজ্‌টোৰ পৰা নেফকিনখন উলিয়াই চকু কেইটা মোহাৰি ল'লে আৰু থোকা-থোকি মাতেৰে কৈ গ'ল, "ক'ম এনিকুইন। তই জানিব খুজিছ যেতিয়া তোক মই সকলো ক'ম। কিন্তু তই যদি আজিৰ পৰা সাত বছৰৰ আগতেই আহিলি-হেঁতেন মোক জানিবলৈ! মোক বুজিবলৈ! ইমান কণ সময়ৰ ভিতৰত মই মোৰ বিষয়ে কৈ শেষ কৰিব নোৱাৰো এনিকুইন! তাতে এতিয়া মই ক্লাচলৈ ওলাই আহিছো। যদি বেয়া নাপাৱ তেতিয়া হলে ঠিক একবজা মানত তই মোৰ তালৈ যাবি। আজি মই ক্লাচৰ পৰা সোনকালেই আহিম।"

মৰিয়মৰ কথা বুজিব পাৰি এনিকুইনে টপকৰে মাত লগালে—"ঠিক আছে মৰি, মই ঘৰলৈকে যাম বাৰু। আজি বোলে এওঁৰ কিবা ডাঙৰ মিটিং আছে। গতিকে মই অকলে যাম। কিন্তু তই ক'ত থাক?"

'অ' ৰহ মোৰ ঠিকনাটো দিওঁ।' মৰিয়মে আঙুলিয়াই দেখুৱাই দিলে-"সৌৱা দেখিছ নহয়, দুইতালাটোৰ কিনাৰৰ যিটো আসাম টাইপৰ ঘৰ সেইটোৱে মোৰ মানে আমাৰ ঘৰ। তাতে আমাৰ কলেজৰ কেইজনীমান ছাত্ৰীৰ সৈতে মেচ কৰি থাকো।" মৰিয়মে ঠিকনাটো দি এনি-কুইনহঁতৰ পৰা বিদায় ললে। এনিকুইনহঁতৰ কথাকেই ভাবি ভাবি মৰিয়ম কলেজ পালেগৈ।

মৰিয়মে সেইদিনা ক্লাচ কৰাটো বাদ দি ১২ বজাতে ছুটী লৈ আহিল। খৰধৰকৈ আহি-য়েই কাপোৰযোৰ সলাই হাত-ভৰি কেইটা ধুই ললে। ড্ৰইং ৰূমটোৰ খিড়িকীকেইখন খুলি দিলে। এই চিলংখনত যে ইমান ঠাণ্ডা! জাৰ-জহৰ কোনো চিন নাই। বাহিৰৰ ফেৰ-ফেৰিয়া বতাহ জাকে মানুহৰ মনবোৰো সেমে-কাই তোলে। ৰাতিপুৱাই ফুলদানীটোত আনি সজাই থোৱা গোলাপ ফুল কেইপাহ অকণমান মৰহি যোৱা যেন দেখি নতুনকৈ কেইপাহমান গুজি দিলে। এনিয়ে আহি মৰিয়মৰ অন্তৰত লুকাভাকু খেলি গ'লহি।

"কিৰিৰিং" "কিৰিৰিং"...

কলিং বেলটো বাজি উঠিল। মৰিয়ম খৰধৰকৈ ওলাই গ'ল। মৰিয়মক দেখিয়েই এনিকুইন নিজেই সোমাই আহিল। মৰিয়মে এনিকুইনক সম্ভাষণ জনালে আগৰ মিচিকীয়া হাঁহিটোৰে—"আহ এনি, তোৰ বাবেই মই অপে-ক্ষাৰত"। মৰিয়মৰ হাঁহিটোৰ পিছফালে লুকাই থকা বিষাদখিনিয়ে এনিৰ আগত ধৰা দিলেহি। এটা ধুনীয়া গোন্ধ আহি এনিৰ নাকত লাগিলহি। ইফালে-সিফালে চাই দেখিলে এখন সৰস্বতীৰ ফটো, ওচৰতে এখন চেতাৰ সজাই থোৱা আছে। তাতেই দুডাল ধূপ জ্বলাই থোৱা আছে।

"বহ এনি, কি চাই আছ?" মৰিয়মৰ মাতত খৰধৰকৈ আহি এনিকুইন ডিভানখনৰ ওপৰতে বহি পৰিল। চাহৰ পৰ্ব শেষ কৰাৰ

পাছত এনিকুইনৰ নিচেই কাষতে মৰিয়ম বহি পৰিল সজাত বন্দী হৈ মুক্তি পোৱা পক্ষীটোৰ দৰে।

মৰিয়মে কলে—"এনি, তই ত্ৰিবান্দম দত্ত চাৰৰ কথা সুধিছিলি নহয়? তই মাথো সকলো ধৈৰ্য্য ধৰি শুনি যা।" মৰিয়মৰ মন অতীতলৈ উৰা মাৰিলে। এনিকুইনে মৰিয়মৰ ফালে চাই ৰ'ল অপলক দৃষ্টিৰে . ......।

মৰিয়মে কৈ গ'ল—"তইতো জানই এনি; হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত পাছ কৰাৰ পাছত সুদূৰ গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজতে নাম ভৰ্ত্তি কৰি ললো। তাতেই হোষ্টেল, তাতে লগ পালো তোক আৰু সুধাক। কলেজৰ বৰ-বাইদেউহঁতৰ চা-চিনাকিৰ বতাহ আমাৰ গাতো পৰিছিল। আমিও সাৰিব পৰা নাছিলো। তইতো জানই সৰুৰে পৰাই মই সঙ্গীত চৰ্চা কৰিছিলো। কলেজৰ সঙ্গীত সম্পাদিকা মধুমিতা বৰা আৰু তহঁতৰ অনুপ্ৰেৰণাত কলেজৰ নৱাগতা আদৰণিত গীত গাইছিলো। সেই দিনাই ত্ৰিবান্দম দত্ত চাৰৰ লগত চিনাকি হৈছিলো। চাৰ নতুনকৈ আহিছে। ইংৰাজী বিষয়ৰ। কিন্তু চাৰৰ মোৰ প্ৰতি দৃষ্টিভঙ্গী বেলেগ আছিল। লাহে লাহে এই কথা গম পাইছিলো।

সুধাক মই এই বিষয়ে অলপ জনাইছিলো। কিন্তু তাই এই কথা কি হিচাপে গ্ৰহণ কৰিছিল মই বুজি পোৱা নাছিলো। চাৰে মোৰ সান্নিধ্য পাবলৈ খুবেই চেষ্টা কৰিছিল। কিন্তু মোক চুকি পোৱা নাছিল। চাৰে কলেজৰ চকীদাৰ মিহিৰামৰ হাত দি পঠোৱা চিঠিৰ উত্তৰ মই দিয়া নাছিলো।

সুধাই মই সকলোৰে প্ৰশংসাৰ পাত্ৰী হোৱাটো নিবিচাৰিছিল। সেয়েহে ইয়াৰ বিপৰীতে মোৰ অনুপস্থিতিৰ সুযোগ লৈ সদৰি কৰি ফুৰিছিল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ আগত—"মই ত্ৰিবান্দম চাৰক ভালপাওঁ"...... ইত্যাদি।

সুধাৰ আভ্যন্তৰীণ দিশটো বুজি উঠোঁত মোৰ হয়তো পলম হৈছিল। ত্ৰিবান্দম চাৰক মই ভাল পাইছিলো, শ্ৰদ্ধা কৰিছিলো—"এজন শিক্ষাগুৰু হিচাবেহে।" তাতকৈ বেলেগ আৰু একো হব নোৱাৰে। অৱশেষত প্ৰাক্-বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাৰ বাবে সাজু হৈছিলো। পৰীক্ষা দিছিলো। খবৰ ওলাইছিল। তই, মই আৰু সুধা ২য় বিভাগত উত্তীৰ্ণ হৈছিলো। তাৰ পিছত চলিহাৰ লগত তোৰ বিয়া হৈ গৈছিল। তেতিয়াৰ পৰাই তোৰ লগত দেখা-দেখি নাই। সুধা আৰু মই তাতেই ভৰ্ত্তি লৈছিলো স্নাতকৰ প্ৰথম বাৰ্ষিকত।

যিজন চাৰে দিনত হ'লে ভদ্ৰতাৰ মুখা পিন্ধি নিশাৰ এন্ধাৰৰ সুযোগ লৈ জুৱা খেলে আৰু মদ্যপানত আসক্ত হৈ বাটে-ঘাটে পৰি প্ৰলাপ বকি ফুৰে— সেইজনেই ত্ৰিবান্দম চাৰ। কিন্তু সুধা আৰু তই মোক ভুল বুজিছিলি।

কলেজৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ৰিক্সাৱালা পৰ্যান্ত সকলোৰে জ্ঞাত হৈ পৰিছিল—"ত্ৰিবান্দমক মই ভাল পাওঁ।" জান এনিকুইন—স্নাতক মহলাত মই ইংৰাজী ক্লাচটো কেইদিনমান কৰাৰ পাছতেই বাদ দিব লগা হৈছিল। অৱশেষত মোৰ যথেষ্ট ক্ষতি হৈছিল যদিও দহৰ বাবে, মোৰ নিজৰ বাবে এই ক্লাচটো বাদ দিব লগা হৈছিল।" —মৰিয়মে চকু কেইটা মোহাৰি ল'লে।

পুনৰ কৈ গ'ল—"পূজাৰ বন্ধত যোৰহাটত মই ফুৰিবলৈ গৈছিলো। জেঠাইৰ ঘৰতে চিনাকি হৈছিল ইঞ্জিনীয়াৰ প্ৰতীম দত্তৰ লগত। প্ৰথম দৃষ্টিতে প্ৰতীমক মোৰ ভাল লাগিছিল। প্ৰথমে চকুৰে আদান-প্ৰদান। তাৰ পিছত ভাষাৰে ......। লাহে লাহে অহা-যোৱাৰ যাতায়ত চলিছিল। আমি দুয়ো-দুয়োকে বুজি উঠিছিলো। সপোন ৰচিছিলো মনৰ তুলিকাৰে এটা সুন্দৰ জীৱনৰ। মা-দেউতাৰ এই কথা জ্ঞাত হৈ পৰিছিল। কিন্তু সৰুৰে পৰা মই খুব মৰমত ডাঙৰ হোৱাৰ বাবে প্ৰতীমে আগবঢ়োৱা বিয়াৰ প্ৰস্তাৱক দেউতাই নাকচ কৰা নাছিল। প্ৰতীম আৰু মোৰ সম্পৰ্কৰ কথা সকলোৱে জানিছিল। ইতিমধ্যে আমাৰ বি, এ চূড়ান্ত পৰীক্ষাও চমু চাপ আহিছিল। অ' ৰবি,—প্ৰতীমে মোৰ জন্ম দিনত এখন অইল পেইণ্টিং উপহাৰ দিছিল। তাতেই মই পৃথিবীৰ সমস্ত শিল্পীসত্বাক বিচাৰি পাইছিলো, জান এনিকুইন!" তাই চুটকেচটো খুলি অইল পেইণ্টিংখন দেখুৱাই দিছিল আৰু হুকহুকাই কান্দি উঠিছিল। "প্ৰতীমে মোক আজিৰ দিনতেই এইখন উপহাৰ দিছিল। আজি প্ৰীতমলৈ মোৰ খুব মনত পৰিছে এনি!"

এনিকুইনৰ চকুৰেদি দুধাৰি চকুলো বৈ আহিল। তাই মাথো কৌতূহল মিশ্ৰিত দৃষ্টিৰে মৰিয়মলৈ চাই ৰ'ল। মৰিয়মে তাই গাত লোৱা চাদৰখনেৰে মুখখন মচি পুনৰ কবলৈ ধৰিলে—

"তোৰ চাগৈ শুনি ৰহস্য ৰহস্য লাগিব। আমি বি, এ পৰীক্ষা দিছিলো। এনেদৰেই দিনবোৰ পাৰ হৈ খবৰ ওলাইছিল। ইংৰাজীত 'সন্মান' সহকাৰে বি, এ পাছ কৰিছিলো। পৰীক্ষাৰ খবৰৰ পিছতে ত্ৰিবান্দম চাৰে সুধাক বিয়া কৰাইছিল। বিয়াত মাতিছিল যদিও সেইখন বিয়াত উপস্থিত থাকিবলৈ মই কামনা কৰা নাছিলো।

প্ৰীতমৰ লগত মোৰ বিয়া নাকচ হৈছিল। মানে ভাগি গৈছিল! কাৰণ সঙ্গীত সম্পাদিকা মধুমিতা দত্ত প্ৰীতমৰ কিবা বোলে সম্পৰ্কীয় হয়। তাইৰ দ্বাৰাই কলেজত মোৰ চৰিত্ৰৰ কথা প্ৰীতমৰ জ্ঞাত হৈ পৰিছিল। প্ৰীতমে সঁচাকৈ ধৰি লৈছিল—ত্ৰিবান্দম চাৰক মই ভাল পাওঁ। তাৰ পিছৰ পৰা প্ৰীতম মোৰ ওচৰলৈ অহা নাছিল। মোক বুজিবলৈ কোনো দিন চেষ্টা কৰা নাছিল।

আত্ম-হত্যা কৰিম বুলি ভাবিও কৰিব পৰা নাছিলো উত্তপ্ত গলিত জ্বালামুখীৰ দৰে উদ্‌গীৰণ হৈ পৰা মোৰ বিদ্ৰোহী মনটোৰ বাবেই। সিদ্ধান্ত কৰিছিলো এম. এ পঢ়িবলৈ। মা আৰু দেউতাই চকুৰে ধুৱলী-কুঁৱলী দেখিছিল। মানসিক অন্তৰ্দ্বন্দত ভুগিছিল। কিন্তু প্ৰকাশ কৰিব পৰা নাছিল।"

এটা দীঘল হুমুনিয়াহ পেলাই মৰিয়মে কৈ গ'ল—'জীৱন কেতিয়াও সুন্দৰ হব নোৱাৰে এনি!" "নহয় মৰিয়ম, জীৱনটো তই বা মই যেনেদৰে পাইছো সি সুন্দৰ নহবও পাৰে। কিন্তু জীৱন যে সুন্দৰ তাত কোনো সন্দেহ নাই"—এনিয়ে দৃঢ়তাৰে ক'লে।

মৰিয়মৰ ওঁঠ দুখন থৰথৰকৈ কঁপিবলৈ ধৰিলে—এনি, মোৰ জীৱনটো ধূপকাঠিৰ দৰে,

ধূপৰ দৰে সুবাস বিলাই নিঃশেষ হৈ যাব ধৰা এটা জীৱন ।

"প্ৰীতম এতিয়া মোৰ পৰা বহু আঁতৰত । বেলেগ এজনী ছোৱালীৰ লগত প্ৰীতমৰ বিয়া হৈ গৈছিল । বিয়াৰ আগত প্ৰীতমে মোলৈ এখন চিঠি দিছিল ।" চিঠিখন আনি মৰিয়মে এনিক ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ দিলে ।

এনিকুইনে পঢ়ি গ'ল ঃ

মৰমৰ মৰি,

মৰম ল'বা । পৰ্বতৰ পৰা দুৰ্বাৰ গতিত নামি অহা নিজৰাই গতিত বাধা পৰিলে অন্য দিশ লয়েই । তুমি মোক ভুল বু-জি-বা .. ...

"বন্ধ কৰ ।" "বন্ধ কৰ !" এনি, মই পাগল হৈ যাম ।" —এইবুলি মৰিয়মে মুখখন ঢাকি হুক্হুকাই কান্দি উঠিল । কৈ গ'ল —"এই কুসংস্কাৰাছন্ন অন্ধ সমাজখনৰ বাবে কিছুমান অসহায় আৰু নিৰ্দোষী ছোৱালীয়ে ক্ষণ গণিব লগা হৈছে মৃত্যুৰ বাবে ।" উচুপি উচুপি কৈ গ'ল—"অৱশেষত এম, এ, পাছ কৰাৰ পাছত চিলঙতে সুবিধা পালো ।

কলেজৰ পৰা আহি সৌ যে চেতাবখন দেখিছ সেইখনতে আৰু মোৰ ছাত্ৰী কেইজনীৰ মাজতে মোৰ হৃদয়ৰ সমস্ত অনুভূতিবোৰ বিলাই দিছো ।"

ইতিমধ্যে লীনা, দুদুহঁত আহি পাইছিল চিনেমা চাই । মৰিয়মে খৰধৰকৈ মুখখন মচি ল'লে আৰু ক'লে—"মই এখন অসমীয়া কথা-ছবিতো গীত গাবলৈ সুবিধা পাইছো । জান ?"

সন্ধ্যা হৈ আহিল । আন্ধাৰে গোটেই কোঠাটো লাহে লাহে গ্ৰাস কৰিছেহি । দেৱাল ঘড়ীটোৱে সন্ধ্যা ৪ বজাৰ সঙ্কেত দিলে । এনিকুইনে মৰিয়মৰ পৰা বিদায় ল'লে । যাওঁতে ভাবি গ'ল মৰিয়মৰ কথাকে । মৰিয়মৰ দৰে আজি কিমান ছোৱালীয়ে যে এই অৱস্থাৰ সন্মুখীন হ'ব লগা হৈছে তাৰ খতিয়ান কোনে দিব পাৰিব ? ●

জন্মভূমিৰ স্বাধীনতা ৰক্ষাতকৈ কোনো মূল্যই বেছি হ'ব নোৱাৰে ।

—জৱাহৰলাল নেহেৰু



# অন্তঃস্ৰোতা

শ্ৰীবিভা বৰা
স্নাতক দ্বিতীয় বাৰ্ষিক

বাহিৰত জোৰেৰে বতাহ বলিছে । হয়তো এতিয়া এজাক বৰষুণ আহিব । নিশাৰ নীৰৱতাৰ বৰষুণজাককৰ উপাসনাৰ বৰ ভাল লাগে । ক্ৰন্দসী পৃথিৱীখনক তাইৰ নিজৰেই প্ৰতিৰিম্ব যেন অনুভৱ হয় । নিঃসংগতা উপাসনাৰ বাবে আপোন । নিৰ্জনতাৰ লগত কথা পাতি তাই আনন্দ পায় । নিশাৰ তৰাভৰা আকাশলৈ চাই অন্তৰৰ কষ্টবোৰ চকুৰ পানীৰে উটুৱাই দি তাই মনৰ দুখ প্ৰশমিত কৰে । সুবিশাল পৃথিৱীত আপোন মানুহৰ কথা ভাবিলেই তাইৰ মনৰ চকুত ভাঁহি উঠে, শান্ত, নিৰ্বাক, গম্ভীৰ এজন পুৰুষৰ মুখমণ্ডল । সেই মুখ সনাতন খুৰাৰ । বিয়াৰ কিছুদিন পিছতেই পত্নীক হেৰুৱায়ো-ধৈৰ্য্যচ্যুত নোহোৱা খুৰাই তাইক স্থিৰপ্ৰজ্ঞ হ'বলৈ, দুখত কাতৰ নহ'বলৈ শিক্ষা দিছে । তেখেতৰ সান্ত্বনা তাইৰ জীৱনৰ পাথেয় ।

দুখ পাই পাই নীৰৱে সহ্য কৰি যোৱাটো উপাসনাৰ কাৰণে সাধাৰণ কথাৰ দৰে হৈছে । তাই অনুভৱ কৰিছে, সেই সকলোবোৰ ধৈৰ্য্যকে পৰাভূত কৰি তাইৰ মনৰ মাজত এক নতুন সত্বাৰ জন্ম হৈছে । প্ৰতিবাদৰ যুক্তিৰে তাইৰ মনটো সবল হৈ উঠিছে । টেবুলত দৰ্শনৰ বিৰাট ভলিউমৰ কিতাপ, মনৰ ভিতৰত হাজাৰ-বিজাৰ ভাবৰ ঢৌ । কিতাপ মেলিবলৈ উপাসনাৰ অনিচ্ছা হ'ল । এনেকুৱা মুহূৰ্ততে তাই অনুভৱ কৰে, সংঘাতেহে জীৱনক সজায় তিল-তিলকৈ । তাইৰ সন্মুখত জীৱনৰ সংজ্ঞাই দেখা দিছিল কৰ্কশতাৰে, আৰু সেই সকলোকে তুচ্ছ জ্ঞান কৰি জীৱনক সকলো সম্ভাৰেৰে পূৰ্ণ কৰাৰ মন্ত্ৰেৰে তাইৰ হৃদয় মুখৰিত । এই কুৰিবছৰীয়া ছোৱালীজনীৰ জীৱনৰ ইতিহাস বুলিলে বৰ সংক্ষিপ্ত, কিন্তু উপাসনাৰ কাৰণে ইয়াৰ প্ৰতি পৃষ্ঠায়েই সোণালী ।

জীৱনৰ পৰা তাই বিশেষ একো প্ৰতিদান বিচৰা নাই । কাৰবাৰ অনাদৰ, অৱহেলা আৰু কাৰবাৰ নিঃস্বাৰ্থ মৰমে তাইক জীয়াই ৰাখিছে, জীৱনৰ অভিধানত তাই পৰাজয়ৰ সংজ্ঞা কোনোদিন বিচৰা নাই । তাইৰ সঘনে মনত পৰে সিহঁতৰ নিজৰ ঠাইখন. ঘৰখন আৰু বহুতকে । সেইখন সমাহিত ঠাইত তাইৰ জন্ম হৈছিল কুৰি বছৰৰ আগৰ এটা উজ্বল পুৱাত । লাহে লাহে উপাসনা ডাঙৰ হৈছিল, মাক-দেউতাকৰ হিয়া ভৰি পৰিছিল পূৰ্ণতাৰে । ইয়াৰ পিছৰখিনি আৰু চমু, তাইৰ তেতিয়া

কিজানি চাৰি বছৰ মানহে, তেতিয়াই এদিন দেউতাকৰ গাটো বেয়া লাগিল, সেই বেয়া লগাতেই দেউতাকে হয়তো শান্তি বিচাৰি পালে বগা কাপোৰৰ তলত। তাইৰ মাক স্তব্ধ হৈ ৰ'ল। মৃত্যু এনেকৈয়ে আহে, বৰ সংগোপনে। ভৰিৰ তলৰ পৃথিৱীখন যেন নিষ্ঠুৰভাৱে ভগবানে কাঢ়ি লৈ গ'ল।

মৃত্যু মানে কি, সেইটো বুজিবৰ জ্ঞানেই তেতিয়া হোৱা নাছিল উপাসনাৰ। কিছুদিন পাছতেই মাক আৰু তাই গুচি আহিছিল ইয়ালৈ, তাইৰ মোমায়েকৰ ঘৰলৈ। সেইদিনাৰ কথা তাইৰ আজিও মনত আছে। সনাতন খুৰাই তাইক মূৰত হাত বুলাই বিদায় দিছিল। তেতিয়া তাই ইয়ালৈ আহোতে বৰ স্ফূৰ্ত্তি পালে। তেতিয়া জানো তাই বুজিছিল জীৱনৰ অন্য এটা উপপথত সেয়া প্ৰথম পদক্ষেপ মাথোন। সিহঁত ইয়ালৈ আহোতে মামীয়েক নতুন। মোমায়েকে তাইক বৰ মৰম কৰিছিল। মামীয়েকৰ কাৰণে সেয়াও অসহণীয় হ'ল। সৰু ছোৱালীজনী আৰু মোমায়েকৰ মাজত তেওঁ গঢ়ি দিলে এখন মজবুত প্ৰাচীৰ। হৃদয়ৰ তাগিদাতকৈ কাৰবাৰ বাধাদান কেতিয়াবাযে শক্তিশালী হৈ পৰে, তাই উপলব্ধি কৰিলে।

প্ৰথমতে মামীয়েকৰ ব্যৱহাৰত দেখা দিয়া উচ্ছাস আতিথ্য (কৃত্ৰিমো হব পাৰে) লাহে লাহে অন্তৰ্নিহিত হবলৈ ধৰিলে। অকণমানি মনটোৰেই তাই অনুভৱ কৰিছিল। সিহঁত দুয়ো যেন সেইখন ঘৰৰ অনাহুত অতিথি। উপাসনাৰ মাকজনীয়ে এইবোৰ অনুভৱ কৰিয়েই হয়তো তাইক এৰি থৈ কৰবালৈ গুচি গ'ল। মাকৰ কথা মনলৈ আহোতে নামহীন অভিমানেৰে তাইৰ বুকুখন ভৰি পৰিল। মাকে তাইৰ কথা একেবাৰে নেভাবিলেনে? এটুকুৰা কাগজত লিখিলে, যে তাইৰ দায়িত্ব তেওঁতকৈ মোমায়েকেহে ভালকৈ পালন কৰিব পাৰিব। গতিকে তাইক তেখেতৰ হাতত অৰ্পণ কৰি তেওঁ নিজৰ ভাৰ কমাই দি নিশাৰ অন্ধকাৰত হেৰাই গ'ল। উপাসনাই কাগজখন থৈ দিলে আলফুলে। মোমায়েকেও মাকৰ কথাকে ৰাখি তাইক আৱৰি ৰাখিছে, হেজাৰ বাধা সত্বেও তেখেতৰ বুকুৰ মাজেৰে বৈ আছে স্নেহৰ নিৰৱচ্ছিন্ন সোঁত তাইৰ বাবে। হৃদয়ৰ মৰমক, অনুভূতিক বাধা দিৱতো নোৱাৰি।

অচিনাকি নাৰী দেখিলে আজিও উপাসনাই তন্ন তন্নকৈ চায়, কি ঠিক, কৰবাত কিজানি তাই মাকক পাই যায়। মাকক হেৰুৱাই তাই যেতিয়া উচুপি উচুপি কান্দিছিল, সনাতন খুৰা তাইৰ ওচৰলৈ দৌৰি আহিছিল, গভীৰ মমতাৰে তাইক বুজনি দিছিল। তাই উপলব্ধি কৰিলে, মানুহৰ জীৱনলৈ দুখ আহিলে চাৰিওদিশৰ পৰা আহে, মনৰ ভেটি দুৰ্বল কৰি দিব পৰাকৈ। তেতিয়াই কিজানি মানুহে মৃত্যুৰ কামনা কৰে। উপাসনাই ইমান দুৰ্বল হ'ব নোৱাৰিলে। নিজক মানুহ কৰাৰ সংকল্প লৈ —তাই অহোপুৰুষাৰ্থ কৰিছে। জীৱনৰ কদৰ্য্য দিশটোৰ লগতো তাইৰ চিনাকি হ'ল সৰুতেই। মামীয়েকৰ সকলো আদেশ পালন কৰিও তাই পঢ়াশুনা কৰিছে, অইনে স্বীকাৰ কৰিব লগাকৈ এটা ভৱিষ্যত গঢ়িবলৈ তাই যত্নপৰ হৈছে। কেতিয়াবা তাইৰ সনাতন খুৰাই ধৰি ৰখা সিহঁতৰ ঘৰখনলৈ গুচি যোৱাৰ প্ৰৱল ইচ্ছা হয়। কিন্তু মোমায়েকৰ মৰমে, ৰীমা-ঋতুৰ স্নেহে তাইক ধৰি ৰাখিছে। আৰু মামীয়েকজনী? স্বাৰ্থপৰ ভাৱে হলেও—তাই কেতিয়াবা ভাবে, সনাতন খুৰাইতো সিহঁতৰ খেতিবাতিৰ লাভৰ বুজন অংশ মামীয়েকৰ হাততেই দিয়েহি। তথাপি কিয় বাৰু মামীয়েক ইমান অসুখী? ইয়াৰ সমিধান তাই পাব ক'ৰ পৰা? ল'ৰা-ছোৱালী দুটা সম্পূৰ্ণ বিপৰীত। সিহঁতৰ মৰমে, মোমায়েকৰ স্নেহে তাইক নিষ্ঠুৰ বাস্তৱক জয় কৰিবলৈ সাহস দিছে। এনেকৈয়ে কুৰিটা বসন্তই তাইৰ হিয়াৰ মাজৰ যৌৱন গুঞ্জনৰে ভৰাই তুলিছে, তাই কব নোৱাৰাকৈয়ে।

উপাসনা এইখন চহৰৰ মাজমজিয়াত অৱস্থিত কলেজখনৰ দৰ্শনৰ সুখ্যাত ছাত্ৰী। তাই স্নাতক শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী। তাই অতীতৰ সুখ্যাতি অক্ষুন্ন ৰাখিবলৈ শ্ৰম কৰিছে। কেইদিনমান পাছত তাইৰ পৰীক্ষা। কিন্তু কিয় তাই কব নোৱাৰে, যিমানেই তাইৰ পৰীক্ষা ওচৰ চাপি আহিছে, সিমানেই তাই কিতাপ আগত লৈ অতীতৰ চিন্তাত ধ্যান মগ্ন হৈছে। নেভাবো বুলিও এইবোৰ কথাই তাইৰ মনত তোলপাৰ লগাই দি ইমান সময় তাইক মন্ত্ৰমুগ্ধ কৰি ৰাখিলে। মূৰ-শিতানৰ পৰা উপাসনাই ঘড়ীটোলৈ চালে। ইস্, ৰাম, এক বাজিল। নাই, তাই ভাবিলে এতিয়া শুই থকাই ভাল। পুৱা উঠা পলম হলেই মামীয়েকে কটাক্ষ বান নিক্ষেপ কৰিব। লাইটটো অফ কৰি তাই বিছনাত পৰিল। তেতিয়া দূৰৈৰ পুলিচ থানাত এক বজাৰ ঘণ্টা মাৰিছে।

•• ... তাইৰ অনুভৱ হ'ল, সিদিনাহে তাই যেন প্ৰথম স্কুললৈ গৈছিল। এতিয়াও তাইৰ ভালকৈ মনত পৰে, সেইটো বছৰৰ সৰস্বতী পূজাৰ দিনটোত সিহঁতৰ ওচৰৰ পাঠশালাখনত মোমায়েকে তাইক নাম লিখাই দিছিল। তাৰ পিছত সময় তাইৰ মূৰৰ ওপৰেদিয়েই পাৰ হৈ গ'ল নিঃশব্দতাৰে, শব্দময় এখন দ্ৰুতগ্ৰামী আকাশী যানৰ দৰে। আৰু আজি? দুদিন আগেয়ে আইৰ ফাইনেল পৰীক্ষাৰ ফলাফল ওলাল। পৰীক্ষাৰ আগেয়ে তাই হৈ পৰিছিল মানসিক ভাৱে ভাৰাক্ৰান্ত, পঢ়া-শুনাবোৰ ওলট-পালট হৈছিল, আশা কৰা মতে ভাল ফল নহব বুলি তাই সন্ত্ৰস্ত হৈ পৰিছিল। উপাসনাই বিশ্ববিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ ২য় স্থান অধিকাৰ কৰিছে। ক্ষণিকৰ বাবে মিঠা অনুভূতিৰে তাইৰ দশোদিশ তাইৰ বাবে হৈ পৰিছিল বৰ্ণময়, শব্দময়। তাই যিমানেই ৰিক্লান্তৰে সুখী হবলৈ চেষ্টা কৰিছে, সিমানেই তাইৰ দুচকু বাস্পাকুল হৈ উঠিছে। বুকুৰ মাজত নোপোৱাৰ হাঁহাকাৰে তাইক স্তব্ধ কৰি তুলিছে। এইকিদিন ঘৰখনত অগণন মানুহৰ সমাগম, এই সমাগমৰ উপলক্ষ্য তাই বুলি নিজকে যিমানে আনন্দিত কৰাৰ চেষ্টা কৰিছে, সিমানেই মামীয়েকৰ গম্ভীৰ মুখখনে তাইক সচকিত কৰিছে। নাই, মামীয়েকে এই অশান্তি, এই জড়তাৰ পৰা পৰিত্ৰাণ পোৱাৰ ব্যৱস্থা তাই কৰিবই লাগিব।

উপাসনাই দুদিনমানৰ পৰা এইটো কথা গম্ভীৰ ভাৱে চিন্তা কৰি এটা সিদ্ধান্তত উপনীত হৈছে। তাইতো এতিয়া আৰু সৰু নহয়। নিজকে তাইৰ অধিক দায়িত্বসম্পন্না যেন লাগি

স্নুকুৰ আভ্যন্তৰৰ পৰা ।

মাকে এৰি থৈ যোৱা কাগজখন উপাসনাই বিয়াৰ আগদিনা নিশা ধীৰে ধীৰে মেলিলে। চকুলোৰে কাগজখন তিতি গ'ল । ৰাহুলৰ সৈতে পাতিবলৈ ওলোৱা তাইৰ সংসাৰখনৰ কাৰণে মাকৰ পৰা আশীৰ্বাদ বিচাৰিলে। বিছনাৰ কাষৰ খিৰিকীখন তাই খুলি দিলে । এখিৰিকী জোনাক সোমাই আহিল। তাই বিশাল আকাশখনলৈ মুগ্ধতাৰে, কৃতজ্ঞতাৰে চালে । যিখন আকাশে উদাৰতাৰে তাইক দিলে সুদৃঢ় ব্যক্তিত্ব গঢ়ি তোলাৰ শক্তি, সেইখন আকাশ তাইৰ আপোন, ইয়াৰ লগত তাইৰ সম্বন্ধ বৰ মধুৰ । ●

**অমৃত বাণী ঃ**

১। "ক্ষমা কৰা কিন্তু ক্ষতি নকৰিবা ;
প্ৰেম কৰা কিন্তু আসক্ত ন'হবা ।"

২। যাৰ অস্তিত্ব আছে আৰু বিকাশ আছে সেয়ে সত্য ;
ই বজ্ৰৰ দৰে টান আৰু ফুলৰ পাহিৰ দৰে কোমল ।

৩। "সৰল সাধুতাৰ দৰে চতুৰতা নাই" ।

৪। নিজৰ দুৰৱস্থাৰ কথা আনৰ আগত সদৰি কৰিবলৈ নাযাবা ।
কিছুমানে আওকাণ কৰিব আৰু কিছুমানে ৰং পাব ।



# ছিন্নতাঁৰ

**শ্ৰীগায়ত্ৰী ৰাভা**
স্নাতক দ্বিতীয় বাৰ্ষিক

গাড়ীখন তিনিআলিটোত ৰৈ গ'ল । ডি, এচ, পি বৰুৱাই ক'লে, "অলপ আগলৈহে ঘৰটো আছে। খোজ কাঢ়িয়েই এইখিনি যাওঁ বলক ।" চি, আৰ, পি, ফৰ্চ সহ সকলো আগবাঢ়ি গ'ল।

ৰঙ্গনাথনো আগবাঢ়ি গ'ল । এই সময়ত ডিউটি কৰাৰ মুঠেই মানসিক প্ৰস্তুতি নাছিল চি. আৰ. পি. এফৰ কমাণ্ডাৰ ৰঙ্গনাথৰ। ঘৰৰ পৰা অহা চিঠিখনে আজি খেলিমেলিখন লগাই দিছে ।

সুদূৰ মাদ্ৰাজৰ এখন অখ্যাত গাঁৱৰ লোক ৰঙ্গনাথন। এটা শিল্পানুৰাগী পৰিয়ালত তাৰ জন্ম হৈছিল । তুলিকা আৰু সুৰৰ সৈতে ৰঙ্গনাথন আৰু তাৰ বায়েক-ভনীয়েকৰ আছে কিবা এক নিবিড় সম্পৰ্ক। যিদিনা চি, আৰ, পি, এফৰ, কমাণ্ডাৰৰ নিয়োগ পত্ৰখন পাইছিল, সেইদিনা ৰঙ্গনাথনৰ অভাৱগ্ৰস্ত পৰিয়ালটোৱে যথেষ্ট সকাহ পাইছিল । সকাহ পাইছিল ৰঙ্গনাথনৰ শিল্পানুৰাগী মনটোৱে। হওক তেওঁ, বেহেলা বজোৱা ভনীয়েক কাননে ওস্তাদৰ ওচৰত বেহেলা শিকাত তাৰ আৰ্জনে সহায় কৰিব । মনে মনে গৰ্ব অনুভৱ কৰিলে সি। আধাফুলা পদুম এপাহক সম্পূৰ্ণৰূপে ফুলাত সহায় কৰিব পাৰিব বুলি । সেইদিনা কাননে মূৰত ইন্দ্ৰমালতী ফুলৰ মালা পিন্ধি শিৱ-মন্দিৰত গৈ এগছি বন্তি জ্বলাইছিল ।

"আৰু বেছি দূৰ নাই ।" ডি, এছ, পি বৰুৱাৰ মাতত বাস্তৱলৈ ঘূৰি আহিব লগা হ'ল ৰঙ্গনাথন । মাজ নিশা এই সৰু চহৰখনৰ প্ৰায়বোৰ মানুহৰে ঘৰৰ বিজুলী-বাতি নুমাই গৈছে । মাথোন বাটৰ দাঁতিৰ নিয়ন চাকিবোৰে ৰূপালী পোহৰ বিলাইছে ।

আজিৰ চিঠিখন ! এৰা চিঠিখন পঢ়ি ৰঙ্গনাথমৰ ডিউটি কৰিবৰ মন যোৱা নাছিল ।

বেহেলা বজাই ভালপোৱা কাননে এজন ওস্তাদৰ ওচৰত বেহেলা শিকিছিল । বেহেলাখন যদিও বৰ পুৰণি হৈ গৈছে, তথাপিও সেইখন সিহঁতৰ বৰ মৰমৰ । তাত যেন সিহঁতৰ মৃত দেউতাকৰ স্মৃতি নিহিত হৈ আছে । কিন্তু আজিৰ চিঠিখনে এনে এটা বাতৰি কঢ়িয়াই আনিছিল, যি বাতৰিয়ে তাৰ মন-প্ৰাণ জোকাৰি পেলাইছিল। বায়েকে লিখিছিল মাকৰ অসুখৰ বাবে কাননে ওস্তাদৰ ওচৰত বেহেলা শিকা বন্ধ কৰিছে । সেইকিটা পইচাৰে মাকৰ দৰৱ কিনাত সুবিধা হৈছে । শেষত বায়েকে তাক

খোৱা-লোৱাৰ যত্ন লবলৈ উপদেশ দিছে।

কিন্তু সি চিঠিখন পঢ়ি অনুভৱ কৰিছিল তীব্র বেদনা। কাৰণ কাননে কেইদিনমানৰ বাবেও বেহেলা বজোৱা বন্ধ কৰাটো সি সহ্য কৰিব নোৱাৰে। তথাপি সি নিজকে সান্ত্বনা দিলে যে মাকৰ অসুখ ভাল হলে তাই আকৌ বেহেলা শিকিব পাৰিব তাৰ আৰ্জনেৰে। তাৰ আৰ্জন ? উচপ খাই উঠিল ৰঙ্গনাথন।

কেতিয়াবা নিৰীহ সত্যাগ্রহী বা সমদলকাৰীৰ ওপৰত লাঠী চালনা বা কন্দুৱা গেছ নিক্ষেপ কৰিবলৈ আদেশ দিওঁতে সি মুহূর্ত্তৰ বাবে বৰ দুৰ্বল অনুভৱ কৰে। তাৰ খাৰা ইস্ত্রি থকা ইউনিফৰ্মযোৰ সোতমোচ খাই যোৱা যেন অনুভৱ হয় আৰু বেপেৰোৱা কলেজীয়া ৰঙ্গনাথন যেন তাৰ সন্মুখত থিয় হয়হি।

এৰা, কলেজীয়া ৰঙ্গনাথন ! যিটোৱে কলেজ চৌহদত পিছফালে চি, আৰ, পি. আৰু সন্মুখত হাজাৰ হাজাৰ ছাত্ৰক লৈ চিঞৰিছিল 'আমাৰ দাবী মানি লওক' বুলি। লাঠী চালনাৰ বাবে উদ্যত হোৱা চি, আৰ, পিক, আওকাণ কৰি উদাত্ত ভাষণ দিছিল বেপৰোৱা ৰঙ্গনাথনে।

অথচ সেই একেটা ৰঙ্গনাথনেই ডিউটি কৰা ইচ্ছা নাথাকিলেও ডিউটি কৰিব লাগে। ইচ্ছাৰ বিৰুদ্ধে সংগ্রাম চলাই লাঠী চালনাৰ আদেশ দিব লগা হয় একমাত্র ঘৰখনৰ বাবে।

এবাৰ ছুটীত সি ঘৰলৈ যাওঁতে মাজনিশা কাননে বৃন্দাবনী শাৰং ৰাগৰ তান বজাইছিল বেহেলাত। আগফালে চকীত বহি সি শুনিছিল সেই সুৰ একান্তমনে। পুৱাতেই কাননে আল্পনা আঁকি থোৱা চোতালখনত জোনবাই আৰু নাৰিকল গছে পোহৰ আৰু ছাঁৰে লুকাভাকু খেলিছিল বেহেলাৰ সুৰৰ তালে তালে।

এটা সময়ত বেহেলাৰ সুৰ বন্ধ হৈছিল। নিঝুম নিশাৰ জিৰজিৰণিত তাৰ কাণত বহু সময়লৈকে ভাহি আছিল সেই সুৰ।

গলিটো ঘূৰোতেই ৰঙ্গনাথনৰ মনৰ গতিও সলনি হৈ বাস্তৱলৈ ঘূৰি আহিব লগা হৈছিল। চি, আৰ, পিৰ বুট জোতাৰ শব্দই তাক চমক খুৱাই তুলিলে। আৰু বেছি চমক খুৱাই তুলিলে এটা কৰুণ সুৰে। যিটো ঘৰৰ ল'ৰাজনক ৰঙ্গনাথনহঁতে গ্রেপ্তাৰ কৰিবলৈ আহিছে সেইটো ঘৰৰ পৰাই ভাহি আহিছে কৰুণ বিননি। ইয়াৰ আগতে সি বেহেলাৰ কৰুণ সুৰে মানুহৰ গোপন বেদনাক হৃদয়তন্ত্ৰীৰ পৰা আঁজুৰি আনিব পাৰে বুলি কল্পনা কৰিব পৰা নাছিল। অনুভৱো কৰা নাছিল। আৰু আজি, অভিভূত হৈ পৰিছে সি।

অভিভূত হৈ পৰা নাছিল ডি, এছ, পি, বৰুৱা। ঘৰটোৰ দুৱাৰত হোৱা বজ্ৰকঠোৰ শব্দই বাস্তৱলৈ আজুৰি আনিছিল ৰঙ্গনাথনক।

দুৱাৰখনত বাৰে বাৰে আঘাত কৰাৰ পিছত খুলি দিছিল এগৰাকী বয়সীয়াল মহিলাই। বেহেলাখনে তেতিয়া উচুপি আছিল। আলাপ বাজিছিল বেহেলাত।

আৰু মহিলা গৰাকীৰ পুতেকজন নাই বুলি কোৱাতে বৰুৱাৰ আদেশত ঘৰৰ ভিতৰলৈ সোমাই গৈছিল এদল পশু। বেহেলাৰ সুৰে তন্ময় কৰি পেলোৱা ৰঙ্গনাথন যন্ত্ৰবৎ কোঠাবোৰ পাৰ হৈ গৈছিল। আৰু কেতিয়া বেহেলাৰ সুৰ বন্ধ হৈ হুলস্থুলৰ সৃষ্টি হৈছিল তেওঁ গমেই পোৱা নাছিল। এটা কোঠালৈ সোমাই গৈ স্তব্ধ হৈ পৰিছিল ৰঙ্গনাথন। এৰা স্তব্ধ হবলৈ তেওঁ বাধ্য হৈছিল কোঠাটোৰ চুকত মহিলা গৰাকীৰসৈতে ভীত সন্ত্রস্ত কিশোৰী এগৰাকী ঠিয় হৈ আছিল। সন্মুখত সিঁচৰিত হৈ আছিল এখন বেহেলাৰ ভঙা অবয়ব। "ৰ" ডাল দুটুকুৰা হৈ চাৰিওডাল তাঁৰ ছিঙি পৰি আছিল আৰু হথাতে কিশোৰী গৰাকীয়ে বেহেলাৰ ভঙা টুকুৰা কেইটামান সজোৰে সাৱটি ধৰি উচুপি উঠিছিল। ৰঙ্গনাথনৰ অনুভৱ হৈছিল— যেন কোনোৱাই হিয়াভাগি যোৱা কৰুণ ৰাগত বেহেলা বজাইছিল। ●

মুকুতামালা ঃ

"কেৱল ধ্বংস কৰা আৰু আনৰ খ্যাতি ধূলিত লুণ্ঠিত কৰি দিয়াতেই সমালোচকৰ নৈপুণ্য ফুটি উঠেনে ? তাৰ কাৰণে অতি তৰল উপলব্ধি শক্তি আৰু অতি সামান্য বিদ্যাই যথেষ্ট।"

—এডমাছ বাৰ্ক

"সত্য সদায় নিৰাপদ। সত্যৰ বাহিৰে আন একোৱে নিৰাপদ নহয়। যি মানুহে সমাজৰ আন লোকৰ পৰা সত্য গোপন কৰে, তেওঁ হয় কাপুৰুষ বা অপৰাধী বা দুয়োটাই হ'ব লাগিব।"

—মেক্সমুলাৰ

সংগ্ৰহ—জুৰী শইকীয়া
স্নাতক ২য় বাৰ্ষিক।

# এজন অশ্বাৰোহীৰ যাত্ৰা

শ্ৰীপাপৰি লস্কৰ
স্নাতক প্ৰথম বাৰ্ষিক

কৰ্মব্যস্ত মানুহৰ জীৱনত অৱসৰৰ প্ৰয়োজন হয়। এই অৱসৰৰ মুহূৰ্তত কোনোৱে ঘৰুৱা সমস্যা সমাধানৰ মাজত, কোনোৱে জীৱনৰ দুখ-শোকাৱস্থা থকা সত্বেও হাঁহি-ফুৰ্তিৰ মাজেৰে পাৰ কৰি দিব বিচাৰে জীৱনৰ কেইটামান নিষ্পলক মুহূৰ্ত।

ভৱানন্দ বৰুৱা, অজয় মিশ্ৰ আৰু দেৱাশীষ দুৱৰা তিনিওজন চৰকাৰী অফিচৰ কেৰাণী আৰু একেটা ভাড়া ঘৰতে থাকে। ভৱানন্দ বৰুৱা অবিবাহিত, যদিও মৃত ককায়েকৰ পৰিয়ালটোৰ ভৰণ-পোষণৰ দায়িত্ব বৰুৱাৰ ওপৰতে। বৰুৱা ৰসাল মানুহ। হাঁহি-ফুৰ্তি আৰু নানা ধৰণৰ গাজা-খুৰিৰে তেওঁ সকলোকে সজীৱ কৰি লগতে নিজকে ব্যস্ত ৰাখে। অজয় মিশ্ৰ অবিবাহিত ; ভনীয়েক দুজনীৰ চিন্তা আৰু চাৰিজনীয়া সংসাৰখনৰ ভৰণ-পোষণৰ চিন্তাত সদায় ব্যস্ত! বাহিৰৰ জগত-খনৰ প্ৰতি তেওঁৰ কোনো ধৰণৰ দৃষ্টিপাত নাই। নিজৰ জীৱনৰ সমস্যা সমাধানৰ ক্ষেত্ৰতেই তেওঁ বেচি মনোযোগী। আনহাতে দেৱাশীষ দুৱৰা এজন অদ্ভুত চৰিত্ৰৰ মানুহ।

মিশ্ৰৰ পৰিয়ালত তেওঁৰ পিতাক, পত্নী আৰু ল'ৰা-ছোৱালী দুটি। নিজৰ সংসাৰৰ কথা চিন্তা কৰাৰ লগতে তেওঁ সমাজৰ উচ্চৰ পৰা নিম্ন শ্ৰেণীৰ সকলো মানুহৰ জীৱনৰ কথাকে ভাবে আৰু তাৰ পাৰ্থক্য বন্ধু দুজনৰ আগত দাঙি ধৰে। অৱশ্যে সমাজ ব্যৱস্থাৰ আশু-মীমাংসা কৰাৰ শক্তি বা ক্ষমতা তেওঁৰ হাতৰ মুঠিত নাই।

তিনিওজন বন্ধু লগ লাগে অফিচ ছুটীৰ পিছত ছয় বজাৰ পৰা সাত বজাৰ ভিতৰত। তাতে দহ বজাত খোৱাৰ মেজত তেওঁলোকৰ আলোচনাৰ মাজত নানা ধৰণৰ সমাজৰ কথা ওলায়। অৱশ্যে এই ক্ষেত্ৰত দুৱৰা বেছি আগবঢ়া।

অসমৰ চাৰিওফালে মাথো বানপানীৰ খবৰ। আজি ডিব্ৰুগড় বানপানীৰ গৰাহত, কালিলৈ যোৰহাট, তেজপুৰ, নগাঁও আদি নিতে নতুন নতুন ঠাই বানপানীয়ে বুৰাই পেলাইছে। দেৱাশীষ দুৱৰাৰ ঘৰ কপিলীপৰীয়া কাঞ্চনপুৰ গাঁৱত। সেয়েহে পিছদিনাই অফিচৰ পৰা কেইদিনমানৰ ছুটী লৈ তেওঁ গাঁৱৰ ঘৰলৈ ঢাপলি মেলিলে।

কাঞ্চনপুৰ গাঁৱৰ কপিলীৰ ফালৰ বান্ধটো ডাঙৰ হোৱাৰ বাবে কপিলীৰ পানীয়ে গাঁওখন বুৰাই পেলাব পৰা নাই। অৱশ্যে ঘৰৰ ভিতৰ-ৰোৱৰ বাহিৰে বাহিৰৰ সকলোতে বানপানীৰ অবাধ ৰাজত্ব। অহা-যোৱা কৰা ৰাস্তাৰ ওপৰত পানী আঠুৰ ওপৰ। ঘৰৰ সকলো বস্ত্ৰ-বস্তু ঠিক কৰি দুৱৰাই হাতত এডাল লাখুটি লৈ ওচৰৰ গাঁওবোৰৰ ফালে এপাক খবৰ-খাতি লবলৈ যায়। দুৱৰাই কিছুদূৰ খোজ কাঢ়ি যোৱাৰ পিছত এখন নাৱত উঠি কুকিলামুখৰ মথাউৰিটোত জগত গাঁওবুঢ়াক লগ কৰি গাঁৱৰ ৰাইজৰ বাতৰি লয়।

কুকিলামুখৰ মথাউৰিটো উজনিৰ ফালে ভাঙি যোৱাত গোটেই গাঁও বানপানীত ডুব যায়। গাঁৱৰ সকলো মানুহে এতিয়া মথাউৰিৰ ওপৰতে যিয়ে যি পাইছে তাকে ওপৰত দি থাকিবলৈ লৈছে। কলৰ ভুৰ, নাও আদিৰে সকলোৱে নিজৰ বস্তু-বাহানি আনি মথাউৰিৰ ওপৰত ৰাখিছে। গৰু-ছাগলী, হাঁহ-কুকুৰাৰ চিঞৰত গোটেইখন খলক লাগি আছে। মানুহবোৰেই থাকিবলৈ ঠাই নাই, কিন্তু তাৰ মাজতো আঘোণী বায়ে গাইগৰু দুজনীক ইফালে-সিফালে মথাউৰিৰ ওপৰত থকা দুডাল ঘাঁহ চোবাবলৈ ধৰি ফুৰিছে। এনে কৰাত আঘোণী বাইক সকলোৱে গালি-শপনি পাৰিছে। কিন্তু তাৰ প্ৰতি বাইৰ কোনো ভ্ৰূক্ষেপ নাই। কিয়নো বাইৰ ল'ৰা-ছোৱালী দুটিৰ অন্নৰ স্থল এই গাই দুজনীয়েই। যদিহে পিছদিনা গাই দুজনীয়ে গাখীৰ দিব নোৱাৰে তেনেহলে বাইহঁতৰ টেকেলি কাতি। দুৱৰাই দেখিলে গোবিন্দৰ ঘৈণীয়েকে পনীয়াকৈ সিজোৱা লুথুৰীখিনি ল'ৰা-ছোৱালী তিনিটাক ভগাই দিছে। কোলাৰ দুবছৰীয়া ল'ৰাটোৱে সোৱাদ নাপাই আৰু বেছি পনীয়া হোৱাত খাবলৈ নিবিচৰাত বাসন্তীয়ে ফুচলাই খুৱাবলৈ চেষ্টা কৰিছে।

মোহন বৈৰাগীৰ পুৰণি উদ্‌ফাই বেমা-টোৱে উক্ দিয়াত বেচেৰাই বৰ কষ্ট পাইছে। লগতে বোৱাৰীয়ে ফাগুনীৰ কলাখাৰ যেন বাক্য-বাণে তাক আৰু বেছিহে কষ্টদায়ক কৰি তুলিছে। পোনতে মোহনে ঘৰুৱা জা-জঞ্জালত নোসোমাও বুলি ওলাই গৈছিল। কিন্তু কিছুদিনৰ পিছত পত্নীসহ উভতি আহিল, তেতিয়া সকলোৱে মোহনক মোহন বৈৰাগী বুলিহে মাতিব ধৰিলে। অৱশ্যে কিছুদিনৰ পিছতেই প্ৰসৱত কষ্ট পাই বেচেৰীয়ে চকু মুদিলে। কিন্তু মোহনৰ বৈৰাগী নামটো আজি-কোপতি চলিয়েই থাকিল।

কেকো-জেকোকৈ কেঁচা কলৰ ঠোক এটা কঢ়িয়াই অনা ভোগৰামক দেখি দুৱৰা তাৰ নিচেই কাষ চাপিল। ভোগৰামৰ কোটৰত সোমোৱা চকু, কেইবাদিনো নুখুৰোৱা দাড়ি, অবিন্যস্ত চুলিৰে—দুৱৰাৰ চকুত দাৰিদ্ৰতাৰ এক কঙ্কালসাৰ ছবি মনৰ মাজত আঁকা হৈ গ'ল।

বানপানীয়ে কেনে দুৰ্যোগ কঢ়িয়াই আনিছে নিৰীক্ষকৰ দৃষ্টিৰে দুৱৰাই মাথো চালে। কাৰো প্ৰতি একো সহায় আগবঢ়াব নোৱাৰাৰ বেদনাই দুৱৰাক কুজাঁ কৰি পেলালে। আৰু বেছি কৈ দুখ গালে এটা-এটাকৈ

পঁাচ পইচা দহ পইচা হিচাব কৰি লৈ যোৱা ৰঙাই হাতৰ পয়সত্তৰটা পইচা দেখিহে। নীৰৱ দৰ্শকৰ দৰে চাই থকা দুৱৰাৰ সম্মুখৰে মথাউৰিটোৰ মূৰত বহা সৰু গুম্‌টি খনৰ পৰা ৰঙায়ে যেতিয়া কেইটামান আটা আনি বুঢ়ী-মাকৰ হাতত দিলেহি, সেই দৃশ্যই আপোনা আপুনি দুৱৰাক **আকৰ্ষণ কৰিলে**। তেওঁ যেন এখন কথা ছবিহে চাইছে! আটাকেইটা পানীত তিয়াই ঘৰৰ সৰ্ব মুঠ সাতোটা প্ৰাণীয়ে তাকে পি খাইছে। ক্ষুধা, কি তাৰ তাড়ণা! দুৱৰাৰ হাতখন জেপত থকা টকা দহোটালৈ গ'ল। কিন্তু এই টকা দহোটাই মাত্ৰ এসাজৰ চাহিদা পূৰাব, বাকী কেইসাজৰ কি হ'ব? এটা পৰিয়ালৰ প্ৰতি তেওঁ অকণমান সাহায্য আগবঢ়ালেই যেনিবা বাকীবোৰ পৰিয়ালৰ কি হ'ব? চৰকাৰী ৰচদে বানপানীত বাবে বাবে জুৰুলা হোৱা মানুহখিনিৰ নিয়তম, প্ৰয়োজন-খিনি পূৰাব পাৰিবনে?

দুৱৰা এইবাৰ একেবাৰে মথাউৰিটোৰ শেষ মূৰত গৈ উপস্থিত হ'ল। এইখিনিত যি দৃশ্য তেওঁ দেখিলে, সেই দৃশ্যই তেওঁক অভিভূত কৰি তুলিলে। ভগৱানৰ পৰিয়ালটোৰ দূৰৱস্থাই তেওঁক অবাক কৰি দিলে। গৰ্ভৱতী মইনা, ল'ৰা-ছোৱালী দুটা আৰু অসুস্থ ভগবান। ভগৱান পূৰ্বতে এজন ভাল খেতিয়ক আছিল। খেতিৰ ধনেৰেই সি দুজনী ভনীয়েকক বিয়া দি বুঢ়া মাক-পিতাকক ভালদৰে খুৱাই-বুৱাই ৰাখিছিল। যোৱাবাৰ আহুখেতিৰ বতৰতে তাৰ গৰুহালৰ এটা চৰকাত পৰি চুকাল। তদুপৰি একে লেথাৰিয়ে হোৱা তিনিটাকৈ বান-পানীয়ে ভগৱানক তেনেই নিঃসহায় আৰু দুৰ্বল কৰি পেলাইছে। আজি এই দুৰৱস্থাৰ বাবে ভগৱানে বানপানীকে জগৰীয়া কৰি বস্তাটোৰ ওপৰত ছোৱালীজনীক সাৱটি ধৰি পৰি আছে। মইনাই ফুৱাই ফুৱাই কেঁচা খৰিৰে এমুঠিমান চাউল এটা চচপেনত সিজাই ল'ৰা-ছোৱালী দুটি আৰু গিৰিয়েকলৈ আগবঢ়াই দিছে। এই-খিনিতে গিৰিয়েক ভগৱানে আপত্তি কৰি সামান্য মাৰভাতখিনি ঘৈণীয়েক মইনাক খাবলৈ জোৰ কৰিছে। দুয়োটাই ইটোয়ে সিটোক খাবলৈ জোৰ কৰিছে। অৱশেষত কাজিয়াত ৰত দুয়ো বায়েক-ভায়েকক ভগাই দি মইনাই শান্তিৰ হাঁহি মাৰিছে। ভগৱানৰ দুই চকু আৰু মুখত ফুটি উঠিছে অসহায় বালকৰ এক প্ৰতিচ্ছবি!

ছুটীৰ দিনকেইটা কটাই দেৱাশীষ দুৱৰা কৰ্মস্থলীলৈ উভটি আহিল। পুনঃ তেওঁলোকৰ গতানুগতিক জীৱন আৰম্ভ হ'ল। কিছুদিনৰ পিছত চৰকাৰে বান-পীড়িত ৰাইজৰ সাহায্যাৰ্থে বীজ যোগান ধৰাৰ আঁচনি গ্ৰহণ কৰে। এই আঁচনিৰ কথা প্ৰচাৰ হোৱাৰ লগে লগে ঠিকাদাৰৰ আবেদনে দুৱৰাহঁতৰ দৰে অফিচ-বোৰ কৰ্মব্যস্ত কৰি তোলে। এই ক্ষেত্ৰত ঠিকা-দাৰৰ উপকৰাকৈ দিয়া টকাৰ হেঁচাই অফিচৰ ৰৰমূৰীয়া বিষয়াসকলৰ অৱস্থা টনকিয়াল কৰি তুলিবলৈ সমৰ্থ হয়। মাথোন দুৱৰাহঁতৰ দৰে সাধাৰণ চৰকাৰী কৰ্মচাৰী আৰু জনসাধাৰণ নৈত উটি অহা জাজীৰ দৰে কৰবাত লাগি ৰয়।

দেবাশীষ দুৱৰাৰ এনেধৰণৰ চিন্তা আৰু ভাৱনাত বাধা দিয়ে ভৱানন্দ বৰুৱা আৰু অজয় মিশ্ৰই। দুই বন্ধুয়ে কেতিয়াবা দুৱৰাৰ মূৰৰ বিকৃতি ঘটিব পাৰে বুলি আশংকা কৰে। দুৱৰাই চিন্তা নকৰো বুলিও চিন্তাৰ পাক-চক্ৰত নিজকে আত্ম-বিক্ৰয় কৰে। সমাজৰ ক'তো নিজৰ জীৱনটোৰে একো পৰিবৰ্ত্তন কৰিব নোৱাৰাৰ আক্ৰোশত জ্বলি থাকে। ক্ৰমান্বয়ে ক্ষয় যোৱা জোতাৰ গোৰোহাৰ দৰে তিলে তিলে চিন্তাৰ অটল তলিত ক্ষয় যায়। কিবা এটা পৰিবৰ্ত্তনৰ বাবে দুৱৰাৰ মনত জাগা দুৰ্ব্বাৰ আকাংখাক কেইদিনমানৰ আগতে নিজৰ গাঁৱত দেখি অহা গৰ্ভৱতী মইনা, ল'ৰা-ছোৱালী হাল আৰু ভগৱানৰ দৰিদ্ৰতাত উৱলি যাৱ খোজা চেহেৰাই দুগুণে উৎসাহ দিয়ে। এৰা, কিবা এটা কৰিবৰ বাবে এটা বৈপ্লৱিক আন্দোলন লাগে। কিন্তু এই বিপ্লৱ প্ৰথমে ব্যক্তিৰ মনৰ মাজত জাগিব লাগিব। ভৱানন্দ বৰুৱা নতুবা অজয় মিশ্ৰৰ দৰে ব্যক্তিৰ তুচ্চ চিন্তাধাৰাই তেওঁক পৰিবৰ্ত্তন কৰিব নোৱাৰে। জোতাৰ তলৰ সৰু সৰু শিলগুটিয়ে কষ্ট দিয়াৰ দৰে সেই-বোৰে তেওঁৰ মনত কিছু কষ্ট নিশ্চয় দিব। কিন্তু কোনোবা এজনৰ মুখত অকণমান অনা-বিল হাঁহি দেখিবলৈ হ'লে, কাৰোবাক অকণ সুখ দিবলৈ হ'লে এটা বিপ্লৱৰ বাবে সাজু হোৱা ব্যক্তিয়ে এনে কষ্টক অৱহেলা কৰিবই লাগিব।

জীৱনৰ পৰা যৌৱন আঁতৰি যাওঁ যাওঁ। দুৱৰা বৃদ্ধ অৱস্থালৈ বেঙা মেলিছে। কিন্তু তেওঁৰ মনৰ তীব্ৰ জেদী ঘোঁৰাটো এনে কদমত আগবাঢ়িবলৈ ধৰিছে—দুৱৰাই পিছলৈ চাবলৈ বা অলপ ৰবলৈও আজৰি উলিয়াব নোৱাৰে। নতুন উৎসাহত দুৱৰাই মন বান্ধি ললে—তেওঁ এৰি অহা গাওঁখনলৈ উভতি গৈ বৈজ্ঞানিক পদ্ধ-তিৰে বানপানী প্ৰতিৰোধৰ বাবে চৰকাৰক টানি ধৰিবলৈ। নহ'লে কপিলীৰ যি মথাউৰিয়ে বাৰে বাৰে দৰিদ্ৰতাৰ কৰাল গ্ৰাসলৈ লৈ যাবলৈ জিভা মেলি আহিছে তাক সৰ্বশক্তিৰে প্ৰতিৰোধ কৰি-বলৈ। এৰা, তেওঁৰ মনৰ ঘোঁৰাটোৰ লগত লাহে লাহে নিশ্চয় এটা এটাকৈ বহুতো ঘোঁৰাই আহি লগ দিব। সকলোবোৰে ফদমত আগ-বাঢ়ি যাব দাৰিদ্ৰ্য প্ৰতিৰোধ কৰি এক ৰঙা সূৰ্য্যক কপিলীপাৰৰ কাঞ্চনপুৰ-কুকিলামুখ গাঁৱলৈ ওভতাই আনিবলৈ। ৰঙা সুৰুযৰ প্ৰাতঃপ্ৰবেশত কিৰিলিয়াই উৰি যোৱা চৰাইৰ কাকলিত দুৱৰা একেজাপে উঠিল নিজৰ লক্ষ্যলৈ। সেমেকা দুবৰিত শেৱালি পেলাই কাঞ্চনপুৰৰ প্ৰভাৱতী-পুৱাই এক উজ্জ্বল দিনলৈ যে বাট চাই আছে! ●

# কাঠগড়া

শ্ৰীৰুবা ফুকন
স্নাতক ঃ তৃতীয় বাৰ্ষিক

টং টং টং... ...।

এতিয়া নিশা প্ৰায় বাৰ বাজিছে। এতিয়াও মই মোৰ খিড়িকীৰ কাষত বহি আছো। মোৰ সন্মুখৰ টেবুলখনত মোৰ অফিচৰ কিছুমান কাগজ-পত্ৰ। খিড়িকীৰ ওচৰত থকা তগৰ ফুল জোপাৰ পৰা এটা ধুনীয়া গোন্ধ আহিছে। তগৰ ফুলৰ গোন্ধটো মই বৰ ভাল পাওঁ। ফুলজোপা আমাৰ ককাদেউতাহঁতৰ দিনৰেই। আজিকালি ভালকৈ নুফুলে। সম্ভৱতঃ বুঢ়া হোৱাৰ বাবে।

বাহিৰত এতিয়া পাতল জোনাক। জোনাকৰ পোহৰ পৰি গছবোৰ জিলিকি উঠিছে। গেটৰ মুখত থকা নাহৰৰ পুলিটো তলৰ পৰা ওপৰলৈ জোঙা হৈ এটা দৌলৰ নিচিনা হৈ পৰিছে। অলপ অলপ বতাহ বলিছে। বতাহত গছৰ পাতবোৰ সৰসৰকৈ লৰিছে। হঠাৎ নাহৰ জোপাত চৰাই দুটাই চিক্ চিককৈ মাতি অলপ দূৰ উৰি গৈ আকৌ বাঁহত সোমাল। সম্ভৱ চৰাই হালৰ পোৱালি আছে। এই গোটেইবিলাক মিলি পৰিবেশটো বৰ সুন্দৰ হৈ পৰিছে। আগতে স্কুলত থাকোতে প্ৰায়েই মোৰ বান্ধৱী বাসৱীয়ে মোক এইবোৰ পৰিবেশৰ কথা কৈছিল। কেতিয়াবা বোলে কিছুমান সৰু সৰু পৰিবেশ বৰ ভাল লাগে। তেতিয়া মই তাইক পাগল বুলি ভাবিছিলো। কিন্তু সঁচাকৈয়ে আজিৰ এই পৰিবেশটো মোৰ বৰ ভাল লাগিছে। বাসৱী বা এতিয়া কলৈ গল! বৰ ধুনীয়া আছিল তাই। আমাৰ মাজত তাইয়েই সকলোতকৈ চকুত লগা আছিল। ক্লাচ টেনতে তাইৰ লগ এৰিব লগীয়া হৈছিল।

আজি কিছুদিনৰ পৰা মই অতি সতৰ্পণে লক্ষ্য কৰি আহিছো যে মোৰ মনৰ মাজত মোৰ অজানিতে কিছুমান পৰিবৰ্ত্তনৰ প্ৰক্ৰিয়া চলিব লাগিছে। এই পৰিবৰ্ত্তন কিয় হৈছে সঠিককৈ কব নোৱাৰো, কিন্তু মই ভাবো মোৰ দৰে বহুত ছোৱালীৰ এনেকুৱা পৰিবৰ্তন হয়।

মা-দেউতা টোপনিত লালকাল। মই মোৰ অফিচৰ কাম কৰি থকা বুলি ভাবি সকলোবোৰ ইতিমধ্যে শুই পৰিল। কালি মোৰ বিয়া দিয়া ভণ্টী দুজনী আহিছে। মা-দেউতাই নানা ধৰণৰ কথা পাতি ক্লান্তিত টোপনি গৈছে। ঘৰখনত আকৌ হুলস্থুল হৈছে। ভাগিন দুটাই মোৰ পিছে পিছে জেঠাই জেঠাই বুলি ঘূৰি ফুৰিছে। সিহঁতৰ মুখত জেঠাই বুলি মাত শুনিলেই মোৰ মনটো বৰ বেয়াকৈ কোচ খাই যায়। কিন্তু একো কব নোৱাৰো। হাঁহি মুখে সিহঁতক কোলাত তুলি মৰমৰ চুমা খাই এৰি দিওঁ। এইবিলাক পৰিবেশ মোৰ বৰ বেয়া লাগে। তাতকৈ আজিৰ দৰে ৰাতি-টোৱেই মোৰ বাবে অতি ভাল।

ভনী দুজনী আহিলে মোৰ নিজৰে বৰ দিগদাৰ লাগে। সিঁতৰ আগত মই সহজ হব নোৱাৰো। সিহঁতৰ হাঁহিৰ শব্দ, কথা পতাৰ শব্দ, এইবোৰ শুনি বৰ অস্বস্তি পাওঁ। সিহঁতে মোৰ ওচৰলৈ আহি বাবাক ল'চোন বুলি কলেই মোৰ মনটো কোচ খাই যায়। মোৰ বৰ ভয় লাগে। সিহঁতৰ সন্মুখত পৰিলে মই গুৰুতৰ অপৰাধত ধৰা পৰা আচামীৰ দৰে কোচ খাই যাওঁ।

কালিও মোৰ তেনেকুৱাই হৈছিল। মোৰ ডাঙৰ ভাগিন বিজুৱে আহি মোক পিছফালৰ পৰা মাতি দিলেহি। মই কিবা এটা ভাবি আছিলো। হঠাতে তাৰ মাত শুনি উচপ খাই উঠিলো। সি মোলৈ চাই হাঁহি হাঁহি কিবা এটা কথা কৈ গুচি গ'ল। কি কথা কলে মোৰ কাণত নোসোমাল। কাণত ঠিক নোসোমোৱা নহয় কিছুমান দুৰ্বোধ্য শব্দ মোৰ কাণৰ মাজেদি সোমাই আন এখন কাণেদি ওলাই গ'ল। মোৰ এই অস্বাভাবিকতা সি ধৰিব নোৱাৰিলে। বোধকৰো সি ৰাতুলৰ লগত খেলি থকাৰ কথা কৈছিলহি। কাৰণ অলপ পিছতে মই সিহঁতৰ হাঁহি শুনিবলৈ পাইছিলো। সি যোৱাৰ পাছত মই অলপ সময় নিশ্চুপ হৈ বহি আছিলো। কথা কবলৈও যেন মোৰ ডিঙিটো শুকাই গৈছিল। কিবা এক অৱসাদ আৰু বেজাৰে মোৰ মনটোক আৱৰি ধৰিছিল। মই যেন বহল নদী এখনৰ মাজত ইপাৰ-সিপাৰ নেপাই সাতুৰি ফুৰিছিলো। কিমান সময় মই এইদৰে বহি আছিলো কব নোৱাৰো। হঠাৎ গালৰ ওপৰেদি কিবা এটা বাগৰি অহা যেন অনুভৱ কৰিলো। হাতখন দি গম পালো যে মোৰ দুগালে চকুপানী ওলাই আহিছে। চকুপানীখিনি মচি দিয়াত কিবা এক বিষন্নতাত মোৰ মুখৰ পৰা কোত্‌কৈ এটা শব্দ ওলাই যাবলৈ ধৰিছিল। কিন্তু হঠাৎ মোৰ ভণ্টী ৰুমাৰ মাত শুনি সচেতন হৈছিলো।

মাজ পানীত বৈ থকা মানুহৰ দৰে মই আশ্ৰয় বিছাৰিছিলো। মোৰ এই অস্বাভাবিকতা কোনোবাই লক্ষ্য কৰি আছিলে নেকি চালো। নাই কোনেও কৰা নাই। মা, ৰুমী আৰু ৰুমা পাকঘৰত। ভাগিন দুটাই খেলি আছিল।

এৰা আজি ৰাতিটোৱেই ভাল। ইস্ আজি আকৌ মই এইবিলাক কি কথা ভাবিছো। মই সৰি পৰিছো নেকি এইখন পৃথিৱীৰ পৰা। ঠিকেই মই এইখন পৃথিৱীৰ পৰা সৰি পৰি অন্য এখন পৃথিৱীত পদাৰ্পণ কৰিছো যত আমাৰ ঘৰৰ মা-দেউতা, ৰুমী, ৰুমা আৰু সিহঁতৰ ল'ৰা বিজু আৰু ৰাতুল নাই। মোৰ এই পৃথিৱীখন সম্পূৰ্ণ বেলেগ। নহ'লে মই আগতে দেখা তগৰ, নাহৰ, চৰাই পোৱালি এইবিলাকে মনত এনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব কিয়?

মই এদিন কি আছিলো। এতিয়া কি হলো আৰু ভৱিষ্যতে কি হম এইবোৰ ভাবিলে

মোৰ মনটো কিবা লাগে। এই কথাবোৰ ভাবিলে মই শিল পৰা কপৌৰ দৰে হওঁ। মা-দেউতাই মোৰ এই অস্বাভাবিকতা লক্ষ্য নকৰে। কাৰণ মই কিবা কথা চিন্তা কৰা দেখিলে মাহঁতে মোক শান্ত ছোৱালী বুলিয়েই ভাবে। কাৰণ মা-দেউতা আগৰ দিনৰ মানুহ। মোৰ দৰে লৰা-ছোৱালীৰ মনৰ মাজলৈ সোমাই যাব পৰা শক্তি মাহঁতৰ নাই।

মোৰ দেউতা আছিল এজন সাধাৰণ খেতিয়ক। খেতি কৰি যি পাইছিল তাৰে ছমাহহে খাবলৈ জুৰিছিল। বাকী কেইমাহ কেনেকৈ পাৰ হৈছিল এতিয়া কল্পনা কৰিব নোৱাৰো। মোৰ ভণ্টী আছিল দুজনী। ডাঙৰ ভণ্টী মোতকৈ প্ৰায় তিনিবছৰ মানৰ সৰু। তাৰ পিছৰ ভণ্টী মোতকৈ প্ৰায় পাঁচ বছৰ মানৰ সৰু আছিল। আমাৰ ঘৰত খোৱা-বোৱাৰ কাৰণেই প্ৰায়েই মাৰ লগত দেউতাৰ কাজিয়া লাগিছিল। মই অলপ ডাঙৰ হৈ ভাল ধৰণে পঢ়-শুনা কৰিছিলো। ঘৰৰ দৰিদ্ৰতাৰ কাৰণেই মই সকলো ক্ষেত্ৰতে জেদী আছিলো। কাৰণ মই বুজি উঠিছিলো যে দৰিদ্ৰতা ভীষণ কষ্টকৰ। দৰিদ্ৰক সকলোৱে অবহেলাৰ চকুৰে চায়। দৰিদ্ৰই সকলোৰে মনত অবজ্ঞা আৰু বিষমতাৰ সঞ্চাৰ কৰে। আমাৰ ক্ষেত্ৰতো তেনে হৈছিল। আমাৰ দৰিদ্ৰতাৰ কাৰণেই আত্মীয়-স্বজন সকলোৱে আমাক অবজ্ঞাৰ চকুৰে চাইছিল। ক্ৰমে মই ডাঙৰ হৈ অহাত এই অবজ্ঞা আৰু অবহেলাৰ কথা জানিব পাৰিছিলো। ভিতৰি ভিতৰি মই ভাগি পৰিছিলো। কিন্তু ক্ৰমে মোৰ এই ভাগি পৰা মনত এক আচৰিত ধৰণৰ জেদে ঠাই লৈছিল আৰু এই জেদী স্বভাৱৰ কাৰণেই মই পঢ়া-শুনা সামান্য ভাবে কৰি সমাজৰ আগত নিজকে অক্ষম নহয় বুলি পৰিচয় দিব পাৰিছিলো।

মই বুজি পাইছিলো মোৰ দৰিদ্ৰতাই স্কুল-কলেজত বন্ধু-বান্ধৱীৰ লগত মিলনত প্ৰতিবন্ধকতা কৰিছিল। কলেজত সকলোৱে মোক পুতৌ লগাকৈ চাইছিল। সিহঁতৰ দৰে যৌৱনৰ আনন্দত মই নিজকে উটুৱাই দিব পৰা নাছিলো। মোৰ এই অৱস্থা কোনেও ভাল পোৱা নাছিল। নানা জনে নানা ধৰণৰ নাম দি জোকাইছিল। ফলত মই পঢ়াতেই লাগি আছিলো। মোৰ জেদ দুগুণে বাঢ়িছিল। জীৱন সংগ্ৰামত মই জয়ী হবই লাগিব। আৰু এসময়ত মই সম্পূৰ্ণকৈ নহলেও অলপ মান জয়ী হৈছিলো। কলেজৰ প্ৰাকবিশ্ববিদ্যালয়ৰ পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ ঘৰুৱা অবস্থাৰ কাৰণে পঢ়া-শুনাব যতি পেলাব লগীয়া হৈছিল।

মই অষ্টমমান শ্ৰেণীৰ পৰাই লৰা-ছোৱালী পঢ়ুৱাইছিলো। আমাৰ ঘৰৰ আগত থকা বাৰাণ্ডাখনতে মই ওচৰৰ লৰা-ছোৱালীবোৰক টিউশ্যন লৈছিলো। আৰু তাৰে যি পইচা পাইছিলো নিজৰ খৰচ উলিওৱাৰ উপৰিও মোৰ ভণ্টী দুজনীক পঢ়ুৱাইছিলো। মই টিউশ্যন লওঁতে শৰীৰৰ খুব কষ্ট হৈছিল। মোৰ স্বাস্থ্য সৰুৰে পৰা বেয়া আছিল। অলপ কষ্ট কৰিলেই ভাগৰি পৰিছিলো। এইদৰে মই অত্যন্ত কষ্ট সহ্য কৰি তৃতীয় বিভাগত মেট্ৰিক পাছ কৰিছিলো। মোৰ ৰিজাল্ট অনাৰ দিনা মা-দেউতাই খুব আনন্দ কৰিছিল। পাছ কৰাৰ পিছত দেউতাই যেনে তেনে নাম লগাই দিছিল



আমাৰ ঘৰৰ ওচৰতে থকা এখন কলেজত। মই কিন্তু তেতিয়াও টিউশ্যন লবলৈ এৰা নাছিলো। মোৰ টিউশ্যনৰ পইচাৰে কলেজত ফিজ্ দিবলৈহে জুৰিছিল। ফলত মই দুবেলা টিউশ্যন লব লগাত পৰিছিলো। টিউশ্যন লওতে মোৰ এমাহ কেতিয়া হয় কেতিয়া হয় লাগিছিল। লৰা-ছোৱালীয়ে কি মন দিছিল, কি নিদিছিল তালৈ মই মন দিবলৈ আহৰি নাপাইছিলো। ঘৰৰ অভাৱৰ বাবেই মোৰ এনেকুৱা হৈছিল। মাহেকৰ পইচাখিনি পোৱালৈহে মই বাট চাই থাকো। এনেকৈ সেই দিনবোৰ গতানুগতিক হিচাপে পাৰ হৈ গৈছিল।

জীৱনৰ নানা ঘাত-প্ৰতিঘাতৰ মাজত মই উপলব্ধি কৰিছিলো সকলোৰে বাবে সকলো মানুহ সমান প্ৰয়োজনীয় নহয়। আনকি বাধ্যত পৰিলে একান্ত প্ৰয়োজনীয় মানুহো অপ্ৰয়োজনীয় হৈ পৰে। মই টিউশ্যন লোৱা ছোৱালীবিলাকৰ মাজতে এজনী ছোৱালী আছিল, নাম ৰুণিমা। ধনী মানুহৰ ঘৰৰ ছোৱালী। ডাঙৰ মানুহৰ ঘৰত ডাঙৰ হোৱা ৰুণিমাৰ শৈশৱ কাল যেন আমাৰ পৰা পৃথক আছিল। এৰা ৰুণিমাই মাক-দেউতাকক মামী আৰু পাপা বুলিহে সম্বোধন কৰিছিল। মই ৰুণিমাক ঘৰত গৈহে টিউশ্যন লৈছিলো। মই টিউশ্যন লওতেই ৰুণিমাৰ ককায়েকৰ লগত মোৰ এটা বুজা-পৰা হৈছিল। ইয়াৰ বাবে কিন্তু দায়ী মই নাছিলো। দায়ী আছিল ৰুণিমাৰ ককায়েকহে। মই ৰুণিমাক পঢ়াই থাকিলে প্ৰায়েই সি মোৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল। সেয়ে মই টিউশ্যন লোৱাৰ সময়ত সি প্ৰয়োজনতকৈ অধিক জোতাৰ শব্দ কৰি বাৰাণ্ডাইদি অহা-যোৱা কৰিছিল। প্ৰথমতে মই এইবোৰ মন কৰা নাছিলো। কিন্তু শেষত মোৰ প্ৰতি যে তাৰ দুৰ্বলতা আছে তাক ধৰিব পাৰিছিলো। মোৰ প্ৰথমতে ভয় লাগিছিল। মোক এমাহৰ পইচা দিবৰ সময়ত সি একেলগে তিনিমাহৰ লৈ যোৱা ইত্যাদি নানা ধৰণৰ কথা কৈছিল। ধনী মানুহৰ ঘৰৰ লৰা। মাকহঁতে এইবোৰ জানিলে কি হব, এইবোৰ ভাব মনলৈ আহিছিল। কিন্তু শেষত মই এইবোৰ ভাব মনৰ পৰা আঁতৰাই পেলাব পাৰিছিলো। মই পঢ়াই থাকিলে সি প্ৰায়েই আহি ৰুণিমাক ভালদৰে পঢ়িবি, বাইদেৱে যি দিয়ে তাকে কৰিবি⋯ইত্যাদি নানা ধৰণৰ কথা কৈ মোৰ লগত কথা পতাৰ সময় উলিয়াইছিল। আৰু এটা সময়ত আমি দুয়ো দুয়োৰে প্ৰতি আকৰ্ষিত হৈ পৰিছিলো। এদিন সি মোক তাৰ গাড়ীত তুলি ফুৰাবলৈও নিছিল। লগত অৱশ্যে ৰুণিমাকো নিছিল। আমি সেইদিনা বহুত কথা পাতিছিলো। ৰুণিমাই এইবোৰ একো কথা বুজা নাছিল। সি মোক তাৰ জীৱনৰ নানা ঘাত-প্ৰতিঘাতৰ কথা কৈছিল। সেইবোৰ এতিয়া মোৰ মনত নাই। ময়ো মোৰ দুৰ্ভগীয়া জীৱনৰ কথা কৈছিলো। সি মোক বিয়া কৰাম বুলিও কথা দিছিল।

ধুনীয়া গোলাপৰ আঁৰতো যে বিষাক্ত সাপ লুকাই থাকে তাক মই ধৰিবই পৰা নাছিলো। মোৰ ক্ষেত্ৰতো তেনে হৈছিল। মোৰ এই জীৱনৰ আঁৰতো যে নিৰাশা লুকাই আছিল তাক ধৰিব পৰা নাছিলো। কলেজৰ প্ৰথম বাৰ্ষিকত উঠিয়েই দুইবেলা টিউশ্যন কৰাৰ

কাৰণে মোৰ বৰ কষ্ট হৈছিল। আবেলি আবেলি প্ৰায়েই মোৰ জ্বৰ উঠিছিল। মা-দেউতাক কলে টিউশ্যন বন্ধ কৰি দিবলৈ কব বুলি জ্বৰৰ কথা কোৱা নাছিলো। কিন্তু সত্য কেতিয়াও লুকাই নাথাকে। দিনে দিনে মোৰ স্বাস্থ্যৰ অৱনতি দেখি মাহঁতে মোৰ কিবা এটা হৈছে বুলি গম পাইছিল। ডাক্তৰক দেখুৱাত মোৰ টি, বি, হোৱা বুলি কলে। টি, বি আজি-কালি সামান্য বেমাৰ। মোৰ ক্ষেত্ৰতো তেনে হৈছিল। মোৰ এই সামান্য বেমাৰটো ভাল হৈছিল। কিন্তু এই বেমাৰটো ভাল হবলৈ সম্পূৰ্ণ এবছৰ লাগিছিল। ইতিমধ্যে মোৰ বেমাৰৰ কথা সকলোৱে গম পাই গৈছিল। খবৰ পাই ৰুণিমা, মাক আৰু ককায়েক আহিছিল। সিহঁতে সেই দিনা মোৰ লগত বহুত সময় ধৰি কথা পাতিছিল। ৰুণিমাৰ ককায়েক সেইদিনা বহুত গহীন হৈ পৰিছিল। মই বেমাৰী অৱস্থাৰেই কথাৰ মাজে মাজে এটা সেমেকা হাঁহি মাৰিছিলো। সি কিন্তু হঁহা নাছিল। মই ভাবিছিলো মোৰ অসুখৰ কাৰণেই তাৰ এনে পৰিবৰ্ত্তন। এটা সময়ত মোৰ অসুখ ভাল হৈছিল। ডাক্তৰৰ কথা মতে এবছৰ জিৰণি লৈ প্ৰাক-বিশ্ববিদ্যালয়ৰ পৰীক্ষা দি দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিলো। খবৰটো ৰুণিমাৰ ককায়েককো জনাইছিলো। তেতিয়া সি চাকৰিৰ কাৰণে চিন্তা কৰিবলৈ কৈছিল আৰু কৈছিল—"তোমাৰ এইটো অসুখ হোৱাৰ পিছত কাকো পঢ়াব নালাগে।" তাৰ উপদেশ শুনি সেইদিনা মোৰ ভাল লাগিছিল। যাহওক সি মোক পাহৰা নাই।

ইয়াৰ কেইদিনমানৰ পাছত সি মোক তাৰ বিয়া বুলি জনালে। মই উচপ খাই উঠিছিলো। সি কওঁ নকওঁকৈ কৈছিল। "এইবোৰৰ বাবে মোৰ গাত অকণো দোষ নাই। তোমাৰ বেমাৰৰ বাবেই মই এনেকুৱা কৰিব লগা হল। এতিয়া জানি শুনি এনেকুৱা কৰিলে পিছত সন্তানবো ... ...।" আৰু কি কব বুজিবলৈ মোৰ বাকী নাছিল। খং, লাজ আৰু হতাশাত মই তাৰ ওচৰৰ পৰা আঁতৰি আহিছিলো। কোনেও নেদেখাকৈ মই সেইদিনা কান্দিছিলো। তাৰ বাহিৰে মোৰ আৰু অন্য উপায় নাছিল।

তাৰ পিছত টিউশ্যন বাদ দি এই চাকৰিটো পালো। তাৰেই মোৰ ভনী দুজনীক বিয়া দি দিছো। মোৰো বেমাৰ ভাল হ'ল বুলি ডাক্তৰে চাৰ্টিফিকেট দিছে। তেনেহ'লে মোক কোনেও সুস্থ বুলি বিশ্বাস নকৰে কিয়? বেমাৰ ভাল হোৱাৰ পাছত ৰুণিমাৰ ককায়েকে কিয় মোক টিউশ্যন এৰি দিবলৈ কৈছিল? কিয়, মোৰ বেমাৰটো ৰুনিমাৰ গা'ল গলহেতেন নেকি বাৰু? এৰা, সেই কাৰণেই বিয়া কৰোৱাৰ পিছত আমাৰ লৰা-ছোৱালীবিলাকৰো হ'লহেতেন। কিন্তু ডাক্তৰৰ চাৰ্টিফিকেটখন মিছা নেকি? নে মোৰ শৰীৰৰ ক্ষয়ৰোগ গ'ল, কিন্তু তোমালোকৰ মনত ক্ষয়ৰোগে বাঁহ লৈ ক্ৰমান্বয়ে শিপাই পেলাইছে।

বহুতৰে মতে জীৱনটো মূল্যবান। মোৰ এই মূল্যবান জীৱনটো সদব্যৱহাৰ কৰিবলৈ মই নিজে নাজানিলো নে মাহঁতে নিশিকালে। এতিয়া সমাজৰ কাৰণে মোৰ জীৱনটো মূল্যহীন। সেয়ে বাটত যাওঁতে তিনিআলিৰ মূৰত থকা দোকানখনৰ পৰা ল'ৰাকেইটাই জানি-শুনিয়েই ট্ৰেজেদি, ট্ৰেজেদি বুলি ইতিকিং কৰে। মোৰ দুখ-যান্ত্ৰনা সকলো মোৰ কাৰণে আৰু এইবাৰ একান্ত নীৰৱে মোৰ মনৰ মাজতে থাকক।

ৰাতিপুৱাবলৈ বেছি সময় নাই। ৰাতিপুৱা হলেই আকৌ ভাগিনৰ উৎপাত। কামৰ হেচা, ভনী দুজনীৰ লগত ভাল-বেয়াৰ কথা এই সকলোবোৰ অসহ্য। কাহিলি পুৱাৰ পোহৰত কালিলৈ মোৰ চকুৰ আগত এই পৃথিৱী খনেই আকৌ উদ্ভাসিত হব। মা-দেউতা, ৰুমি ৰুমাই এতিয়াও সাৰ পোৱা নাই টেবুলৰ লেম-টো ক'লা হৈ গোটেইখন অন্ধকাৰ হৈ পৰিছে। জ্বলা-নজ্বলা সমান। তগৰ ফুলৰ মিঠা গোন্ধটো বলৈ আহিছে। এতিয়া মিঠা গোন্ধটোৱে মোক অকনো ভাল লগাব পৰা নাই। নাহৰ গছৰ চৰাই হাল পাখি জোকাৰি জোকাৰি ওলাই আহিছে। পোৱালি দুটাই মাতিছে সম্ভৱ টোপ খাবৰ হৈছে। পুৱাৰ সেমেকা বতাহজাক খিড়িকীৰে সোমাই মোৰ গাত মৃদু কঁপনি তুলিছে।

পূৱৰ আকাশখন পাতল ৰঙচুৱা হৈ আহিছে। আকাশত অ'ত ত'ত দুই এচপৰা মেঘ ওলমি আছে। পুৱাৰ পোহৰ মেঘত পৰি বিস্তাৰিত হৈছে। তৰাবোৰ লাহে লাহে আঁতৰি গৈছে। জোনবাইটো মেঘৰ আঁৰত লুকাই পৰিছে। মোৰ ভয় লাগিছে। পুৱাৰ হেঙুলি বেলিটোৱে যেন লাহে লাহে এডাল প্ৰকাণ্ড ফেটি সাপ হৈ মোক দংশন কৰিবলৈ আগবাঢ়ি আহিছে। মই যেন এটা বন্ধ কাৰাগাৰত সোমাই থকা অনিদ্ৰিত প্ৰহৰী। কাকো মাতি চিঞৰিলেও মই যেন সহাৰি নেপাম। পুৱাৰ পোহৰ মোক নেলাগে। তাতকৈ আজিৰ এই ৰাতিটোৱেই ভাল।

এৰা, আজিৰ এই অনিন্দ্য সুন্দৰ ৰাতিটোৰ বুকুতে যদি মই গোটেই জীৱন কটাব পাৰিলোহেঁতেন!

"যি জাতিয়ে নিজৰ অতীত ইতিহাস আৰু সাহিত্যত গৌৰৱ অনুভৱ নকৰে, সি তাৰ জাতীয় চৰিত্ৰৰ আধাৰ শিলাকে হেৰুৱাই পেলায়।

মেক্সমুলাৰ।

# হাঁহি

শ্ৰীৰুমী লস্কৰ
স্নাতক ঃ দ্বিতীয় বাৰ্ষিক

পাতল নীলা ৰঙৰ মাৰুতি কাৰখনত তাই স্বামীৰ সৈতে এনেয়ে এপাক সদায় ফুৰাটো যেন অভ্যাসতেই পৰিণত হৈ পৰিছে। গাড়ীৰ পৰাই তাই চাই পঠিয়ায় অচিন মানুহৰ বিভিন্ন ৰূপবোৰ ……। মুখত ইচ্ছাৰ বিৰোদ্ধে মৰা এটা হাঁহি অনবৰত অৱশ্যে থাকেই। এই যে হঁাহিটো, হয়তো নাথাকিলহেঁতেন যদিহে তাই আজি অজস্ৰ সম্পত্তিৰ মালিকনী নহ'লহেঁতেন নিজৰ মাৰুতি কাৰত সদায় উঠিবলৈ নাপালেহেঁতেন। তাই ভাৱে, বহুত দিনৰ আগতে তাইতো আজিৰ এনে অৱস্থাৰ কথা সপোনতো ভবা নাছিল। কলেজীয়া অৱস্থাত তাইৰ ঘৰৰ আৰ্থিক অনাটনৰ বাবে কিমানেই যে কষ্ট নকৰিলে ……। তাই ভাবে…… আৰু এই মানুহজন, তাইৰ কাষত থকা তাইৰ স্বামী নীলাভ বৰুৱাৰ লগতে কেৱল গাড়ীত উঠা, ক্লাবলৈ যোৱা, একেলগে চিনেমা চোৱা, এইখিনি সময়ৰ বাদে তাইৰ নীলাভক খুব বেছি কাষত নাপায়। তাইৰ মনত পৰে বহুদিনৰ আগতে তাই কলেজৰ পৰা খোজকাঢ়ি আহি থাকোতে কাষেদি পাৰ হৈ যোৱা এখন সেউজীয়া ৰঙৰ টেক্সিত এগৰাকী সম্ভ্ৰান্ত ঘৰৰ যেন লগা মহিলাই এনেয়ে ক'তো দৃষ্টি নিবদ্ধ নকৰাকৈ মৰা হাঁহিটো ……। তেনেকুৱা হঁাহি মাৰি যোৱা মহিলা তাই তেনেধৰণৰ গাড়ীত অহা-যোৱা কৰা বহুতো দেখিছে। সেইবোৰ বেলেগ ধৰণৰ হঁাহি, তাত হয়তোবা লুকাই থাকে আভিজাত্য, আত্মগৌৰৱ, নিজকে সুখী বুলি পৰিচয় দিয়া এটা সংগোপন বাসনা। ক'ৰবাত কোৱা শুনিছিল তাই …… "নিজৰ গাড়ীত উঠিলে হেনো তেনেকৈ হঁাহি যোৱাটো ভাল।" তাই নিজৰ ৰূপৰ বাবে মাজে মাজে কোনোবাই প্ৰশংসা কৰিলে বৰ গৌৰববোধ কৰিছিল। তাই নিজেও ভাবে তাইৰ ৰূপটো নথকাহেতেন, যেনেকৈ নহওক কলেজৰ ডিগ্ৰীটো নথকাহেঁতেন জানো আজি নীলাভৰ দৰে স্বামী পালেহেঁতেন। তাই নীলাভলৈ চালে, মনোযোগেৰে ষ্টিয়াৰিঙত হাত ফুৰাই আছে। সম্পৰ্কীয় মামাক এজনে তাইৰ বিয়াখন ঠিক কৰি দিছিল। ঘৰৰ আৰ্থিক অনাটনৰ বাবে তাইৰ মাক-দেউতাকৰ বিয়া দিব পৰা ক্ষমতা নাছিল। মাক-দেউতাকে ভালেই পাইছিল, ইমান সম্পত্তিৰ অধিকাৰী এনে এজন ব্যক্তিক নিজৰ জীয়েকক গতাবলৈ পাই। সেয়ে বিয়াৰ আগতে যদিও তাইৰ মামাকে কৈছিল— "ল'ৰাটোৰে মাজে মাজে এটুপি খাবে," মাক-দেউতাকে গুৰুত্ব দিয়া নাছিল, আনকি তাইয়ো নিদিলে। ঠিকাদাৰী মানুহ, তাতে ইমান টকা! অকনমান চখ কৰিবই। নহলে আজিৰ দিনত এনে সুপাত্ৰ এৰি দিয়াটো মূৰ্খামি। নীলাভক তাই প্ৰথম দেখাতে মুগ্ধ হৈছিল। তাই কল্পনা কৰিছিল; বিয়াৰ পিছত বাৰু নীলাভৰ লগত একেলগে গাড়ীত উঠি গলে তাই আগতে দেখা সেই বিভিন্ন ৰঙৰ গাড়ীবোৰত যোৱা ধুনীয়া ধুনীয়া মহিলাবোৰৰ নিচিনা লাগিবনে? তাই সেই বিশেষ অৰ্থৰ হাঁহিটো মাৰিব পাৰিবনে? কিয় নোৱাৰিব—পাৰিব। তাই নিজেই ভাৱে, তাইতো ধুনীয়া, পঢ়া-শুনা কৰা ছোৱালী, নীলাভে প্ৰথম দৰ্শনতে ভোল গৈছে। ঘৰৰ অমতত বিয়া পাতিবলৈ ওলাইছে……। তাই ভাৱে, তাইৰ কলেজীয়া বান্ধৱী কেইগৰাকীৰ কথা, ৰূপালী, জিন্টি, জোনা……অভিজাত্যৰ গৌৰৱত ওফন্দি সিহঁতে তাইক গন্যাই নকৰিছিল। নীলাভৰ লগত বিয়া হৈ যোৱাৰ পিছত তাই নীলাভৰ সৈতে সিহঁত কেইজনীৰ ঘৰলৈ যাব। বান্ধৱী হিচাবে ফুৰিবলৈ নহয়, এতিয়া সিহঁতৰ প্ৰতিক্ৰিয়া চাবলৈ। তাইও এতিয়া অজস্ৰ সম্পত্তিৰ অধিকাৰী, সুদৰ্শন ঠিকাদাৰৰ পত্নী। তাই ভাবিছিল এইবোৰ তাইৰ বিয়াৰ আগৰ কল্পনা। অৱশ্যে তাই এতিয়া তাকে কৰি গৈছে। বিয়াৰ পাছত তাই নীলাভৰ সৈতে নিজৰ গাড়ীত উঠি যেতিয়া তাইৰ বান্ধৱীহঁতৰ ঘৰলৈ গৈছিল; তেতিয়া তাই আত্ম গৌৰৱত গৌৰৱী হৈ গৈছিল……। সিহঁতৰ চাগৈ মনে মনে ঈৰ্ষা হৈছিল……। হলে হওঁক……বাঃ কি সম্ভাষণ……আৰে। তুমি? গাড়ীৰ পৰা নমাৰ লগে লগেই তাইক আগবঢ়াই নিছিল। তাইৰ আপাদমস্তক লক্ষ্য কৰিছিল। তাই জানিছিল তাইৰ দামী সাজযোৰ, দামী গহনাবোৰেই বান্ধৱীবোৰক আকৰ্ষিত কৰিছিল। তাই নিজেও জানো আগতে এনেকুৱা নাছিল। নিশ্চয় আছিল। তাই তন্ময় হৈ পৰিছিল, মুখৰ হাঁহিটো কব নোৱাৰাকৈয়ে মাৰ গৈছিল। অৱচেতন মনত তাইৰ বহুতো পোৱাৰ কামনা গুপুতে জমা হৈ গৈছিল। তাইৰ ধুনীয়া দেহাটোৰ ধুনীয়া চকুযোৰ কিবা নতুন পোৱাৰ উন্মাদনাত তিৰবিৰাই উঠিছিল। এৰা, তাই আশা কৰাৰ দৰেই এজন স্বামী পালে-ধনে-ধানে ভৰপূৰ অজস্ৰ সম্পত্তি মালিক হিচাবে। বিয়াৰ প্ৰথম নিশা একোচা গধুৰ চাবিৰে শাহুয়েকে তাইক গোটেই ঘৰখনৰ বহুবোৰ তলাৰ মালিকনী পাতিলে। কিন্তু তাই বিচৰা সকলোবোৰ আশা, কেইটামান গডৰেজ, লকত আৰু ডাঙৰ ঘৰটোৰ সম্পদ আৰু ধুনীয়া মাৰুতিতহে সীমাবদ্ধ থাকিব লগা হ'ল। এৰা, তাইতো কুমাৰী জীৱনত ইমানকে কামনা কৰিছিল। তাই সুখী হ'ব লাগিছিল তাই হঁাহিব পাৰিব লাগিছিল। কিয়, এয়া নীলাভ কাষত থাকোতেও এটা হঁাহি জোৰেৰে মুখলৈ ফুটাই আনিবলৈ তাই কষ্টসাধ্য চেষ্টা কৰিব লগা হ'ল।

শাহুৱেকে বিয়াৰ নিশা দিয়া চাবিকোচাত এটা চাবি দিবলৈ পাহৰিলে কিয়? কোনটো তলা খুলি নীলাভৰ মনৰ মনিকোঠাত সোমাব পাৰিব তাকে ভাবি তাই সীমাহীন ভাৱনাত ডুব যায়। এখন মাৰুতি কাৰ—দুজন যাত্ৰী

আৰোহী। দুটা সমান্তৰাল ভাবে গতি কৰা মন।

চহৰৰ মাজেৰে তাইৰ গাড়ীখন আগুৱাই গৈ আছিল। নীলাভে বাৰু কি ভাবি গৈ আছে..... ? যি ভাবে ভাবক..... তাই পুনৰ স্বভাবগত হাঁহিটো ওঠলৈ আনি বাহিৰলৈ চাই পঠিয়ালে। নিজৰ গাড়ীত উঠি মন মাৰি গলে ভাল নেদেখি। ভদ্ৰ মানুহক দেখুৱাই তাই যিমানে পাৰে ওঠ দুটা টিপি ৰাখি দাঁত নুলিয়াই হাঁহিবলৈ চেষ্টা কৰিলে। ●

"কৰ্মই উপাসনা, হাঁহিয়ে জীৱন। যি জীৱনত সুখ আৰু দুখ দুয়োকে হৰ্ষ মনে গ্ৰহণ কৰিব জানে, । তেওঁহে জীৱনৰ সৌন্দৰ্য্য ভোগ কৰিব পাৰে।"

—চৰ্দাৰ পেটেল

"কম বেছি পৰিমানে আমি সকলোৱে স্বপ্ন বিলাসী। অথচ যি কোনো আঘাট বা শোক পালেই মিছাকৈয়ে আমি বৰ বেছি বাস্তৱ হবলৈ যাওঁ আৰু তেতিয়াই আৰম্ভ হয় সংঘাতৰ— ।


—মেক.নিছ

"নিজৰ কাৰণে একোৱেই নিবিচাৰিবা। সকলোকেই প্ৰাণভৰি ভাল পোৱাই মনুষ্য বিকাশৰ ৰাজপথ।"

—বিবেকানন্দ



ক্ষন্তেক
মুখামুখি হওঁ
ব্যক্তিৰ ব্যক্তিত্বৰ স'তে।



# প্ৰ শ্নো ত্ত ৰ

**অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কে পণ্ডিতপ্ৰবৰ ড° মহেশ্বৰ নেওগদেৱলৈ কেইটামান প্ৰশ্ন আগ বঢ়াইছিলোঁ। প্ৰশ্ন-কেইটাৰ লগতে তেখেতৰ উত্তৰ ডাঙি ধৰা হ'ল।**

## আমাৰ প্ৰশ্ন ঃ

১। বৰ্ত্তমান কালত অসমীয়া ভাষা-সাহিত্য বিষয়ৰ অধ্যাপনাৰ মান-দণ্ড নিম্নগামী হৈছে বুলি বহুতেই ক'ব খোজে। মহাবিদ্যালয়, বিশ্ববিদ্যা-লয়ৰ অসমীয়া বিষয়ৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলো বৰ সন্তোষজনক নহয়। এই বিষয়ে আপোনাৰ বক্তব্য কি ?

২। এটা অনুষ্ঠানে সাধাৰণতে যিমান পৰিমাণৰ কাম সম্পন্ন কৰিব পাৰে, আপুনি নিজে ব্যক্তিগতভাবে তাতোকৈ বেছি কাম কৰিছে বুলি আমি ভাবোঁ। এই কামখিনি কৰাৰ ক্ষেত্ৰত আপুনি ক'ৰপৰা প্ৰেৰণা পাইছে ?

৩। আপুনি যিবোৰ কাম এতিয়ালৈকে সম্পন্ন কৰিলে, এই কামবোৰ কৰোতে কেনে ধৰণৰ সমস্যাৰ সন্মুখীন হৈছে ?

৪। এজন প্ৰাচ্যতত্ত্ববিদ হিচাবে বা অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ এজন সুদক্ষ গৱেষক হিচাবে আমাৰ ভাষা-সাহিত্য-সংস্কৃতিলৈ বা জাতীয় জীৱনলৈ আপুনি যিখিনি বৰঙণি আগবঢ়ালে, তাৰবাবে অসম সাহিত্য সভাই আপোনাক 'সদস্য মহীয়ান' উপাধি প্ৰদান কৰাত আমি অতিশয় আনন্দিত হৈছোঁ। এই ক্ষেত্ৰত আপোনাৰ মনৰ প্ৰতিক্ৰিয়া জনাবনে ?

৫। আপুনি লিখা-পঢ়া কৰাৰ নিৰ্দ্ধাৰিত কিবা সূচী বা নীতি আছে নেকি ? আছে যদি অনুগ্ৰহ কৰি আমাক জনাব নেকি ?

৬। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সৌধ পূৰ্ণকৈ নিৰ্মাণ কৰিবলৈ আজিৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী বা সাধাৰণ পঢ়ুৱৈসকলৰ কৰ্ত্তব্য ও দায়িত্বৰ বিষয়ে আপোনাৰ মতামত কি ?

৭। বৰ্ত্তমান অসমীয়া ভাষাত বিভিন্ন কাকত-আলোচনীৰ বৃদ্ধি হৈছে। কাকত-আলোচনীৰ সংখ্যা বৃদ্ধিয়ে আমাৰ ভাষা-সাহিত্যৰ কিমান দূৰ উন্নতি সাধিব পাৰিছে ? বিশেষকৈ নিম্ন মানদণ্ডৰ আলোচনীসমূহে কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে বুলি আপুনি ভাবে ?

আমাৰ প্ৰশ্ন ঃ

৮। আজি-কালি ডক্টৰেট ( পি. এইচ, দি ) উপাধি পোৱা লোকৰ সংখ্যা বহুত বাঢ়িছে। কিন্তু অসমীয়া ভাষা-সাংস্কৃতিৰ ক্ষেত্ৰত অসমত প্ৰকৃতাৰ্থত গৱেষণা হৈছে বুলি আপুনি ভাবেনে ? উল্লিখিত বিষয়সমূহত আমাৰ গৱেষকসকলে কেনে ধৰণৰ সুবিধা বা অসুবিধাৰ সন্মুখীন হয় ? তেনেবোৰ অসুবিধা আতঁৰোৱাৰ উপায় কি ?

## ড° মহেশ্বৰ নেওগৰ উত্তৰ ঃ

১। আজি-কালি বিশ্ববিদ্যালয় আৰু আন শিক্ষা অনুষ্ঠানৰ দ্বাৰা পৰিচালিত পৰীক্ষাৰ ফলাফল লক্ষ্য কৰিলে এইটো স্বীকাৰ কৰিব লাগিবই যে অসমীয়া বিষয়ৰ শিক্ষাৰ মানদণ্ড তললৈ গৈছে। এই বিষয়ত শিক্ষকসকলে গম্ভীৰভাৱে চিন্তা কৰিব লাগিব আৰু কেনেকৈ শিক্ষকৰ মানদণ্ড বঢ়াব পাৰে তাৰ উপায় উদ্ভাৱন কৰিব লাগিব। ন'হলে আমাৰ পৰিত্ৰাণৰ উপায় নহ'ব।

২। মোক প্ৰশংসা কৰাৰ বাবে ধন্যবাদ জনাইছোঁ, কেনে অনুপ্ৰেৰণাৰ পৰা মই কাম কৰিছিলোঁ সেইটো বিশ্লেষণ কৰি চালেহে নিজেই গম পাম। বোধকৰোঁ আমাৰ দেশৰ মহান সাহিত্যিক আৰু পণ্ডিতসকলৰ আদৰ্শই মোক কামলৈ উদ্‌গাইছিল। তদুপৰি মনৰ মাজত হয়তো জ্ঞানৰ স্পৃহা এটা লুকাই আছিল যিটোৱে মোক নানা বিষয়লৈ টানি নিছিল।

৩। আজি কোনো সমস্যাৰ কথা মনত নপৰে ; কিন্তু সমস্যা নিশ্চয় আছিল, কাৰণ গুৱাহাটীৰ নিচিনা ভাৰতৰ আওহতীয়া ঠাইত বহি বিশেষকৈ গৱেষণাৰ কাম কৰাটো দুৰূহ। কলিকতাৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ আৰু পুনাৰ 'ভাণ্ডাৰকৰ অৰিয়েণ্টেল ৰিচ'ছ ইন্‌ষ্টিটিউত' আদিৰ পৰা কিতাপ ধাৰে অনাৰ পৰা অসমৰ চুকে-কোণে লুকাই থকা সাঁচিপতীয়া পুথিলৈকে সকলো সংগ্ৰহ কৰিব লগীয়া হৈছিল। এনে কাম অলপ কষ্টকৰ হ'লেও তাৰ প্ৰতি বিমুখ হোৱা হ'লে মোৰ যাই কামেই আগ নাবাঢ়িলেহেঁতেন।

৪। অঃ সঃ সভাই 'সদস্য মহীয়ান' ৰূপে বৰণ কৰাত অতিশয় গৌৰৱান্বিত হৈছোঁ। মোক এই সন্মান সভাই দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকল আনন্দিত হোৱাত ময়ো পুনৰ মহৎ আনন্দ লাভ কৰিছোঁ।



৫। মোৰ কোনো নিৰ্দ্ধাৰিত কাৰ্য্যসূচী নাই। কিন্তু যেতিয়া আৱশ্যক অনুভৱ কৰোঁ, দিনে বা ৰাতিয়ে বা যিকোনো সময়তে সেই কামত লাগি যাওঁ। কেতিয়াবা ভাগৰ জুৰণিৰ বাবে চিন্তা নাথাকে। একাষাৰতে কবলৈ গলে মোৰ মনটো সকলো সময়তে প্ৰস্তুত থাকে। কিন্তু "Midnight oil" পোৰাৰ অভ্যাস হ'লে মোৰ নাই।

৬। এই প্ৰশ্নৰ উত্তৰ ওপৰত দিছোঁৱেই। অৱশ্যে, শিক্ষকসকলক মোৰ উত্তৰৰ ভিতৰত ধৰা নাই। কিন্তু সিসকলক মোৰ উত্তৰে সামৰিব পাৰে, কাৰণ অধ্যয়ন শিক্ষকসকলৰো ধৰ্ম। আৰু সেই সকলেই অসমীয়া সাহিত্যৰ 'সৌধ' নিৰ্মাণৰ প্ৰযত্ন কৰিব লাগিব।

৭। এই প্ৰশ্নৰ বিষয়েও মই ওপৰতে চমুকৈ আলোচনা কৰিছোঁ। তাক আৰু নোদোহাৰোঁ। কামৰূপ সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনত মই এনেবোৰ প্ৰশ্ন আলোচনা কৰিছিলোঁ।

৮। ডক্টৰেক্ট উপাধিৰ পণ্ডিতৰ সংখ্যা যদিও বহুত হৈছে এইটো কথা ঠিক যে সেইসকল সকলো ড° বাণীকান্ত কাকতি নহয়। অৱশ্যে পণ্ডিত ভেদে "থেচিছৰ" Thesis গুণৰ তাৰতম্য হোৱাটো স্বাভাৱিক, আৰু সকলো বিশ্ববিদ্যালয়তে এনে কিছু 'থেচিছ' ওলাব, যিবিলাক প্ৰকাশৰ যোগ্য বুলি পৰীক্ষক সকলেই মন্তব্য প্ৰকাশ কৰে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত গৱেষণা পৰ্য্যাপ্ত হৈছে বুলি কব নোৱাৰি। এইবোৰ বিষয়ত আৰু বহুতো গৱেষণা কৰ্মীৰ প্ৰয়োজন। ০০

"আজিৰ আমাৰ খাদ্য, সাজ-পাৰ, উছৱবোৰ, ধৰ্ম-সম্পৃক্ত কৰ্মবোৰে কেনেকৈ নিজৰ ৰং হেৰুৱাই গৈ আছে, মন কৰিছেনে ? আমাৰ ভাষাইবা নিজত্ব হেৰুৱাবৰ উপক্ৰম কৰা নাই ? তদুপৰি ; বিভিন্ন উপভাষাত অসমীয়া ভাষাৰ যি বৈচিত্ৰ্য প্ৰকাশ পায়, তাৰ জানো অভিলেখ হৈৱাই যাব খোজা নাই ? সেই উপভাষাবোৰ অধ্যয়ন কৰিলো ক'ত ? তাৰ খোজ-চিনেইবা আমাৰ নাটক-নৱেলত আমি সাঁফৰ মাৰি ৰাখিলো ? এইখিনি আমাৰ ভাবিব লগীয়া কথা নহয় জানো ?"

ড° মহেশ্বৰ নেওগ

# কবি আৰু কবিতা ঃ

কবি আৰু কবিতাৰ প্ৰতি থকা অনুৰাগ মানৱৰ সহজাত প্ৰবৃত্তি । আদি কবি বাল্মীকিৰ "মা নিষাদ প্ৰতিষ্ঠাং" য়ে কবিতাৰ যুগমীয়া ইতিহাসৰ স্বাক্ষৰ বহন কৰি আহিছে । বিভিন্ন সময়ত বিভিন্ন চিন্তা-ভাৱনাৰে কবিসকলে কবিতাৰ চৰ্চা কৰি আহিছে । মহাপুৰুষসকলৰ মূল্যবান পুথিসমূহেই ইয়াৰ উজ্জ্বল স্বাক্ষৰ । বৰ্তমান কালতো আধুনিক কবিতাৰ বিষয়ে চৰ্চা ভিন্ন ৰূপত হোৱা আমাৰ দৃষ্টিগোচৰ হৈছে । সেয়েহে আমি কবি আৰু কবিতাৰ বিষয়ে দু-আষাৰ জানিবলৈ কেইটিমান প্ৰশ্ন কৰিছিলো প্ৰথিতযশা সুকবি **শ্ৰীযজ্ঞেশ্বৰ শৰ্মা** আৰু বামধেনু যুগৰ কবি **চুজাউদ্দিন আহমদক** ।

## আমাৰ প্ৰশ্ন ঃ

১। আপোনাৰ প্ৰিয় অসমীয়া কবি গৰাকী কোন ? তেওঁৰ প্ৰভাৱ আপোনাৰ কবিতাত পৰিছে বুলি আপুনি ভাৱেনেকি ?

২। আপুনি কবিতা কিয় লিখে ? আপোনাৰ স্ব-ৰচিত প্ৰিয় কবিতা কোনটো ?

৩। কবিৰ সামাজিক দায়বদ্ধতা সম্পৰ্কে আপোনাৰ ধাৰণা কি ? আপুনি নিজকে সামাজিকভাৱে দায়বদ্ধ কবি বুলি ভাৱেনে ?

৪। নৱাগত কবিসকলৰ প্ৰতি আপোনাৰ বাণী কি ?

৫। অসমৰ বিভিন্ন ঠাইত মাজে-সময়ে অনুষ্ঠিত হৈ থকা কবি সন্মিলনসমূহে অসমৰ কাব্য-সাহিত্যৰ কিবা উন্নতি সাধিব পাৰিছে বুলি আপুনি ভাৱেনে ? সন্মিলনসমূহৰ সম্পৰ্কত হোৱা সমালোচনাবোৰৰ বিষয়ে আপোনাৰ বক্তব্য কি ?

৬। বিংশ শতিকাৰ শেষ প্ৰান্ততো অসমৰ গাঁৱে-ভূঞে বহুতো প্ৰতিভাসম্পন্ন কবি সুবিধাৰ অভাৱত তল পৰি আছে । তেওঁলোকক স্বীকৃতি দিবৰ বাবে স্বীকৃতিপ্ৰাপ্ত কবিসকলৰ দায়িত্ব কি বুলি আপুনি ভাৱে ?

৭। "One makes poetry with words, with ideas." মাৰ্লামেৰ এই উক্তিৰ প্ৰতি আপোনাৰ মতামত কি ?

৮। আজি-কালি প্ৰায়েই শুনা যায় যে আধুনিক কবিতাসমূহ দুৰ্বোধ্য আৰু জটিলতাৰে ভৰপূৰ । এই বিষয়ে আপোনাৰ মন্তব্য কি ?

৯। সাম্প্ৰতিক কালৰ অসমীয়া কবিতাৰ প্ৰতি আপোনাৰ ধাৰণা কি ? ভৱিষ্যতে ই কেনে ৰূপ ল'বগৈ পাৰে বুলি আপুনি ভাৱে ?

১০। অসমীয়া কবিতাৰ সাৰ্বজনীন আবেদনৰ বিষয়ে আপোনাৰ বক্তব্য কি ?

সাহিত্যাচাৰ্য্য

## শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱৰ উত্তৰ ঃ

১। এই প্ৰশ্নৰ উত্তৰ দিয়াটো টান, কিন্তু চমুকৈ ক'বলৈ গলে চন্দ্ৰকুমাৰ আগৰৱালা আৰু দুৰ্গেশ্বৰ শৰ্মা মোৰ প্ৰিয় কবি ।

মোৰ কবিতাবোৰক মই কবিতা বুলি ক'ব নোখোজো, প্ৰবন্ধ বুলিহে ক'ব বিচাৰো । তথাপি মোৰ কবিতাত কাৰ প্ৰভাৱ পৰিছে, সেইটো কোৱা সহজ কথা নহয় । অজ্ঞাতসাৰে কবিতাত বিভিন্ন প্ৰভাৱ আহি পৰে, তাক ফঁহিয়াই দেখুওৱা বৰ টান কথা । ব্যক্তিগত চৰিত্ৰ, পৰিবেশ, অধ্যয়ন আৰু সাময়িক ঘটনা মানুহে গম নোপোৱাকৈ কবিৰ কবিতাত অঙ্গীভূত হয় । কবিতা মেকানিকেল মিকচাৰ নহয়, ই কেমিকেল কম্পাউণ্ড ।

২। মই সৰুতে কবিতা লেখিবলৈ আৰম্ভ কৰিছিলো চকুৰ আগত দেখা বস্তুবিলাকৰ বিষয়ে । যেনে— মোৰ গাঁওখন, বালিভাত, ঝিলি আদিৰ বিষয়ে । কিন্তু কবিতা লিখা অভ্যাস মোৰ একেবাৰে নাইকিয়া হৈছিল । মাজ বয়সত এই অভ্যাসে আকৌ উক দিলে । সামাজিক ঘটনাবিলাকেই মোৰ ৰচনাৰ প্ৰেৰণা । অলপতে হৈ যোৱা অসমৰ আন্দোলনেও যথেষ্ট প্ৰেৰণা যোগাইছিল । অলপ মন কৰিলেই এই কথা ধৰিব পাৰি । মোৰ নিজে ভাল পোৱা কবিতাটো কবলৈ বৰ টান, তথাপি দুই-চাৰিটা কবিতা ভাল লাগে । তাৰ ভিতৰত 'পুণ্যগন্ধ' মোৰ নিজৰ ভাল লগা কবিতা ।

৩। আন মানুহৰ দৰে কবিও সামাজিক জীৱ । সেই কাৰণে কবিয়ে নিজে নকলেও কবিৰ সমাজৰ প্ৰতি এটা কৰ্ত্তব্য আছে । স্পষ্টভাৱে প্ৰকাশ নাপালেও কবিৰ চৰিত্ৰ আৰু আদৰ্শ কবিতাৰ মাজেদি প্ৰস্ফুটিত হয় । এগৰাকী কবি যেনেকুৱাই হওক; তেওঁ অলপ বিদ্ৰোহী হ'বই । কবিসকল প্ৰমেথিউছৰ বংশধৰ ।

৪। নৱাগত কবিসকলৰ প্ৰতি কোনো বাণী শুনাবৰ মোৰ অহংকাৰ নাই । মই অতি সামান্য লেখক আৰু নিজকে তথাকথিত কবি বুলিহে ভাবোঁ । তথাপি মোৰ আশা যে জগতৰ বিশৃংখলতা পাৰ হৈ এটা নতুন যুগৰ আশা আৰু সাহস কবিসকলে যোগাব পাৰিব লাগে ।

৫। কবি সন্মিলনবিলাক মাজে-সময়ে হৈ থকা বেয়া কথা নহয় । কিন্তু মই ইয়াত বেছি গুৰুত্ব নিদিওঁ । আমাৰ দেশত বৰ্ত্তমান যিবিলাক কবিতা কবিসন্মিলনত পাঠ কৰা হয়, তাত এটা

বিদ্ৰোহৰ ভাৱ দেখা যায় আৰু এইবিলাক প্ৰায়ে অনুভূতি প্ৰধান। কাব্যত বৌদ্ধিক উপাদানো থাকিব লাগে, নহ'লে কাব্য একেবাৰে সেৰেকা হয়। আমাৰ দেশত বৰ্ত্তমান এটা বৌদ্ধিক জাগৰণৰ প্ৰয়োজন। দৰ্শন আৰু বিজ্ঞান এই দুটা বস্তুৰ অধ্যয়ন আমাৰ দেশত কম, লগতে সংস্কৃত সাহিত্যৰ অধ্যয়নো। মোৰ মনেৰে কবিসকল অধ্যয়নপুষ্ট হ'ব লাগে। স্বাস্থ্যৱন্ত, চৰিত্ৰৱন্ত আৰু বুদ্ধিৱন্ত মানুহৰ মুখত এটা জ্যোতি দেখা যায়। সাহিত্যও সমাজৰ তেনে এটা জ্যোতি। এই জ্যোতি সকলোৰে মুখত দেখা পোৱা নাযায়। প্ৰকৃত শিল্পীৰ মুখতহে তেনে জ্যোতি দেখা যায়।

কবি সন্মিলনসমূহৰ সম্পৰ্কত হোৱা সমালোচনাবিলাকে মানুহৰ মনত বিশেষ বেখাপাত কৰা যেন মোৰ বিশ্বাস নহয়।

৬। এওঁলোকক আবিষ্কাৰ কৰিবৰ কাৰণে জিলা পৰিষদবিলাকৰ এটা কৰ্ত্তব্য আছে। তেওঁলোকৰ কবিতাবিলাক পাৰিলে প্ৰকাশ কৰি আৰু আন প্ৰকাৰে তেওঁলোকক স্বীকৃতি দিব লাগে। লগতে জ্যেষ্ঠ কবিসকলে তেওঁলোকৰ কবিতা সমাজত পৰিচিত কৰিবলৈ চেষ্টা কৰিব লাগে।

৭। শব্দ আৰু ভাৱ অভিন্ন। অকল শব্দয়েই কাব্য নহয়। সেই শব্দ বিশেষ অৰ্থ-ব্যঞ্জক হ'ব লাগিব। এপাহ ফুলত ৰূপ আৰু গন্ধ দুয়োটাই থাকে, তাক বেলেগ কৰিব নোৱাৰি। সেইগুণে কবিয়ে বিশেষ ভাৱৰ কাৰণে বিশেষ বিশেষ শব্দ ব্যৱহাৰ কৰে।

৮। কবিতা দুৰ্বোধ্য হোৱাটো পাঠক বা শ্ৰোতাৰ পক্ষে এটা বাধা। কিন্তু কিছুমান দুৰ্বোধ্য কথাও কেতিয়াবা বোধগম্য হয়। অৰ্থহীন দুৰ্বোধ্যতা বৰ্জনীয়। দুৰ্বোধ্য শব্দ হ'লেও অৰ্থ ব্যঞ্জনাময় হ'ব লাগে।

৯। এই সম্পৰ্কে মই সম্পূৰ্ণ আশাপূৰ্ণ। আধুনিক কবিসকলৰ প্ৰতি মোৰ আস্থা আছে যদিও সৰহভাগ কবিতা, কবিতা শ্ৰেণীত নপৰে। কবিতা জীৱনৰ এটা অংশ মাত্ৰ। গোটেই অংশটোৰেই সমগ্ৰ বস্তুটো নহয়। মানুহৰ আহাৰ যেনেকৈ বেলেঞ্চড্ হ'ব লাগে, জীৱনত কবিতাও তেনেকৈ গ্ৰহণ কৰিব লাগে। সকলোৱে কবি হ'বলৈ যোৱাটো সমাজৰ পক্ষে মঙ্গলজনক নহয়। আদৰ্শ পাঠকৰ আসনো কবিৰ ওচৰতে থাকে।

ভৱিষ্যতৰ কবিতা আৰু দৰ্শন-বিজ্ঞানৰ মাজৰ পাৰ্থক্য লাহে লাহে কমি আহিছে। দৰ্শন আৰু বিজ্ঞান কবিতাৰ মাজত অজ্ঞাতসাৰে সোমাই পৰিছে আৰু পৰিবও।

১০। সকলো কবিতাতেই কম-বেছি পৰিমাণে সাৰ্বজনীন আবেদন থাকে। কাৰণ, কবিতা মানুহৰ আশা-আকাংখাৰ প্ৰতিবিম্ব। অনেক অসমীয়া কবিতাত এই গুণ নোহোৱা নহয়। অৱশ্যে আন ঠাইৰ কবিতাৰ দৰে অসমৰ কবিতাটো স্থানীয় আবেদন ( Local Colour ) থাকিবলৈ বাধ্য। ০০০



# কবি জুজাউদ্দিন আহমেদৰ উত্তৰ :

১। মোৰ প্ৰিয় কবি কোন বুলি সুধিলেই, মই দোধোৰ-মোধোৰ অৱস্থা পৰোঁ। কাৰণ, মোৰ প্ৰিয় অসমীয়া কবি কেইবাগৰাকীও আছে। মৃতসকলৰ ভিতৰত হেম বৰুৱা প্ৰধান। তেখেতৰ কবিতাৰ প্ৰভাৱ মোৰ ওপৰত বহু পৰিমাণে পৰিছে। তেখেতৰ বিখ্যাত কবিতা "মমতাৰ চিঠি" শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য সম্পাদিত 'ৰামধেনু'ত ১৯৩৪ চনত প্ৰকাশ হয়। তাৰ পিছৰ সাখ্যা 'ৰামধেনু'ত কবিতাটিৰ উত্তৰ হিচাবে মই 'মহিমৰ চিঠি' নামৰ কবিতাটি লেখিছিলোঁ। সেই কবিতাটিকে আদি কৰি মুঠ তেইশটি কবিতাৰ এখনি পুথি ১৯৭৩ চনতে 'মহিমৰ চিঠি' নাম দি প্ৰকাশ কৰিছিলোঁ। জীৱিতসকলৰ ভিতৰত সৰ্ব্বশ্ৰী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, কেশৱ মহন্ত, নৱকান্ত বৰুৱা, হীৰেণ ভট্টাচাৰ্য্য, ৰাম গগৈ, অৱনী চক্ৰৱৰ্ত্তী, ৰবীন্দ্ৰ সৰকাৰ আদিৰ নাম উল্লেখ কৰিলোঁ। অৱশ্যে এওঁলোকৰ ভিতৰত কবি ৰাম গগৈৰ কবিতা মোৰ প্ৰিয়। তেওঁৰ প্ৰভাৱ কিছু কবিতাত পৰিছে বুলি মই অনুভৱ কৰোঁ।

২। আত্মতৃপ্তিৰ বাবেই কবিতা লিখোঁ। নিজৰ সকলো ৰচনাই সকলোৰে বাবে প্ৰিয়। সেয়েহে স্ব-ৰচিত প্ৰিয় কবিতাটিৰ বিষয়ে কবলৈ সংকোচ বোধ কৰিছোঁ। মোৰ প্ৰিয় কবিতাটো আজিলৈকে লিখা হোৱা নাই। তথাপি হেমবৰুৱাৰ 'মমতা চিঠি'ৰ উত্তৰ স্বৰূপে লিখা 'মহিমৰ চিঠি' কবিতাটো মোৰ ভাল লাগে। এই কবিতাটো লিখাৰ সময়ত মোৰ মনত এটি অজানিত আনন্দই ঠাই পাইছিল।

৩। সামাজিক দায়বদ্ধতা আজিৰ দিনত প্ৰত্যেক গৰাকী কবি-সাহিত্যিকৰে থকাটো অপৰিহাৰ্য্য বুলি মই ভাবোঁ। বাস্তৱ জীৱনত ঘাত-প্ৰতিঘাতৰ স্পৰ্শ প্ৰত্যেক কবি-লিখকৰে গাত অলপ-অচৰপ নিশ্চয় পৰেই। বৰ্ত্তমান যুগৰ যান্ত্ৰিকতাই মানুহৰ সু-কোমল ৰমন্যাস যুগৰ চিন্তাধাৰা প্ৰায় নাইকিয়া কৰি পেলোৱা সময়ত গৰিষ্ঠসংখ্যক হৃদয়ৰ কথা চিন্তা কৰি সামাজিক দায়বদ্ধতাক লিখকে আকোৱালি লবই লাগিব।

নিজকে সামাজিকভাৱে দায়বদ্ধ বুলি মই ভবাতকৈ মোৰ লেখনীসমূহেই প্ৰমাণ কৰিব। মই ভাবোঁ সকলো কবি সমাজৰ ওচৰত দায়বদ্ধ হোৱা উচিত।

৪। নিজৰ প্ৰাণত থুপ খাই থকা ভাবৰাশি কাব্যিক মাধ্যমেৰে সবল-সতেজ ভাষাৰে সৰ্বসাধাৰণ পাঠকে বুজি পোৱাকৈ প্ৰকাশ কৰি কবিতাক জনপ্ৰিয় কৰি তুলিবলৈ চেষ্টা কৰাটোৱেই নৱাগতসকলৰ কৰ্ত্তব্য বুলি বিবেচনা কৰোঁ।

৫। অসমৰ বিভিন্ন ঠাইত মাজে-সময়ে অনুষ্ঠিত হৈ থকা কবি-সন্মিলন সমূহৰ দ্বাৰা অসমৰ কাব্য-সাহিত্যৰ কিছু পৰিমাণে হ'লেও উন্নতি হৈছে বুলি মই ধাৰণা কৰোঁ। কাৰণ

সেইবিলাকৰ যোগেদি বিভিন্ন ঠাইৰ পৰা অহা কবিসকলৰ মাজত পৰিচয় হয় আৰু ভাবৰ আদান-প্ৰদান হয়। সেইবিলাকৰ দ্বাৰা কাব্য-সাহিত্যৰ উন্নতিৰ হকে চিন্তা-চৰ্চ্চা হয়।

সন্মিলনসমূহ সম্পৰ্কে হোৱা সমালোচনাবোৰ সাধাৰণতে গঠনমূলক হোৱাটো বাঞ্ছনীয়। সমালোচনাই কবিসকলক হীনমন্যতা ত্যাগ কৰি ক্ৰমবিকাশৰ পথত আগবাঢ়ি যোৱাত সহায় কৰাটোৱেই বাঞ্ছা কৰোঁ। সমালোচনাত ধ্বংসকামী মনোবৃত্তি থকা উচিত নহয়।

৬। সুবিধাৰ অভাৱত নিজকে প্ৰকাশ কৰিব নোৱাৰা কবিসকলক ন-ন অনুপ্ৰেৰণাৰে, উপযুক্ত পৰামৰ্শ আৰু উদ্‌গনিৰে আত্ম-প্ৰকাশৰ সুযোগ দিবই লাগিব। তেওঁলোকৰ লেখনী-সমূহক স্বীকৃতি দিবৰ বাবে স্বীকৃতিপ্ৰাপ্ত কবিসকলে দায়িত্ব গ্ৰহণ কৰিব লাগিব। পাণ্ডিত্য-সুলভ মনোবৃত্তিৰে উঠি অহা কবিসকলক সমালোচনা কৰি অকালতে মৰহি নাযাবলৈ প্ৰত্যেক স্বীকৃতিপ্ৰাপ্ত কবিসকল সচেতন হোৱা উচিত।

৭। "One makes poetry with words. not with ideas"— মাৰ্লামেৰ এই উক্তিটো মই সম্পূৰ্ণ ৰূপে সমৰ্থন কৰিব নোৱাৰোঁ। কাৰণ, কবিতা কেৱল শব্দৰ সমষ্টি নহয়। শব্দৰ ফুলজাৰিৰে কোনো যুগতে সাহিত্যৰ সৃষ্টি হোৱা নাই। চিন্তাধাৰা নতুনৰ বাৰ্ত্তাবাহক হ'বই লাগিব। শব্দই কেৱল কবিতাৰ প্ৰাণ হ'ব নোৱাৰে, যদি চিন্তাধাৰাত গতি-শীলতা নাথাকে।

৮। দুৰ্বোধ্যতা এসময়ৰ কবিতাত আছিল বহু পৰিমাণে। কবিয়ে কি বুজাব খুজিছে তেওঁৰ লেখনিৰ দ্বাৰা সৰ্বসাধাৰণ পাঠকে বুজি নেপোৱা অৱস্থা এটা এসময়ত হৈছিল। এতিয়াও কিছু কবিৰ ৰচনাত দুৰ্বোধ্যতা আছে। কিন্তু সাধাৰণীকৰণ কৰিবলৈ গ'লে আমি দেখা পাওঁ—প্ৰায়বিলাক নতুন কবিৰ কবিতাত দুৰ্বোধ্যতাৰ অপযশ নাই। নবীন কবিসকলৰ বহুতো কবিতা দুৰ্বোধ্যতা আৰু জটিলতাৰ পৰা আঁতৰত।

৯। সাম্প্ৰতিক কালৰ কবিতা যথেষ্ট গতিশীল আৰু মানৱতাবাদী বুলি অনুভৱ কৰোঁ। ভৱিষ্যতে অসমীয়া কবিতাই এক বলিষ্ঠ ৰূপ লৈ সৰ্বভাৰতীয় পৰ্য্যায়ত—আনকি আন্তৰ্জাতিক পৰ্য্যায়তো এক গতিশীল পদক্ষেপ স্থাপন কৰিব পাৰিব বুলি মোৰ বিশ্বাস হয়। কাৰণ, সাম্প্ৰ-তিক অসমীয়া কবিতাত যথেষ্ট পৰিমাণে মানৱতাবাদী দৃষ্টিভঙ্গীৰ পৰিচয় দেখা গৈছে।

১০। আধুনিক অসমীয়া কবিতা এতিয়া আৰু কেৱল অসমীয়াৰ হৈ থকা নাই। ইয়াৰ সাৰ্বজনীন আবেদনে ইয়াক সৰ্বভাৰতীয় আৰু বিশ্বব্যাপী চিন্তা ধাৰালৈ লৈ গৈছে। সংকী-ৰ্ণতাৰ সীমা অতিক্ৰম কৰি সাম্প্ৰতিক অসমীয়া কবিতাই সাৰ্বজনীনতাৰ পৰিচয় দিছে। 'ৰামধেনু' যুগৰ কিছু কবিতাৰ পৰা আৰম্ভ কৰি আজিৰ যুগলৈকে বিশ্লেষণ কৰি চালে এই সাৰ্বজনীনতাৰ



প্ৰকাশ দেখা পাওঁ। হেম বৰুৱাৰ 'জাৰৰ দিনৰ সপোন', 'পোহৰতকৈ আন্ধাৰ ভাল', নৱ-কান্ত বৰুৱাৰ 'আবেলিৰ আলিবাটৰ গান', 'ক্ৰমশ', 'সন্তান', বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'বিষ্ণু-ৰাভা, এতিয়া কিমান ৰাতি', চৈয়দ আব্দুল মালিকৰ 'ফুলশয্যাৰ ৰাতি' 'জাৰজ', কেশৱ মহন্তৰ 'আঘোণৰ কুঁৱলী', হেমাঙ্গ বিশ্বাসৰ 'কুল খুৰাৰ চোতালত,' ৰাম গগৈৰ 'পথাৰ', 'এটম বোমা', 'মই পৃথিৱীৰ কবি', ৰবীন্দ্ৰ সৰকাৰৰ 'জোতাৰ মহিমা', 'ভোকাতুৰৰ ভাতেই ভগৱান" আৰু হীৰেণ ভট্টাচাৰ্য্য, অৱনী চক্ৰৱৰ্ত্তীৰ বহুতো কবিতাত এই সাৰ্ব্বজনীনতাৰ স্পষ্ট পৰিচয় আমি দেখা পাওঁ। গতিকেই সাম্প্ৰতিক কালৰ অসমীয়া কবিতাত যথেষ্ট পৰিমাণে সাৰ্ব্বজনীন আবেদনৰ চিন পৰিস্ফুট হৈ উঠিছে বুলি মই ভাবোঁ। ০০০

# প্ৰেয়ৰ মাজেৰে শ্ৰেয়ৰ সন্ধান

অসমীয়া সাহিত্যৰ জনপ্ৰিয় ঔপন্যাসিক গৰাকী কোন বুলি যদি প্ৰশ্ন কৰা হয়, তেন্তে অধিকাংশ পঢ়ুৱৈয়ে উত্তৰ দিব **হিতেশ ডেকা**। সহজ-সৰল গাৱঁলীয়া জীৱনৰ নিগ্ৰাঙ্কন, পঢ়ুৱৈৰ মন গৰকি যোৱা কাব্য-বিন্যাস, শব্দ প্ৰয়োগত পাৰদৰ্শী হিতেশ ডেকা, নামত যেনে ডেকা ঠিক সেইদৰে কামে-কাজেও ডেকা।

১৯২৪ চনত জন্ম গ্ৰহণ কৰা শ্ৰীডেকাৰ জন্মস্থান সৰ্থেবাৰী। শিক্ষাস্থান নলবাৰী আৰু কৰ্মস্থান জালুকবাৰী। বাৰীয়ে বাৰীয়ে জীৱনটো অতিবাহিত কৰা শ্ৰীডেকাক নলবাৰী মহা-বিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱত, সেই সময়ৰ অধ্যক্ষ স্বৰ্গীয় ত্ৰৈলোক্য নাথ গোস্বামীদেৱে তেওঁৰ বিষয়ে কৈছিল—"শ্ৰীমান হিতেশ ডেকা এগৰাকী জনপ্ৰিয় ঔপন্যাসিক। তেওঁৰ উপন্যাস ডেকা-ডেকেৰীয়ে লুকাই চুৰকৈ হ'লেও পঢ়ে, গাৰুৰ তলত লৈ বা বাৰীৰ চুকত গৈ হ'লেও পঢ়ে।"

শ্ৰীহিতেশ ডেকাৰ নাম আজি প্ৰত্যেক অসমীয়াৰ উপৰিও ভাৰত তথা পৃথিৱীতেই ফাটি গৈছে এগৰাকী জনপ্ৰিয় ঔপন্যাসিক হিচাবে। তেখেতৰ সাহিত্যিক জীৱনৰ তথা ব্যক্তিগত জীৱনৰ বিষয়ে কেইটিমান প্ৰশ্ন সুধিছিলোঁ। প্ৰশ্নোত্তৰকেইটি পঢ়ুৱৈৰ জ্ঞাতাৰ্থে আলোচনীত উপস্থাপন কৰিলোঁ।

# আমাৰ প্ৰশ্ন আৰু শ্ৰীহিতেশ ডেকাৰ উত্তৰ ঃ

প্ৰশ্ন ঃ বিশাল সাহিত্য জগতত আপুনি কিমান বছৰ বয়সত প্ৰৱেশ কৰিছিল ? ইয়াৰ বাবে প্ৰেৰণা আপুনি ক'ৰ পৰা পাইছিল ?

উত্তৰঃ— বিশাল সাহিত্য জগতলৈ মই সৰু কালতেই ঢাপলি মেলিছিলো। মই চৈধ্য-পোন্ধৰ বছৰ বয়সতে স্কুলত পঢ়ি থকা অৱস্থাতে কবিতা লিখিবলৈ আৰম্ভ কৰিছিলো। 'ৰেণু' নামৰ হাতে লিখা আলোচনী এখনত (ছাত্ৰৰ আলোচনী) হাঁহি-ধেমালি নামৰ শিতানটি লেখিবলৈ ধৰো।

ইয়াৰ বাবে মই প্ৰেৰণা পাইছিলো মোৰ সহপাঠী বন্ধুবৰ্গৰ পৰা। বৰ্ত্তমাত টিহ কলেজৰ অসমীয়া মুৰব্বী অধ্যাপক শ্ৰীপ্ৰসন্ন কুমাৰ ডেকা, ৰজালী কলেজৰ বৰ্ত্তমানৰ উপাধ্যক্ষ শ্ৰীযুত অনন্ত তালুকদাৰ, বৰ্ত্তমানৰ সৰ্থেবাৰী টাউন কমিটিৰ চেয়াৰমেন শ্ৰীহৰবল্লভ ডেকা আৰু প্ৰধান অফিচ সহায়ক শ্ৰীখগেন্দ্ৰনাথ তামুলী মোৰ প্ৰিয় পাঠক আছিল আৰু এওঁলোকৰ উৎসাহ আৰু সহৃদয়তাৰ কাৰণে, ক'বলৈ গলে তেওঁলোকৰ খেচখেচনিতে মই লিখিবলৈ বাধ্য হৈছিলো। এওঁলোকেই মোৰ লেখাক স্বীকৃতি দিছিল আৰু প্ৰেৰণাও যোগাইছিল। জীৱনৰ ক্ষেত্ৰত এই চাৰি গৰাকী বন্ধুৱে কৃতকাৰ্য্যতা লাভ কৰিছে আৰু সমাজত বিশিষ্ট স্থান অধিকাৰ কৰিছে। এয়ে মোৰ আনন্দ।

প্ৰশ্ন ঃ আপোনাৰ প্ৰথম উপন্যাসখনৰ নাম কি ? এতিয়ালৈকে প্ৰকাশ পোৱা আপোনাৰ উপন্যাসৰ সংখ্যা কিমান ?

উত্তৰঃ— মোৰ প্ৰথম উপন্যাসখনৰ নাম আছিল 'গাঁৱলীয়া', কিন্তু ই প্ৰকাশ ন'হল। প্ৰকাশিত প্ৰথম উপন্যাস 'আজিৰ মানুহ' (১৯৫২ চন)। এতিয়ালৈকে মোৰ প্ৰকাশিত পঁচিশখন কিতাপৰ ভিতৰত বাৰখন উপন্যাস।

প্ৰশ্ন ঃ উপন্যাস লিখাৰ আগতে আপুনি গল্প-কবিতাদি কিবা লিখিছিল নেকি ?

উত্তৰঃ— উপন্যাস লিখাৰ আগতে মই কবিতা আৰু গল্প লিখিছিলো। কবিতা প্ৰকাশ নাপালে। গল্পৰ কিতাপ তিনিখন প্ৰকাশ পাইছে। মোৰ প্ৰথম গল্পৰ কিতাপ 'প্ৰায়শ্চিত্ত' ১৯৪৯ চনত প্ৰকাশ পায়।

প্ৰশ্ন ঃ আপুনি কেতিয়াৰ পৰা অসম সাহিত্য সভাৰ লগত জড়িত ?

উত্তৰঃ— অসম সাহিত্য সভাৰ লগত মই আজি প্ৰায় ত্ৰিশ বছৰে জড়িত হৈ আছো। প্ৰায় পয়ত্ৰিশ বছৰ বয়সৰ পৰাই মই সভাৰ লগত জড়িত।



প্ৰশ্ন ঃ অসম সাহিত্য সভাৰ উপ-সভাপতি হিচাবে আপুনি নিৰ্ব্বাচিত হওঁতে আপোনাৰ কেনেকুৱা লাগিছিল ? আপুনি ভবামতে কাম কৰিব পাৰিছিলনে ?

উত্তৰ ঃ সাহিত্য সভাৰ উপ-সভাপতি হিচাবে ১৯৭৫ চনত প্ৰথমবাৰ নিৰ্বাচিত হোৱাত মোৰ আনন্দ লাগিছিল আৰু কাম কৰিবলৈ দুৰ্বাৰ বাসনা জন্মিছিল। সেই কাৰণে অসম সাহিত্য সভাত জিলা-পৰিষদ বিলাকক স্বীকৃতি দি সজীৱ কৰাত মই আগৰণুৱা হৈ কাম কৰিছিলো। ১৯৮০ চনত দ্বিতীয়বাৰ নিৰ্বাচিত হওঁতে বৰ উদ্বিগ্ন হৈ পৰিছিলো, কাৰণ তেতিয়া মই "বিদেশী বিতাৰণ" আন্দোলনত জপিয়াই পৰিছিলো আৰু আন্দোলনৰ কামত অতি ব্যস্ত হৈ পৰিছিলো।

মই ভবামতে কিছুমান কাম কৰিব পাৰিছিলো। অসম সাহিত্য সভাৰ জিলা পৰিষদ-বিলাকক স্বীকৃতি দিবলৈ সক্ষম হৈছিলো। আন্দোলনত সাহিত্য সভাক জড়িত কৰি গণ-সংগ্ৰাম পৰিষদত সাহিত্য সভাৰ পৰা সদস্য হিচাবে নিৰ্বাচিত হৈ দিল্লী আলোচনা প্ৰধান চৈধ্য লানি আলোচনাত (মন্ত্ৰী পৰ্য্যায়ৰ) অংশ গ্ৰহণ কৰিছিলো।

প্ৰশ্ন ঃ আপুনি কিয় উপন্যাস লিখে ? আপোনাৰ লিখনীৰ প্ৰতিপাদ্য বিষয় কি ?

উঃ— মই উপন্যাস লিখো জনসাধাৰণক আনন্দ আৰু আদৰ্শ দিবলৈ। মোৰ লিখনিৰ প্ৰতিপাদ্য বিষয়—মানুহ আৰু সমাজ। প্ৰেয়ৰ মাজেৰে শ্ৰেয়ৰ সন্ধান দিয়াই মোৰ লিখনীৰ উদ্দেশ্য।

প্ৰশ্ন ঃ নবীন লেখক-লেখিকাৰ প্ৰতি আপোনাৰ বাণী কি ?

উত্তৰ ঃ নবীন লেখক-লেখিকাসকলৰ লেখনীৰ মানদণ্ড উচ্চ হ'বলৈ ধৰিছে। তেওঁলোকে গতানুগতিকতা পৰিহাৰ কৰি বৈজ্ঞানিক চিন্তা-চৰ্চ্চাৰে আগবাঢ়িলে নিশ্চয় সুফল পাব। আজিৰ যুগ বিজ্ঞানৰ যুগ। এই যুগত এনাজৰুকলীয়া সামাজিক বৈষম্যবোৰ আঁতৰ কৰি সত্যৰ ভেটিত বিচাৰ কৰি সৰ্বমানৱৰ কল্যাণৰ বাবে চেষ্টা কৰা উচিত বুলি মই ভাবো। পৃথিৱী এখন আৰু মানৱ জাতি এটা। সামাজিক বৈষম্য মানুহৰ সৃষ্টি। এই সত্য উপলব্ধি কৰিব পাৰিলে মানুহৰ ভিতৰৰ বিভেদ আঁতৰি যাব আৰু এক মানৱ পৰিয়াল হৈ পৰিব সৰ্বধৰ্ম—সৰ্বজাতিৰ। আশা কৰো নবীন লেখক-লেখিকাসকলে এই মহান লক্ষ্য আগত ৰাখি কলম ল'ব। ধন, মান, যশ বিচাৰি যেন কলম নলয়। ●

যশস্বী কথা-সাহিত্যিক বৰ্ত্তমান ৰাজ্যসভাৰ সদস্য

## ড° নগেন শইকীয়াৰ লগত এখন্তেক ঃ

প্ৰশ্ন ঃ আপুনি এজন গল্পকাৰ যদিও চিন্তাশীল প্ৰবন্ধ লেখক ৰূপেও পৰিচিত। আত্ম-প্ৰকাশৰ বাবে আপুনি নিজে কোনটো মাধ্যম বেছি সুবিধাজনক বুলি ভাবে ?

উঃ প্ৰবন্ধ লিখোঁ নিজৰ চিন্তা আৰু চৰ্চাৰ যোগেদি লাভ কৰা ধ্যান-ধাৰণা বা জ্ঞান-প্ৰকাশৰ বাবে ; চুটি গল্প লিখোঁ নিজৰ ভিতৰত হোৱা কোনো বোধ বা অনুভৱ প্ৰকাশৰ বাবে। এতেকে আত্ম-প্ৰকাশৰ বাবে মই দুয়োটা মাধ্যম প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰি আহিছো।

প্ৰশ্ন ঃ আপোনাৰ প্ৰিয় অসমীয়া গল্পকাৰজন কোন ? তেওঁৰ প্ৰভাৱ আপোনাৰ গল্পত পৰিছে বুলি আপুনি ভাবেনে ?

উত্তৰ ঃ মোৰ গল্পকাৰ কেইবাজনো। কিন্তু সৌৰভ কুমাৰ চলিহাৰ গল্পৰ লগত এটা সম্পৰ্ক অনুভৱ কৰোঁ। প্ৰকাশ-ভঙ্গীত কেতিয়াবা সৌৰভ চলিহাৰ অস্তিত্ব অনুভৱ কৰোঁ। কিন্তু, সজ্ঞানে কোনো প্ৰভাৱ গ্ৰহণ নকৰোঁ।

প্ৰশ্ন ঃ আপুনি সাহিত্য জগতৰ পৰা ৰাজনীতিৰ জগতত প্ৰবেশ কৰি কেনে ধৰণৰ সোৱাদ পাইছে ? এই সমাজখনৰ বিষয়ে আপোনাৰ ধাৰণাৰ আভাস দিবনে ?

উত্তৰ ঃ আমাৰ অসমৰ সমাজ জীৱনৰ প্ৰতি অনুভৱ কৰা দায়বদ্ধতাই মোক ৰাজনীতিলৈ টানি আনিলে ; কোনো ব্যক্তিগত ৰাজনৈতিক লক্ষ্য পূৰণৰ বাবে মই অহা নাই। ৰাজনীতি যদি এটা স্পষ্ট সামাজিক দৰ্শনৰ দ্বাৰা নিয়ন্ত্ৰিত হয় আৰু মানুহ যদি এনে দৰ্শন-সম্ভূত মূল্য-বোধৰ দ্বাৰা নিয়ন্ত্ৰিত হয়, তেনেহলে ৰাজনীতিয়ে জীৱনক অৰ্থপূৰ্ণ কৰি তুলিব পাৰে। কিন্তু, ভাৰতবৰ্ষৰ বৰ্ত্তমানৰ ৰাজনীতি অৰ্থ আৰু ক্ষমতা লাভৰ বাবে আৰু স্বাৰ্থ পূৰণৰ বাবে কৰা এক প্ৰকাৰ ষড়যন্ত্ৰত পৰিণত হৈছে। তত্ত্ব, তথ্য যুক্তি আৰু সত্যতকৈ ই বাহুৰ জোৰ আৰু গলাৰ জোৰৰ প্ৰতিযোগিতাত পৰিণত হৈছে। এইখন জগতত দিনে দিনে ভণ্ডৰ সংখ্যা আৰু ভণ্ডামিৰ মাত্ৰা বাঢ়ি আহিছে। ভাল মানুহ যে অহা নাই এনে নহয় ; কিন্তু তেওঁলোকৰ সংখ্যাৰ জোৰ, বাহুৰ জোৰ আৰু গলাৰ জোৰ—তিনিওটাই দুঃখ লগাকৈ কম। মই কেনে সোৱাদ পাইছো বহলাই নকলেও হ'ব। কিন্তু বুঢ়া খুড় দেখিলেও যুৱ তিওৱাৰ পিছত এতিয়া আনক দোষ দি গা সৰাৰ উপায় নাই।

প্ৰশ্ন ঃ আজি-কালি প্ৰায়ে যুৱ-মানসিকতাৰ ওপৰত বিৰূপ মন্তব্য প্ৰকাশ কৰা শুনা যায়। এই ক্ষেত্ৰত আপোনাৰ মন্তব্য কেনে ধৰণৰ ?

উত্তৰ ঃ পৃথিৱীৰ সকলো দেশত, সকলো কালত তেজ হেঁকুৱাই অহা সকলে তেজাল যুৱ-শক্তিৰ বিষয়ে কঠোৰ মন্তব্য কৰি আহিছে। শৰীৰ আৰু মন দুয়োটা যেতিয়া স্বাস্থ্য আৰু শক্তিৰ গৰাকী হয়, তেতিয়া দুঃসাহসিক কাম সম্পাদন কৰাৰ বাবেও স্বাভাৱিক প্ৰবৃত্তি জন্মে। এই যুৱ-শক্তিক যদি এটা লক্ষ্য দিব পাৰি, কোনো আদৰ্শ আৰু মূল্যবোধৰ প্ৰতি দায়বদ্ধ কৰিব পাৰি, সেই শক্তি বিপথগামী হ'ব নোৱাৰে।

সাম্প্ৰতিক কালত আমাৰ দেশত আমি আমাৰ যুৱ-শক্তিক তেনে লক্ষ্য আৰু আদৰ্শৰ প্ৰতি আকৃষ্ট কৰিব পৰা নাই। যাৰ ফলত যুৱশক্তি ক'ৰবাত ক'ৰবাত বিপথগামী হৈছে। ড্ৰাগছ, হিংসা, যৌনতাৰ প্ৰতি এচাম আকৃষ্ট হৈ সমাজক ইবিলাকে ৰোগাক্ৰান্ত কৰি পেলাইছে। এই বিষয়ত ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী; অভিভাৱক, শিক্ষক সকলো সতৰ্ক হৈ প্ৰতিৰোধ গঢ়ি তুলিব লাগিব আৰু বিপথগামীসকলক, তেওঁবিলাকৰ প্ৰতি সহানুভূতি আৰু মৰমেৰে ৰাজপথলৈ অনাৰ যত্ন কৰিব লাগিব।

প্ৰশ্ন ঃ আজি কিছুকাল ধৰি সমগ্ৰ বিশ্বতে সন্ত্ৰাসবাদ, হত্যা, লুণ্ঠন আদিয়ে গা কৰি উঠি বিশ্ব-বাসীৰ মাজত আতঙ্কৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। ইয়াৰ বাবে আপুনি কাক দায়ী বুলি ভাবে ?

উত্তৰ ঃ— সন্ত্ৰাসবাদ, হত্যা, লুণ্ঠন আদি ঘটনাৰ এটা কাৰণৰ কথা উল্লেখ কৰিলো। কিন্তু সমগ্ৰ বিশ্ব জুৰি হোৱা এনে ঘটনাৰ আঁৰত অনেক প্ৰকাৰৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক কাৰণো জড়িত হৈ আছে। তদুপৰি, সময়, পৰিবেশ আৰু অৱস্থাৰ পৰিবৰ্ত্তনৰ পটভূমিত ঘটা মনস্তাত্বিক কাৰণো জড়িত হৈ আছে। গতিকে এনেবোৰ ঘটনাৰ বাবে কোনোবা এটা শক্তিক দায়ী বুলিব নোৱাৰি। কিন্তু, এটা কথা ক'ব পাৰি যে মানুহৰ মনৰ পৰা মানবীয়তাবোধ, আধ্যাত্মিক চেতনা (ধৰ্মীয় চেতনাৰ কথা কোৱা নাই) আৰু সু-কুমাৰ মনোভাৱ য'তেই. যেতিয়াই কমি গৈছে, তাতে এনে ঘটনা ঘটিছে। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই জীৱনৰ বাহিৰ আৰু ভিতৰ দুয়োটাকে যান্ত্ৰিক কৰি পেলোৱাটোও অন্যতম কাৰণ বুলি ভাবোঁ।

প্ৰশ্ন ঃ— সাহিত্যিকসকলৰ সামাজিক দায়বদ্ধতাৰ সম্পৰ্কে আপুনি কি ক'ব বিচাৰে ? আপুনি নিজকে সামাজিক ভাৱে দায়বদ্ধ বুলি ভাবেনে ?

উত্তৰঃ— আমাৰ অসমত 'সামাজিক দায়বদ্ধ' শব্দটো এটা শ্ল'গানৰ দৰে হৈ পৰিছে। সামাজিক প্ৰাণী হিচাবে এজন লেখক সমাজৰ মঙ্গল চিন্তাত নিশ্চয় দায়বদ্ধ হ'ব লাগিব। কিন্তু

এজন কবি, এজন কাহিনীকাৰ, এজন চিত্ৰশিল্পী দায়বদ্ধ—তেওঁৰ হৃদয়বো হৃদয়ত অনুভৱ কৰা তেওঁৰ হৃদয়-সত্যৰ ওচৰত। ই এটা বোধ হ'ব পাৰে, জান-নেজান এটা চেতনা হ'ব পাৰে, এটা অনুভূতি হ'ব পাৰে। সামাজিক দায়বদ্ধতাৰ ৰাজনৈতিক শ্ল'গানেৰে এটা প্ৰবন্ধ হ'ব পাৰে, এটা কবিতা নহয়—এই কথাষাৰ মনত ৰাখিব লাগিব। আজি, ৰুছ আৰু চীন দেশতো সেই বাবেই শিল্পী-সাহিত্যিকৰ চিন্তাৰ স্বাধীনতাক স্বীকাৰ কৰি ল'বলগীয়া হৈছে। ৰুছ বিপ্লৱৰ পিছত সামাজিক দায়বদ্ধতাৰ শ্ল'গানেৰে যিবোৰ 'সাহিত্য' ৰচনা কৰা হ'ল, তাৰ প্ৰায় নিৰান্নবৈ দশমিক নিৰান্নবৈ ভাগেই প্ৰকৃত সাহিত্য বুলি বিবেচিত নহ'ল। এজন কবিয়ে তেওঁৰ ঘৰৰ সমুখৰ বাটটোৰ খাল-দোং পুতিবৰ বাবে এক সামাজিক প্ৰাণীস্বৰূপে আন সকলোৰে লগত কোৰ এখন লৈ মাটি খান্দিব লাগিব, বেয়া বাটটোৰ বিষয়ে তেওঁৰ হতুৱাই কবিতা এটা লিখালে বাটটো ভাল হৈ নাযায়। অৱশ্যে ওচৰৰ মানুহক তেনে কামৰ বাবে উদগনি দিবলৈ তেওঁ 'পদ্য' এটা লিখি আমোদ দিলেও দিব পাৰে! কিন্তু তেনে পদ্য কোনো কালে কবিতা বুলি স্বীকৃত নহ'ব।

প্ৰশ্ন ঃ আমি জনামতে এতিয়ালৈকে আপোনাৰ ছটা গল্প-সংকলন প্ৰকাশ হ'ল। ইয়াৰ ভিতৰত আপোনাৰ কোনটো গল্প শ্ৰেষ্ঠ বুলি ভাৱে ?

উত্তৰঃ—প্ৰতিটো গল্প মোৰ একো একোটা অনুভৱ, ধাৰণা, চিন্তাৰ নিষ্কাষণ মাত্ৰ। সেই বাবে কোনটো শ্ৰেষ্ঠ আৰু কোনটো শ্ৰেষ্ঠ নহয়—তাৰ বিচাৰ মই কৰা নাই। অনেকে বিশ্বাস কৰিবলৈ টান পাব—মই মোৰ গল্পৰ চৰিত্ৰ আৰু কাহিনীবোৰ মনত নাৰাখো। কেইবাবাৰো কাৰোবাক কোৱাৰ পিছত বা দুনাই পঢ়ি চালে কিছুদিনলৈ মনত থাকি আকৌ অদৃশ্য হয়, কেৱল থাকি যায়—থিমটোৰ মূলকথা।

প্ৰশ্ন ঃ নবীন লেখক-লেখিকাসকলৰ প্ৰতি আপোনাৰ বাণী কি ?

উত্তৰঃ— এজন ইংৰাজ লেখকে কোৱাৰ সুৰত নবীনসকলক ক'ব পাৰো–'সাত বছৰ ফটা কাকতৰ পাচিলৈ লিখা।' নিজা এটা দৃষ্টিভঙ্গীৰে জীৱনক অধ্যয়ন কৰা—বাট আপোনা-আপুনি ওলাব। প্ৰতিভাৰ জুই ভিতৰত থাকিলে তাক কাপোৰেৰে কোনোৱাই ঢাকি ৰাখিব পাৰিবনে ?

প্ৰশ্ন ঃ চুটি গল্পৰ এটি সৰ্বজন গৃহীত সংজ্ঞা দিবনে ?

উত্তৰঃ— এপাহ ফুলৰ যিদৰে সংজ্ঞা দিব নোৱাৰি, সেইদৰে কোনো শিল্পৰো সংজ্ঞা দিব নোৱাৰি; কেৱল বিৱৰণ বা ব্যাখ্যাৰে তাৰ লক্ষণ বুজাবলৈ যত্ন কৰিব পাৰি। চুটি গল্পৰ ক্ষেত্ৰতো একেটা কথাই খাটে। 'A slice of life'–এই সংজ্ঞাটোকে তথাপি মোৰ ভাল লাগে।

প্ৰশ্ন ঃ সাম্প্ৰতিক কালৰ অসমীয়া কথা-সাহিত্যৰ প্ৰতি আপোনাৰ ধাৰণা কি ? ভৱিষ্যতে কেনে ৰূপ লবগৈ পাৰে বুলি আপুনি ভাৱে ?



উত্তৰঃ—সাম্প্ৰতিক কালৰ অসমীয়া কথা-সাহিত্যৰ বিষয়ে ধাৰণা কি বুলি ক'লে—বহুত কথা ক'ব লাগিব। চমুকৈ ক'ব পাৰি—প্ৰতিষ্ঠিতসকলক বাদ দিলে ছবিখন বৰ সুখকৰ নহয়। নতুন সকলৰ মাজত প্ৰতিষ্ঠা লাভৰ আকাংখা আছে, কিন্তু তাৰবাবে যেনে কষ্ট কৰি জীৱন আৰু গ্ৰন্থ অধ্যয়ন কৰিব লাগে, তেনে কষ্ট কৰাৰ প্ৰৱণতা নাই। সাম্প্ৰতিক অসমীয়া সাহিত্যৰ ধাৰাটো এনেভাৱে চলি থাকিলে ভৱিষ্যৎ আমাৰ বাবে আনন্দদায়ক নহ'ব। উপন্যাসৰ ক্ষেত্ৰতটো আমাৰ সাহিত্যই নতুন প্ৰতিভাৰ পোহৰ দেখাই নাই।

প্ৰঃ— আপুনি অসম সাহিত্য সভাৰ লগত বহু বছৰ ওতঃপ্ৰোত ভাৱে জড়িত। সভাৰ অধিবেশনসমূহৰ সম্পৰ্কত হোৱা সমালোচনাবোৰৰ বিষয়ে আপোনাৰ বক্তব্য কি ?

উত্তৰঃ— অসম সাহিত্য সভাৰ অধিবেশনখন সভাৰ বাহিৰৰ ৰূপ। এই ৰূপটোৰে এটা উছৱৰ ৰূপ লয় আৰু জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় আৰু ৰজনৈতিক মত নিৰ্বিশেষে যেন সদৌ অসমীয়া জাতি সেই কেইদিন একেখন পতাকাৰ তলত থাকি উছৱটোক জাতীয় উৎসৱলৈ ৰূপান্তৰিত কৰে। সাহিত্য-সংস্কৃতিৰ নামত যেনিবা এখন বছেৰেকীয়া মেলাই হ'ল—তাৰ পৰানো কাৰ কি ক্ষতি হৈছে ? অসমত প্ৰতি বছৰে তিনি/চাৰি কোটি মান টকাৰ চিগাৰেট বিক্ৰী হয়। সেইটো কাৰো চকুত নপৰে, কিন্তু দহলাখ টকা খৰছ কৰি সাহিত্য-সংস্কৃতিৰ উছৱ এটা পাতিলে অনেকৰ চকু পোৰে।

প্ৰশ্ন ঃ আজি-কালি ডক্টৰেট (পি, এইচ, দি) উপাধি লোৱা লোকৰ সংখ্যা বহুত বাঢ়িছে। কিন্তু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত অসমত প্ৰকৃত অৰ্থত গৱেষণা হৈছে বুলি আপুনি ভাৱেনে ? উল্লিখিত বিষয়সমূহত আমাৰ গবেষকসকল কেনে ধৰণৰ সুবিধা বা অসুবিধাৰ সন্মুখীন হয় ? তেনেবোৰ অসুবিধা আঁতৰোৱাৰ উপায় কি ?

উত্তৰঃ— 'ডক্টৰেট'টো আজি-কালি এটা আৱশ্যকীয় অৰ্হতাত পৰিণত হোৱাৰ ফলত অনেকে ইয়াৰ মান সম্পৰ্কে প্ৰশ্ন তুলিছে। কিন্তু ন্যূনতম গৱেষণা কৰ্মৰ বাবেও যে বিজ্ঞানসন্মত পদ্ধতি প্ৰয়োগৰ প্ৰয়োজন, সেইটো অনেকে নাভাৱে। অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ বিষয়ত যিখিনি গৱেষণা এতিয়ালৈকে হৈছে, সেইখিনি দলিয়াই পেলাব পৰা নহয়। এইটো অৱশ্যে ঠিক যে আমাৰ বাবে বিশাল ক্ষেত্ৰ পৰি আছে। এইটোও ঠিক যে এই ক্ষেত্ৰত বিৱৰণ কৰি কাম কৰিবলৈ, পুথিভঁড়াল, যাতায়ত, সমল সংগ্ৰহ—এইবোৰ বিষয়ত লগা সুবিধা আমাৰ গৱেষকে বৰ কম পায় বা কোনো কোনো সময়ত নাপায়েই। ফলত অনেক সমল অনাবিষ্কৃত বা অব্যৱহৃত হৈয়েই ৰৈ গৈছে। এই ব্যৱস্থাৰ পৰিবৰ্তন ঘটাবলৈ হ'লে বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ●

# বয়োজ্যেষ্ঠ কলেজ কৰ্মচাৰী
# শ্ৰীবলিৰাম হাজৰিকা (বলিকাই)

শ্ৰীগায়ত্ৰী বৰা

কলঙৰ পাৰৰ নগাঁও ছোৱালী কলেজখনৰ ভিতৰ চ'ৰাত প্ৰবেশ কৰা যিকোনো ব্যক্তিৰেই দৃষ্টি গোচৰ হ'ব শুভ্ৰ পোচাক আৰু মিঠা হাঁহিৰে কামৰ মাজত ব্যস্ত হৈ থকা এজন বয়সস্থ ব্যক্তি। প্ৰায় প্ৰত্যেকজন প্ৰবক্তা, কৰ্মচাৰী আৰু ছাত্ৰীৰ চকুৰ আগত এইজনা ব্যক্তিৰ ছবিখনে ধৰা দিয়েহি এটা মাত্ৰ শব্দৰ সহায়ত—বলিককাই, মানে বলিকাই।

কলেজৰ সকলোবোৰ কাম নিয়াৰিকৈ কৰাৰ উপৰিও যিকোনো অনুষ্ঠানৰ আৰম্ভণিতেই আহি উপস্থিত হৈ নিজ কৰ্তব্য সম্পন্ন কৰি যায় বলিকায়ে। ব্যস্ততাপূৰ্ণ কলেজত ক্লাচ কৰাৰ ফাঁকে ফাঁকে প্ৰায়ে বলিকাইৰ লগত দেখা-সাক্ষাৎ হয়। কিন্তু কলেজ সপ্তাহৰ প্ৰথম দিনতেই নিৰ্দিষ্ট সময়ত উত্তোলন কৰিব লগা পতাকাখন আৰু ছহিদ বেদীৰ বাবে তেল, বন্তি আদি যোগাৰ কৰি থোৱাত বলিকাইৰ বিষয়ে অলপ বেঁচিকৈ জনা যেন লাগিল। আন এবাৰ ২৬ জানুৱাৰীত পুৱা শূন্য কলেজত উপস্থিত হৈ ইফালে সিফালে দৃষ্টি নিক্ষেপ কৰি দেখিছিলো বলিকায়ে পতাকাৰ মাজত ফুল সুমুৱাই খুঁটাত বান্ধি আছে। বহুত সময়লৈকে কোনো আহি নোপোৱাত তেখেতৰ লগত এষাৰ-দুষাৰ কথা পাতি বুজিছিলো সময়, নিয়ম আৰু কাম, এই তিনিবিধ বলিকাইৰ খুবেই আপোন। দূৰৰ পৰা দেখি থকা বলিকাইৰ বিষয়ে জানিবলৈ সিদিনা আমি ছাত্ৰী একতা সভাৰ কেইগৰাকীমান সদস্যাই গৈ কেইটামান প্ৰশ্ন সুধিলো। স্বভাৱ-সুলভ মিঠা হাঁহিটোৰে তেখেতে সেইদিনা আমাৰ লগত বহুত কথাই পাতিলে।

নগাঁও ছোৱালী কলেজলৈ অহাৰ আগতে বলিকাই নগাঁও ৰেডক্ৰচত আছিল। সেই সময়তে ৺ৰত্নকান্ত বৰকাকতী, ৺হলধৰ ভূঞা, ৰেডক্ৰচৰ সম্পাদক ৺পদ্ম ভূঞা, শ্ৰীযুত গণেশ ফুকন আদি কেইবাজনো গণ্য-মান্য ব্যক্তিৰ সান্নিধ্যলৈ আহিছিল। ৰেডক্ৰচত থকাৰ আগতেই বলিকায়ে গোটেই অসম ভ্ৰমণ কৰিছিল আৰু অসমৰ বিভিন্ন বিখ্যাত ঠাইবোৰক লৈ এটি সুন্দৰ কবিতা ৰচিছিল। ৰেডক্ৰচৰ সাহায্যকাৰী দলৰ লগত পঞ্চাশ চনৰ ভূইকঁপৰ ফলত হোৱা মানুহৰ দুখ দেখি যথেষ্ট অভিজ্ঞতা সঞ্চয় কৰিছিল। এই দৃশ্যাত বলিকাইৰ মনত যথেষ্ট আঘাত দিছিল।

নগাঁও ছোৱালী কলেজ প্ৰথম প্ৰতিষ্ঠা কৰোতেই শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামীয়ে বিচৰাত ৺প. দ্ম ভূঞাই বলিকাইক সাক্ষাতকাৰলৈ পঠিয়ালে। সাক্ষাৎকাৰত প্ৰথমজন প্ৰতিষ্ঠাতা অধ্যক্ষই বলিকাইক কলেজৰ কামবোৰৰ বিষয়ে বুজাই দিলে। তাৰ পিছৰ পৰাই নিষ্ঠা-সহকাৰে বলিকায়ে সকলো কাম কৰি আহিছে। এটা সময়ত বলিৰাম হাজৰিকাৰ ঠাই পালে আন এটি নামে "বলিকাই।"

আমি সুধিছিলো 'কৰ্তব্য পালন কৰি কেনে লাগে।' প্ৰায় লগে লগে চুটি উত্তৰ এটা দিলে "ভাল লাগে।"

"প্ৰথমতেই লগ পোৱা প্ৰবক্তা, কৰ্মচাৰী আৰু বৰ্তমানৰ প্ৰবক্তা কৰ্মচাৰীৰ মাজত কিবা পাৰ্থক্য আছেনেকি" বুলি সোধাত বলিকায়ে অৰ্থব্যঞ্জক উত্তৰ এটি দিলে যে-- কাম কৰিলে ভাল লাগে। কলেজৰ ভৱিষ্যত সম্পৰ্কে প্ৰশ্ন কৰাতো সেই একে ধৰণেই কলে যে-- কাম কৰিলে ভাল হ'ব।

প্ৰথম অৱস্থাৰ ছাত্ৰী আৰু এতিয়াৰ ছাত্ৰীসকলৰ মাজত কিবা পাৰ্থক্য আছে নেকি বুলি সোধাত বলিকায়ে ক'লে যে- আজিকালি বিজ্ঞানৰ যুগ। গতিকে নাৰীৰ যুগ বুলিও ক'ব পাৰি। কিয়নো আগৰ দিনৰ বহুতো অন্ধ-বিশ্বাস আৰু কুসংস্কাৰ আঁতৰ হৈ যোৱাত ছোৱালীবোৰ আগতকৈ মুকলিমূৰীয়া হৈ পৰিছে আৰু ছোৱালীবোৰৰ আগতকৈ দায়িত্বও বাঢ়িছে।

এইদৰে বহুতো কথা আলোচনা কৰি এটা সময়ত আমি বলিকাইৰ ওচৰৰ পৰা উঠি আহিলোঁ। মনলৈ আহিল বলিকায়ে লিখা কবিতাটোৰ কথা ঃ

সদিয়াত জন্মিছিল ভীষ্মক নন্দিনী।
উষাৰ জনম ঠাই তেজপুৰখনি॥
গুৱাহাটী ৰাজধানী নৰকাসুৰৰ।
আৰু বহু নৃপতি পুৰণি কালৰ॥
বটদ্ৰৱা জনম ঠাই শঙ্কৰ গুৰুৰ।
দ্বিতীয় বৈকুণ্ঠ হয় ভাৰত ভূমিৰ॥
হিন্দু আৰু মুছলিমৰ হাজো তীৰ্থ ঠাই।
নেতাই ধুবুনীৰ ঘাট ধুবুৰীত পায়॥
উমানন্দ ব্ৰহ্মপুত্ৰ নদৰ মাজত।
অসমৰ দৰে ঠাই নাই জগতত॥ ০০

# ॥ ভিন্ন সুৰী মতামত ॥

## যুৱ-সমীক্ষা

যুগে যুগে, দেশে দেশে আলোড়ন সৃষ্টি কৰি অহা যুৱ-মানসিকতাৰ ওপৰত প্ৰতিখন সমাজৰ চালিকা শক্তিৰ অধিকাৰী প্ৰৌঢ় চামে সন্দেহ প্ৰকাশ কৰে। প্ৰতিটো ঘটনাৰে কাৰণ আৰু ফলা-ফলৰ মাজত যোগসূত্ৰ থাকে। সমাজৰ অৰ্থনৈতিক প্ৰয়োজনীয়তা আৰু প্ৰৱণতাৰ আঁৰত, প্ৰয়োজনৰ তাড়নাত অন্তঃসলিলা ৰূপে চিৰকালে বৈ থকা সত্য-শিৱ-সুন্দৰ ধ্বংসৰবিদ্ৰোহ আদিৰ অনাধাৰত যুৱ-মানসৰ অৱদান অপৰিসীম। যুৱ-মানস সাৰ্ব্বজনীন। ই দেশহীন, জাতিহীন, ভাষাহীন। সমাজ আৰু দেশৰ শান্তি আৰু প্ৰগতিৰ বাবে যুৱ-মানস যিদৰে উদ্বাউল, সুন্দৰৰ সৃষ্টি প্ৰতিভাত জ্যোতিষ্মান ঠিক তেনেদৰে ধ্বংসৰ লেলিহান শিখা বিয়পাই দিয়াতো প্ৰলুব্ধ যুৱ-মানস পাকৈত। যুৱ উশৃংখলতা এটা সমাজৰ ব্যাধি, ইয়াত নিহিত থকা বীজাণুবোৰৰ উৎপত্তিস্থল ক'ত, তাক বিচাৰি উলিয়াব নোৱাৰিলে মৃত্যু অৱশ্যম্ভাবী।

প্ৰত্যেক ব্যক্তিয়েই নিজৰ নিজৰ জীৱন দৰ্শনত বিশ্বাসী। বিশ্বৰ মহান মহান ব্যক্তিসকলো এই নিয়মৰ বহিৰ্ভূত নহয়। আমাৰ যুৱক-যুৱতীসকলৰো ধানটো পতিয়ে কণটো, মানুহটো পতিয়ে মনটো। সেয়েহে বৰ্ত্তমান সমাজৰ বিভিন্ন সমস্যাৰ ওপৰত নজৰ ৰাখি আমি কেইটিমান প্ৰশ্ন লৈ বিভিন্ন গোটৰ যুৱক-যুৱতীৰ প্ৰতিনিধি স্বৰূপ কিয়দংশ এটাৰ ওচৰ চপাৰ বিনম্ৰ প্ৰয়াস কৰিছিলো। তেখেতসকলৰ বক্তব্যৰ মুলাংশৰে যুগুত কৰা "**ভিন্ন সুৰী মতামত**" শীৰ্ষক আমাৰ এই সমীক্ষাৰ প্ৰথম প্ৰশ্নটি আছিল—

● **"বৰ্ত্তমানৰ শিক্ষা-ব্যৱস্থাৰ প্ৰতি আপোনাৰ মনোভাৱ কেনেকুৱা ?"**

এই প্ৰশ্নৰ উত্তৰত নগাঁও মহাবিদ্যালয়ৰ আলোচনী সম্পাদক **শ্ৰীমৃনাল কুমাৰ বৰাই** কয়—"মানুহে পশুত্বৰ পৰা মনুষ্যত্ব পাবলৈ চেষ্টা কৰাৰ প্ৰয়াসেই হৈছে শিক্ষা । ই জ্ঞানৰ আধাৰ। আমাৰ অগ্ৰজ শিক্ষিতসকলৰ জীৱনৰ ব্যৰ্থতাখিনি দেখিলে বৰ্ত্তমানৰ শিক্ষা-ব্যৱস্থাৰ ওপৰত আস্থা নোহোৱা হৈ পৰে। ই আমাক মানুহ হ'বলৈ শিকালেও মানুহ হৈ জীয়াই থকাৰ সম্বলখিনি পুৰণ কৰাত অলপো সহায় যে নকৰে, সি ধ্ৰুৱপ। যাৰ বাবে আজি সমাজৰ শিক্ষিতসকলৰ মাজতো মানসিক বিকাশ আৰু সংযমৰ অভাৱত বৰ্ত্তমানৰ বৌদ্ধিক পৰিবেশ নষ্ট হৈছে।"

নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক **শ্ৰীমনোজ দাসে** কয়—"ভাৰতবৰ্ষৰ পটভূমিত চাবলৈ গ'লে বৰ্ত্তমানৰ শিক্ষা-ব্যৱস্থা প্ৰহসনৰ বাদে একো নহয়। এই শিক্ষা ব্যৱস্থাই আমাক যান্ত্ৰিকহে কৰিছে। ইয়াত শিকিবলৈ বা শিকাবলৈ একো নাই।"

আমাৰ শিক্ষা ব্যৱস্থা দুই ধৰণৰ আছে। এবিধ অফিছিয়েল আৰু আনবিধ প্ৰেকটিকেল। এই প্ৰেকটিকেল শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীসকলক অন্ধকাৰৰ গহ্বৰলৈ ঠেলি দিছে। বৰ্ত্তমান দেশৰ নিবনুৱাৰ পৰিমাণটোৱে তাৰ জ্বলন্ত প্ৰমাণ।" এয়া'আছিল নগাঁও পলিটেকনিকৰ আলোচনী সম্পাদক **শ্ৰীননীবৰণ দেৱশৰ্মাৰ** বক্তব্য। নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন আলোচনী সম্পাদিকা **শ্ৰীকবিতাৰাণী দাসে** কয়—"সকলো বস্তুৰে ভাল বেয়া দুটা দিশ থাকেই। বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাত থকা ত্ৰুটিসমূহ বাদ দি ভালখিনি নিজৰ জীৱনত আমি কি দৰে প্ৰয়োগ কৰিছো সেইটোহে ডাঙৰ কথা। বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাই আমাক শিকাইছে আকাশৰ বিশালতাৰ কথা, মাটিৰ মৰমৰ কথা। এনে শিক্ষাৰ অমলজ্যোতিত আত্মমুগ্ধ হৈ আহি নিজৰ হৃদয়ৰ তুচ্ছতাৰ কথা ভাবি আতঙ্কিত নহওঁ জানো ?"

কিন্তু নগাঁও আইন মহাবিদ্যালয়ৰ ছাত্ৰ **শ্ৰীবকুল বৰাই** কয়—"বৰ্ত্তমান শিক্ষা ব্যৱস্থাটো ঠিক তদ্ৰুপ নহ'লেও প্ৰায় 'উলঙ্গ দেশত কাম কি ধোবাৰ সদৃশ।' আমাৰ শিক্ষা ব্যৱস্থাত আমাৰ অৰ্দ্ধোলঙ্গ দেশত পৰ্য্যাপ্ত পৰিমাণে ধোবা সজাত ব্যস্ত হৈ পৰিছে।' নগাঁও মহাবিদ্যালয়ৰ **শ্ৰীপলাশপ্ৰতিম বৰাৰ** মতে বৰ্ত্তমান শিক্ষাৰ ব্যৱস্থা মৰীচিকা সদৃশ, নগাঁও আইন মহাবিদ্যালয়ৰ আলোচনী সম্পাদক **শ্ৰীসুদীপ চক্ৰৱৰ্ত্তীৰ** মতে এই শিক্ষা ব্যবস্থা বৃটিছ শাসক বৰ্গৰ কেৰাণী সৃষ্টি কাৰখানাৰ নবীকৰণ কৰা পুৰণি ৰূপ, সেয়েহে হয়তো লক্ষীমপুৰ পশু চিকিৎসা-বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ **শ্ৰীনৱকমল দাসে** এই শিক্ষা পদ্ধতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে। এইবোৰ সমস্যাৰ সমাধানৰ বাবে শিক্ষা ব্যৱস্থাত বৃত্তিমূলক শিক্ষাৰ প্ৰাধান্য বৃদ্ধি কৰিলে কিছু উপকাৰ হ'ব বুলি নগাঁও ছোৱালী কলেজৰ উপ-সভানেত্ৰী **শ্ৰীগায়ত্ৰী বৰাই** আশা প্ৰকাশ কৰে।



● **প্ৰচলিত শিক্ষা পদ্ধতিৰ কোনোটো বিভাগ (বিজ্ঞান, কলা, বাণিজ্য)ৰ শিক্ষাৰ্থীয়েই নিজৰ আকাংখিত বিষয়ত আগবাঢ়িব নোৱাৰি, জীৱিকাৰ তাড়নাত চাকৰি সন্ধানত ঘূৰি ফুৰা আৰু এনে শিক্ষা পদ্ধতিৰে শিক্ষা লাভ কৰি ভৱিষ্যত সম্বন্ধে সন্দিহান হোৱা ছাত্ৰ-ছাত্ৰী বিৰল নহয়। ছাত্ৰ-ছাত্ৰীৰ চাকৰিমুখী বা বৃত্তিমুখী অৱস্থাই শিক্ষাৰ মানদণ্ড হ্ৰাস কৰিব পাৰেনেকি ? ই এটি বিতৰ্কৰ বিষয়। যুব-মনে এই বিষয়ে কি ক'ব বিচাৰে, তাক জানিবৰ বাবে আমি প্ৰশ্ন কৰিছিলো ঠিক এইদৰে—**
ছাত্ৰ-ছাত্ৰীৰ চাকৰিমুখী মনোবৃত্তিয়ে বৰ্ত্তমানৰ শিক্ষাৰ মৰ্য্যাদা লঘু কৰিছে।" —আপোনাৰ মতামত কি ?

এই প্ৰশ্নৰ উত্তৰত নগাঁও মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ **শ্ৰীজয়ন্ত কুমাৰ বৰাই** কয়—"দেশৰ বৰ্ত্তমান প্ৰচলিত শিক্ষা ব্যৱস্থাৰে শিক্ষিত হৈ এজন যুৱকে চাকৰি বিচৰাটো নিতান্তই স্বাভাৱিক। কাৰণ শিক্ষাৰ ব্যৱস্থাই তেনে হ'বলৈ বাধ্য কৰাইছে। যেতিয়ালৈকে আমাৰ এই শিক্ষা পদ্ধতিৰ পৰিবৰ্ত্তন সধা নহয়, তেতিয়ালৈকে এই প্ৰবাহৰ অন্ত নপৰে। শিক্ষাৰ মৰ্য্যাদা লঘু হোৱাৰ মূলতে হ'ল বৰ্ত্তমানৰ শিক্ষাৰ ব্যৱস্থা। ছাত্ৰ-ছাত্ৰীসকল প্ৰত্যক্ষ ভাৱে দায়ী নহয়। তদুপৰি উচ্চশিক্ষিত ব্যক্তিৰ নৈতিকতাহীন তথা সমাজৰ প্ৰতি থকা দায়িত্বহীনতাইও বৰ্ত্তমান শিক্ষাৰ মৰ্য্যাদা লঘু কৰাত ইন্ধন যোগাইছে।"

**শ্ৰীধ্ৰুৱজ্যোতি শৰ্মাৰ** বক্তব্য-চিত্ৰনীয়—"ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰে অনাগত ভৱিষ্যতৰ সুখৰ বাবে। উপযুক্ত জনে যেতিয়া প্ৰাপ্য চাকৰি এটাৰ পৰা বঞ্চিত হয়, আনহাতে তেওঁৰে সন্মুখত অনুপযুক্ত এজনে ধনৰ বিনিময়ত বা ৰাজনৈতিক হেঁচাৰ জৰিয়তে চাকৰিটো পোৱাত নিশ্চিত হয়। এনে ক্ষেত্ৰত শিক্ষাৰ মৰ্য্যাদা লঘু হোৱাটো স্বাভাৱিক। এই অৱস্থাৰ বাবে মই বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাক দায়ী কৰিব বিচাৰো।" কিন্তু শ্ৰীপলাশপ্ৰতিম বৰাই কয় যে বিষয়টোৰ সৃষ্টিৰ মূলতে আছে বৰ্ত্তমান মানুহৰ অৰ্থনৈতিক দুৰৱস্থা আৰু নিৰাপত্তাহীনতা। দেশৰ আৰু ৰাজ্যৰ অৰ্থনৈতিক দিশটোৰ লগতহে, এই প্ৰশ্নটোৰ উত্তৰৰ প্ৰাসঙ্গিকতা জড়িত আছে।

আনহাতে শ্ৰীকবিতাৰাণী দাসৰ দৰেই মৃনাল কুমাৰ বৰায়ো কয়—"চাকৰিমুখী মনোবৃত্তিয়ে শিক্ষাৰ মৰ্যাদা লঘু কৰিছে বুলি ক'লে ভুল হ'ব। কাৰণ, চাকৰিমুখী হ'ব লগীয়াৰ মূলতেই হৈছে দেশৰ অৰ্থনৈতিক অৱস্থা। বহু ছাত্ৰই আৰ্থিক দুৰৱস্থাৰ হেতু চাকৰি কৰি অথবা আন উপায়েৰে জীৱন নিৰ্বাহ কৰিও পঢ়া-শুনা অক্ষুন্ন ৰখাৰ উদাহৰণ বিৰল নহয়। যদিও অনেক মেধাৱী দুখীয়া ছাত্ৰই মনৰ আশা মনতে ৰাখি, স্কুল-কলেজ বাদ দিব লগীয়া হৈছে অৰ্থৰ অভাৱত অথবা চাকৰিৰ বাবেই।"

"চাকৰিমুখী মনোবৃত্তিয়ে সমাজখনক, দেশখনক এক প্ৰকাৰ টনকিয়াল কৰিছে।

কিয়নো দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে যেনিবা আৰ্থিক দুৰৱস্থাৰ বাবে চাকৰি কৰিবলৈ বাধ্য, কিন্তু ধনী শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলো দেখোন চাকৰিৰ নামত উদ্বাউল। ইয়াৰ মূলতে আছে ছাত্ৰ-ছাত্ৰী-সকলৰ এটি আত্মনিৰ্ভৰশীল সচেতন মন। মই ভাবো প্ৰকৃত শিক্ষাৰ অধিকাৰী হ'বলৈ হ'লে আজিৰ শিক্ষা ব্যৱস্থাৰে গঢ় লোৱা স্কুল-কলেজলৈ নগলেও হয় বা নপঢ়িলেও হয়। সূৰ্য্যক ভস্ম কৰিব নোৱাৰাৰ দৰেই, শিক্ষাৰ মৰ্য্যাদাকো কোনো শক্তিয়ে লঘু কৰিব নোৱাৰে ; বৰং উজ্জ্বল হে হ'ব।' এইয়া আছিল সহজ আৰু পোনপটীয়া উত্তৰ দিওঁতা **শ্ৰীনৱ কমল দাস**।

আনহাতে কুমাৰী স্বপ্না কলিতা, বকুল বৰা আৰু নগাঁও জিলা নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ সহকাৰী সম্পাদক **মঃ মবিনুল ইছলামে** প্ৰশ্নত উল্লিখিত মন্তব্যটিৰ পক্ষ-পাতিত্ব প্ৰকাশ কৰে। এওঁলোকৰ লগতে **ননী বৰণ দেৱশৰ্ম্মাই** কয় যে এই মনোবৃত্তিয়ে বৰ্ত্ত-মানৰ শিক্ষা ব্যৱস্থাৰ দুৰ্ব্বল দিশটো উদঙাই দিছে। বৃত্তিমুখী মনোবৃত্তি আমাৰ ছাত্ৰ-ছাত্ৰী-সকলৰ মাজত দেখা নেপোৱাৰ কাৰণ হ'ল বৃত্তিমুখী হ'বলৈ প্ৰয়োজনীয় ব্যৱস্থা কৰ্তৃপক্ষই যোগান ধৰাত ব্যৰ্থ হৈছে। বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থা যেন বৃত্তিমুখী হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলে কৰা প্ৰচেষ্টাৰ এক বিপৰীত সোঁত।

সমীক্ষাৰ তৃতীয় প্ৰশ্নটি আছিল— ● **বৰ্ত্তমান সমাজত প্ৰচলিত সস্তীয়া আলোচনী বোৰৰ প্ৰয়োজনীয়তা আপুনি অনুভৱ কৰেনে? সাহিত্যত এইবিলাকে কিবা উন্নতি সাধিব পাৰিছেনে ?**

প্ৰশ্নটিৰ উত্তৰ দিবলৈ অসুবিধাজনক। যিহেতু 'সস্তীয়া' শব্দটিৰ নামকৰণ কৰা নহ'ল। ইয়াৰ মতামত নিৰ্ভৰ কৰিব প্ৰশ্ন-উত্তৰ দিওতাসকলৰ চিন্তাৰ গভীৰতা থকা বা নথকাৰ ওপৰত। শ্ৰীগায়ত্ৰী বৰাৰ দৰেই শ্ৰীমনোজ দাসেও কয়— "যদি মূল্যৰ প্ৰতি লক্ষ্য কৰি সস্তীয়া বুলি কব বিচাৰিছে তেন্তে এনে আৰ্থিক সংকটৰ দিনত পাঠকৰ বাবে ই এটা সুখৰ কথা হ'ব। আনহাতে যদিহে সস্তীয়া মানদণ্ডৰ কথা কোৱা হৈছে—তেনে ক্ষেত্ৰতো দুটা কথা আহি পৰে। প্ৰথমটো হ'ল সংখ্যাৰ পিনৰ পৰা। আমাৰ বাবে অধিক সংখ্যক আলোচনী প্ৰচাৰ হৈ থকাটো শুভ-লক্ষণ। দ্বিতীয়তে, যদি মানদণ্ড উচ্চ নহয়, তেনে আলোচনীয়ে আমাৰ সাহিত্যৰ কিবা প্ৰচাৰ বা প্ৰসাৰ কৰিব বুলি নাভাবো।

মৃণাল কুমাৰ বৰাৰ বক্তব্য— "সস্তীয়া শব্দটিৰে যদি মূল্য সুলভতাক বুজাব বিচৰা নাই, তেনেহলে এনে বিশেষণ যুক্ত আলোচনীৰ প্ৰয়োজনীয়তা থাকিব নোৱাৰে। যুৱক-যুৱতী ছাত্ৰ-ছাত্ৰীৰ একাংশৰ মাজত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰা সস্তীয়া আলোচনীসমূহৰ অৰ্থ-লিপ্সা আৰু কুৰুচিপূৰ্ণ মানসিকতাই আমাৰ উঠি অহা চামটোৰ ওপৰত এক বিৰূপ প্ৰতি-ক্ৰিয়াৰ সৃষ্টি কৰিছে। 'শেষ পৃষ্ঠাৰ পৰা পঢ়িবলৈ আৰম্ভ কৰা' এই আলোচনীসমূহে বহন



কৰা লেখাসমূহৰ 'সাহিত্যিক মূল্য' থকাটো আশ্চৰ্য্যৰ বিষয় নহ'ব পাৰে। শিহৰণ মুক্ত, উত্তেজনা-পূৰ্ণ, এক কথাত অশালীন লেখা আৰু ৰামায়ণৰ 'ৰাম' অৰুণ গোভিলৰ পৰা দৰঙী মেলাৰ ছবিলৈকে 'বিজ্ঞাপন সদৃশ বেতুপাত'ৰ উলঙ্গ ছবিৰ এনেবোৰ আলোচনীয়ে অৱশ্যে এচাম নতুন লেখক-লেখিকাক প্ৰেৰণা দিয়াৰ এটা ইতিবাচক দিশৰ প্ৰতি সযতনে লক্ষ্য কৰা উচিত।"

"নাই মোমাইতকৈ কণা মোমাইয়ে শ্ৰেয় যেন অনুভৱ হয় আৰু আপোন মোমাইৰ পঙ্গু চকুটিৰ আৰোগ্যৰ বাবে ভবাৰ আন্তৰিকতাৰে আলোচনীবোৰৰ পঙ্গু অংশটিৰ আৰোগ্যৰ হকে আমি সকলোৱে পৰিচৰ্য্যা কৰাটো নিতান্ত কৰ্ত্তব্য বুলি ভাবো আৰু নিশ্চয় এই আৰোগ্য আৰ্জিত ফল আমাৰ হিতাকাংক্ষীয়ে হ'ব।" বুলি বকুল বৰাই মত প্ৰকাশ কৰে।

আনহাতে শ্ৰীপলাশ প্ৰতিম বৰাই ধ্ৰুৱজ্যোতি শৰ্মা,জয়ন্ত বৰা; স্বপ্না কলিতা, কবিতা-বাণী দাস, সুদীপ চক্ৰৱৰ্ত্তীৰ মততে মত মিলাই কয় "এইবিলাক আলোচনীয়ে সাহিত্য জগতৰ উন্নতি সাধন কৰাটো বাদেই, বৰ্ত্তমানৰ পঢ়ুৱৈসকলক সম্পূৰ্ণৰূপে নৈতিকতাবিহীন কৰি ভৱিষ্যতে মেৰুদণ্ড বিহীন কৰি তুলিব।"

কিন্তু নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ আলোচনী সম্পাদক শ্ৰীঅসীম কুমাৰ শইকীয়াই কয় যে ৰুচিয়ে আলোচনীৰ মানদণ্ডৰ ওপৰত প্ৰভাৱ পেলায়। অৱশ্যে আলো-চনীৰ মানদণ্ডয়ো ৰুচিৰ পৰিবৰ্ত্তন ঘটাব পাৰে। ৰুচিৰ গুৰিতে আছে মানুহৰ জাগতিক সংস্কৃতৰ প্ৰভাৱ।

এটা জাতিয়ে অৰ্থনৈতিক, সামাজিক আৰু শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ লগে লগে খেলা-ধূলাতো অগ্ৰাধিকাৰ দিয়াৰ কথাই জাতিটোক প্ৰগতিশীল বুলি পৰিচয় দিয়ে। সেয়েহে জাতীয় চৰিত্ৰ গঠনত খেলা-ধূলাৰ অবদান অপৰিসীম। একেদৰে সাহিত্য চৰ্চ্চা, সু-কুমাৰ কলাৰ প্ৰতি থকা আগ্ৰহেও যুৱ সম্প্ৰদায়ৰ চিন্তাশক্তি, সৃজনী শক্তিৰ বিকাশত অৰিহণা যোগায়। যুৱ-মনেনো এই বিষয়ে কি কয় তাকে জানিবলৈ প্ৰশ্ন কৰিছিলো—**আধুনিক গল্প কবি-তাৰ প্ৰতি আপোনাৰ মনোভাৱ কেনেকুৱা ?**

'আধুনিক কবিতা' শব্দটি উচ্চাৰণ কৰিলেই বক্তব্য ৰখাটো মৃণাল কুমাৰ বৰাৰ বাবে অসুবিধাজনক হৈ পৰে। তেওঁ কয় "আধুনিক কবিতা মানে যদি মৰুদ্যান, মিচিল, চিগাৰেট ... ..., অস্তগামী সূৰ্য্যৰ ... .., কহঁৰা ফুল আদি শব্দৰে ক্ষত-বিক্ষত টুকুৰা ছবি কিছুমান ছন্দবিহীন ভাৱে পাঠকৰ অন্তৰত দাঙি ধৰিব বিচৰা হয়।—যাৰ মূলভাৱ 'বিপ্লৱ' অথবা 'অভাৱ'। তেনে কবিতাৰ প্ৰতি মোৰ আকৰ্ষণ নাই।

জয়ন্ত কুমাৰ বৰাই এনে এটি বিস্তৃত পৰিসৰৰ বিষয়ে চমুতে উত্তৰ দিবলৈ অপাৰগ। তথাপি তেওঁ কৈছে যে— আমাৰ আধুনিক গল্প-কবিতাই ইতিমধ্যে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় মঞ্চত

সমাদৰ পাইছে। যুগৰ পৰিবৰ্তনৰ লগে লগে আধুনিক গল্প-কবিতাৰ ধাৰাও সলনি হৈছে। লক্ষ্মীনাথ বেজবৰুৱা যুগৰ সাহিত্যৰ ধাৰা পিছৰ কালত সলনি হৈছে। প্ৰথিতযশা গল্পকাৰ ডঃ ভবেন্দ্ৰ নাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, মহিম বৰাৰ গল্পত নতুন ধাৰা পৰিলক্ষিত হয়। সাম্প্ৰতিক কালতো ন-ন ৰুচিৰ গল্প-কবিতাৰ সৃষ্টি হৈছে। হেম বৰুৱা আছিল আধুনিক কবিতাৰ বাটকটীয়া। কিন্তু এতিয়া কবিতাৰ ধাৰা সলনি হৈছে। এই সকলোবোৰেই আধুনিক সাহিত্য। বৰ্তমান কালৰ গল্প-কবিতাৰ নিজস্ব বৈশিষ্ট্য, প্ৰকাশ-শৈলী (Style)ত আশাবাদী, ঐকান্তিকতাৰে সাহিত্য সেৱা কৰা লিখকসকলৰ ওপৰত তেওঁৰ আস্থা আছে। নবীন লেখক-লেখিকাসকলে দায়িত্ববোধ, বিস্তৃত অধ্যয়ন আৰু কিছু কষ্টেৰে সাহিত্য সৃষ্টিত আগ বাঢ়িলে আমি সুন্দৰ ফল পাম বুলি তেওঁ আশা প্ৰকাশ কৰে আৰু ভূতপূৰ্ব ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে হেম বৰুৱাক কোৱা এটি উক্তিৰে আমাৰ প্ৰশ্নটিৰ উত্তৰ সামৰণি মাৰে "I am glad that you write. Nothing ultimately lasts encept your writings."

এই প্ৰসঙ্গত কবিতাবাণীৰ বক্তব্য—"গল্প আধুনিক যুগৰহে সৃষ্টি। শেহতীয়া ভাৱে গল্পৰ আঙ্গিক আৰু কলা-কৌশলৰ ক্ষেত্ৰত হোৱা বিভিন্ন পৰীক্ষা-নিৰীক্ষাই গল্পত নতুনত্ব প্ৰদান কৰিব পাৰিছে। আধুনিক কবিতাৰ পৰিধি অতি ব্যাপক। আধুনিক কবিতাই মাটিৰ উমেৰে জীপাল হৈ মানুহৰ হৃদয়ৰ কথা সাহসেৰে কয়। ই সমকালীন ঘটনা প্ৰৱাহত সৈনিকৰ সাজ পিন্ধে। আধুনিক কবি গজদন্ত-মিনাৰত আৱদ্ধ নহয়। ইয়াত ছন্দৰ কটকটীয়া বান্ধোন নাই যদিও আধুনিক কবিতা ছন্দ বিহীন নহয়। ব্যঞ্জনাৰ দ্বাৰাহে ছন্দ-স্পন্দন অনুভৱ কৰি পাৰি।"

আধুনিক গল্প-কবিতাই মানুহক বাস্তৱবাদী কৰি তুলিছে আৰু ইয়াৰ সহজ-সৰলতাই সকলো শ্ৰেণীৰ সমাজতে সমাদৰ লাভ কৰিছে বুলি সুদীপ চক্ৰৱৰ্তীয়ে কয়।

যুৱ সমাজত নৈতিক চৰিত্ৰৰ স্খলন হোৱা বুলি কৰা অভিযোগ প্ৰায়ে শুনা যায়। প্ৰেম-ভালপোৱা সম্পৰ্কে গভীৰ জ্ঞান নথকা লোকসকলে নৈতিক চৰিত্ৰ স্খলনৰ বাবে প্ৰেম-ভালপোৱাকে দায়ী কৰিব খোজে। সেয়েহে 'আজি-কালি প্ৰেম-ভালপোৱা অৰ্থহীন' বুলি অভিযোগ প্ৰায়ে শুনা যায়। তাৰ উপৰি প্ৰেম-ভালপোৱা সম্বন্ধে যুৱক-যুৱতীৰ দৃষ্টি-ভঙ্গী ভিন্ন ধৰণৰ। তেওঁলোকৰ দৃষ্টিত প্ৰেম, ভাল-পোৱানো কি, তাকে জানিবলৈ প্ৰশ্ন কৰিছিলো—

● **"প্ৰেম নামৰ প্ৰচলিত ৰহস্যময়ী বস্তুটোৱে আজিৰ এচাম যুৱক-যুৱতীৰ মাজত বিভীষিকাৰ সৃষ্টি কৰিছে, লগতে তেওঁলোকক ধ্বংসৰ পথলৈও আগবঢ়াই নিছে।"**— আপোনাৰ বিশ্বাসযোগ্যনে?

প্ৰশ্নটোত কাৰ্য আৰু কাৰণৰ মাজৰ আপেক্ষিক সম্পৰ্কৰ কথাকে ভবা হৈছে। জগত সৃষ্টি আধাৰেই হৈছে প্ৰেম। গতিকে প্ৰেমৰ এক বৃহৎ প্ৰতিমূৰ্তিও আছে বুলি অসীম কুমাৰ শইকীয়াই মত প্ৰকাশ কৰে।



শ্ৰীমৃণাল কুমাৰ বৰা, গায়ত্ৰী বৰা, কবিতা বাণী দাস, সুদীপ চক্ৰৱৰ্ত্তী, জয়ন্ত কুমাৰ বৰা, মবিনুল ইছলাম, পলাশ প্ৰতিম বৰা, ধ্ৰুৱজ্যোতি শৰ্মা আৰু মনোজ দাসৰ মতে এই উক্তি বিশ্বাস-যোগ্য নহয়। তেওঁলোকৰ মতে প্ৰেম হৈছে মানৱ জীৱনৰ এক চিৰন্তন অনুভূতি। প্ৰেমে কাৰো জীৱনলৈ ধ্বংস বা বিভীষিকা কঢ়িয়াই নানে। ইয়াৰ অৰ্থ গভীৰ আৰু ব্যাপক। প্ৰেমৰ মাজেৰেই মানুহৰ মানবীয় গুণ প্ৰকাশি উঠে। প্ৰেমৰ নামত যদি কোনোবা ধ্বংস হৈছে, তেন্তে সেয়া প্ৰেম নহয়, প্ৰেমৰ নামত এক মানসিক ভ্ৰম। 'প্ৰেম'ক কোনে কি ভাৱে লৈছে, সেই চিন্তা বা ভাৱৰ লৈতেহে 'বিভীষিকা' বা 'ধ্বংস' আদি শব্দবোৰ জড়িত। হিন্দী কথাছবি আধাৰিত আজিৰ যুৱক-যুৱতীৰ প্ৰেম বিভীষিকাময়ী সঁচাকৈয়ে। সেয়েহে শ্ৰীবকুল বৰাই কৈছে যে—বৰ্তমান যুৱক-যুৱতীৰ মাজত বিকৃত প্ৰেম সম্পৰ্কীয় কাৰ্য্য-কলাপৰ পৰিপ্ৰেক্ষিতত এই মন্তব্যটি বিশ্বাসযোগ্য। কিয়নো সাময়িক উত্তেজনাৰ তাড়নাত পৰি লাইলা-মজনু সজাৰ প্ৰয়াস কৰাত বৰটোকোলাৰ দৰে খোজ কাঢ়িবলৈ গৈ ঘৰচিৰিকাই নিজৰ খোজটো পাহৰাৰ দৰেই, তেওঁ-লোকৰ অৱস্থাও তদ্ৰুপ।

কিন্তু লক্ষীমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীপঙ্কজ গোবিন্দ মেধিয়ে কয় যে— 'প্ৰেম স্বৰ্গীয় নহয়। ই একান্তই পৃথিবীৰ প্ৰাকৃতিক "বিৰামহীন এক সোঁত, যি সোঁতৰ ক'তো যতি নপৰে।"

আবহমান কালৰে পৰা সমাজৰ সকলোৱেই পৰীক্ষাসমূহক পৱিত্ৰ অনুষ্ঠান বুলি গণ্য কৰি আহিছে। কিন্তু দুৰ্ভাগ্যবশতঃ যোৱা কেইটামান বছৰ ধৰি অসমৰ সামাজিক জীৱনত দেখা দিয়া পৰিবৰ্তনে পৰীক্ষাসমূহৰ ওপৰতো প্ৰভাৱ পেলাইছে। আজি সমাজৰ অধিকাংশ লোকেই তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে "নকল কৰি হওক বা বাহিৰৰ পৰা সাহায্য পায়েই হওক. মুঠতে পৰীক্ষাত কৃতকাৰ্য্য হওক" এনে এটা মনোভাৱ পোষণ কৰিবলৈ আৰম্ভ কৰিছে। এনেবোৰ নাভুত-নাশ্ৰুত কাণ্ডই পৰীক্ষাৰ পৱিত্ৰতা নষ্ট কৰি ইয়াক প্ৰহসনলৈ পৰ্য্যবসিত কৰা দেখি সচেতন মহলে মনো বেদনাত দগ্ধ হৈ ছটফটাই দিন অতিবাহিত কৰিছে। যুৱমনে এইবিষয়ে কি ক'ব বিচাৰে?

সমীক্ষাৰ ষষ্ঠ প্ৰশ্ন— ● **আজি-কালি প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে নকলৰ অবিহনে পৰীক্ষা ঘৰত সোমাবলৈ অসমৰ্থ হয়। ইয়াৰ বাবে আপুনি কাক দোষ দিব বিচাৰে? এই সমস্যাৰ সমাধান ক'ত?"**

এই প্ৰশ্নৰ উত্তৰত শ্ৰীসুদীপ চক্ৰৱৰ্তীয়ে বৰ্তমানৰ শিক্ষা ব্যৱস্থাকেই দায়ী কৰিব বিচাৰে। কিয়নো ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞান অৰ্জনৰ পৰিবৰ্তে পাছ কৰাৰ প্ৰতিযোগিতাই ৰৈছি, যিহেতু আমাৰ শিক্ষা ব্যৱস্থাত জ্ঞান অৰ্জনকাৰীৰ পৰিবৰ্তে সৰহ নম্বৰ পোৱা জনকেই সন্মান দিয়া হয়।

ননীবৰণ দেৱশৰ্মাই কয়— 'নকলৰ বাবে শিক্ষক, অভিভাৱক, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষা-পদ্ধতি আটায়ে দায়ী। শ্ৰেণীত শিক্ষা দান কৰোতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত থকা সম্বন্ধৰ দূৰত্বও নকল কৰাৰ মূল উপাদান। আটাইতকৈ ডাঙৰ কথা হ'ল বৰ্ত্তমান যুৱ-মানসিকতা নিয়মানুবৰ্ত্তিতাৰ এক প্ৰত্যাহবান যেন হৈ পৰিছে।

কঠোৰ ব্যৱস্থা, শিক্ষকৰ উদাৰতা আৰু সমদৃষ্টিমূলক সাহসিকতা, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰ সম্বন্ধই এই ভয়ানক সমস্যা সমাধান কৰিব পৰা যাব।"

মবিনুল ইছলামেও ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী উভয়কে দায়ী কৰিব খোজে। তেওঁৰ মতে নকল হ'ল এটা সামাজিক ব্যাধি। বৰ্ত্তমানে ভয়াবহ ৰূপ ধাৰণ কৰা নকলৰ বিষয়ে গঠনমূলক আলোচনা-বিলোচনাৰে সুদূৰপ্ৰসাৰী কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিলে ইয়াৰ উপশম ঘটিব। কিন্তু ইয়াত ছাত্ৰ সমাজেই মুখ্য স্থান লব লাগিব, যিহেতু এই সমাজেই এই ৰোগৰ ৰোগী।

কবিতাৰাণী দাসৰ বক্তব্য—"পৰীক্ষা গৃহত নকল কৰাৰ প্ৰৱণতাৰ বাবে একমাত্ৰ দোষী সংশ্লিষ্ট ছাত্ৰ-ছাত্ৰী নিজে। পাঠ্যক্ৰমৰ লগত সমগ্ৰ বছৰটো তেল-পানীৰ সম্পৰ্ক ৰক্ষা কৰি পৰীক্ষাৰ সময়ত প্ৰশ্নোত্তৰৰ নকল কাৰ্য্যৰে অতি সহজে পাছ কৰি যোৱাৰ অপচেষ্টা কৰে এওঁলোকেই। নকলৰ প্ৰতিৰোধৰ বাবে শিক্ষকৰ লগতে অভিভাৱক আৰু নকল বিৰোধী ছাত্ৰ-ছাত্ৰীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিলে এই সমস্যাৰ সমাধান অচিৰেই হ'ব।

বৰ্ত্তমান যুগ বিজ্ঞানৰ যুগ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই ইতিমধ্যে বহু দূৰলৈ আগবাঢ়ি গৈছে। কিন্তু আজি একবিংশ শতিকাৰ দুৱাৰ দলিত উপস্থিত হোৱাৰ পিছতো সমাজৰ বিভিন্ন ঠাইত সতীদাহ, শিশুবধ (নাৰী শিশু) প্ৰথা আদি আজিও প্ৰচলিত হৈ আছে। তদুপৰি যন্ত্ৰৰ যুগত, মন্ত্ৰৰে পৰিচালিত। এই বিষয়ে আমি প্ৰশ্ন কৰিছিলো এইদৰে—**বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই সমাজৰ কু-সংস্কাৰ, ৰক্ষণশীলতা আৰু ধৰ্মীয় গোড়ামি আঁতৰোৱাত সহায় কৰিছে বুলি আপুনি ভাবেনে ?**

এই প্ৰশ্নৰ উত্তৰত শ্ৰীগায়ত্ৰী বৰাই কয়—"যতেই মানুহৰ মনে বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাৰ সচাঁ অৰ্থত উপলব্ধি কৰিছে, তাতেই কু-সংস্কাৰ, ৰক্ষণশীলতা আৰু ধৰ্মীয় গোড়ামি আঁতৰি গৈছে।'

মবিনুল ইছলামে কয়—"শিল্পীৰ যি দৰে কোনো জাতি নাই, ধৰ্ম নাই ; ঠিক তেনেদৰে বিজ্ঞানীৰো কোনো জাতি বা ধৰ্ম নাই। সেয়েহে তেওঁলোকৰ সৃষ্টিসমূহো কোনো জাতি বা ধৰ্ম বিশেষৰ নহয়। গতিকে বিজ্ঞানে সমাজৰ কু-সংস্কাৰ, ৰক্ষণশীলতা আৰু ধৰ্মীয় গোড়ামি আঁতৰোৱাত সহায় কৰিছে বুলি মই বিশ্বাস কৰো।"



কিন্তু এওঁলোকৰ বিপৰীতে ননীৰবণ দেৱশৰ্মাই মত প্ৰকাশ কৰে যে—বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই ধৰ্মীয় গোড়ামি আঁতৰাবলৈ কৰা চেষ্টাত ফলৱতী হোৱা নাই। ৰূপ কানোৱাৰ-সতী যোৱা ঘটনাটোৱে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক বহু দূৰলৈ ঠেলি পঠিয়ালে। মঠ-মন্দিৰবোৰৰ গোড়ামিবোৰ দেখিলে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই কু-সংস্কাৰ আদি আঁতৰাবলৈ কৰা প্ৰচেষ্টা শামুকীয়া গতিত আগবাঢ়িছে বুলি ক'বলৈ বাধ্য।

শ্ৰীঅসীম কুমাৰ শইকীয়াই থোৰতে মত প্ৰকাশ কৰে যে এই ক্ষেত্ৰত সংস্কৃত মানসিকতাৰ খুবেই প্ৰয়োজন।

আমাৰ মাজত এতিয়াও প্ৰচলিত কু-সংস্কাৰ, ৰক্ষণশীলতা আৰু ধৰ্মীয় গোড়ামিৰ ঘাই কাৰণ বৈজ্ঞানিক দৃষ্টি-ভংগীৰ অভাৱ আৰু শিক্ষাৰ সীমাবদ্ধতা— বুলি সুদীপ চক্ৰৱৰ্ত্তীয়ে কয়।

সৌন্দৰ্য্যৰ কুঁৱৰী আই অসমী বাৰু কাৰ চেনেহৰ নহয় ? মৰমৰ নহয় ? কিন্তু এই সৌন্দৰ্য্যৰ মাজত থাকিব লাগিব সন্তান-সন্ততিৰ প্ৰায়োগিক দৃষ্টি। এই দৃষ্টিয়ে যিদৰে মানুহৰ অন্তৰ্জগতৰ পৰিবৰ্ত্তন বিচাৰে ঠিক তেনেদৰে বিচাৰে বহিঃৰ্জগতত ইয়াৰ বলিষ্ঠ প্ৰকাশ। অন্তৰ্জগতৰ প্ৰয়োজন অনুসৰি আমি ভাৱবাদী দৰ্শনক স্বীকাৰ কৰি ল'ব লাগিব আৰু ঠিক তেনেদৰে স্বীকাৰ কৰিব লাগিব বহিঃৰ্জগতৰ প্ৰয়োজন অনুসৰি দ্বন্দ্বাত্মক বস্তুবাদী দৰ্শনক। কিন্তু তাকে কৰোতে আমি আমাৰ নিজৰ দেশৰ দৰ্শন তথা জন-জীৱনৰ ঐতিহ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। তাৰ বাবে আমাৰ বিশেষ প্ৰয়োজন, আমাৰ মাতৃভূমিৰ ভাষা-সংস্কৃতি আৰু জাতীয়-জীৱনৰ মৌলিক উপাদানবোৰৰ অধ্যয়ন, কৰ্ষণ আৰু ইয়াৰ প্ৰয়োগ। আমি যুৱা চামে বাৰু ভাষা-সংস্কৃতি তথা ঐতিহ্যলৈ লক্ষ্য কৰিছোনে ? আজি-কালি অসমীয়া ভাওনা-সবাহ নোহোৱা হ'ল, গাঁৱে-ভূঞে কৰবাত কেতিয়াবা হ'লেও এলান্ধুকলীয়া মান্ধাতাৰ দিনৰ বুলি উপলুঙা কৰে! সেয়েহে আমি প্ৰশ্ন কৰিছিলো— ● **বৰ্ত্তমান সমাজৰ এচাম মানুহে মহাপুৰুষসকলে সৃষ্টি কৰা 'অঙ্কীয়া নাট' সমূহক অৱহেলাৰ চকুৰে চায়। ইয়াৰ কাৰণ আপুনি কি বুলি ভাবে ?**

জাতীয় সংস্কৃতি আৰু জাতীয় ঐতিহ্যক সন্মান কৰিব নজনা এচাম ব-চেৰা মানুহে অংকীয়া নাট আৰু ভাওনাক অৱহেলাৰ চকুৰে চায়। এই শ্ৰেণী মানুহৰ মনত ঐতিহ্য চেতনা জাগিলেহে এই সমস্যাৰ সমাধান হ'ব বুলি শ্ৰীকবিতাৰাণী দাসে আশা প্ৰকাশ কৰে।

শ্ৰীগায়ত্ৰী বৰাই ৰূপজ্যোতি শইকীয়াৰ দৰেই কয়— "অংকীয়া নাটসমূহক এচাম লোকে অৱহেলা কৰাৰ কাৰণ হ'ল বৰ্ত্তমান মানুহৰ ব্যস্ততা, সময়ৰ নাটনি আৰু শিল্পীসকলৰ পৰি অহা মানদণ্ড। এই নাটসমূহক প্ৰশিক্ষনপ্ৰাপ্ত কলা-কুশলীয়ে বৈজ্ঞানিক বিশ্লেষণেৰে সজাই পৰাই উলিয়ালে সকলো মানুহেই গ্ৰহণ কৰিব।"

শ্ৰীসুদীপ চক্ৰৱৰ্ত্তীৰ মন্তব্য—"সময়ৰ পৰিবৰ্তনৰ লগে লগে যুব-মানসিকতাৰো পৰিবৰ্তন হৈছে। কিন্তু সাংস্কৃতিক পৰম্পৰাক কেতিয়াও নুই কৰিব নোৱাৰি। উপযুক্ত পৰিবেশ আৰু শিক্ষাৰ মাধ্যমেৰেই ব্যক্তি বিশেষৰ মানসিকতা উন্নত হয়। আজিৰ যুৱ -সমাজে উপযুক্ত পৰিবেশ আৰু শিক্ষাৰ অভাৱ বোধ কৰিছে, লগতে মহাপুৰুষসকলে সৃষ্টি কৰা অংকীয়া নাটসমূহক বহল ভাৱে ৰাইজৰ আগত উপস্থাপন কৰা হোৱা নাই। সেয়েহে বৰ্ত্তমান সমাজৰ এচাম মানুহে মহাপুৰুষসকলে সৃষ্টি কৰা অংকীয়া নাটসমূহক অৱহেলাৰ চকুৰে চায়।"

সমীক্ষাৰ নৱম **প্ৰশ্ন—"শিক্ষিত নিবনুৱাসকলৰ ভিতৰত প্ৰায় নিবনুৱাই হতাশাত ভুগিব লগীয়া হৈছে। ইয়াৰ কাৰণ কি? কি দৰে সমাধান কৰিব পৰা যাব?"**

এই প্ৰশ্নৰ উত্তৰত শ্ৰীগায়ত্ৰী বৰাই কয়— "শিক্ষিত নিবনুৱাসকল হতাশাত ভোগাৰ কাৰণ হ'ল কম কষ্টত বেছি লাভৰ বাবে আশা কৰা আৰু কৰ্মোৎসাহী নোহোৱা। ইয়াৰ সমাধান সেইদিনাই হ'ব যিদিনা তেওঁলোকৰ বাবে চৰকাৰে বা বেংকে প্ৰদান কৰা ঋণসমূহ দামী সাজ-পোচাক বা স্কুটাৰৰ ধোঁৱা হৈ উৰি নাযাব।"

নিবনুৱাসকল হতাশাত ভোগাৰ কাৰণ আৰ্থিক অসাম্য, দাৰিদ্ৰ আৰু ভৱিষ্যত জীৱনৰ অনিশ্চয়তা— বুলি সুদীপ চক্ৰৱৰ্ত্তীয়ে কয়।

একমাত্ৰ চৰকাৰী চাকৰিকে 'অগতিৰ গতি' বুলি নাভাবি বিভিন্ন উদ্যোগিক আৰু বাণিজ্যিক আঁচনিসমূহে প্ৰদান কৰা সুবিধা লৈ স্ব-নিয়োজিত হ'লেই ইয়াৰ কিছু সমাধান হ'ব পাৰে বুলি কবিতা ৰাণী দাসে আশা প্ৰকাশ কৰে।

মৰিনুল ইছলামৰ মন্তব্য—"ভৱিষ্যত নিৰাপত্তাহীনতাই ইয়াৰ মূল হেতু বুলি মই ভাবো। এই সমস্যাৰ সমাধান হ'বলৈ হ'লে স্বাৱলম্বী মনোভাৱৰ বাতাবৰণ শিক্ষিত নিবনুৱা চামটোৰ মনত জাগিব লাগিব। ইয়াৰ বাবে পৰিকল্পিত আঁচনি আদিৰ প্ৰয়োজন সাপেক্ষে সৃষ্টি কৰিব লাগিব। অন্যথা এই সমস্যাই ভৱিষ্যতে আৰু ভয়াবহ ৰূপ ধাৰণ কৰিব।'

অসমৰ জাতীয় উৎসৱ বিহুটি দিনে দিনে গহবৰলৈ সোমাবলৈ উপক্ৰম কৰিছে। ভোগালী বিহুৰ অসমীয়া জা-জলপান, পিঠাবিলাক পাহৰণিত জাহ গল। তাৰ পৰিবৰ্ত্তে কেক, চেণ্ডউইচ, পুডিং, কাষ্টাৰ্ডে খোপনি পুতিলে। ৰঙালী বিহুৰ বিহুগীত, বিহু নাচৰ পৰিবৰ্তে বনি-এম, আব্বা, বিটলচ্‌ৰ সুৰত সুৰ মিলাই নাচিব'ল আৰম্ভ কৰি আমি পাহৰি গ'লো, **এইখন মোৰ লণ্ডন নহয়, এইখন অসমহে। সৰু সৰু ল'ৰা-ছোৱালীৰ দৰে আজিৰ যুবাচামো অনুকৰণ প্ৰিয় হৈ পৰিল।** এনেবোৰ কাণ্ডৰ প্ৰতি তেওঁলোকৰ মনোভাৱ কেনে জানিবলৈ হাবিয়াস ওপজাত সুধিছিলো —



"বৰষ তলৰ নাচনী ঢুলীয়াই
মঞ্চত বিহু পাতিলে।
বাপতি সাহোন বহাগী আইটিক
বল ডেন্সাৰ সজালে।।"—আপোনাৰ মতামত জনাব।

শ্ৰীসুদীপ চক্ৰৱৰ্ত্তীয়ে ইয়াৰ উত্তৰ দিয়ে এনেদৰে—"অত্যাধুনিকতাৰ পৰশেই ইয়াৰ ঘাই কাৰণ। প্ৰাচীন সংস্কৃতি বা পৰম্পৰাক আধুনিকতাৰ নামত বিকৃত কৰাটো গৰ্হিত কৰ্ম। বিহুৰ ঐতিহ্য আৰু মৰ্য্যাদা খৰ্ব কৰি বিকৃত কৰাটো উচ্ছৃংখল মানসিকতাৰ পৰিচয় মাথোন।"

শ্ৰীকবিতা ৰাণী দাসৰ বাবে অপ্ৰিয় হ'লেও ই সত্য। 'সময়ৰ লগে লগে সকলো বস্তুৰেই পৰিবৰ্তন ঘটে' সঁচা কিন্তু বাপতি সাহোন 'বিহু'টিৰ সৰলতাখিনিক তথাকথিত আধুনিক চামটোৱে দুৰ্বলতা বুলি কৰা এনে কাৰ্য্যৰ বিৰোদ্ধে সবল জনমতৰ অতিকৈ প্ৰয়োজন।" এইয়া আছিল মৰিনুল ইছলামৰ মতামত।

দেশ আৰু দহৰ প্ৰতি কৰা অন্যায়-অত্যাচাৰৰ বিৰোদ্ধে যুৱ কণ্ঠ সদায়ে বিপ্লৱী হৈ উঠে। কিন্তু প্ৰতিকূল সাংসাৰিক পৰিবেশ বা সীমাবদ্ধতাই বিপ্লৱী যুৱ মনক স্তব্ধ কৰিব পাৰে নে নোৱাৰে, ই সন্দেহৰ বিষয়। **হতাশা, নিৰাশা, বিফলতা আদিয়ে ঢাকি ৰখা যুৱ মনৰ জীৱনৰ প্ৰতি ধাৰণা কেনেকুৱা, এই বিষয়ে জানিবলৈ প্ৰশ্ন কৰিছিলো—"আপোনাৰ জীৱনটোক আপুনি কি বুলি ভাবে"**— এইয়া আছিল সমীক্ষাৰ একাদশ তথা অন্তিম প্ৰশ্ন।

শ্ৰীৰাম চন্দ্ৰ নাথে কয় "মোৰ জীৱনটোক মই কৰ্মৰ বৰ্ম পৰিহিত বিঘিনি কাঁইটেৰে সজ্জিত শৰশয্যাত সৰগৰ সপোন ৰচি থকা শায়মান জাগৃত ভীষ্ম সদৃশ এক প্ৰত্যাহ্বান বুলি ভাবো।

মঃ মৰিনুল ইছলামে কয়— "মই ভাবো মোৰ জীৱনটো এক অভিশাপ। যিহেতু ইয়াত নাই খঙাল বেলিৰ তেজাল উত্তাপ।"

"কেতিয়াবা অপমানিত, লাঞ্ছিত অৱহেলিত হৈছো কাৰোবাৰ ওচৰত, নিৰাশ, হতাশ হৈছো কোনো কোনো ক্ষেত্ৰত; কেতিয়াবা হাঁহিছো, কেতিয়াবা কান্দিছো, কাৰোবাক হুঁহৱাবলৈ চেষ্টা কৰিছো; এয়ে জীৱন। দুখত ভাগি পৰিলেও শান্তি লভো, ইয়াত বাদে জীৱননো কাক কয়? মোৰ মতেৰে কওঁ—এই যে জীৱন নামৰ তিনিটা আখৰে যেন কয়—জীয়াই থাকা, বৰ্তি থকা, নতুন পন্থা, উদ্যম আৰু অভিজ্ঞতাৰে।" এইয়া আছিল ৰুমী লস্কৰৰ বক্তব্য।

শ্ৰীসুদীপ চক্ৰৱৰ্ত্তীয়ে কয়— "দেওয়ালে দেওয়ালে মনের খেয়ালে
লিখি আমি কিছু কথা
আমি যে বেকার
পেয়েছি লেখার স্বাধীনতা।" কবি সুকান্ত

ভট্টাচাৰ্য্যৰ দৰে মইও আশাবাদী আৰু প্ৰতিজ্ঞাবদ্ধ পৃথিৱীক শিশুৰ বাসযোগ্য কৰি গঢ়ি তোলাৰ বাবে। সেয়ে কবিৰ দৰে ময়ো ক'ব খোজো— "এই পৃথিবীকে শিশুৰ বাসযোগ্য
কৰে যাব
তাৰপৰ হব আমি ইতিহাস।"

নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীপ্ৰদীপ শইকীয়াই কয়—

"মৃত্যুৰ দৰে জীৱনৰো নতুন সংজ্ঞা নাই।
সাগৰৰ বালিত ৰ'দত চক্‌চকাই পৰি থকা
শামুকৰ খোলা বুটলি ফুৰা মানুহটোৰ নাম জীৱন।
তাৰ দৃষ্টিত কেতিয়াবা বন্দৰমুখী জাহাজে
লংগৰ পেলায়। কেতিয়াবা পালত জুই লগা
জাহাজে দিক্ হেৰুৱায়। নিৰ্জন দ্বীপৰ শুকান
বালিত পোত খায় মাস্তুল। তেতিয়াও জীৱনে
খোলা বুটলি জোলোঙা ভৰায়। এদিন—
জোলোঙাটোও বালিত পোত খায়।"

যুৱ-মনৰ সমগ্ৰ চিন্তামণ্ডল, কাৰ্য্য আৰু কাৰণৰ শুং-সূত্ৰ বিচাৰি যুৱ-মনৰ কাষ চপাৰ বিনম্ৰ প্ৰয়াস কৰা হৈছিল যদিও আমাৰ প্ৰশ্নৰ সীমাবদ্ধতা আৰু চেষ্টাৰ ত্ৰুটীৰ বাবে কিমান সফল হৈছো, এইটো আপোনাসবৰ বিচাৰ্য্যৰ বিষয়। যুৱ-চিন্তাৰ এটা মোটামোটি আভাস যদি সমীক্ষাটোত পৰিস্ফুট হৈছে, তেন্তে সেয়াই হ'ব আমাৰ সাৰ্থকতা। আমি লগপোৱা ডেৰকুৰি যুৱক-যুৱতীৰ প্ৰায় সকলোৰে উত্তৰ সমাৰ্থক আৰু সাধাৰণ বিধৰ হোৱা বাবে, তাৰে ক্ষুদ্ৰাংশ এটিহে সমীক্ষাত উপস্থাপন কৰিলো। সেইবাবে দুখিত।

শেষত, আনন্দমনেৰে মতামত ব্যক্ত কৰা সকলোকেইগৰাকী যুৱক-যুৱতী আৰু সমীক্ষা প্ৰকাশত সহায়-সহযোগ কৰা সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

—সম্পাদিকা



# সম্পাদিকাৰ প্ৰতিবেদনসমূহ ঃ

## সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ঃ

সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন লিখিবলৈ লোৱাৰ আগতে মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ অধ্যক্ষ মহোদয় প্ৰমুখ্যে মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দলৈ। লগতে ছাত্ৰী বান্ধৱী, বাইদেউসকললৈ একাঁজলি মৰম আগবঢ়ালোঁ।

১৯৮৭ চনৰ নৱেম্বৰ মাহৰ এটি পুৱাত শ্ৰেণী কোঠাত পাঠ গ্ৰহণ কৰি থকা সময়ত এগৰাকী ছাত্ৰীয়ে এটি নিয়ম ভঙ্গ কৰাৰ বাবে সেইদিনা আমাৰ অতি শ্ৰদ্ধাৰ এজন শিক্ষাগুৰুৱে মহাবিদ্যালয়ৰ পৰম্পৰাগত ৰীতি-নীতি উলংঘা কৰাকে আদি কৰি বৰ্তমান সমাজত উঠি অহা চামটোৰ ভৱিষ্যতৰ বিষয়ে বহুখিনি দিশ আঙুলিয়াই দিছিল। সেই শুভ মুহূৰ্ত্ততে অনুষ্ঠানটোৰ ঐতিহ্য আৰু গৌৰৱ ৰক্ষা কৰিবলৈ সংকল্প লৈ মই মনোনয়ন পত্ৰ দাখিল কৰোঁ আৰু ১৯৮৭-৮৮ চনৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে এই মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদিকা নিৰ্বাচিত হওঁ।

কাৰ্য্যভাৰ হাতত লৈ চাৰিদিনীয়া কাৰ্য্যসূচীৰে কলেজ-সপ্তাহ সমাৰোহ উদ্‌যাপন কৰা হয়। ইয়াত ক্ৰীড়া বিভাগ, সঙ্গীত বিভাগ আৰু সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয় আৰু এই প্ৰতিযোগিতাত বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। এই পুৰস্কাৰ প্ৰদানৰ সভাত মুখ্য অতিথিৰূপে যোগদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰাক্তন অধ্যাপিকা ড° নীলিমা দত্ত বাইদেউৱে। বাইদেউয়ে তেখেতৰ ভাষণত বৰ্ত্তমান সমাজত নাৰীৰ কৰ্ত্তব্য আৰু তাৰ বাবে ছাত্ৰীসকলৰ প্ৰাথমিক প্ৰস্তুতিৰ বিষয়ে বহুকেইটা দিশ পুংখানুপুংখ ৰূপে বুজাই দিয়ে। উক্ত সভাত সভাপতিত্ব কৰে অধ্যক্ষ বিমল কুমাৰ বৰাদেৱে। এই বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ ৰীতা বৰা, শ্ৰেষ্ঠা গায়িকা অদিতি ভূঞা, শ্ৰেষ্ঠা অভিনেত্ৰী কুঁৱলী ভূঞা। এই সমাৰোহৰ প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ সংখ্যা নিচেই কম হোৱাৰ চাই ছাত্ৰীসকলে খেল-ধেমালি, নৃত্য-গীত, অভিনয় আদিক শিক্ষাৰ অঙ্গ হিচাৰে অনুভৱ নকৰা যেন অনুমান হয়।

ইয়াৰ পাছত মাঘ মাহৰ শ্ৰীপঞ্চমী তিথিত বাগ্‌দেৱীৰ শ্ৰীচৰণত এপাহি পুষ্প প্ৰদান কৰা হয় । লগতে 'বাণী বন্দনা' অনুষ্ঠানটিয়ে সোণত সুৱগা চৰায় । শিক্ষাগুৰু শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞাদেৱে আৰু শ্ৰীযুত জ্যোতি চক্ৰৱৰ্তীদেৱে এই অনুষ্ঠানত নিজে আগভাগ লৈ অনুষ্ঠানটি সুকলমে হোৱাত সহায় কৰে । পূজাৰ কামত শ্ৰীযুত মহেন্দ্ৰ নাথ শইকীয়াদেৱ আৰু ফাইজুৰ ৰহমানদেৱে আৰম্ভনিৰে পৰা শেষলৈকে থাকি আমাক সহায়-সহযোগিতা আগবঢ়ায় ।

এইবাৰ অসমৰ বুকুলৈ দুৰ্দশা নমাই অনা ভয়ঙ্কৰ বানপানীৰ পৰিপ্ৰেক্ষিতত মহাপুৰুষ শ্ৰী শ্ৰী মাধৱ দেৱৰ তিথিভাগ পাতিব পৰা নহ'ল । এই তিথি উদ্‌যাপনৰ বাবে ধাৰ্য্য কৰা ৬০০'০০ (ছশ) টকা মুখ্যমন্ত্ৰীৰ বান সাহায্য পুঁজিলৈ দান কৰা হয় । লগতে মহাবিদ্যালয়ত বানপানীয়ে সৃষ্টি কৰা শোচনীয় পৰিবেশৰ বাবেও মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱৰ তিৰোভাৱ তিথি-ভাগ উদ্‌যাপন কৰা নহ'ল । এই তিথি উদ্‌যাপনৰ বাবে ধাৰ্য্য কৰা ৯০০'০০ টকাৰ লগত আৰু ৪০০'০০ (চাৰিশ) টকা যোগ কৰি মুঠ ১৩০০ (তেৰশ) টকাৰে মহাবিদ্যালয়ৰ কেইপদমান প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱ পূৰণ কৰা হয় ।

অতিকৈ আনন্দ তথা গৌৰৱৰ বিষয় যে এই বছৰ আমাৰ মহাবিদ্যালয়ত সাহিত্য-চৰ্চাৰ যোগেদি প্ৰতিভাৱান ছাত্ৰীক উলিয়াই আনিবৰ বাবে 'নগাঁও ছোৱালী কলেজ সাহিত্য চ'ৰা' নামকৰণেৰে এটি সাহিত্যানুষ্ঠান খোলা হয় । এই অনুষ্ঠানটি মুকলি কৰিবৰ দিনা প্ৰতিষ্ঠিত সাহিত্যিক হিতেশ ডেকা, সেই সময়ৰ অসম সাহিত্য সভাৰ উপ-সভাপতি ডঃ লক্ষ্মীনন্দন বৰাকে আদি কৰি বহুকেইজন সাহিত্যিক উপস্থিত থাকি অনুষ্ঠানটিৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি ভাষণ দিয়ে । বৰ্ত্তমানলৈকে ইয়াৰ নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰি ছাত্ৰীসকলক যথেষ্ট প্ৰেৰণা যোগোৱা হৈছে । এই চ'ৰাৰ এটি বৈঠকত অসম সাহিত্য সভাৰ বৰ্ত্তমান সভাপতি শ্ৰীযুত মহিম বৰা দেৱেও পৰ্য্যবেক্ষকৰ আসনত বহি ছাত্ৰীসকলৰ লেখনীসমূহ পৰ্য্যবেক্ষণ কৰিছিল । সেই সভাত নগাঁও ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ উদ্যোগত অসম সাহিত্য সভাৰ জাতীয় ন্যাস পুঁজিলৈ কিছু অৰ্থ সাহায্য দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হয় আৰু কাৰ্য্যকালৰ শেষৰ ফাললৈ নগদ ১০০১'০০ ( এহেজাৰ এটকা ) উক্ত ন্যাস পুঁজিলৈ আগবঢ়োৱা হয় ।

নতুনক আদৰি পুৰণিক বিদায় দিয়াটো প্ৰকৃতিৰ চিৰন্তন সত্য ঘটনা । আমিও পুৰণি ছাত্ৰীসকলক বিদায় দি ন-কৈ অহা ছাত্ৰীসকলক স্বাগত সম্ভাষণ জনাওঁ । এই আদৰণি অনুষ্ঠানত ড° নগেন শইকীয়াদেৱ উপস্থিত থাকি তেখেতৰ ভাষণৰ জৰিয়তে ছাত্ৰীসকলক যথেষ্ট জ্ঞানৰ সম্ভেদ দিয়ে । তেখেতৰ ওচৰত আমি কৃতজ্ঞ হৈ ৰ'লো ।

এইবাৰ অসম সাহিত্য সভাৰ সভাপতি পদলৈ নিৰ্বাচিত হোৱা শ্ৰীযুত মহিম বৰাদেৱক সদৌ নগঞা ৰাইজৰ লগতে আমাৰ ছাত্ৰীসকলেও আনন্দত অভিভূত হৈ তেখেতক আমন্ত্ৰণ



কৰি আনি সম্বৰ্দ্ধনা জনোৱা হয় । সেই সম্বৰ্দ্ধনা অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক অপূৰ্ব শৰ্মাদেৱে বৰাদেৱৰ গল্পৰ ওপৰত আৰু অধ্যাপক প্ৰভাত বৰাদেৱে তেখেতৰ কবিতাৰ ওপৰত ভাষণ দিয়ে ।

এই বছৰটোতে আমাৰ নগাঁও ছোৱালী কলেজৰ এটি আনন্দৰ বতৰা যে আমাৰ লগতে লাগি থকা আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত জ্যোতি চক্ৰৱৰ্ত্তীদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত পি, এইচ, ডি ডিগ্ৰী অৰ্জন কৰে । ছাত্ৰীসকলে আনন্দ তথা গৌৰৱেৰে শিক্ষাগুৰুজনাক সম্বৰ্দ্ধনা জ্ঞাপন কৰে ।

## আমাৰ অভাৱ ঃ

অভাৱ শব্দটোক ব্যাখ্যা কৰিবলৈ গলে সি এটা বৃহৎ আকাৰ ধাৰণ কৰিব । আমাৰ মহাবিদ্যালয় আৰু ছাত্ৰী নিবাস দুটাত যথেষ্ট অভাৱ আছে । তাৰে কিছু অভাৱ দূৰ কৰা হৈছে । ছোৱালী কলেজ হিচাবে এখন ফুলৰ বাগিছা নথকাটো অতিকৈ পৰিতাপৰ বিষয় । লগতে এটা দিশত বিশেষ ভাৱে দৃষ্টি গোচৰ কৰিব বিচাৰো যে আমাৰ মহাবিদ্যালয়ৰ শৌচাগাৰ আৰু প্ৰস্ৰাৱাগাৰ কেইটাৰ দুৰ্গন্ধ দূৰীকৰণৰ বাবে একোটাকৈ পানীৰ নলীৰ ব্যৱস্থা অনতি পলমে কৰিব লাগে । এইবাৰ ছাত্ৰী নিবাস দুটাত ৰং দিয়া, বিজুলী বিচনী যোগান, নলীৰ যোগেৰে পানী যোগান ( বৰ্ত্তমান এইকাম আধৰুৱা হৈ আছে ) আদি কাৰ্য সমাধা কৰা হয় । ছাত্ৰী নিবাস দুটাত পৰ্দাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা হৈছে । লগতে ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ বাবে খেলা-ধূলা, আৰু সাঙ্গীতিক দিশত গুৰুত্ব দিবলৈ দুয়োটা ছাত্ৰী-নিবাসৰ নবাগতা আদৰণি সভাত অধ্যক্ষ মহোদয়ক জনোৱা হৈছে । তদুপৰি মহাবিদ্যালয়ৰ ছাত্ৰীসকলক নিৰাপত্তা,, পৰিস্কাৰ-পৰিছন্নতা আৰু নিয়মানুবৰ্ত্তিতা আদিৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিবলৈ কৰ্ত্তৃপক্ষক জনোৱা হয় ।

এইখিনিতে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ এটি অপ্ৰিয় সত্য কথা উল্লেখ নকৰি নোৱাৰিলো যে বহুসংখ্যক ছাত্ৰীয়ে মহাবিদ্যালয় খনক নিজৰে এটা অনুষ্ঠান বুলি ভাবিবলৈ কিছু কুণ্ঠাবোধ কৰা যেন অনুমান হয় । মহাবিদ্যালয়ৰ ঐতিহ্য, পৰম্পৰা আৰু অনুষ্ঠিত উৎসৱ সমূহৰ প্ৰতি যেন ছাত্ৰীসকল উদাসীন তেনে এটা মনোভাৱ পৰিলক্ষিত হয় । মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা উৎসৱ সমূহত ছাত্ৰীসকলৰ উপস্থিতি পলমকৈ হয় বাবেই সময়ানুবৰ্ত্তিতা ৰক্ষা কৰিব পৰা নাযায় । লগতে আমাৰ মহাবিদ্যালয়ত থকা ইউনিফৰ্মবোৰৰ প্ৰতিও ছাত্ৰীসকলৰ অনিহা । যিহেতু এই অনুষ্ঠানটি জন্ম দিওঁতে জন্ম দাতা সকলে অশেষ কষ্ট ত্যাগ স্বীকাৰ কৰিব লগা হৈছে, সেয়ে তেখেত সকলে বান্ধি থৈ যোৱা ৰীতি-নীতি খিনিকে সন্মান প্ৰদৰ্শন

কৰাটো নিতান্ত্যই প্ৰয়োজন। সেয়ে এবছৰীয়া কাৰ্য্যকালৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি মোৰ সকলোৰে ওচৰত এটি অনুৰোধ যাতে শিক্ষক, ছাত্ৰী আৰু কৰ্মচাৰী সকলৰ এটি সু-মধুৰ সম্পৰ্কই মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰে।

বিগত বছৰটোত পৰলোক প্ৰাপ্তি হোৱা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰথিত-যশা সাহিত্যিক ত্ৰৈলোক্য নাথ গোস্বামীদেৱক শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে নগাঁৱৰ বিশিষ্ট সমাজ কৰ্মী বালিৰাম দাস আৰু ৰূপৰাম সুতদেৱৰ বিদেহী আত্মাৰ সদগতিৰ কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

শেষত মোৰ কাৰ্য্য কালত সহায়-সহযোগ আৰু সু-পৰামৰ্শৰে যেনেদৰে সহায় কৰিলে তাক মই স্মৃতি গৰ্ভৰ পৰা বিস্মৃতিৰ গৰ্ভলৈ কোনোদিনেই নিব নোৱাৰিম। মোৰ পূজ্য অধ্যক্ষ মহোদয় প্ৰমুখ্যে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, শ্ৰদ্ধাৰ কৰ্মচাৰীসকল আৰু মৰমৰ ছাত্ৰী বান্ধৱী সকলৰ ওচৰত মই ঋণী হৈ ৰ'লো। মোৰ কাৰ্য্যকালত মোক ব্যক্তিগত কামৰ পৰা সমূহীয়া কামলৈকে ছাঁৰ দৰে থাকি সহায় কৰা কুমাৰী শেৱালি শৰ্মালৈ আৰু বিভিন্ন কামত সহায় কৰা তুলিকা শইকীয়া, ৰুমী লস্কৰ, জুৰি শইকীয়া, দীপিকা তামুলী, গায়ত্ৰী বৰা, ভণ্টি চৈয়দা হাজৰিকাকে আদি কৰি দুয়োটা ছাত্ৰী নিবাসৰ সমূহ ছাত্ৰীলৈ মোৰ মৰমৰ সঁফুৰা আগবঢ়ালো। অদিতি বাইদেউ আৰু কবিতা বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিলো। পাৰহৈ যোৱা দিন কেইটাত কৰা ভুল-ভ্ৰান্তিবোৰৰ বাবে কৰযোৰে ক্ষমা ভিক্ষা মাগি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ আৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

।। জয়তু নগাঁও ছোৱালী কলেজ ।।

**শ্ৰীঅঞ্জু বেজবৰুৱা**
সাধাৰণ সম্পাদিকা
নগাঁও ছোৱালী কলেজ।



# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন ঃ

অসমৰ স্ত্ৰী-শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত নগাঁও জিলা তথা মধ্য অসমৰ একমাত্ৰ স্ত্ৰী-শিক্ষা অনুষ্ঠান নগাঁও ছোৱালী কলেজৰ ১৯৮৭-৮৮ চনৰ ছাত্ৰী একতা সভাৰ সাংস্কৃতিক সম্পাদিকা হিচাপে বিনা প্ৰতিদন্দ্বিতাৰে নিৰ্বাচিত কৰি কলেজ তথা ছাত্ৰীসকলক সেৱা কৰাৰ যি সুযোগ দিলে, তাৰ বাবে প্ৰতিবেদন লিখাৰ আৰম্ভণীতে মই সমূহ ছাত্ৰী বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। যদিও মনত বহু আশা লৈ সম্পাদিকাৰ পদ লৈছিলোঁ, তথাপি মোৰ কাৰ্য্য কালত কি কৰিব পাৰিলোঁ বা কি কৰিব নোৱাৰিলোঁ সেয়া ছাত্ৰীসকলৰ বিচাৰ্য্যৰ বিষয়। অৱশ্যে এই গধুৰ দায়িত্ব সদায় নিষ্ঠা সহকাৰে পালন কৰিবলৈ যত্ন কৰিছিলোঁ।

সাংস্কৃতিক সম্পাদিকাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই চাৰিদিনীয়া কাৰ্য্যসূচীৰে "কলেজ সপ্তাহ সমাৰোহ" আৰম্ভ হয়। এই সমাৰোহত সাহিত্য আৰু সাংস্কৃতিক বিষয়ৰ নানা প্ৰতিযোগিতা পাতিবলৈ সুবিধা পাওঁ। প্ৰতিযোগিতাসমূহৰ ভিতৰত আছিল আবৃত্তি, কুইজ, স্ব-ৰচিত গল্প-কবিতা ইত্যাদি। কিন্তু প্ৰতিযোগিতাসমূহত যিমান সংখ্যক ছাত্ৰীয়ে যোগদান কৰিব লাগি-ছিল, সিমান ছাত্ৰীয়ে যোগদান কৰা নাছিল। এই সমাৰোহ উপলক্ষে এখন প্ৰতিযোগিতা-মূলক প্ৰদৰ্শনীৰ আয়োজন কৰিছিলোঁ কিন্তু ছাত্ৰীসকলৰ প্ৰদৰ্শনীমূলক সামগ্ৰীৰ অভাৱত প্ৰদৰ্শনী পাতিবলৈ অক্ষম হ'লোঁ। ই নিশ্চয় ছাত্ৰী বান্ধৱীসকলৰ ভাল কাম নহ'ল। অথচ, নগাঁও ছোৱালী কলেজ কলা-সংস্কৃতিৰ দিশত পিছপৰা নহয়। গতিকে বিভিন্ন প্ৰতিযোগি-তাত যোগদানৰ জৰিয়তে তেওঁলোকে নিজৰ বৌদ্ধিক জ্ঞানৰ উৎকৰ্ষতা সাধন কৰিব পাৰে। ভৱিষ্যতে প্ৰতিযোগিতাসমূহত যোগদান কৰি ছাত্ৰীসকলে তেওঁলোকৰ সুকুমাৰ কলা-সংস্কৃতি-সুলভ মনোবৃত্তিৰ পৰিচয় দিয়াৰ চেষ্টা কৰিব বুলি আশা কৰিলোঁ।

প্ৰতি বছৰে পালন কৰি অহাৰ দৰে এইবাৰো জ্ঞান প্ৰদায়িনী শ্ৰীশ্ৰী সৰস্বতী দেৱীৰ পূজাভাগ তিনিদিনীয়া কাৰ্য্যসূচীৰে পালন কৰা হৈছিল। "বাণী বন্দনা" নামৰ অনুষ্ঠানটিয়ে পূজাভাগৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে কলেজৰ গৌৰৱো বৃদ্ধি কৰে, যিহেতু অসমৰ বিভিন্ন কলেজ-সমূহৰ ভিতৰত দুই-এখনেহে এই অনুষ্ঠানটি পতা দেখা যায়। এই অনুষ্ঠানটি পতাত ডঃ জ্যোতি চক্ৰৱৰ্ত্তী চাৰ, শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভুঞা চাৰ, সঙ্গীত সম্পাদিকা শ্ৰীদীপিকা তামুলী আৰু অদিতি বাইদেউৱে যি সহায় কৰিলে তাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰলোঁ। আৰু পূজাভাগৰ লগতে এই অনুষ্ঠানটিও যাতে জীয়াই থাকে, তাৰ বাবে সচেষ্ট হবলৈ মই মোৰ পিছৰ সম্পাদিকাসকলক অনুৰোধ জনালো।

কলেজৰ বিভিন্ন কাম-কাজত আমি ছাত্ৰী একতা সভাৰ বিশেষ কেইগৰাকীমান সম্পাদিকাৰ সহায়-সহযোগিতাৰ অভাৱ অনুভৱ কৰিছিলো। দায়িত্ব পালন কৰাৰ বাবে যদি তেওঁলোকৰ ইমানেই অমনোযোগিতা বা অৱহেলা, তেন্তে তেওঁলোক ছাত্ৰী একতা সভাৰ সদস্য হ'বলৈ আগবাঢ়িছিল কিয়, নুবুজো। কলেজখনৰ সমূহ ছাত্ৰীকে প্ৰতিনিধিত্ব কৰিবলৈ ছাত্ৰী একতা সভাখন গঠন কৰি দিয়াতে কলেজৰ ছাত্ৰীসকলৰ দায়িত্ব শেষ হৈ নাযায়। যিহেতু ই তেওঁলোকৰ সমৰ্থনত গঠিত হোৱা তেওঁলোকৰে অনুষ্ঠান।

অসমৰ বানপানী এটা নতুন কথা নহয়। তথাপিও এইবাৰৰ বানপানীয়ে অসমৰ ৰাইজক খুব বেয়াকৈ আঘাত কৰিলে। আমাৰ কলেজত প্ৰতি বছৰে পালন কৰি অহাৰ দৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ তিথিভাগ যদিও বিভিন্ন কাৰ্যসূচীৰে পালন কৰাৰ দিহা কৰিছিলো, কিন্তু ৰাজ্য তথা কলেজৰ চৌদিশত হোৱা বানপানীৰ শোচনীয় পৰিস্থিতিৰ বাবে পাতিব নোৱাৰিলো। ইয়াৰে কিছু টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়োৱা হ'ল।

কলেজৰ উৎসৱসমূহ পাতিবৰ বাবে সাংস্কৃতিক বিভাগৰ কেইবিধমান সঁজুলিৰ অভাৱ আছিল। সৰস্বতী পূজা, তিথি বা আন উৎসৱ আদি পাতিবৰ সময়ত কেইবিধমান সঁজুলিৰ অভাৱত ঘৰে ঘৰে বিচাৰিব লগীয়া হয়। আৰু সময় মতে সকলো বস্তু পোৱাত অসুবিধা হৈছিল। কলেজ কৰ্তৃপক্ষইও আমাৰ অৱস্থাৰ কথা উপলব্ধি কৰিছিল। সেয়ে; মই অভাৱখিনিৰ কথা অধ্যক্ষ মহোদয়ক ব্যক্ত কৰাত তেখেতে মোক লাগতিয়াল প্ৰায় সঁজুলিৰে অভাৱ পূৰণ কৰাত সহায় কৰিছিল যদিও এতিয়াও দুই এপদ সঁজুলি পাবলৈ বাকী আছে। অধ্যক্ষ মহোদয়ৰ ওচৰত অনুৰোধ কৰো যেন সেই কেইপদো যোগাৰ কৰি দি ছাত্ৰীসকলক সহায় কৰে।

শেষত কাৰ্য্যকালৰ প্ৰতিটো কামত প্ৰতিটো বিষয়ত মোক সদোপদেশ আৰু পৰামৰ্শেৰে সহায় আগবঢ়োৱাৰ বাবে অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰা, তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীযুত মহেন্দ্ৰ নাথ শইকীয়া, অধ্যাপিকা শ্ৰীযুতা হিমাদ্ৰি দেৱী, অধ্যাপক ফাইজুৰ ৰহমান আৰু মহাবিদ্যালয়ৰ সকলো অধ্যাপক-অধ্যাপিকালৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালো।

কাৰ্য্যভাৰ চলাই নিয়াত সকলো সময়তে মোক সহায় কৰি প্ৰেৰণা যোগোৱাৰ বাবে কলেজৰ কৰ্মচাৰীসকলক আৰু মোৰ বান্ধৱী তুলিকা, গায়ত্ৰী, অঞ্জু, শেৱালী, জুনমনি, শিখা, ৰুমী, চুলতানা ৰুমী, চুলতানা ছৈয়দা আৰু ছাত্ৰী নিবাসৰসমূহ ছাত্ৰীকে মোৰ আন্তৰিক শুভেচ্ছা যাঁচিলো।

মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে—

—শ্ৰীজুৰি শইকীয়া,
সাংস্কৃতিক সম্পাদিকা।



# ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

জয় জয়তে নগাঁও ছোৱালী কলেজৰ সমূহ ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ আৰু ১৯৮৭-৮৮ চনৰ ক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাবে তেওঁলোকৰ সেৱা কৰিবলৈ পাই নিজকে ধন্য মানিছোঁ।

ক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাবে গুৰু দায়িত্ব লৈ আমাৰ কলেজৰ ছাত্ৰীসকলক খেল-ধেমালিৰ প্ৰতি অনুৰাগী কৰি তোলাৰ যি কল্পনা কৰিছিলোঁ সেয়া বাস্তৱত পৰিণত কৰাটো দুৰূহ কাম। কিয়নো আমাৰ কলেজৰ ছাত্ৰীসকলৰ ক্ৰীড়ামুখী মনোভাৱৰ অভাৱ। তদুপৰি এই বিভাগৰ প্ৰয়োজনীয় সা-সৰঞ্জামো নাই। বিশেষকৈ আমাৰ কলেজৰ নিজা খেল-পথাৰৰ অভাৱেই মোৰ সন্মুখত অলঙ্ঘনীয় পাহাৰৰ দৰে ঠিয় দিছিল।

মই সম্পাদিকা হিচাবে দায়িত্ব ভাৰ লোৱাৰ কিছুদিন পিছতেই কলেজ সপ্তাহ সমাৰোহ আৰম্ভ হয়। সুকলমে সকলোবোৰ কাম হ'ল যদিও সন্তোষজনক প্ৰতিযোগীৰ অভাৱে ক্ৰীড়া সমাৰোহখনি ম্লান কৰি তোলে। কলেজ একোখনত শৈক্ষিক পৰিৱেশৰ লগতে খেল-ধেমালি কৰাৰ পৰিৱেশ এটিও অত্যাৱশ্যকীয়। সেয়েহে, এই ক্ষেত্ৰত থকা অভাৱ সমূহ অধ্যক্ষ মহোদয়ে অতি সোনকালে পূৰণ কৰে যেন। এই অভাৱ সমূহ পূৰণ হোৱাৰ পিছত আমাৰ ছাত্ৰী সকলে এই খেল পথাৰৰ পৰাই বিশ্বৰ আন খেল পথাৰত খেলিবলৈ আগবাঢ়ি যাব নিশ্চয় পাৰিব।

মোৰ কাৰ্য্যকালত প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে যি সকল অধ্যাপক-অধ্যাপিকা আৰু সহকৰ্মীয়ে সহায় আগবঢ়ালে, তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ আগবঢ়ালো। শেষত নগাঁও ছোৱালী কলেজৰ ক্ৰীড়া বিভাগৰ ভৱিষ্যত উজ্বল কামনাৰে প্ৰতিবেদনৰ মুখনি মাৰিলোঁ। ●

শ্ৰীকুৱঁলী ভূঞা
সম্পাদিকা ঃ ক্ৰীড়াবিভাগ

## তৰ্ক আৰু নাটক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

জয় জয়তে মই নগাঁও ছোৱালী কলেজৰ সমূহ চাৰ-বাইদেউলৈ মোৰ ভক্তিৰ অঞ্জলি নিবেদিছোঁ। ১৯৮৭-৮৮ চনৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু নাটক বিভাগৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰাৰ বাবে প্ৰতিবেদনৰ আৰম্ভণিতেই সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তৰ্ক আৰু নাটক বিভাগৰ সম্পাদিকা হিচাপে দায়িত্ব লোৱাৰ পাছতেই কলেজ সপ্তাহ সমাৰোহত তৰ্ক আৰু নাটকৰ উপৰিও আকস্মিক বক্তৃতা, কুইজ আদি পাতিব'ল যো-জা কৰো।

মোৰ কাৰ্য্যকালত তৰ্ক আৰু নাটক বিভাগৰ প্ৰতিযোগিতাৰ ক্ষেত্ৰত কিবা নতুনত্ব অনা বুলি ক'বলৈ মোৰ সাহস নাই। অৱশ্যে অধ্যাপক ৺বিনয় চন্দ্ৰ বৰা সোঁৱৰণি চলন্ত প্ৰতিযোগিতা খনি, শ্ৰদ্ধাষ্পদ অধ্যাপক শ্ৰীযুত অপূৰ্ব শৰ্মাদেৱে তথা কৰ্তৃপক্ষৰ সহযোগত আৰু সমূহ ছাত্ৰীৰ সহযোগিতাত সদৌ অসম ভিত্তিত এইবাৰ উৎসৱমুখৰ পৰিবেশৰ মাজেৰে উদ্‌-যাপন কৰা হয়। ইয়াত অসমৰ বিভিন্ন ঠাইৰ কলেজসমূহক আমন্ত্ৰণ জনোৱা হৈছিল আৰু কেইবাখনো মহাবিদ্যালয়ে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। আমাৰ মহাবিদ্যালয়েও যোগদান কৰিছিল। উক্ত প্ৰতিযোগিতাত যোগদান কৰাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী আৰাধনা ভূঞা আৰু চয়নিকা ডেকালৈ আন্তৰিকতাৰে শলাগ ললো লগতে, তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো। মোৰ অপৈনত দক্ষতাৰে সপ্তাহ সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতাৰ লগতে অধ্যাপক ৺বিনয় চন্দ্ৰ বৰা সোঁৱৰণি প্ৰতিযোগিতাৰ কামবোৰত বহুতো ক্ষেত্ৰত অসুবিধাত হতাশ, নিৰাশ হ'ব লগীয়াত পৰিছিলো। কিন্তু শ্ৰদ্ধেয় শিক্ষাগুৰু শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞাদেৱ, শ্ৰীঅপূৰ্ব শৰ্মাদেৱৰ উপদেশ, পৰামৰ্শ আৰু বান্ধৱী তুলিকা শইকীয়াৰ আশ্বাস আৰু সক্ৰিয় সহায়-সহযোগিতাত মই আগবাঢ়িবলৈ উৎসাহিত হৈছিলো। অধ্যাপক ডঃ জ্যোতিনাথ চক্ৰৱৰ্ত্তী চাৰেও এই ক্ষেত্ৰত মোক দিহা-পৰামৰ্শ আগবঢ়াইছিল। শিক্ষাগুৰুসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম নিবেদিলো।

উক্ত প্ৰতিযোগিতাৰ কামবোৰত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে ভন্তী আৰাধনা, ৰুমা, চৈয়দা আৰু বান্ধৱী দীপিকা, জুৰি, শেৱালীলৈ মোৰ আন্তৰিক ধন্যবাদ আগবঢ়ালো।

মোৰ অতি লগতে লাগি থাকি সহায় আগবঢ়োৱাৰ বাবে অঞ্জু, গায়ত্ৰী, তুলিকালৈ মৰম নিবেদিলো আৰু শলাগ লৈছো।

সদৌ শেষত নগাঁও ছোৱালী কলেজৰ সমূহ ছাত্ৰীৰে দীৰ্ঘায়ু তথা উজ্জ্বল ভৱিষ্যৎ কামনা কৰি, মোৰ চিৰপূজ্য শিক্ষক-শিক্ষয়িত্ৰীসকললৈ প্ৰণিপাত জনাই সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**শ্ৰীৰুমী লস্কৰ**
তৰ্ক আৰু নাটক সম্পাদিকা

## দুখীয়া সাহায্য পুঁজিৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে মই সকলো ছাত্ৰী বান্ধৱীকে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক নগাঁও ছোৱালী কলেজৰ ১৯৮৭-৮৮ চনৰ দুখীয়া সাহায্য পুঁজিৰ সম্পাদিকা হিচাবে নিৰ্বাচন কৰাৰ বাবে আন্তৰিক ধন্যবাদ জনালোঁ।

নতুন একতা সভাৰ যেতিয়া শপত গ্ৰহণৰ দিন কৰা হয়, তেতিয়াও একতাসভাৰ এটা পদ খালী আছিল। সেইটো হ'ল "দুখীয়া সাহায্য পুঁজি"ৰ সম্পাদিকাৰ পদটো। একতা সভায়ে পদটোৰ বাবে মোক মনোনীত কৰিলে। মইয়ো এই পদটো দিয়াৰ বাবে বেয়া নাপালো। এখন কলেজত এই পদটো থকা বৰ প্ৰয়োজনীয়। মই ভাবো আমাৰ কলেজত আন যিয়েই নাথাকক, আটাইতকৈ গৌৰৱ কৰিব লগীয়া কথা হৈছে— এই দুখীয়া সাহায্য পুঁজিটোৰ বাবে। আমাৰ অসমত ভাৰতৰ আন ঠাইৰ তুলনাত শিক্ষিতা মহিলাৰ সংখ্যা নিচেই তাকৰ। তাকৰৰ অৰ্থ এনে নহয় যে অসমৰ নাৰী আন ঠাইৰ তুলনাত মেধাৱী নহয়। প্ৰকৃততে আৰ্থিক অৱস্থা তেনেই নিশকটীয়া হোৱাৰ কাৰণে বহুতো ছোৱালীয়ে ধনৰ অভাৱত শিক্ষাৰ মুখ দেখা নাপায়। বৰ্ত্তমান অসমৰ ধানপানীয়ে বহুতো ছাত্ৰীক আৰ্থিক দুৰৱস্থা ঘটাই শিক্ষা লাভৰ পৰা বঞ্চিত কৰিছে। মোৰ কাৰ্য্যকালত মই কেইগৰাকীমান ছাত্ৰীক পাৰ্য্যমানে কলেজৰ দুখীয়া সাহায্য পুঁজিৰ পৰা আৰ্থিক সাহায্য আগবঢ়াও। পুঁজি সবল নহয় বাবে অধিক ছাত্ৰীক সাহায্য দিবলৈ সুবিধা নাপালো।

মোৰ আশা বৰ্ত্তমান আমাৰ পাছৰ ছাত্ৰী একতা সভাৰ যি গৰাকী ছাত্ৰীয়ে এই পদটিৰ ভাৰ লয়, তেওঁ মোৰ আধৰুৱা সপোনক বাস্তৱ ৰূপ দিবলৈ যত্ন কৰে যেন।

সদৌ শেষত নগাঁও ছোৱালী কলেজৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলো। লগতে মোৰ কাৰ্য্যকালত পুঁজি পৰিচালনাৰ কামত সহায় কৰাৰ বাবে অধ্যক্ষ মহোদয় আৰু সকলো শিক্ষা-গুৰুলৈ মোৰ আন্তৰিক ধন্যবাদ জনাই মোৰ প্ৰতিবেদন ইমানতেই সামৰিলা। ●

**চুলতানা চৈয়েদা হাজৰিকা**
দুখীয়া সাহায্য পুঁজিৰ সম্পাদিকা।

# নগাঁও ছোৱালী কলেজৰ সাহিত্য চ'ৰা ঃ

কলেজৰ ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চ্চাৰ পৰিবেশ এটা গঢ়ি তুলিবৰ উদ্দেশ্যে, তেওঁলোকৰ সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰাৰ লক্ষ্য আগত ৰাখি আমাৰ কলেজৰ অধ্যাপক শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞাদেৱৰ উদ্যোগত ইং ১২।২।৮৮ তাৰিখে কলেজৰ এক নং কোঠাত এখন সভা আহ্বান কৰা হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি (সাহিত্যাচাৰ্য) শ্ৰী যজ্ঞেশ্বৰ শৰ্মাদেৱৰ ৰচিত সমবেত গীতেৰে সভা আৰম্ভ কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা অঞ্জু বেজবৰুৱাই। ঔপন্যাসিক শ্ৰী হিতেশ ডেকাই সভাত সভাপতিত্ব কৰে। মুখ্য অতিথিৰ আসনত ৰহে খ্যাতনামা কথা সাহিত্যিক ড° লক্ষীনন্দন বৰাদেৱ। এই সভাত অধ্যক্ষ শ্ৰী বিমল কুমাৰ বৰাদেৱেও অতিথিৰ আসন গ্ৰহণ কৰে। অধ্যাপক শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞাদেৱে সভাৰ উদ্দেশ্যৰ বিষয়ে আৰু নগাওঁ জিলাত অসম সাহিত্য-সভাই চলাই থকা গণ—সংযোগ অভিযানৰ বিষয়ে বহলাই কয়। ড° লক্ষ্মীনন্দন বৰাদেৱে মুখ্য অতিথিৰ ভাষণত চ'ৰাৰ প্ৰয়োজনীয়তাৰ কথা অৱগত কৰে আৰু চ'ৰাটো আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে। সভাপতি শ্ৰীহিতেশ ডেকা ডাঙৰীয়াই ৰসিক ভাষাৰে চ'ৰাটো গঠন কৰাত সন্তোষ প্ৰকাশ কৰি এনেধৰণৰ চ'ৰাৰ প্ৰয়োজনীয়তাৰ কথা ছাত্ৰীসকলক জনায়। জাতীয় সঙ্গীত 'অ' মোৰ আপোনাৰ দেশ'ৰে এই উদ্বোধনী চ'ৰাৰ সভাখন ভংগ কৰা হয়। সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰা বিশিষ্ট ব্যক্তিসকলৰ মাজত উপস্থিত আছিল অসম সাহিত্য সভাৰ কেইবাজনো গণ্যমান্য ব্যক্তি আৰু আমাৰ কলেজৰ কেইবাগৰাকী অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী।

এই সভাতে প্ৰবক্তা শ্ৰীহিমাদ্ৰি দেৱীক সভানেত্ৰী; প্ৰবক্তা শ্ৰীস্বপ্না নেওগ ( বৰা )ক উপসভানেত্ৰী, শ্ৰীতুলিকা শইকীয়াক সম্পাদিকা আৰু শ্ৰীৰুমী লস্কৰক সহকাৰী সম্পাদিকা ৰূপে লৈ পোন্ধৰ গৰাকী সদস্যাৰে সাহিত্য চ'ৰা এখনৰ কাৰ্য কৰী সমিতি গঠন কৰা হয়। এই সভাতে অসম সাহিত্য সভাৰ জাতীয় ন্যাসপুঁজিলৈ ছাত্ৰী একতা সভাই চৈধ্যশ টকা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে।

এই অনুষ্ঠানৰ পিছৰে পৰা নিয়মিত ভাৱে চ'ৰাৰ বৈঠক অনুষ্ঠিত হয় আৰু বিভিন্ন ছাত্ৰীয়ে স্বৰচিত কবিতা, গল্প, প্ৰবন্ধ আদি পাঠ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

প্ৰথম সভাত পৰ্য্যবেক্ষক হিচাবে অধ্যাপক শ্ৰীযুত প্ৰভাত বৰাদেৱে এটি সাৰগৰ্ভ বক্তৃতাৰে ছাত্ৰীসকলক উৎসাহিত কৰে। অধ্যাপিকা শ্ৰীমালতী বৰায়ো চমু বক্তৃতাৰে চ'ৰাটিৰ উন্নতি কামনা কৰে। সভানেত্ৰী শ্ৰীহিমাদ্ৰি দেৱীয়েও এটি চমু অথচ তাৎপৰ্য্যপূৰ্ণ বক্তৃতাৰে ছাত্ৰীসকলক উৎসাহিত কৰে।

দ্বিতীয়খন বৈঠক অনুষ্ঠিত হয় ৯-৪-৮৮ তাৰিখে। যশস্বী কথা সাহিত্যিক শ্ৰীযুত মহিম বৰাদেৱে এই সভাত মুখ্য অতিথিৰূপে যোগদান কৰাৰ উপৰিও পৰ্য্যবেক্ষকৰ আসন গ্ৰহণ কৰি এটি সুৱলা বক্তৃতাৰে ছাত্ৰীসকলক সাহিত্য চৰ্চ্চাৰ প্ৰতি মনোনিবেশ কৰাত উৎসাহিত কৰে। অধ্যাপক যোগেন্দ্ৰ নাৰায়ণ ভূঞা ডাঙৰীয়াই মহিম বৰাৰ সাহিত্য-কীৰ্ত্তিৰ বিষয়ে ছাত্ৰীসকলৰ আগত সাৱলীল ভাষাৰে অৱগত কৰে।

ইয়াৰ পিছত ক্ৰমে ২০-৮-৮৮ তাৰিখে এই সভাৰ তৃতীয়খন বৈঠক আৰু ৩০।৯।৮৮ তাৰিখে সভাৰ চতুৰ্থখন বৈঠক নিৰ্দ্দিষ্ট সময়তেই অনুষ্ঠিত হয়। আমাৰ কলেজৰ অধ্যাপক অসমৰ খ্যাতনামা এজন আগশাৰীৰ গল্পকাৰ শ্ৰীঅপূৰ্ব শৰ্মাদেৱে এই সভাৰ তৃতীয় বৈঠকত গল্পৰ বিষয়ে তাৎপৰ্য্যপূৰ্ণ এলানি বক্তৃতা দিয়ে। অধ্যাপিকা হিমাদ্ৰি দেৱীয়ে ছাত্ৰীসকলক প্ৰতিখন বৈঠকতে উদগনি দিয়ে।

মাজে মাজে তথাপি ছাত্ৰীসকলৰ কেতিয়াবা কম উপস্থিতিত বৰ অসহায় অনুভৱ কৰিবলগীয়া হয়। এই ক্ষেত্ৰত অধ্যাপক শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞাদেৱৰ উৎসাহ বাণীত আমি কৰিব নোৱাৰিম বুলি ভৱা কামটোও কৰিব পাৰিম বুলি আশাৰ সঞ্চাৰ হয়। মাথোন কেইগৰাকীমান ছাত্ৰী লৈ সাহিত্য আলোচনাৰ দৰে আমনি দায়ক সংগঠন এটা গঢ় দিবলৈ অহাটো কম কষ্টকৰ কথা নহয়। কিন্তু অধ্যাপক ভূঞাদেৱে 'যাৰ ইচ্ছা, আগ্ৰহ আছে তেওঁলোক আহিব, আমি তেওঁলোকৰ বাবেই কৰিম'' এনে দৃঢ় মনোভাবেৰে ওলাই নহা হলে কলেজত থাকি কলেজৰ শ্ৰেণীসমূহ নিয়মিত কৰাৰ উপৰিও সাহিত্যৰ দৰে তেনে এটা অনুষ্ঠানৰ ৰসাস্বাদন কৰাৰ সৌভাগ্য নহ'লহেঁতেন। তিতা কেৰেলা যেনেকৈ কাৰোবাৰ মুখত বেয়া লাগিলেও তাৰ ভাল গুণ আছে, সাহিত্যও কাৰোবাৰ বাবে তেনেকুৱা বস্তুৱেই। গতিকে, তিতা কেৰেলাৰ সামান্যতম তিতাক আনন্দৰে গিলিব পৰা লোকো যিহেতু আছে, সেয়ে তেনে লোকৰ বাবেই আমাৰ এই সাহিত্য চ'ৰাৰ জন্ম।

এই অনুষ্ঠানটি যাতে সদায় জীয়াই ৰাখিবলৈ চেষ্টা কৰে তাৰ বাবে মই সাহিত্য অনুৰাগী ছাত্ৰী বান্ধৱীসকললৈ আকুল আহ্বান জনাইছোঁ। তেওঁলোকে যেন নিঃসঙ্কোচে আগবাঢ়ি আহি এই সাহিত্য চ'ৰাত সমবেত হৈ আমাৰ আশা, আমাৰ সপোন, বাস্তৱত ৰূপ দিবলৈ চেষ্টা কৰিব। আৰু আমাৰ দৃঢ় বিশ্বাস এই সাহিত্য চ'ৰাই ছাত্ৰীসকলৰ সাহিত্য সৃষ্টিত অৰিহণা যোগাব। ০০

**শ্ৰীৰুমী লস্কৰ**
নগাঁও ছোৱালী কলেজ সাহিত্য চ'ৰা

## ১৯৮৮ ঃ বছৰৰ—

শ্ৰেষ্ঠা খেলুৱৈ



ৰীতা বৰা

শ্ৰেষ্ঠা আবৃত্তি আৰু সাহিত্য প্ৰতিযোগী




তুলিকা শইকীয়া

শ্ৰেষ্ঠা সঙ্গীত - শিল্পী



অদিতি ভূঞা

শ্ৰেষ্ঠা তাৰ্কিক



গায়ত্ৰী বৰা

# The Dialectie Materialistic Theory and Man.

Gayatree Bora
T. D. C. 2nd Year.

Is the universe material or spiritual ? Is it made of mind or spirit ? Is mind or soul a function, or a by product of the brain ? Or is it something different from matter ? Is it free or determined by-heredity and envirenment ? Philosophy seeks to answer these questions by logical thought and rational reflection. There are meny methods of philosophy and among them dialectic method is important.

Plato used the 'Socratic method' or negative dialectic method to ascertain the nature of truth, which is a method of refutation, Hegel followed the dialectical method of another type, which was positive and called dialectical idealism. His follower Karl Marx, adopted the dialectical method of his master and reached dialectical materialism,

Friedrich Hegel, the most outstanding and influential philosopher of Germany tried to present a view of the nature of the whole universe, not only as it is now, but as it has been and as it will be. He claimed that the most important factor in the world was consciousness and knowledge and individual men's minds are part of one great spirit which guides the course of the world. The self is a single abiding subject manifesting itsels in a plurality of states and activities. The self apart from its manifertations in particular mental state, is no more meaningless than the aggregate of mental states, apart from the unity ot the self. It is a concrete spiritual unity expressed in purticular ways, Self consciousness and self-determination are the characteristic features of the self, It is an organic whole of the mind and its states,

A philosopher who opposed Hegel in a different way was Karl Marx. He gave up Hegel's notion of a spirit which directed natural processes. As far as Marx was concerned there was only the material world plus hum n minds. He is concerned with human individuals and their behaviours. He called his philosophy materialism because he rejeced the Hegelian world spirit,

Marx believes in the theory of mechanical evolution of matter which is a dialectic movement. Evolution proceeds through conflicting forces — thesis, antithesis and synthesis, Mind or consciousness evolves from life. Life evolves from matter and motion. Individual perso..s' behaviour is determined by their physical and historical environment. which they change and with which themselves change.

Men evolved from the animals ; animals evolved from plants ; and plants evolved from inorganic matter. The complex animals evolved from the simple animals. The immutability of the species is a fiction. There is no fundamental difference between animal behaviour and human behaviour. Both animals and men are determined by the environment and change the latter. Just as animals are satisfied with food, sex and shelter, so men are satisfied with food, clothing, sex and shelter. Men like animals are concerned basically with their vital needs and material requirements. Human behaviour is determined by the mode of producing the means to satisfy such basic needs as food, shelter, clothing etc. This theory is called economic materialism. Men differ from animals in that they are intelligent and can change and control nature through technology. They differ from animals because they can produce their means of subsistence in a planned manner. They are changed by the environment, and change the environment effectively.

Change is a result of conflict. Changes in human nature are determined by the modes of production of the means of subsistance.

The capitalists try to monopalise the means of production and accumulate capital by giving bare subsistance to the workers, who actually produce the commodities. Thus a conflict ensues between the capitalists and the labours. There is a class war. Untill the capitalists are crushed and exterminated, and dictatorship of the protetariat is established, the class war will continue.

But there are also criticisms of this theory. It is questionable whether mind has evolved from life, and whether life has evolved from matter. It is also doubtful whether evolution is dialectical movement of matter and motion through thesis, antithesis and synthesis. The human mind or self is a free agent who can mould the environment to his needs and ideals. Man can never be satisfied with the provision of his vital needs and material requirements alone. The theory of economic materialism is Questionable. The human nature and behaviour are not entirely determined by the mode of production prevailiug in a society. They are determined by men's intellectual, moral aesthetic, and religious aspirations and ideals. Marx has a narrow and distorted view of human nature and motivation. His theory of class war is open to doubt. There are elements of truth in his economic doctrine. But his philosophy of man is fundamentally wrong. Complete reconstruction of human society is possible on a spiritual view of human nature which satisfies not only the economic needs of men, but also their deeper aspirations—intellectual, moral, aesthetic and religious.

But the philosopher Croce, a sympathetic critic of Marx, casually dismissed the ethical issue. According to him— "the philosophical opininon of Marx in regards to morality is of no great importance, and is even somewhat inopportune, since Marx was not a philosopher of ethics, nor bestowed much of his vigorous ability on there questions.

In fact Marx's doctrine have had a revolutionary effect on recent history and it dominates the radical thought of the present day. O

"Sublimity is the echo of a great soul."

*Lessing.*

# The Faith Of Kabir.

Prof : Malati Bora
Dept of Education

Vaishnavism is one of the oldest Cults of India. In this cult "Vishnu" is regarded as the "Supreme" God. Vishnu is conceived as liberal and beneficial God who bestows upon "His" worshippers peace and prosperity.

"Vaishnavism" is the name given to the Bhakti cult which recognised Vishnu Purusottam (the supreme person) Narayana as the sole lord. His essential character is symbolically represented in the form of Trivikrama. This, in all probability, may refer to the rising, culmination and setting of the sun.

Vishnu attained the position of prominence in the later Vedic period. He is referred as "The son of Dharma" implying thereby that the conception is pre-eminently ethical in character. From about the Fifth Century A. D. onwards the epithet "Parama Vaishnava" came into general acceptance.

The Bhagavata religion was a natural outcame of the reaction to the Brahmanic period. In Bhagavata religion mere emphasis is laid on moral and ethical qualities than on retualistic observance. It glorifies Vishnu and centering round him developed the practice of loving devotion from his followers. This, in due course, formalised into the cult of Bhakti. This new bhakti faith captured the imagination of multitudes and they took Bhakti alone is the way of attainment to salvation. As a reaction to Brahmanic religion which prohibited the "Sudras" and untouchables from the participation in religious ceremonies, it included them all into its fold and extended them the privilage of knowing God and attaining salvation.

Vaishnavism, thus laid mere emphasis on the devotion of one deity and thereby it refused to recognise or to worship other deities. Vaishanvism abolished all distinctions of caste, creed and social status. For a true Vaishnava all being are manifestation of "God's" power and they are all equal. Impelled by this idea of Universal equality Vaishnavism refused to accept the artificial barrier between man and man. Thus Vaishanvism became the nucleus for a radiation of new spiritual knowledge. It emphasises that by firm conviction in God and God alone, one may be able to obtain salvation or Mukti. Because of its refusal to recognise casteism, it began to attract people from all strata of life and it gradually emerged as a great religious movement throughout the country.

The study of the philosophy of Kabir the great vaishnava saint reveals that this doctrine is not confined to a systematic form. We find from his works that he has raised such questions as "who or what" is this "Hari" of 'Vishnu' with whom ultimate union is sought ? Of what nature is He ? Is He to be conceived as one personality ? In what way is His being expressed to the individual ? What is man ? What is the nature of human condition that he should seem to transcond ? What are the preferred means (Sadhan) and how does he appropriate them ? These and man other questions must be answered if we want to understand Kabir's concepts. What may be broadly called his "(theology)"— Religious philosophy.

The fact that Kabir's philosophy of doctrine is not in a systematic form does not mean that it is inconsistent. The main purpose of a systematic Religious philosophy is to construct a consistent frame work to develop an integreted pattern in order to record an individual or corporate religious experience. But in case of Kabir, it is difficult to wave such a pattern, because in doing so it will inevitably lose much of the spirit which promoted the original faith. Kabir has given as a synthesis and his synthesis is also relevant to his character and personality. Kabir was primarily a mystic. It is because of this, his thought patterns bear the qualities of profoundity and also obscurity. Kabir's work commanded a popular appeal from the time of its first orientation and this has made him immensely popular among all sections of people.

Throughout his religious preachings Kabir stressed in the unity of God. Kabir says,

"Listen O men and women
Take refuge in one God.
He is one, there is no second.
Ram, Khuda, Sakti.
Sakti, Siva are one. Tell me how to seperate them".

According to Kabir God is one and the eternal one. To Kabir, God does not merely creat, he also watches over it, and continues to function within in it. For Kabir, God is there from the very beginning and he is self-existent and

all-pervading.

According to Kabir, God in his fullness is far beyond the human intellect and man can no more apprehend that fullness than he can encompass the infinite. He says that God is eternal, without beginnings and beyond time and space, the one who is wholly constant. Kabir advises his followers that they should totally renounce their worldly love and all worldly attachement. These are all "Maya." Nothing of the world can accompany man after his physical death and so for every individual the world is a vain thing weich must pass away.

To Kabir, God is "Nirakar" without any form or shape. To have a form means to be involved in death which is the antithesis of God's own external being. According to him the world is caught up in the cycle of birth and death, of endless comings and going. But God is the "indestructible deathless eternal reality"

If an individual attentions He transferred from the world to God, the result is a relationship which endures to eternity. The person, who is united with God in such a relationship, himself participates, in the devine immortality. "Kabir constantly appeals to the listeners to abandon the worldly affection and attach themselves to the eternally tranquil and immutable God.

For Kabir, God in his fullness is far beyond the bounds of human understandings. His conception of 'God' is one who is boundless and ineffectable. God Is Agaom, Agocar, insecutike beyond the reach of the intellect Agah, unfathemable, Acaraj, astenishing : adrect beyond perception, anamt, infinite, apar, boundless, abol, akath, beyond utterances or description, ineffable.

Yet Kabir philosophy 'beliefs in his fullness i. e. God is infinite but he is not wholly unknowable or totally beyond the range of human perception or knowledge.

For Kabir, Raidas, Nanak and other saints there is certainly a relevation of God, partial no doubt but Consummate with the understanding and experience of human beings and accordingly adequate enough to show mankind the real path to spiritual salvation—leaving aside unnessary ritual and practices.

It may be mentioned in this connection that the religious philosophy of Sri Sri Sankardeva, the great Vaishnava preach of Assam has a close resemblance with that of Kabir. But a comparative assement of these two philosophers is not within the perview of the present article. We would like to have a discussion on this aspect in a seperate article in the next issue of this magazine.



# AGAIN

Neeta Sarma
H. S. 2nd year

The gentle touch of,
this cool breeze,
The warmth of,
this afternoon,
Makes me recall
the times......
We ; with all
Shared;
Then—Everyday !

Nature repeats herself,
Again, Again...
But, not we –
Or,
I'd ne'r have been
here
Today – Always !
Alone,
Just cherishing the
'gone'.
Wonder !
Is n't life a ...
Melancholic Strain
Or just,
a broken piece of poem ? ooo

RAJASTHANI DISH

# BATTI & DAAL PANCHMEL

Sangita Goenka
T.D.C 3rd year

Ingredients for Batti :

500 gm—Wheat Flour.
125 gm—Besan.
2tb. sp.- Ghee.
½ tea sp —salf
½ tea sp.- Red Chilli powder.
1 tea sp—Aniseeds.
125 gm - Curd.
and Ghee for dipping Battis

Method for Batti :

(1) Sieve wheat flour and besan together.
(2) Rub in the 2 tb. sp Ghee.
(3) Add the rest of the ingredients and knead dough like that of puris.
(4) Use water if required.
(5) Divide the dough into 8 portions And make into balls.
(6) Flatter a little on the palm of hand and bake in an oven till crisp and Brown-
(7) Dip into hot Ghee and serve with Panchmel daal.

( Note—Alternatively the balls of dough can be boiled in plently of water and then deep fried. )

Ingredients For Daal Panchmel :

100 gm—U aol daal. (washed)
50 gm—Chana daal.
50 gm—Moong daal.
5o gm—Arhar daal.
5o gm—Lentil.
1½ tea sp.—Salt.
1 tea sp.—Turmeric.
1 ter sp.—Red chili powder.
2 tb.sp.—Ghee.
3 Pods—of Garlic.
A pinch of- Asatoetedlia.

Method for Daal Panchmel :

(1) Pick. clean and wash daal.
(2) Soak together for half-an hour.
(3) Heat a tb.sp. of Ghee and Asatoetedia. And a minute, add the soaked daals.
(4) Also add Salt, turmcric and chilli powder.
(5) Add 3 cups of water and pressure cook the daal for minutes or full heat, and for another 5 minutes or reduced heat.
(6) When pressure is reduced, use a ladle to beat up the daal well.
(7) Heat 1 tb.sp. Ghee. Add crushed garlic and red chilli powder.
(8) Add immediately to the daal and serve hot with batti.

COCKTAIL DRINKS

(1) Ice cream cocktail :— 4 people Recipe & method :

Combine in the mini 1 Bottle campa cola or Thumsup or any other soda, two scoops vanilla ice cream (1 cup ice-cream or 5-6 table sp. ice cream) Juice of half lemon, 2 table spoon icing suger and 1½—2 cups crushed ice mix and serve immediately.

(2) Orange Delight :— 4 people Recipe & method :

Combine in the Mixi 1½ cup chilled melon pulp, 1½ table spoon lemon Juice 1½ tea spoon Salt, 6 table spoon icing sugar 12 cups crushed ice, Mix and serve immediatly.

(3) Pineapple and Banana Delight : Recipe & method : Combine in the mixi 1½ cup pineapple Juice, 1 Banana, two tea spoon honey, Juice of half a lemon, suger to taste. 1½ cup crushed ice. Mix and serve immediatly.

( নগাওঁ ছোৱালী কলেজ আলোচনী )

ছপা : স্বচ্ছন্দা প্ৰেছ : বীৰেণ মহন্ত পথ ; নগাওঁ ॥

বেটুপাত গুৱাহাটী 'লাৱণ্য প্ৰেছ'ত মুদ্ৰিত ।